# প্ৰান্তিক

৬ষ্ঠ বছৰ ১২শ সংখ্যা ১৬—৩০ মে '৮৭

সামাজিক ব্যাধিঃ
মহিলাৰ ওপৰত
অত্যাচাৰ



## শিক্ষা, সংস্কৃতি আৰু পৰিবেশ



OKDISCD





# প্ৰান্তিক

৬ষ্ঠ বছৰ ১২শ সংখ্যা ১৬—৩০ মে '৮৭ | মূল্য চাৰি টকা

ডাকঘৰ ঃ শিলপুখুৰী, গুৱাহাটী-৭৮১০০৩


## অহা সংখ্যাত

ফুচ্ছেৰ', ফুচ্ছেৰ'. —তোমাৰ সুউচ্চ চূড়াৰ পৰা দেখা পাওঁ—এডাল বগা সূতাৰ নিচিনাকৈ-ব্ৰহ্মপুত্ৰ নৈ ; —কি সুন্দৰ, কি সুন্দৰ ! ফুচ্ছেৰ', গোটেই চাকেংচাত তোমাৰ গাভৰুহঁত আটাইতকৈ সুন্দৰ। ক'তনো ইমান সুন্দৰ গাভৰু আছে ? —

নগাভূমিৰ স্মৃতিৰে **গোবিন্দ চন্দ্ৰ পৈৰাৰ** ৰচনা **এই বিচ্ছৰ বতৰতে**

এতিয়াও পৃথিৱীৰ লক্ষ-লক্ষ মানুহ খাদ্য আৰু ঔষধৰ অভাৱত মৰে, এতিয়াও লক্ষ-লক্ষ মানুহ আকাশৰ তলত শোৱে, তথাপি কোটি-কোটি-কোটি টকা সমৰ-সজ্জাৰ বাবে খৰচ কৰা হৈছে, মানবজাতিৰ ধ্বংসৰ বাবে খৰচ কৰা হৈছে। বিজ্ঞানী-সকলেও কিয় দিনে-দিনে অধিক মাৰাত্মক আণৱিক অস্ত্ৰ নিৰ্মাণৰ প্ৰতি অৰিহণা যোগাইছে ? মানৱ সমাজৰ উচ্চতম পৰ্যায়ত থকা মানুহবোৰেই বলিয়া হৈছে নে কি ?

**MAD বা মেড : Mutually Assured Destruction : ড° কুলেন্দু পাঠকৰ প্ৰবন্ধ**

বিশেষজ্ঞৰ মতে অসমৰ মাটিৰ তলত প্ৰায় ২৩ হাজাৰ নিযুত ঘন মিটাৰ গেছ আছে। বছৰত প্ৰায় ১ হাজাৰ নিযুত ঘন মিটাৰকৈ গেছ জ্বলাই থাকিলে ২৩ বছৰমানত গেছখিনি শেষ হ'ব। তাকে কৰি জঞ্জালবোৰ মাৰি থোৱাই ভাল নে কি ? অন্ততঃ ২৩ বছৰৰ পাছতো হাইয়-বিয়ৈ কৰাৰ বাট বন্ধ হ'ব'

**ৰাণু বৰুৱাৰ আলোচনা ঃ অসমৰ গেছ-সম্পদ আৰু অসম গেছ কোম্পানি**

কৰাছী চিত্ৰশিল্পী ডেলাক্ৰোৱাই কৈছিল— মোৰ বাবে প্ৰকৃতি এখন অভি-ধান। দেৱীক বৰুৱাৰ নিক্ষিপ্ত কাঠৰ (drift wood) সংগ্ৰহটো চাই আকৌ এবাৰ উপলব্ধি কৰিলো,—প্ৰকৃতি ফৰ্ম বা ৰূপ বৰ্ণৰ অফুৰন্ত অক্ষয় ভাণ্ডাৰ

**নীলমণি ফুকনৰ আলোচনা ঃ নিক্ষিপ্ত কাঠৰ ভাস্কৰ্যৰ সৌন্দৰ্য**

## এই সংখ্যাত

এপ্ৰিলৰ পৰা আগষ্ট মাহৰ ভিতৰত এটা ডাঙৰ ভূমিকম্প (ৰিচটাৰ স্কেলত ইয়াৰ জোখ ৭অৰ পৰা ৭'৫ৰ ভিতৰত) কেৱল ধেমাজীতহে হ'ব বুলি পুনেৰ বিজ্ঞানী ড° অৰুণ বাপটে ভৱিষ্যতবাণী কৰিছে। এই ভৱিষ্যতবাণীয়ে অসমত বিশেষ আলোড়নৰ সৃষ্টি কৰিছে।

এনে অৱস্থাত ধেমাজীৰ বাসিন্দাসকলেনো কি ভাবিছে সেইবিষয়ে উক্ত অঞ্চল ভ্ৰমণ কৰি ঘূৰি অহা **দীপক বেজবৰুৱাৰ** সচিত্ৰ প্ৰবন্ধ ঃ


**ড° বাপটৰ ভূমিকম্প আৰু ধেমাজীৰ ৰাইজ** ।১১।


বিশ্ববিদ্যালয়ৰ পৰীক্ষাৰ আগমুহূৰ্তত গুৱাহাটীৰ মাজ মজিয়াত থকা মহাবিদ্যালয় এখনলৈ বাহিৰৰ বিভিন্ন ঠাইৰপৰা যথেষ্ট সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে ট্ৰেন্সফাৰ লয় ; —কাৰণ, এইখন মহাবিদ্যালয়ত হেনো 'ভালদৰে' পৰীক্ষা দিবলৈ সা-সুবিধা পোৱা যায় ! বিশ্ববিদ্যালয়ৰ অধিনিয়ম আৰু মহাবিদ্যালয়খনত থকা সা-সুবিধা আৰু সামৰ্থালৈ লক্ষ্য নকৰি গোটেই শিক্ষা বছৰটোতে যিকোনো সময়তে ভৰ্তিৰ কাম চলি থকা এইখন মহাবিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা যোৱা ফেব্ৰুৱাৰী মাহত ৩৯৯৭ জন আছিল।

আমাৰ শিক্ষা ব্যৱস্থাত চলি থকা এনেবোৰ অনিয়মে এক অন্ধকাৰ ভৱিষ্যতৰ ইংগিত বহন কৰিছে নে কি ? এই সম্পৰ্কত **পৰাগ কুমাৰ দাসৰ** প্ৰবন্ধ ঃ


**শিক্ষা আৰু পৰীক্ষাৰ পদ্ধতি আৰু পৰিবেশ** ।১৬।


১৮৯৭ চনৰ ১৩ জুন ঃ কালি ১২ জুন শনিবাৰে আবেলি ৫-১৫ বজাত অসমত এতিয়ালৈকে হোৱা সকলো ভূঁইকপতকৈ ডাঙৰ ভূঁইকপটোৰ জোকাৰণিৰ অভিজ্ঞতা হ'ল। ১৮৭২ চনৰ পৰা ১৮৯৯ চনলৈকে অসমত থকা মাৰ্কিন মহিলা


**জেছিমুৰৰ দিনপঞ্জীৰ পৰা ঃ কমলেশ্বৰ বৰা** ।৪৬।

পত্ৰালাপ ।৪। ঘটনা-প্ৰবাহ ।৭। কুলদীপ নায়াৰৰ প্ৰবন্ধ ।৯। ড° বাপটৰ ভূমিকম্প ।১১। বিশ্ব পৰিক্ৰমা ।১৪। সীমান্তত ।১৬। বিজ্ঞান ।১৯। শিক্ষা আৰু পৰীক্ষা পদ্ধতি ।২০। মহিলাৰ ওপৰত অত্যাচাৰ ।৩৩। ডুখৰীয়া ছবি ।৩৭। আলাঙ্কু ।৪০। জীৱন আনন্দৰ সাধনা ।৪৩। জেছিমুৰৰ দিনপঞ্জী ।৪৬। দৈনন্দিন ।৫০। গল্প ।৫১। কবিতা ।৫৪। উপন্যাস ।৫৬। কলা-সংস্কৃতি ।৬২। ক্ৰীড়াংগন ।৬৪। শেষ পৃষ্ঠা ।৬৬।



**মুখ্য সম্পাদক ঃ ড° ভবেন্দ্ৰনাথ শইকীয়া**

**নিবন্ধকাৰ ঃ** কুলদীপ নায়াৰ * বদন বৰুৱা * ড° নিৰোদ কুমাৰ বৰুৱা * পুলক লাহিড়ী * ড° দিলীপ কুমাৰ দত্ত * পূৰ্ণ বৰা * ড° কৃষ্ণগোপাল ভট্টাচাৰ্য * ড° সুনীল পৱন বৰুৱা * ড° কুলেন্দু পাঠক * গণেশ দাস * পৰাগ কুমাৰ দাস * দিলীপ কুমাৰ মহন্ত * ধীৰেন বেজবৰুৱা * সমুদ্ৰ গুপ্ত কাশ্যপ

**সহকাৰী সম্পাদক ঃ** ইমৰান হুছেইন

**অংগ সজ্জা ঃ** দেবানন্দ উলুপ, সীমান্তজ্যোতি বৰুৱা **আলোকচিত্ৰ ঃ** দীপক বেজবৰুৱা

**মুদ্ৰাংকন ঃ** ট্ৰিবিউন প্ৰেছ আৰু শৰাইঘাট অফছেট প্ৰেছ
প্ৰদীপ বৰুৱাৰ দ্বাৰা মুদ্ৰিত, প্ৰকাশিত আৰু সম্পাদিত





OKDISCD

# পত্ৰালাপ

## বাৰ্ষিক পৰিকল্পনা

বিগত প্ৰত্যেকটো বাৰ্ষিক পৰিকল্পনাৰ অন্তত অসমৰ বাবে মঞ্জুৰ হোৱা ধনৰ এক বৃৰ্হৎ পৰিমাণ খৰচ কৰিব নোৱৰাৰ বাবে বছৰটোৰ শেষত কেন্দ্ৰলৈ ঘূৰাই পঠাব লগা হৈছে। আনহাতে ভাৰতবৰ্ষৰ আন ৰাজ্য-বোৰে অধিক ধন মঞ্জুৰীৰ বাবে কেন্দ্ৰৰ ওচৰত দাবী জনাইছে ই আমাৰ বাবে বৰ পৰিতাপৰ বিষয়। ইয়াৰ কাৰণ বিচাৰিলে আমাৰ চকুত পৰে ; (ক) সু-পৰিকল্পিত আঁচনিৰ অভাৱ, (খ) বিভাগীয় বিষয়া কৰ্মীৰ সৎপ্ৰচেষ্টাৰ অভাৱ, ঔদাসীন্য তথা কৰ্ম বিমুখতা (গ) বিভাগীয় বিষয়াৰ কৰ্মী তথা ওপৰ-মহলৰ লগত থকা মতানৈক্য, (ঘ) গঠনমূলক সমালোচনাৰ অভাৱ ইত্যাদি। সেয়েহে সুধী ৰাইজলৈ আমাৰ ব্যক্তিগত অভিমত বিচাৰৰ বাবে আগ বঢ়ালো।

(১) বাৰ্ষিক পৰিকল্পনাৰ মঞ্জুৰ হোৱা সমুদায় ধন সমষ্টিৰ ভিত্তিত,— মাটিকালি, জনসংখ্যা, জনগণৰ সমূহীয়া জীৱন ধাৰণৰ মান, বিভিন্ন সম্পদৰ স্বৰূপ, ঔদ্যোগিক অঞ্চল, নে খেতি প্ৰধান অঞ্চল আদি বিভিন্ন দিশ সূক্ষ্মাতি-সূক্ষ্মভাৱে চালি জাৰি চাই ধাৰ্য কৰক। আৰু সমষ্টিভিত্তিত বিভিন্ন বিভাগলৈ ধাৰ্য কৰা ধনৰ এখন তালিকা ৰাইজৰ দৃষ্টিলৈ আনক।

(২) বাৰ্ষিক পৰিকল্পিত আঁচনিবোৰ কাৰ্য-কৰী কৰাৰ দায়িত্ব সমষ্টিবোৰৰ অন্তৰ্গত বিভিন্ন বিভাগৰ সংমণ্ডলবোৰৰ ওপৰত ন্যস্ত কৰক। এটোটা সংমণ্ডল দুটা বা ততোধিক সমষ্টিৰ উমৈহতীয়া হলে ক্ষেত্ৰবিশেষে সংমণ্ডল-টোৱে নিৰ্দিষ্ট আঁচনিৰ বাবে নিৰ্দিষ্ট সমষ্টিৰ ধাৰ্য ধনৰ পৰা খৰচ কৰাৰ সুবিধা ৰাখক। কোনো এক আঁচনি কাৰ্যকৰী কৰাৰ বাবে প্ৰয়োজনীয় ধন বিভাগীয় প্ৰধান কাৰ্যালয়ৰ যোগেদি মঞ্জুৰ কৰক। এই ক্ষেত্ৰত প্ৰধান কাৰ্যালয়ে নিৰ্দিষ্ট সমষ্টিৰ বাবে ৰখা নিৰ্দিষ্ট ধনৰ পৰা মঞ্জুৰ কৰক।

(৩) প্ৰত্যেক সমষ্টিতে বিভিন্ন ৰাজ-নৈতিক দলৰ সদস্যৰে গঠিত এখন কমিটিক সমষ্টিটোৰ আঁচনিবোৰ কাৰ্যকৰী কৰাৰ ওপ-ৰত চকু ৰখাৰ দায়িত্ব দিয়া হওক। এই কমিটিখনে ছমহীয়া আৰু বছৰেকীয়া এই দুই হিচাপত আঁচনিবোৰৰ অগ্ৰগতিৰ খতি-য়ান সমষ্টিটোৰ বিধায়কৰ যোগেদি বিধান সভাৰ মজিয়াত দাঙি ধৰক। বিধায়কজনক বছৰৰ শেষত মুঠ ধাৰ্য হোৱা ধনৰ খৰচৰ খতিয়ান বিধান সভাত দাখিল কৰিবলৈ বাধ্য কৰাওক।

এই ক্ষেত্ৰত কমিটিখনক বিভিন্ন বিভাগীয় সংমণ্ডলবোৰলৈ গৈ বিভিন্ন আঁচনিৰ সফলতা বিফলতাৰ বুজ লোৱাৰ অধিকাৰ দিয়ক। বিফলতাৰ উৎস বা কাৰক কমিটিখনক বিচাৰি উলিয়াবলৈ বাধ্য কৰাওক আৰু নিৰপেক্ষভাৱে কাৰণবোৰ বিধায়কক অৱগত কৰাওক। দোষী ব্যক্তিৰ ক্ষেত্ৰত শাস্তি দানৰ ব্যৱস্থা ৰাখক। এনে কৰিলে প্ৰত্যেকটো দলেই দলীয় স্বাৰ্থতে কিছু কাম কৰিবলৈ বাধ্য হব। কমিটিখন গঠনমূলক সমালোচনা জনসাধাৰণৰপৰা গ্ৰহণ কৰাৰো এটা সুবিধা ৰাখক। —নগেন বুঢ়া গোহাঁই,

দুলাল চন্দ্ৰ বৰঠাকুৰ,

বঙাইগাঁও তাপবিদ্যুৎ প্ৰকল্প, চালেকাটি

## গোপীনাথ বৰদলৈৰ দেউতাক আৰু জন্মস্থান

বৰ্তমান বজাৰত সস্তীয়া পাঠ্যপুথি আৰু সহায়িকা বহুত দেখিবলৈ পোৱা যায়। এই কিতাপবোৰ পঢ়ি ল'ৰা-ছোৱালীয়ে কি ধৰণৰ জ্ঞান অৰ্জন কৰিব, সেই বিষয়ে চিন্তা কৰাৰ প্ৰয়োজন হৈছে। স্বাধীন অসমৰ প্ৰথম মুখ্যমন্ত্ৰী (প্ৰধান মন্ত্ৰী) লোকপ্ৰিয় গোপীনাথ বৰদলৈদেৱৰ নিচিনা ব্যক্তি এজনৰ জন্মস্থান আৰু পিছৰ নাম বিভিন্ন কিতাপত বিভিন্ন হোৱাটো অসমৰ বাবে এক লজ্জাজনক কথা।

প্ৰাথমিক বৃত্তি আৰু শিক্ষান্ত পৰীক্ষাৰ সহায়িকা নামৰ কিতাপখনত (লেখক—শ্ৰীপ্ৰফুল্ল চন্দ্ৰ বৰুৱা; প্ৰধান শিক্ষক, বৰাপিয়াল বাহগড় প্ৰাথমিক বিদ্যালয়, শিৱসাগৰ)। বৰদলৈদেৱৰ দেউতাকৰ নাম বুদ্ধিন্দ্ৰ নাথ বৰদলৈ আৰু জন্মস্থান গুৱাহাটী বুলি লিখা হৈছে। 'আদৰ্শ নতুন ৰচনা'ত (লেখক—শ্ৰীহৰেন্দ্ৰ নাথ শৰ্মা, প্ৰাক্তন অধ্যক্ষ, পাটাচাৰকুছি বিদ্যাপীঠ। ৬ষ্ঠ আৰু ৭ম মানৰ ছাত্ৰছাত্ৰীৰ বাবে) বৰদলৈ দেৱৰ দেউতাকৰ নাম প্ৰবোধ চন্দ্ৰ বৰদলৈ আৰু জন্মস্থান গুৱাহাটী বুলি লিখা হৈছে।

অসম ৰাষ্ট্ৰভাষা প্ৰচাৰ সমিতিৰ দ্বাৰা প্ৰকাশিত ৭ম মানৰ হিন্দী সাহিত্য "হিন্দী বোধ" দ্বিতীয় ভাগত গোপীনাথ বৰদলৈৰ দেউতাকৰ নাম বুদ্ধেশ্বৰ বৰদলৈ আৰু জন্ম-স্থান নগাঁৱৰ ৰহা বুলি লিখা আছে।

Modern English Essays & letters for Classes VI, VII, VIII. (লেখক—Sri Makhan Ch. Sarma B. A. H. M. Kachagaral Public M. E. School. Jorhat and Sri Deben Sarma M. A. H. M. Tribeni M. E. School, Sibasagar) নামৰ কিতাপখনত গোপীনাথ বৰদলৈ দেৱৰ দেউ-তাকৰ নাম Dr. Budheswar Bardoloi আৰু জন্মস্থান গুৱাহাটী বুলি লিখিছে।

"আধুনিক ৰচনা শিক্ষা"ত (লেখক—শ্ৰীচিদানন্দ শইকীয়া এম. এ, প্ৰধান শিক্ষক বোকাখাত চৰকাৰী সাহায্য প্ৰাপ্ত হাইস্কুল) বৰদলৈদেৱৰ দেউতাকৰ নাম প্ৰবোধ চন্দ্ৰ বৰদলৈ আৰু জন্মস্থান গুৱাহাটী বুলি লিখা আছে।

এই কিতাপবোৰ পঢ়াৰ পাছত ল'ৰা-ছোৱালীয়ে কোনখন কিতাপৰ লিখনি শুদ্ধ বুলি ধৰিব আৰু আমি শিক্ষক হিচাপে কোনটো শুদ্ধ বুলি ছাত্ৰ-ছাত্ৰীসকলক কম? অসমৰ সমূহ ৰাইজ আৰু চৰকাৰক আহ্বান জনাওঁ যাতে ভুল তথ্য-পাতিৰে পুষ্ট এনে ধৰণৰ কিতাপবোৰ বাজেয়াপ্ত কৰা হয়। এনে ধৰণৰ ভুলবোৰে বৰদলৈদেৱৰ পৰিয়াল আৰু সমগ্ৰ অসমৰ মান-সন্মান হানি কৰিছে বুলি কব পাৰি। —বিৰাজ কুমাৰ ডেকা,

সহ. শিক্ষক, লালসিং একাডেমি,

খাৰঘুলি, গুৱাহাটী-৪

## ছুপাৰ কম্পিউটাৰ চুক্তি

'ছুপাৰ কম্পিউটাৰ' সম্পৰ্কীয় পৰ্যালো-চনাটি (১।১২।৮৬) সময়োপযোগী হৈছিল। যোৱা বছৰৰ শেষৰ ফালে ভাৰতবৰ্ষৰ বৈদেশিক সচিব এ. পি. ভেংকটেশ্বৰণ আৰু আমেৰিকাৰ প্ৰযুক্তি বিদ্যা হস্তান্তৰ আঁচনিৰ বিশেষজ্ঞ ৰবাৰ্ট ডিনৰ মাজত স্বাক্ষৰিত হোৱা চুক্তিয়ে ভাৰতবৰ্ষক ছুপাৰ কম্পিউটাৰ ক্ৰয় কৰাৰ অনুমতি প্ৰদান কৰিছে। পিছে ভাৰতবৰ্ষই প্ৰবন্ধত উল্লিখিত কণ্ট্ৰ'ল ডাতা কৰ্পৰেশ্যনৰ দ্বাৰা নিৰ্মিত 'ছাইবাৰ-২০৫'ৰ পৰিবৰ্তে তাতোকৈ শক্তিশালী 'ক্ৰে এক্স-এম পি' ছুপাৰ কম্পিউটাৰহে আমদানি কৰিব। কম্পিউটাৰ বিজ্ঞানৰ অভ্যন্তৰীণ প্ৰক্ৰিয়া সম্পৰ্কে বিশ্বৰ ভিতৰতে তীক্ষ্ণতম জ্ঞানেৰে পৰিপুষ্ট বুলি সুখ্যাত অভিযন্তা ছিম'ৰ ক্ৰেৰ নিৰ্দেশত ছুপাৰ কম্পিউটাৰ প্ৰতিযোগিতাৰ অগ্ৰণী ক্ৰে গৱেষণা কেন্দ্ৰত নিৰ্মিত, দুটা প্ৰচেছৰযুক্ত, ২৪ কোটি টকা মূল্যৰ এই ক্ৰে এক্স-এম পি ছুপাৰ কম্পি-উটাৰে প্ৰতি ছেকেণ্ডত ৪৮ কোটি গাণিতিক কাৰ্য কৰিব পাৰে। ইয়াত উদ্ভৱ হোৱা প্ৰচণ্ড তাপৰপৰা নিবৃত্তি পোৱাৰ উদ্দেশ্যে বৰ্তনীসমূহৰ মাজেৰে শীতল ফ্ৰিয়ন গেছ অহৰহ প্ৰবাহিত কৰি ৰখা হয়। গেছৰ প্ৰবাহ মুহূৰ্তৰ বাবে স্তব্ধ হৈ গ'লেই কম্পি-উটাৰৰ সোণেৰে নিৰ্মিত বৰ্তনী আৰু অন্যান্য অংশ গলি জুলীয়া হৈ পৰিব।

—অনুপম আনন্দ ভৰালী,

তৃতীয় বাৰ্ষিক, কম্পিউটাৰ বিজ্ঞান

আৰু প্ৰযুক্তিবিদ্যা বিভাগ,

যাদৱপুৰ বিশ্ববিদ্যালয়, কলিকাতা



## মান-সন্মান-শ্ৰদ্ধা-মৰম

বৰ্তমানৰ এচাম ছাত্ৰ আৰু যুৱক সম্পৰ্কে বিভিন্নজনৰ মতামত পঢ়িলো (১৬।৩।৮৭)। আজি অসমৰ চাৰি-আলি, দোকান-পোহাৰ, ছিনেমা-হ'ল, থিয়েটাৰ হ'ল আদিত এক শ্ৰেণী যুৱকৰ আচৰণে বহুতো শান্তি-প্ৰিয়, ভদ্ৰ মানুহক জুৰুলা কৰিছে। নিজৰ মান-সন্মান বচাই ৰখাটোৱেই টান হৈ পৰিছে। আজিৰ শিক্ষিত যুৱক-ছাত্ৰই বাটে-ঘাটে অশালীন বাক্য প্ৰয়োগ কৰাটো শোভা নাপায়। মাকৰ লগত যদি জীয়েক ক'ৰবাত ফুৰিবলৈ যাওঁতে বাটত কোনোবা যুৱকে জোকাই নানা অভদ্ৰ আচৰণ কৰে, তেতিয়া জানো মাক-জীয়েক উভয়েই লাজ-অপমানৰ সন্মুখীন হ'বলগীয়া নহয়? যিসকল যুৱকে লোকৰ ছোৱালীৰ প্ৰতি বেয়া আচৰণ কৰে, তেওঁলোকৰ জানো নিজৰো বাই-ভনী নাই? এবাৰ উভতি চাই নিজৰ বাই-ভনীলৈ মনত পেলালেই দেখোন তেওঁ-লোকে সকলোকে সন্মান আৰু মৰমৰ ভাবেৰে লব পাৰে।

—অলিমা বৰা, খ'ৰা, বিহপুৰীয়া

## শিক্ষক নাই

১৯৮৬ চনৰ আৰম্ভণিৰে পৰা অসমৰ কিছুসংখ্যক বিদ্যালয়ত বিভিন্ন কাৰণবশতঃ খালী হৈ থকা শিক্ষকৰ পদসমূহত আজিলৈকে নতুন শিক্ষক নিযুক্তি দিয়া হোৱা নাই। যোৱা বছৰটোত এই বিদ্যালয়বোৰত সাধাৰণ গণিত, সাধাৰণ বিজ্ঞান, ইংৰাজী, ভূগোল, উচ্চ গণিত আদি বিষয়সমূহৰ পাঠদান কৰি-বলৈ নিৰ্দিষ্ট শিক্ষক নথকাত ছাত্ৰ-ছাত্ৰী-সকলৰ পাঠ আহৰণ কৰাত যথেষ্ট আহুকালৰ সৃষ্টি হৈছিল। আনকি বহুত বিদ্যালয়ত এই বিষয়সমূহৰ নিৰ্ধাৰিত পাঠ্যক্ৰম আধৰুৱা হৈ ৰৈছিল। এই বছৰৰ শিক্ষাবছৰ আৰম্ভ হোৱাৰ লগে লগে সেই একেটা সমস্যাই পুনৰ গা কৰি উঠিছে। বেছিকৈ শিক্ষক থকা বিদ্যালয়সমূহৰ বাবে এইটো সমস্যা নহলেও কম শিক্ষক থকা বিদ্যালয়সমূহৰ বাবে এইটো বৰ ডাঙৰ সমস্যা। যোৱা বছৰৰ জুলাই মাহতে বিভিন্ন বিদ্যালয়ত খালী হৈ থকা পদসমূহত শিক্ষক নিযুক্তি দিবলৈ বিভাগীয় কৰ্তৃপক্ষই আবেদনপত্ৰ গ্ৰহণ কৰিছিল ; কিন্তু আজিলৈকে প্ৰাৰ্থী নিৰ্বাচনৰ বাবে লিখিত পৰীক্ষা বা সাক্ষাৎকাৰ লোৱা নাই। চৰকাৰে এই গুৰুত্বপূৰ্ণ বিষয়-টোক কিয় আওকাণ কৰি ছাত্ৰ-ছাত্ৰীসকলক বিপদত পেলাইছে নাজানো। অতি সোনকালে শিক্ষক নিযুক্তি দি, ছাত্ৰ-ছাত্ৰীসকলৰ মাজত উদ্ভৱ হোৱা এই সমস্যাটো সমাধান কৰিলে, বৰ্দ্ধিত হাৰত বাঢ়ি অহা নিবনুৱা সমস্যাটোৰো কিছু পৰিমাণে সমাধান হব। এই সমস্যা-টোৰ ক্ষেত্ৰত জনমত গঢ়ি তুলিবলৈ আহ্বান জনালো। —কবিকমল ভূঞা,

হাবিবৰঙাবাৰী, নগাঁও

## পৰীক্ষা পিছুউৱা হয় কিয়?

আমাৰ বিশ্ববিদ্যালয়সমূহে পৰীক্ষাৰ তাৰিখ ঘোষণা কৰি, পাছত ছাত্ৰৰ হেঁচাত বা অন্য কোনো কাৰণত পিছুৱাই দিয়াটো এটা নিয়মীয়া ঘটনা হৈ পৰিছে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰিভিয়াছ পৰীক্ষাসমূহ জানু-ৱাৰীত হব বুলি ঘোষণা কৰা হৈছিল যদিও ১৯৮৭ চনৰ ১৩ মাৰ্চৰ পৰা আৰম্ভ হবলগীয়া আছিল। পৰীক্ষাৰ বাবে বিশ্ববিদ্যালয়ে প্ৰবেশ পত্ৰও বিতৰণ কৰিছিল ; কিন্তু শেষত ছাত্ৰ আৰু ন্যস্তস্বাৰ্থৰ ওচৰত নতি স্বীকাৰ কৰি কৰ্তৃপক্ষই ২০।৩।৮৭ তাৰিখে পৰীক্ষা ৬ এপ্ৰিললৈ পিছুৱাই দিলে। ইয়াৰ ফলত বিশ্ববিদ্যালয়, ন্যস্তস্বাৰ্থ বা পৰীক্ষা পিছুৱাই দিবলৈ দাবী কৰা ছাত্ৰসকলৰ ক্ষতি নহলেও সাধাৰণ ছাত্ৰৰ যথেষ্ট ক্ষতি হৈছে। ছাত্ৰ সকলে যি ব্যস্ততাৰে পঢ়াশুনা কৰিছিল সেই ব্যস্ততা ভাগি গ'ল। সকলোতকৈ ডাঙৰ কথা হৈছে ছাত্ৰসকলৰ বয়সৰ প্ৰশ্নটো। এজন ছাত্ৰই পৰীক্ষা পাছ কৰি কোনো প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবে প্ৰস্তুত হওঁতেই তেওঁৰ বয়স পাৰ হৈ যায়গৈ। ইয়াৰ বাবে বিশ্ববিদ্যালয় বা পৰীক্ষা পিছুৱাই দিবলৈ দাবী কৰা ছাত্ৰসকলৰ একো হানি নহয়। মোৰ অনুৰোধ, অসমৰ বিশ্ববিদ্যালয় দুখনে বাৰে বাৰে পৰীক্ষা পিছুৱাই দি অসমৰ উঠি অহা চামটোৰ জীৱন ধ্বংস নকৰে যেন। —এজন ছাত্ৰ,

ডিব্ৰুগড় বিশ্ববিদ্যালয়

## পিয়লি ফুকন আৰু পিয়লি বৰুৱা

ভাৰতৰ স্বাধীনতা আন্দোলনত অসমৰ দুগৰাকী শ্বহীদ হ'ল পিয়লি ফুকন আৰু পিয়লি বৰুৱা। এই দুজন ব্যক্তিৰ নাম সম্পৰ্কে বিভিন্ন ক্ষেত্ৰত কিছু খেলি মেলি দেখা যায়।

১৮৩০ চনত ৰংপুৰত থকা বৃটিচৰ খাৰ ঘৰত জুই দিয়াৰ অভিযোগত পিয়লি বৰফুকনক ফাঁচী দিয়া হয়। আনহাতে, পিয়লি বৰুৱাৰ ফাঁচী হয় ১৮৫৮ চনত, মণিৰাম দেৱানৰ সহযোগত অসমতো চিপাহী বিদ্ৰোহৰ পাতনি মেলাৰ বাবে। বিদ্যালয়ৰ বিভিন্ন পৰীক্ষাত পৰীক্ষাৰ্থীয়ে মণিৰাম দেৱানৰ লগত একেলগে ফাঁচী দিয়া ব্যক্তিজনৰ নাম পিয়লি ফুকন বুলি উল্লেখ কৰে। কোনো কোনো পৰীক্ষকে হয়তো উত্তৰটোৰ বাবে নম্বৰো দি দিয়ে। প্ৰসংগক্ৰমে আৰু এটা কথা উনুকিওৱা প্ৰয়োজন। কেইখনমান আলোচনীৰ কুইজ শিতানত, আৰু দুখনমান কিতাপত অসমৰ প্ৰথম শ্বহীদ হিচাপে মণিৰাম দেৱানৰ নাম দিয়া আছে। প্ৰকৃততে অসমৰ প্ৰথম শ্বহীদ হ'ল পিয়লি ফুকনহে। ১৮৩০ চনৰ পৰা ১৮৫৮ চনলৈ এই সুদীৰ্ঘ বিৰতিৰ পাছতহে মণিৰাম দেৱানৰ ফাঁচী হয়। গতিকে অসমৰ প্ৰথম শ্বহীদ মণিৰাম দেৱান বোলাটো শুদ্ধ নহয়।

—ভাস্কৰজ্যোতি শৰ্মা, দিমৌ কলেজ

## বিয়ালৈ নিমন্ত্ৰণ

নিজ সন্তানৰ বিয়াবাৰুত আত্মীয় স্বজন বন্ধুবান্ধৱৰ আশীৰ্বাদ, শুভইচ্ছা সকলোৱে কামনা কৰে ; কিন্তু তাকে পাবলৈ ঘৰে-ঘৰে নিজে গৈ নিমন্ত্ৰণৰ শৰাই আগ-বঢ়োৱাটো বৰ কষ্টকৰ আৰু ব্যয়বহুল কাম। গুৱাহাটী মহানগৰীৰ দৰে বিস্তৃত ঠাইত ঘৰে-ঘৰে গৈ নিমন্ত্ৰণ কৰোঁতে বহু সময় শক্তি আৰু টকা-পইচাৰ ক্ষতি হয়। ঘৰ বিচাৰি উলিওৱা আন এটি ডাঙৰ সমস্যা। যিসকল সমৰ্থবান লোকৰ নিজা গাড়ী-ঘোঁৰা আছে, সেইসকলৰ হয়তো ঘূৰি-ঘূৰি বিচৰাত অসু-বিধা নহয় ; কিন্তু ৰিক্সা, অটো-ৰিক্সা বা খোজকাঢ়ি মাতিবলৈ যোৱাজনৰ অৱস্থা কাহিল হয়। অন্যান্য যা-যোগাৰ কৰাৰ উপৰিও বিয়াৰ এমাহমানৰ আগৰেপৰা নিমন্ত্ৰণৰ কাৰণে ঘূৰিবলগীয়া হয়।

গুৱাহাটীত বহুতো মহিলা অনুষ্ঠান আছে। সমাজ সেৱাত লাগি থকা মহিলা-সকলে আমাৰ বোধেৰে, এনেধৰণৰ সিদ্ধান্ত ললে ভাল হয় যে ডাকযোগে নিমন্ত্ৰণী চিঠি পালেও বিয়াত আশীৰ্বাদ দিবলৈ নিমন্ত্ৰিত-সকল উপস্থিত থাকিব। বেছি আত্মীয়তা থকাসকলক আৱশ্যক অনুযায়ী ছপা চিঠিত হাতেৰে একলম লিখাৰ ব্যৱস্থাও কৰিব পাৰে। আইসকলে যদি এনেধৰণৰ সিদ্ধান্ত গ্ৰহণ কৰে তেনেহলে দৰা-কইনাৰ অভি-ভাৱক-অভিভাৱিকাসকলৰ কষ্ট বহু পৰিমাণে লাঘৱ হ'ব বুলি ধাৰণা হয়। গুঠৰ ওপৰত —এ, চিঠিৰেহে মাতিলে! চিঠিখন ডাকতহে দিলে! অমুকৰ হাতত চিঠি এখনহে দি পঠালে! —এই ধৰণৰ অসন্তোষ আৰু অভিমান আঁতৰাবলৈ এটা পৰিৱেশ সৃষ্টি কৰিব লাগে।

—বীণা বৰা, চান্দপুৰ গুৱাহাটী-৬



OKDISCD

## অফিছলৈ এঘাৰ বজাত

জানিবলৈ পাই সুখী হৈছোঁ যে অলপতে অসমৰ মুখ্য সচিবে অফিছৰ কৰ্মচাৰীসকলৰ কামৰ সময় নিৰ্ধাৰিত কৰি এখন জাননী জাৰি কৰিছে। এই বিষয়ে মই এজন কৰ্মচাৰীক সোধাত তেখেতে ক'লে যে জাননী দিলে বুলিয়েই যে মানিব লাগিব তাৰ কি মানে আছে? আনহাতে জাননী দিয়াৰ পাছতো মই কেইবাজনো কৰ্মচাৰীক ১০-৩০ বা ১১ বজাতহে অফিছলৈ যোৱা দেখিছোঁ। চৰকাৰে এখন জাননী দিয়াৰ পাছতো, যাৰ বাবে দিয়া হয় তেওঁলোকে যদি নামানে, তেন্তে মানিব কোনে? ইয়াৰদ্বাৰা চৰকাৰ তথা বাইজক হেয় প্ৰতিপন্ন কৰা হোৱা নাইনে?

—সুনীল বৰা,
উ. লক্ষীমপুৰ, মহাবিদ্যালয়

## গাঁৱলৈ শান্তি-শৃংখলা আনক, মদ নানিব

আমাৰ দেশত সামৰিক অথবা শান্তিৰক্ষক বাহিনীৰ নিম্ন শ্ৰেণীত কাম কৰা বেছিভাগেই সম্ভৱতঃ গাঁও অঞ্চলৰেই লোক। আনহাতে সামৰিক বিভাগৰ দৰে ব্যাপক ধৰণে সুৰাৰ প্ৰচলন থকা বিভাগ কমেই আছে। সামৰিক আইনত যদি ইয়াৰ বাবে সুব্যৱস্থা আছে নাজানো। সামৰিক বিভাগত থকা সুৰাপানৰ অবাধ প্ৰচলনেই গ্ৰাম্যাঞ্চলৰ এচাম ডেকাকো "এৰাতিৰ ৰজা" হোৱাৰ সুবিধাকণ দিছে। নতুনকৈ শান্তিৰক্ষক বা সৈন্য বাহিনীত সোমোৱা ডেকাসকলে ছুটিৰ সময়ত ঘৰলৈ আহিলে লগৰ বন্ধুসকলক তেওঁলোকে সহজতে পোৱা এই বস্তুবিধ উপহাৰ দিয়ে। গধূলি নিৰ্জন ঠাই লৈ গৈ বন্ধুসকলেও একোটুপি ধৰি আনন্দ কৰে। সাধাৰণতে কলেজ, হাইস্কুলীয়া ছাত্ৰই এই সুবিধা লয়। বৰ্তমান বহু ডেকা ছাত্ৰৰ বাবে ই অভ্যাস হৈ পৰিছে। অসমৰ অইন ঠাইতো নিশ্চয় এনেকুৱা পৰিস্থিতিৰ উদ্ভৱ হৈছে। পুলিছ বা সামৰিক বিভাগৰ মদ আহি গাঁৱত সোমোৱাৰ বাট খাইজে বন্ধ কৰিব লাগে।

—ধ্ৰুৱজ্যোতি কলিতা,
জলখানা (টিহু)

## মোৰ বিশ্বাস

মোৰ বিশ্বাস, ডিব্ৰুগড় বিশ্ববিদ্যালয় চৌহদৰ ভাৰতী বৰুৱাকো (১।৪।৮৭) লগতে দেখিছে তেওঁৰ স্বামীৰ হাতত অচিনাকি মানুহজনে টকাৰ খামটো তেওঁৰ চিৰিং চাপৰিৰ ঘৰত দি দিবলৈ দিলে। (কথাটো শুনি ভাৰতী বৰুৱাৰ স্বামী গৰাকীয়ে মোক বেয়া নাপায় যেন)। কেতিয়াবা তেনেকুৱা পৰিস্থিতিত পৰিলে মযো জৰুৰীভাৱে পঠিয়াব লগা টকাৰ খাম কাৰোবাৰ লগত তেওঁৰ পত্নী, পুতেক বা জীয়েক থকা দেখিলে অচিনাকি হ'লেও তেওঁকে নিশ্চিন্তমনে দি দিম।

আশা কৰিছোঁ, গুণেশ্বৰ কৈৱৰ্তক (১৬।৩।৮৭) চাকৰি বা জীৱিকাৰ সংস্থান এটাৰ যোগাৰ কৰি দিবলৈ কোনোবা ওলাব (মোৰ বৰ সীমিত ক্ষমতাৰে মযো চেষ্টা কৰিছোঁ)। কিন্তু তাৰ বাবে গুণেশ্বৰ কাৰোবাৰ ওচৰত চিৰকৃতজ্ঞ হৈ থকাৰ বা তেওঁ কাৰোবাৰ যি কোনো চৰ্ত মানি লোৱাৰ প্ৰশ্নই উঠিব নোৱাৰে। সমাজৰ সকলোৱে যাতে শিক্ষা পায়, অন্ন-বস্ত্ৰ-বাসস্থান পায় আৰু প্ৰতিটো পৰিয়ালৰ অন্ততঃ এজনে যাতে চাকৰি বা জীৱিকাৰ সংস্থান পায় তাৰ বাবে অনবৰতে সচেষ্ট হৈ থকাটো নাগৰিক মাত্ৰৰে প্ৰাথমিক দায়িত্ব আৰু কৰ্তব্য। চাকৰি বা জীৱিকাৰ সংস্থান যোগাৰ কৰি দিলে গুণেশ্বৰক অনুগ্ৰহ কৰা নহ'ব, তেওঁৰ প্ৰতি থকা সামাজিক দায়িত্ব আৰু কৰ্তব্য পালন কৰাহে হ'ব।

—অনিল বৰুৱা, দৈনিক অসম, গুৱাহাটী-৩

## "এদেও-দুদেও…" সম্পৰ্কত

'দৈনন্দিন' শিতানত (১৬।৪।৮৭) শ্ৰীযোগেশ্বৰ বৰাৰ "এদেও-দুদেও…" পঢ়িলো। কাহিনীৰ বিষয়ে আমাৰ কব লগা একো নাই। কিন্তু আমাৰ নাম জীৱিকা আদি কাহিনীৰ চৰিত্ৰৰ সতে হুবহু মিলি যোৱাত অতি আচৰিত হৈছোঁ। আনন্দ লাভৰ বাবে লঘুৰচনাৰ শিতান 'দৈনন্দিন'ত প্ৰকাশিত ৰচনাত আমাৰ নাম, জীৱিকা আদি এনেদৰে মিলি যোৱাত আমাক অযথা কৌতূহলৰ কেন্দ্ৰ কৰি তোলা হৈছে। লেখকে যদি এই কাম জানি-শুনি কৰিছে, তেনেহলে সি (তেখেতৰ কাম) অনৈতিক আৰু গৰিহণাযোগ্য। সাহিত্য চৰ্চাৰ কিবা 'নীতি' আছেনে নাই আমি নাজানো; কিন্তু আনৰ খৰচত এনেদৰে সাহিত্য সৃষ্টিৰ আনন্দ লাভ কৰাটো অবাঞ্চনীয়।

—ৰবীন্দ্ৰ নাথ পাৰমে,
কৰ অধীক্ষকৰ কাৰ্যালয়,
বিশ্বনাথ চাৰিআলি

[পাৰমে উপাধিটো বৰা-বৰুৱাৰ দৰে বহুব্যৱহৃত উপাধি নহয়। তথাপি শ্ৰীবৰাৰ লেখাত পাৰমে, ৰবীন, বিক্ৰিকৰ বিভাগৰ বিষয়া— এই তিনিওটা কথা মিলি যোৱাটো মন কৰিবলগীয়া কথা। শ্ৰীবৰাই এই বিষয়ে তেখেতৰ বক্তব্য প্ৰকাশ কৰা উচিত। —স. প্ৰা.]

## শিলালিপিৰ 'লিপি'

চিৰাজউদ্দৌলাৰ কলিকতা লুণ্ঠন সম্পৰ্কীয় এখন অভিজ্ঞান শিলালিপি বংগ দেশৰ অখ্যাত গাঁও 'সাইবনা'ত আৱিষ্কৃত হ'ল; তাৰ এটা প্ৰতিলিপি ১৪ আগষ্ট ১৯৮৬ সংখ্যা 'আনন্দ বাজাৰ পত্ৰিকা'ত প্ৰকাশ পাইছিল। সেই শিলালিপিৰ ঐতিহাসিক তথ্য ভিত্তিক এটা প্ৰবন্ধও লগতে প্ৰকাশ পাইছিল। প্ৰবন্ধৰ নাম 'সিৰাজেৰ কলকাতা লুণ্ঠন: পাথুৰে প্ৰমাণ' —লেখক শ্যামল কান্তি চক্ৰবৰ্তী। লেখকে শিলালিপিৰ সকলো দিশ পৰ্যালোচনা কৰিলে, কিন্তু 'লিপি' সম্পৰ্কে একো নকলে। আমি জানো যে বাংলা আৰু অসমীয়া লিপিৰ চকুত লগা পাৰ্থক্যটো হ'ল অসমীয়াৰ ৰ-টোৰ পেট কটা হয়, আৰু বাংলাৰ ৰ-টোৰ তলত ফুট দিয়া হয়। আলোচ্য শিলালিপিত পেট কটা 'ৰ' হে আমি দেখিবলৈ পাইছোঁ। অসমৰ ভাষাতাত্বিক পণ্ডিত সকলে কওক চোন আচল কথাটোনো কি? লিপিত থকা কথাখিনি তলত দিলো।



সাইবনা গ্রামে প্রাপ্ত শিলালিপি ... ফোটো ...

"শ্ৰী গণেশ ঃ

ৰঘুনাথ দত্ত সুত দত্ত অভিৰাম তাৰ পুত্ৰ চুড়ামণি পাকুড়িয়া ধাম। নবাব জাফৰ খাঁ দুৰন্ত হইলা। তাৰ ভয় চুড়ামণি দত্ত পলাইলা। ১১৩২ সনে। জ্ঞাতি কুতুম্ব ছাড়ে শূন্য হৈল গ্ৰাম চুড়ামণি কলিকাতা কৰিলেন ধাম॥ নবাব সিৰাজ দৌলা কলিকাতা লুটিল। সেই কালে চুড়ামণি গ্ৰাম উদ্ধাৰিল॥ ১১৬২ সনে॥ জঙ্গল কাটিয়া বাটি কৰিলা নিৰ্মান। লিখিয়া আপন হাতে ৰাখিল ধিমান

। শকাব্দ। ১৬৭৭

বড়ঝড় ১১৪৩ সনে বৰগি ১১৪৮ সনে চৈত্ৰে"

—পুণ্য শইকীয়া, ডিগবৈ





# ৰাষ্ট্ৰপতি-প্ৰধান মন্ত্ৰীৰ বিতৰ্কৰ অন্ত পৰা নাই

ৰাষ্ট্ৰপতি গিয়ানী জাইল সিং আৰু প্ৰধান মন্ত্ৰী ৰাজীব গান্ধীক লৈ যোৱা কিছুদিন ধৰি চলি থকা বাক-বিতণ্ডাৰ এতিয়াও অন্তপৰা নাই। নিজৰ নিজৰ সাংবিধানিক ক্ষমতা সম্পৰ্কে তেওঁলোকৰ মাজত কেইবাখনো চিঠিৰ আদান-প্ৰদান হৈছে। ৰাষ্ট্ৰপতিয়ে এখন চিঠিৰে চুইডিছ অস্ত্ৰ বিষয়ক লেনদেন সম্পৰ্কত সবিশেষ জানিবলৈ বিচাৰে। তেওঁৰ যুক্তি হ'ল— সংবিধানৰ ৭৮ অনুচ্ছেদৰ অধীনত সকলো বিষয়ে ৰাষ্ট্ৰপতিক জনাবলৈ প্ৰধান মন্ত্ৰী বাধ্য কিন্তু এই ব্যাখ্যাত প্ৰধান মন্ত্ৰী সন্তুষ্ট নহয়। তেওঁৰ মতে কেনেবোৰ বিষয়ত ৰাষ্ট্ৰপতিক সবিশেষ জনোৱা উচিত সেই বিষয়ে প্ৰধান মন্ত্ৰীয়েহে সিদ্ধান্ত লোৱা উচিত। কিছুদিনৰ আগেয়ে তেওঁলোকৰ মাজত সাক্ষাত কালতো এই বিষয়ত মত পাৰ্থক্য অব্যাহত থাকে।

আনহাতে ৰাষ্ট্ৰপতিয়ে সংসদ ভংগ কৰি ৰাজীব মন্ত্ৰীসভাক ক্ষমতাচ্যুত কৰিব পাৰে বুলি হোৱা জল্পনা-কল্পনাৰেও যোৱা কেইদিনমানৰ বাতৰি কাকতসমূহ মুখৰ হৈ আছে। এটা সময়ত ই এনে এটা পৰ্যায় পালেগৈ যে ৰাষ্ট্ৰপতি ভৱনৰপৰা এই বাতৰিসমূহ ভিত্তিহীন বুলি বিবৃতি প্ৰকাশ কৰিব লগীয়া হয়। এই বিবৃতিত জাইল সিঙে, প্ৰধান মন্ত্ৰী ৰাজীব গান্ধীক তেওঁ পদচ্যুত কৰিব খোজে বুলি ওলোৱা বাতৰিটো স্পষ্টভাৱে অস্বীকাৰ কৰে। তেওঁ কয় যে যোৱা কেইদিনমান ধৰি বা-বাতৰিবোৰে এনে এটা পৰ্যায় পাইছিলগৈ যে তেওঁৰ বাবে এই ধৰণৰ এটা বিবৃতি দিয়াৰ বাহিৰে কোনো উপায় নাছিল।

উল্লেখযোগ্য যে স্বাধীনতাৰ পাছত এয়ে প্ৰথমবাৰৰ বাবে ৰাষ্ট্ৰপতি ভৱনৰপৰা এনে ধৰণৰ এটা বিবৃতি প্ৰকাশ কৰিব লগীয়া হয়।

বিবৃতিটো প্ৰকাশ কৰাৰ ঠিক আগে-আগে নতুন দিল্লীত জগতগুৰু আদি শংকৰাচাৰ্যৰ দ্বাদশ জন্মশতবাৰ্ষিকী সমাৰোহত ভাষণ দি জাইল সিঙে কয় যে তেওঁ সংবিধানৰ বেলেগ ধৰণৰ ব্যাখ্যা দাঙি ধৰিবলৈ চেষ্টা কৰিছে বুলি তেওঁক ভুল বুজা অনুচিত। তেওঁ কয়, "মতভেদৰ কেতিয়াও ভুল ব্যাখ্যা দাঙি ধৰা অনুচিত। কোনোবাই বিৰোধিতা কৰিলেই তেওঁক শত্ৰুজ্ঞান কৰা উচিত নহয় আৰু কোনোবাই ভাল পৰামৰ্শ আগবঢ়ালেও তেওঁক ভুল বুজিব নালাগে।"

সংবিধানৰ অপব্যাখ্যা দাঙি ধৰা বুলি উঠা অভিযোগৰ বিষয়ে উল্লেখ কৰি ৰাষ্ট্ৰপতিয়ে কয়, সাংবিধানিক সভা আৰু সংবিধানখনে নিজেও ইয়াৰ অপব্যাখ্যা দাঙি ধৰাৰ কোনো সুৰুঙা ৰাখি থৈ যোৱা নাই।

ইতিমধ্যে ৰাজীব গান্ধীয়ে ৰাষ্ট্ৰপতিলৈ লিখা এখন চিঠিত প্ৰতিৰক্ষা লেনদেন সম্পৰ্কত অধিক তথ্য অৱগত কৰিবলৈ তেওঁ অপাৰগ বুলি স্পষ্টকৈ জনাই দিয়ে।

প্ৰধানমন্ত্ৰীৰ কাৰ্যৰ বিৰোধী দলসমূহৰ মাজতো তীব্ৰ প্ৰতিক্ৰিয়া হৈছে। ৰাজ্যসভাৰ এঘাৰটা বিৰোধী দলৰ নেতাসকলে এটা বিবৃতিত কয় যে ভাৰতীয় সৈন্য বাহিনীৰ সৰ্বাধিনায়ক হিচাপে প্ৰতিৰক্ষা লেনদেনৰ দৰে বিষয়বোৰৰ সম্পৰ্কত সবিশেষ জনাৰ সম্পূৰ্ণ অধিকাৰ ৰাষ্ট্ৰপতিৰ আছে।

তদুপৰি, ইন্দিৰা গান্ধীক হত্যা কৰাৰ পাছত দিল্লীত হোৱা হিংসাত্মক কাৰ্যৰ তদন্ত কৰিবলৈ থক্কৰ কমিশ্যন নামৰ যিটো আয়োগ গঠন কৰা হৈছিল, সেই আয়োগৰ প্ৰতিবেদনখনৰ কপি এটা ৰাষ্ট্ৰপতিক দিবলৈও কেন্দ্ৰীয় মন্ত্ৰীসভাই অসমৰ্থতা প্ৰকাশ কৰে। জাইল সিঙৰ বিষয়ে প্ৰতিবেদনখনত কিছুমান আপত্তিজনক কথা আছে বুলি শুনি তেওঁ সেইখনৰ কপি বিচাৰিছিল।

## ন্যায়াধিকৰণ আইনৰ সংশোধন হ'ব

কেন্দ্ৰীয় চৰকাৰে অবৈধ প্ৰব্ৰজনকাৰী (ন্যায়াধীকৰণৰ দ্বাৰা নিৰ্ধাৰণ), ১৯৮৩ আইনখন সংশোধন কৰিবলৈ মান্তি হৈছে। প্ৰধান মন্ত্ৰী ৰাজীব গান্ধীয়ে এই সম্পৰ্কত অসমৰ মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তক আশ্বাস দিছে।

নতুন দিল্লীত প্ৰধান মন্ত্ৰীৰ সৈতে আলোচনা চলোৱাৰ অন্তত গুৱাহাটীলৈ উভতি আহি এখন সাংবাদিক মেলত শ্ৰীমহন্তই এই কথা প্ৰকাশ কৰে। ৰাজ্যৰ আইন মন্ত্ৰী সুৰেন্দ্ৰনাথ মেধি, আৰু মুখ্য সচিব, গৃহ আয়ুক্ত, আইন সচিব আদিকে ধৰি জ্যেষ্ঠ বিষয়াসকলে এই সম্পৰ্কত নতুন দিল্লীত বিস্তৃত ভাৱে আলোচনা চলাই আছে বুলি তেওঁ কয়।

শ্ৰীমহন্তই কয় যে তেওঁ চুক্তি ৰূপায়ণৰ বিষয়টোৰ লগতে অৰ্থনৈতিক উন্নয়ন সম্পৰ্কীয় অন্যান্য ভালেমান বিষয় লৈ প্ৰধান মন্ত্ৰীৰ সৈতে আলোচনা চলায়। ইয়াৰ ভিতৰত প্ৰধান দাবী আছিল ৰেহাই মূল্যত গেছৰ যোগান ধৰা (অলপতে কেন্দ্ৰীয় পেট্ৰলিয়াম মন্ত্ৰণালয়ে গেছৰ মূল্য চাৰিগুণ বৃদ্ধি কৰে) আৰু খাৰুৱা তেলৰ ৰয়েলিটি সংশোধন কৰা। ৰাজ্য চৰকাৰে প্ৰতি টনত ৩৩৬ টকাকৈ ৰয়েলিটি বিচাৰি আছে যদিও কেন্দ্ৰই ১৯৮৪ চনৰ ১ এপ্ৰিলৰ পৰা কাৰ্যকৰী হোৱাকৈ এই নিৰিখ ১৯২ টকাহে ধাৰ্য কৰি দিছে।

ৰাজ্য চৰকাৰে তেল আৰু প্ৰাকৃতিক গেছ আয়োগ আৰু অইল ইণ্ডিয়াক দিয়া উদঘাটন অনুজ্ঞাপত্ৰ আৰু খনন লিজ পত্ৰত অসমত উৎপাদিত গেছখিনি ৰাজ্য চৰকাৰ অথবা ৰাজ্য চৰকাৰে অনুমোদন জনোৱা প্ৰতিষ্ঠানলৈ আগবঢ়োৱাটো নিশ্চিত কৰিব পৰাকৈ এটা ধাৰা অন্তৰ্ভুক্ত কৰিবলৈও কেন্দ্ৰ অনুৰোধ জনাইছে।

অন্যান্য দাবীসমূহৰ ভিতৰত নৰনাৰায়ণ সেতুৰ নিৰ্মাণ আৰম্ভ কৰা, বগীবিলত ব্ৰহ্মপুত্ৰৰ ওপৰত দলং নিৰ্মাণ, চাহ ব'ৰ্ডৰ সদৰ কাৰ্যালয় গুৱাহাটীলৈ স্থানান্তৰ কৰা, বান নিয়ন্ত্ৰণ, দ্বৈত ব্ৰডগেজ ৰেল লাইন নিৰ্মাণ, ৰঙিয়াত ৰেলৰ ডিভিজনেল সদৰ কাৰ্যালয় স্থাপন, গুৱাহাটীত মুক্ত বাণিজ্য মণ্ডল মুকলি কৰা আদি উল্লেখযোগ্য। তদুপৰি গুৱাহাটীৰপৰা ধেমাজী, জোনাই, শদিয়া, ডিফু, নগাঁও, হাফলং আৰু কৰিমগঞ্জলৈকে বায়ুদুত সেৱা সম্প্ৰসাৰণ কৰিবলৈকো তেওঁ কেন্দ্ৰীয় চৰকাৰক অনুৰোধ জনায়।

* কিন্তু দিল্লীত অসমৰ আইন মন্ত্ৰী আৰু কেন্দ্ৰীয় মন্ত্ৰীসকলৰ আলোচনা কালত এটা সময়ত কিছুমান আসোঁৱাহে দেখা দিয়ে বুলি জনা হৈছে। অৱশ্যে শেহতীয়াভাৱে প্ৰকাশিত বাতৰিমতে আইনখন সংশোধনৰ ক্ষেত্ৰত কিছুমান সিদ্ধান্ত গ্ৰহণ কৰা হৈছে।

### ভি· পি· সিঙৰ দৃঢ়তা

ভূতপূৰ্ব প্ৰতিৰক্ষা মন্ত্ৰী বিশ্বনাথ প্ৰতাপ সিঙে তেওঁৰ বিৰুদ্ধে অপপ্ৰচাৰ চলোৱাসকলৰ কুকৰ্মবোৰ প্ৰকাশ কৰিবলৈ দৃঢ় প্ৰতিজ্ঞ বুলি ঘোষণা কৰিছে। অলপতে লক্ষ্ণৌত এই কথা প্ৰকাশ কৰি তেওঁ কয় যে দলৰ ভিতৰত তেওঁ অকলশৰীয়া অনুভৱ কৰা নাই। কাৰণ গৰিষ্ঠ সংখ্যক ই-কংগ্ৰেছ কৰ্মীৰ তেওঁৰ প্ৰতি সমৰ্থন আছে।

বিদেশী বেংকত ধন জমা ৰখাৰ কথা উল্লেখ কৰি শ্ৰীসিঙে কয় যে বিদেশলৈ ধনৰ অবিৰত সোঁত বোৱাৰ বিষয়টো ভাৰতৰ বাবে এক ডাঙৰ সমস্যা হৈ পৰিছে। এনেকৈ যদি ১০০০ কোটি টকা ওলাই যায়, তেন্তে ভাৰতৰ অৰ্থনৈতিক অৱস্থা শোচনীয় হৈ পৰিব আৰু দেশত ৰাজনৈতিক অস্থিৰতাই দেখা দিব পাৰে।

শ্ৰীসিঙে কয় যে মাৰ্কিন চৰকাৰে বিভিন্ন মাফিয়া ফৈদসমূহে ছুইছ বেংকত জমা ৰখা ধনৰ বিষয়ে সবিশেষ জনাৰ উদ্দেশ্যে ছুইজাৰলেণ্ড চৰকাৰৰ সৈতে এখন চুক্তিত উপনীত হৈছে। তেওঁৰ মতে ক'লা টকা ধৰা পেলোৱাৰ লগতে ধন দেশৰ বাহিৰলৈ ওলাই যোৱাটো ৰোধ কৰাৰ অৰ্থে ভাৰতেও এনে ধৰণৰ এক পাৰস্পৰিক সহযোগিতা চুক্তি কৰা উচিত। এই সম্পৰ্কত তেওঁ আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা পুঁজিৰ (IMF) এক প্ৰতিবেদনৰ প্ৰতি আঙুলিয়াই দিয়ে। প্ৰতিবেদনত কোৱা হৈছে যে ভাৰতীয় নাগৰিকসকলৰ ছুইছ বেংকত ১,৩০০ কোটি টকা জমা আছে। ইতিমধ্যে বিৰোধীপক্ষৰ সদস্যই সংসদত প্ৰধানমন্ত্ৰীক সুধিছে ঃ ফিলিপাইনৰ ৰাষ্ট্ৰপতি একুইনোৱে বিদেশী বেংকত থোৱা সকলো অবৈধ ধন বাজেয়াপ্ত কৰাৰ নিচিনাকৈ ভাৰতেও এটা ব্যৱস্থা নলয় কিয়? উত্তৰত প্ৰধানমন্ত্ৰীয়ে কৈছে ঃ তেখেতে কি কৰিছে আমি পৰীক্ষা কৰিম, কিন্তু আমি আমাৰ ধৰণে কাম কৰিম।

অৰ্থনৈতিক অপৰাধসমূহৰ বিৰুদ্ধে তেওঁ চলোৱা অভিযানৰ কথা উল্লেখ কৰি শ্ৰীসিঙে কয় যে এই অভিযানসমূহ দলৰ নীতিৰ আধাৰতে কৰা হৈছিল। ইয়াৰ বাবে দৰকাৰ হলে জেললৈ যাবলৈও তেওঁ প্ৰস্তুত আছে বুলি শ্ৰীসিঙে কয়।

### আমেৰিকাত প্ৰৱেশ নিষিদ্ধ কৰাৰ বিৰুদ্ধে ৱাল্ডহাইমৰ গোচৰ

অষ্ট্ৰিয়াৰ ৰাষ্ট্ৰপতি ড° কৰ্ট ৱাল্ডহাইমে তেওঁৰ চৰিত্ৰহনন কৰা বুলি বিশ্ব ইহুদী কংগ্ৰেছৰ সভাপতিৰ (এজন কানাডীয়ান ইহুদী) বিৰুদ্ধে গোচৰ তৰিবলৈ সেই দেশৰ চৰকাৰী অধিবক্তাজনক নিৰ্দেশ দিছে। তেওঁৰ মতে আমেৰিকাৰ ইহুদী লবিটোৰ প্ৰভাৱতে মাৰ্কিন চৰকাৰে তেওঁৰ আমেৰিকা প্ৰৱেশত বাধা প্ৰদান কৰিছে। ইহুদীসকলৰ অভিযোগ— ৱাল্ডহাইম দ্বিতীয় বিশযুদ্ধৰ সময়ত এজন নাৎছি সামৰিক বিষয়া আছিল আৰু ভালেমান ইহুদীক হত্যা কৰাৰ সময়ত তেওঁ নিৰৱ দৰ্শক হৈ আছিল। মাৰ্কিন চৰকাৰৰ শেহতীয়া ঘোষণাটোৰ পৰিপ্ৰেক্ষিতত ৱাল্ডহাইমে তেওঁৰ প্ৰস্তাবিত আমেৰিকা ভ্ৰমণ বাতিল কৰিব লগীয়া হয়।

দুটা পাঁচ বছৰীয়া কালৰ বাবে ৰাষ্ট্ৰসংঘৰ সচিব প্ৰধান হোৱা ৱাল্ডহাইমৰ বিৰুদ্ধে বিশ্বযুদ্ধৰ পাছৰ কালছোৱাত কোনো গোচৰ তৰা হোৱা নাছিল।

ইহুদী কংগ্ৰেছে ৱাল্ডহাইম অষ্ট্ৰিয়াৰ ৰাষ্ট্ৰপতিৰূপে নিৰ্বাচিত হোৱাৰ পাছতে তেওঁৰ বিৰুদ্ধে এই অভিযোগ উত্থাপন কৰিবলৈ লয়। ইফালে ৱাল্ডহাইমৰ বিষয়টোক অষ্ট্ৰিয়াবাসীয়ে আত্ম সন্মানৰ প্ৰশ্নৰূপে গণ্য কৰিবলৈ লৈছে। তেওঁলোকৰ মতে বিশ্ব যুদ্ধৰ ইমান বছৰৰ পাছতো ৱাল্ডহাইমক যুদ্ধ অপৰাধৰ বাবে অভিযুক্ত কৰা হোৱা নাছিল। বিশ্ব ইহুদী কংগ্ৰেছৰ দৰে এটা স্বাৰ্থজড়িত দলে বৰ্তমান তেওঁৰ বিৰুদ্ধে এনে অপপ্ৰচাৰ চলোৱাৰ অধিকাৰ নাই।

অদুৰ ভবিষ্যতে আমেৰিকাৰ সৈতে অষ্ট্ৰিয়াৰ সম্পৰ্ক স্বাভাৱিক হোৱাৰো সম্ভাৱনা কম। কাৰণ মাৰ্কিন প্ৰশাসনত ইহুদীসকলৰ যথেষ্ট প্ৰভাৱ আছে। আমেৰিকাত প্ৰায় ছয় নিযুত ইহুদী আছে।

* গোৰ্খা নেশ্যনেল লিবাৰেশ্যন ফ্ৰণ্টৰ সভাপতি সুভাষ ঘিচিঙৰ মতে কেন্দ্ৰীয় চৰকাৰে পৃথক ৰাজ্যৰ বাবে ফ্ৰণ্টে কৰা দাবী অতি শীঘ্ৰে মানি ল'ব বুলি তেওঁ আশাবাদী। তেওঁ কয়, মিজোৰাম, অৰুণাচল প্ৰদেশ আৰু গোৱালৈ পূৰ্ণাংগ ৰাজ্যৰ মৰ্যদা প্ৰদান কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে লোৱা সিদ্ধান্তৰ পৰাই বুজিব পাৰি যে অচিৰে গোৰ্খাসকলৰ দীৰ্ঘদিনীয়া দাবীও পূৰণ হ'ব।





# কুলদীপ নায়াৰৰ বিশেষ প্ৰবন্ধ

"সন্ত্ৰাসবাদ নিৰ্মূল নকৰা"লৈকে আলোচনাৰ সম্ভাৱনা নুই কৰি প্ৰধান মন্ত্ৰী পি· প্ৰেমদাসাই দিয়া বিবৃতিত নতুন দিল্লীত অনুষ্ঠিত এক উচ্চ পৰ্যায়ৰ বৈঠকে গভীৰ অসন্তুষ্টি প্ৰকাশ কৰিছে; কিন্তু লগতে বৈঠকে শ্ৰীলংকাৰ বিৰুদ্ধে খৰখেদাকৈ ব্যৱস্থা গ্ৰহণৰ বিৰোধিতাও কৰিছে। শান্তিপূৰ্ণ সমাধানৰ পৃষ্ঠপোষকতা কৰে বুলি কলম্বোৱে দিয়া শেহতীয়া আশ্বাসে অৱশ্যে এটা সিদ্ধান্তত উপনীত হোৱাত সহায় কৰিছে ঃ তামিল উগ্ৰপন্থীসকলক বুজাই-বঢ়াই নোৱাৰিলে বলেৰে হ'লেও আলোচনাৰ মেজলৈ আনিব লাগে।

উগ্ৰপন্থীসকল, বিশেষকৈ প্ৰভাকৰণে প্ৰতিনিধিত্ব কৰা লিবাৰেশ্যন টাইগাৰছ অৱ তামিল ইলাম (LTTE) কলম্বোৰ চৰ্তসমূহৰ আধাৰত আলোচনাত বহিবলৈ একেবাৰে অনিচ্ছুক। চৰকাৰৰ একপক্ষীয় যুদ্ধবিৰতি চলি থকা অৱস্থাত নিৰ্দোষী সিংহলীসকলক হত্যা কৰা ঘটনাই ভাৰতীয় জনমতক হতভম্ব কৰি দিয়াৰ লগতে কলম্বোৰ কঠোৰ দৃষ্টিভংগী লোৱাসকলকো শক্তিশালী কৰি তুলিলে। কিন্তু ইফালে বোমাবৰ্ষণৰ লগতে নিৰ্দোষী নাগৰিকক হত্যা কৰি চৰকাৰে গণহত্যাৰ অভিযোগটোক সজীৱ আৰু সবলহে কৰিলে। উগ্ৰপন্থীসকল আইনৰ সীমাৰ বাহিৰৰ; কিন্তু নিজৰ লোকসকলকে (গণতান্ত্ৰিক গাঁথনিত এই লোকসকলো শাসনকাৰ্যৰ অংশীদাৰ) ব্যাপক হাৰত নিৰ্মূল কৰা এখন চৰকাৰকো একো ভাল বুলিব নোৱাৰি।

শ্ৰীলংকা চৰকাৰৰ বাবে দুখৰ বিষয় হ'ল— বিমান দূৰলৈকে আগবঢ়া উচিত সেই বিষয়ত তেওঁলোকে মনস্থিৰ কৰিব পৰা নাই। ৰাষ্ট্ৰপতি জে· আৰ· জয়বৰ্ধনেই তিনি বছৰৰ আগেয়ে ভাৰতৰ তেতিয়াৰ বৈদেশিক নীতি-বিষয়ক উপদেষ্টা জি· পাৰ্থসাৰথিয়ে আগবঢ়োৱা সমাধানটো (তেওঁ জাফনা আৰু পূবৰ কাষৰীয়া অঞ্চলসমূহলৈ ভাৰতত দিয়াৰ দৰে কেন্দ্ৰীয় শাসিত অঞ্চলৰ মৰ্যাদা দিবলৈ প্ৰস্তাৱ কৰিছিল।) মানি লোৱা হ'লে পৰিস্থিতি সলনি হৈ গ'লহেঁতেন। যিহেতু এতিয়া উগ্ৰপন্থীসকলৰ দাবীৰ পৰিমাণো বৃদ্ধি পালে, গতিকে জয়বৰ্ধনেই সেইসময়ত যিখিনি দিব খোজা

## শ্ৰীলংকাৰ গণহত্যা বন্ধ কৰাৰ বাবে

নাছিল। এতিয়া তাকে দিবলৈ তেওঁ ইচ্ছুক যেন লাগিছে।

অন্ততঃ মধ্যমপন্থী তামিলসকলক হাত কৰিবলৈকে শ্ৰীলংকা চৰকাৰে একপক্ষীয়ভাৱে কেইটামান সূত্ৰ ৰূপায়িত কৰাটো বহুতে বিচাৰে। জয়বৰ্ধনেই কিন্তু নিজে কোনো সমাধান-সূত্ৰ আগ নবঢ়োৱাকৈয়েই উগ্ৰপন্থীসকলে আন্দোলন পৰিহাৰ কৰাটো বিচাৰে। মোৰ মনত পৰিছে, মই যেতিয়া জয়বৰ্ধনক সুধিছিলো— তেওঁ যিমানখিনি উপযুক্ত বুলি ভাবে সিমানখিনি ক্ষমতাকে তামিলসকললৈ হস্তান্তৰ নকৰে কিয়,— তেতিয়া তেওঁৰ উত্তৰটো আছিল,— তামিলসকললৈ যিকোনো ক্ষমতা হস্তান্তৰ কৰাৰ আগেয়ে এক আলোচনা ভিত্তিক সমাধানত উপনীত হোৱা উচিত।

কিন্তু শ্ৰীলংকা চৰকাৰকে বেছি দোষ দিব লাগিব যদিও, উগ্ৰপন্থীসকলেও বিষয়বোৰ জটিল কৰি পেলাইছে বুলি কব লাগিব। প্ৰধান মন্ত্ৰীৰ বিশেষ প্ৰতিনিধি, হিচাপে সেই দ্বীপটো ভ্ৰমণ কৰি অহাৰ কেইদিনমানৰ পাছতে দীনেশ সিঙক যেতিয়া শ্ৰীলংকাৰ বিষয়ে সুধিছিলো, তেতিয়া তেওঁ কৈছিল, "সমস্যাটোৰ সমাধান শ্ৰীলংকা চৰকাৰতকৈ তামিল উগ্ৰপন্থীসকলৰ হাতত্হে অধিক পৰিমাণে আছে।" লগতে তেওঁ কৈছিল ঃ "তেওঁলোকৰ ক্ষেত্ৰত আমি কি কৰোঁ?"

এল· টি· টি· ই আটাইতকৈ নিষ্ঠুৰ হৈ উঠিছে। নিজৰ আধিপত্য প্ৰতিষ্ঠাৰ বাবে এইদলে সিংহলীসকলৰ লগতে আনকি তামিলসকলকো নিৰ্বিচাৰে হত্যা কৰাত লিপ্ত হৈ পৰিছে। এই দলে প্ৰণালীবদ্ধভাৱে আন ফৈদসমূহৰ বেছিভাগকে অতি নিষ্ঠুৰ ধৰণেৰে নিৰ্মূল কৰিছে। এটা গুৰুত্বপূৰ্ণ তামিল ফৈদক নেতৃত্ব দিয়া মহেশ্বৰীক কিছুদিনৰ আগেয়ে যেতিয়া মাদ্ৰাজত লগ পাওঁ, তেতিয়া তেওঁ প্ৰভাকৰণৰ মানুহে তেওঁৰ ভালেমান সহযোগীক হত্যা কৰাৰ কথা স্বীকাৰ কৰিছিল। "সিহঁতে আমাক শেষ কৰিবলৈ চেষ্টা কৰিছে।" —তেওঁ কৈছিল।

প্ৰভাকৰণৰ ফৈদে অৱশ্যে এই অভিযোগ অস্বীকাৰ কৰিছে। মাদ্ৰাজত থকা এল· টি· টি· ইৰ প্ৰধান কাৰ্যালয়ত মোৰ সৈতে হোৱা সাক্ষাৎকাৰত এ· বালাসিংগমে কৈছিল,— বেছিভাগ ফৈদেই "হতাশা"ত ভুগিহে এনে অভিযোগ কৰিছে; কাৰণ তেওঁলোকৰ কোনো "অনুসৰণকাৰী নাই"। তেওঁ আনকি মহেশ্বৰী আৰু অন্যান্যসকলে বিচৰাৰ দৰে বিভিন্ন ফৈদ লগ লাগি পি· এল· অ'ৰ ধৰণৰ এটা সংস্থা গঠনৰ বাবে আগবঢ়োৱা পৰামৰ্শটোও গ্ৰহণ কৰিব নোখোজে। এ· বালা-



OKDISCD

সিংগমৰ মত হ'ল—আটাইবোৰ ফৈদেই শ্ৰীলংকাৰ তামিলসকলৰ প্ৰতিনিধি এল. টি. টি. ইত যোগ দিয়া উচিত।

তামিল ফৈদসমূহৰ মাজত চলি থকা মতভেদৰ ফলতেই তামিলনাডু আৰু শ্ৰীলংকাত তামিলসকলক হত্যা কৰা হৈছে। প্ৰকৃততে, মাদ্ৰাজ আৰু আন আন ঠাইত মই এল. টি. টি. ই-এ ঘটোৱা নিবিচাৰ হত্যাকাণ্ডৰ বাবে ঘৃণাৰ মনোভাব ইমান বেছি অনুভৱ কৰিলো যে মোৰ ধাৰণা হ'ল— জনমত এল. টি. টি. ই. বিৰোধী হৈ পৰিছে আৰু এই দলে যি উদ্দেশ্যৰ বাবে থিয় দিছে তাৰো বিৰোধী হৈ পৰিছে। চো. ৰামস্বামীৰ দৰে এজন প্ৰভাৱশালী সম্পাদকেও প্ৰভাকৰণৰ ফৈদে চলোৱা হিংসাত্মক কাৰ্যকলাপৰ বিৰুদ্ধে প্ৰচাৰ চলাই আছে। তেওঁ মোক কলে,— তেওঁ লোৱা স্থিতিৰ সমৰ্থনত পোৱা অসংখ্য চিঠিয়ে দেখুৱাই দিছে যে জনসাধাৰণে ফৈদটোৰ কাম-কাজৰ বিৰুদ্ধে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে।

হিংসাত্মক কাৰ্যকলাপ নিশ্চয় বেয়া; কিন্তু প্ৰভাকৰণৰ ফৈদে বৰ্তমান শ্ৰীলংকাত যি কৰি আছে সেইবোৰ বৰ বেছি বেয়া। নৃসংশতাৰ কথাটো আছেই, তাৰ বাহিৰেও তেওঁলোকৰ ক্ৰিয়া-কাণ্ডই সিংহলীসকলৰ এই বিশ্বাসহে দৃঢ় কৰিছে যে জাফনা আৰু পূবৰ অন্যান্য তামিল অঞ্চলসমূহলৈ কোনো ৰেহাই দিয়া অনুচিত আৰু কলম্বো চৰকাৰকো আগেয়ে সন্মত হোৱা বিষয়সমূহৰপৰা আঁতৰি আহিবলৈ সুযোগ দিয়া উচিত। ভাৰতে তামিল উগ্ৰপন্থীসকলক আলোচনাৰ মেজলৈ আনিবলৈকে বাধ্য কৰাবপৰা নাই, তেনেক্ষেত্ৰত এই দেশৰ প্ৰচেষ্টাত চুক্তিত উপনীত হোৱাটো অসম্ভৱ; —এই বুলি শ্ৰীলংকা চৰকাৰৰ নেতাসকলে কোৱা কথাত যুক্তি আছে।

পৰিস্থিতি চম্ভালাৰ ক্ষেত্ৰত নতুন দিল্লীৰো নিশ্চয় দায়িত্ব আছে। এতিয়া নহলেও আগতে তামিল উগ্ৰপন্থীসকলে এই দেশৰপৰা উৎসাহ পাইছিল আৰু দক্ষিণৰ কিছুমান তামিললোকৰ সমৰ্থনো পাইছিল। উগ্ৰপন্থী নেতাসকলে তামিলনাডুত আশ্ৰয় লাভ কৰিছে। কোনো কোনো সময়ত নতুন দিল্লীয়ে কামটো ভাল নাপালেও তামিলনাডু চৰকাৰে তেওঁলোকক ৰক্ষণাবেক্ষণ দিছে। পৰিস্থিতিটো চম্ভালিবলৈ নতুন দিল্লীয়ে হস্তক্ষেপ কৰি প্ৰভাকৰণৰ ফৈদক শৃংখলাবদ্ধ কৰিব লাগিব।

শ্ৰীলংকাই এতিয়ালৈকে যিখিনি দিব খুজিছে সেয়া যথেষ্ট নহয়, কিন্তু জাফনাই কম বেছি পৰিমাণে এখন ভাৰতীয় ৰাজ্যৰ দৰে মৰ্যাদা লাভ কৰিব আৰু তামিল-গৰিষ্ঠ অঞ্চল কিছুমান ইয়াৰ সৈতে সংযুক্ত হ'ব— এনে ধৰণে আগবঢ়োৱা সূত্ৰটোৰ ভিত্তিত এক চুক্তিৰ গাঁথনি উদ্ভাৱন কৰাৰ সম্পূৰ্ণ সম্ভাৱনা আছিল। জয়বৰ্ধনেই নতুন দিল্লীক আশ্বাস দিছিল যে তেওঁ জাফনালৈ অধিক ক্ষমতা হস্তান্তৰ কৰাৰ বিষয়টোও আলোচনা কৰিবলৈ ইচ্ছুক। কিন্তু হত্যাকাণ্ডবোৰ চলি থাকিলে এই কামটো কৰিব নোৱাৰি। শ্ৰীলংকা চৰকাৰে অন্ততঃ একপক্ষীয়ভাৱে হ'লেও যুদ্ধবিৰতি ঘোষণা কৰিছিল আৰু প্ৰভাকৰণৰ ফৈদে মহিলা আৰু শিশুকে ধৰি ১০৭ জন সিংহলী অসামৰিক লোকক হত্যাৰ কৰাৰ আগলৈকে সেই ঘোষণা বলবৎ কৰি ৰাখিছিল।

নতুন দিল্লীয়ে এতিয়া বিবেচনা কৰিবলগীয়া বিষয়টো হ'ল— তামিল উগ্ৰপন্থীসকলক কিমান দূৰলৈ মানি লবলৈ তেওঁলোক ইচ্ছুক? চৰকাৰে ঠিকেই কৈছে যে শ্ৰীলংকাৰ বাহিৰত তামিলসকলক স্থাপন কৰি সমস্যাৰ সমাধান কৰাটো তেওঁলোকৰ বাবে গ্ৰহণযোগ্য নহয়। প্ৰভাকৰণৰ ফৈদেও (যদিহে তেওঁলোকৰ মুখপাত্ৰজনে মোক মাদ্ৰাজত কোৱা কথা সঁচা হয়) শ্ৰীলংকাৰ ভিতৰত এখন ৰাজ্যহে বিচাৰে। তেতিয়া হ'লে এটা সমাধান কিয় সম্ভৱ হোৱা নাই? পিছে প্ৰভাকৰণৰ ফৈদে শ্ৰীলংকাৰ ভিতৰতে এখন ৰাজ্যৰ কথাটো সময় পাবৰ বাবেহে কৈ আছে বুলি এটা উৰা বাতৰি ওলাইছে। প্ৰকৃততে তেওঁলোকে হেনো এখন স্বাধীন ৰাষ্ট্ৰহে বিচাৰে। ভাৰত চৰকাৰে এনে প্ৰচেষ্টাৰ স্পষ্টভাৱে বিৰোধিতা কৰা উচিত।

অৱশেষত নতুন দিল্লীয়ে চল চাই কঠীয়া পৰা তামিলনাডু চৰকাৰৰ ওপৰতে নিৰ্ভৰ কৰিব লাগিব। তামিলনাডুৰ মুখ্যমন্ত্ৰী এম. জি. ৰামচন্দ্ৰনে উগ্ৰপন্থীসকলক দমন কৰিবলৈ প্ৰধান মন্ত্ৰী ৰাজীৱ গান্ধীয়ে লোৱা নীতি সমৰ্থন কৰে। কিন্তু তামিলনাডুৰ বাহিৰত থাকি কৰা তেওঁলোকৰ (উগ্ৰপন্থীসকলৰ) ঘৃণনীয় কাম-কাজবোৰ তেওঁ যে দেখিও নেদেখাৰ ভাও জুৰিছে তাৰ যথেষ্ট প্ৰমাণ আছে। তেওঁ হেনো শ্ৰীলংকাৰ তামিলসকলক যথেষ্ট পৰিমাণৰ ধন (কেইবা কোটিও টকা) দিয়াৰ প্ৰতিশ্ৰুতি দিছে। তেওঁ সম্ভৱ তেওঁৰ ৰাজনৈতিক প্ৰতিদ্বন্দ্বী দ্ৰাবিড় মুনেত্ৰা কাঝাগমৰ সভাপতি এম. কৰুণানিধিলৈ ভয় কৰে। এওঁ (কৰুণানিধিয়ে) ৰাজনৈতিক সুবিধা লাভ কৰিবলৈ শ্ৰীলংকা সম্পৰ্কত অসংযত বিবৃতি দিবলৈ লৈছে।

ৰাজনৈতিক প্ৰতিদ্বন্দ্বীসকলৰ মাজৰ এই অৰিয়াঅৰি অনিৰ্দিষ্ট কাললৈ চলি থাকিবলৈ দিব নোৱাৰি। জয়বৰ্ধনেই মোক এবাৰ কলম্বোত কোৱা কথাই হয়তো সঁচা হ'ব। তেওঁ কৈছিল, —সমস্যাটোৰ তেওঁ এটা সামৰিক সমাধান বিচাৰিবলগীয়া হ'ব পাৰে; কাৰণ ৰাজনৈতিকভাৱে তেওঁ একোতেই উপনীত হ'ব পৰা নাই। যদি সেয়ে হয়, তেনেহলে নতুন দিল্লী নিজে নিবিচৰা এক বিৰোধৰ মাজত সোমাই পৰিবলগীয়া হ'ব পাৰে। চীন আৰু পাকিস্তানৰ ক্ষেত্ৰত ভাৰতৰ সমস্যা আছেই; এনে অৱস্থাত এইখন দেশে শ্ৰীলংকাৰ বিষয়টো এনে পৰ্যায়লৈ যাবলৈ দিব পাৰিবনে?

৬.৫ পৃষ্ঠাত চাওক



# ড° বাপটৰ ভূমিকম্প আৰু ধেমাজীৰ ৰাইজ


দীপক বেজবৰুৱা



পুনেৰ বিজ্ঞানী ড° অৰুণ বাপটৰ মতে লক্ষীমপুৰ জিলাৰ ধেমাজী অঞ্চলত এপ্ৰিলৰপৰা আগষ্টৰ ভিতৰত এটা প্ৰচণ্ড ভূমিকম্প হ'ব। ৰিচটাৰ স্কে'লত এই ভূমিকম্পৰ জোখ হ'ব ৭ অৰ পৰা ৭.৫ অৰ ভিতৰত। এই ভৱিষ্যতবাণী সঁচা হ'বনে?

যোৰহাটৰ আঞ্চলিক গৱেষণাগাৰৰ বিজ্ঞানী ড° মদন মোহন শইকীয়াৰ মতে ড° বাপটৰ আগজাননী নিৰ্ভৰযোগ্য নহয়। ড° বাপটে গভীৰভাৱে বিশ্লেষণ নকৰাকৈয়ে কথাষাৰ কৈছে বুলি তেখেতে দুই-এখন বাতৰি কাকতক কৈছে, তেখেতে লগতে কৈছে যে এনে ভৱিষ্যতবাণীয়ে ধেমাজীৰ ৰাইজৰ ক্ষতি কৰিব।

এই ধৰণে নানা প্ৰকাৰৰ কথা-বতৰা ওলাই আছে। ড° বাপটো বিজ্ঞানী, ভাৰতত এই ক্ষেত্ৰত অনুসন্ধান কৰিব পৰা আৰু বহু বিজ্ঞানী আছে। এইবোৰ ক্ষেত্ৰত ভাৰত চৰকাৰ আৰু অসম চৰকাৰৰো কৰিবলগীয়া কাম আছে। অসমৰ মুখ্যমন্ত্ৰীয়ে ইতিমধ্যে ধেমাজীবাসীক অভয় প্ৰদান কৰিছে আৰু চৰকাৰে গ্ৰহণ কৰা ব্যৱস্থাৰ কথা কৈছে। এনে অৱস্থাত ধেমাজীৰ বাসিন্দাসকলেনো কি ভাবিছে, কি কৰিছে তাৰে ভু ল'বলৈ সেই চৰহখনলৈ গৈছিলো।




সৰু চহৰ। গৈ পাই দেখিলো, কিবা এটা যেন ঘটিছে। হাই-উৰুমি নাই। বাটত মানুহ নিচেই তাকৰ। তাৰিখটো আছিল এক বহাগ। মানুহবোৰে ঘৰে ঘৰে সোমাই বিহুৰ নিয়ম পালন কৰিছেনে কি? দোকানবোৰৰো কম সংখ্যকহে খোলা আছে। ঢোল-তালৰ মাতো নাই। নিজে ভূমিকম্পৰ চিন্তাত আছোঁতো; —সেইকাৰণে ভাবিলো ইয়াৰ বাসিন্দাসকলে ভিতৰ সোমাই থাকিবলৈ ললে নে কি? পিছে কিছুসময়ৰ পাছত দেখিলো— সৰু-সৰু ল'ৰা-ছোৱালীৰ দল এটা বিহু মাৰি-মাৰি সৰু বাট এটাইদি ঘাই বাটলৈ ওলাই আহিছে। তেতিয়াহে ভাব হ'ল —নহয়, ভূমিকম্পৰ ভয়ত ধেমাজীৰ বাটৰপৰা বিহু পলোৱা নাই।

ঘাইকৈ দুই-এজন লোকৰ লগত কথা পতাৰ "মানসেৰেই তালৈ গৈছিলো; গতিকে সেই কামটোকে সোনকালে আৰম্ভ কৰিলো।

শ্ৰীদেবেশ্বৰ কলিতা, বিষ্ণুপুৰ কলিতা গাঁৱৰ প্ৰাথমিক স্কুলৰ শিক্ষক। এখেতৰ গাঁওখন ধেমাজীৰপৰা প্ৰায় ৫ কি. মি. মান দূৰত। শ্ৰীকলিতাই কোৱামতে তেখেতসকলৰ গাঁৱৰ ৰাইজ আৰু চৰকাৰী বিষয়াসকলৰ লগত প্ৰায়ে আলাপ-আলোচনা চলি আছে,— তেখেতসকলে কি কৰা উচিত? — সেই লৈ। তেখেতৰ মতে নিজৰ ঘৰ-দুৱাৰ, মাটি-বাৰী এৰি আন ঠাইলৈ

পলাই যোৱাটো ভিৰু লোকৰ কাম। তেখেতে মোকেই ওলোটাই প্ৰশ্ন কৰিলে, "ভূমিকম্প হ'ব জানো?"

তাৰ পাছত তেখেতে ক'লে, "এনে নোহোৱা-নোপজা কথা,— ভূমিকম্প অকল ধেমাজীত হে হ'ব! হ'বও হ'ব, একেবাৰে পৃথিৱীবিখ্যাত হ'ব! আমাৰ বিজ্ঞানীয়ে কিন্তু গমেই নাপায়। মই শিক্ষকতা কৰোঁ, ল'ৰা-ছোৱালী-বোৰেও সোধে, ভূমিকম্প হ'ব নেকি ছাৰ? কি উত্তৰ দিওঁ? মোৰ ধাৰণা, এইবোৰ মিছা কথা। যি হ'ব হ'ব; আমাৰ কাম-বনবোৰ কৰি যোৱাই আমাৰ কৰ্তব্য।"

তেখেতৰ মতে দুই-এজন চৰকাৰী বিষয়াই পৰিয়াল ঘৰত থৈ আহিছেগৈ। বিষয়াজন ইয়াত থাকিবই লাগিব। দুই-এজন ব্যৱসায়ীও ধেমাজীৰপৰা গুচি গৈছে। দিন হাজিৰা কৰা মানুহ-বোৰ আঁতৰি গৈছে। এইবোৰ— কথাতহে গাঁৱৰ মানুহ ক্ষুণ্ণ হৈছে।

"আমাৰ গাঁৱৰ এজন মানুহো ইয়াৰপৰা পলাই নাযায়। যি হ'ব লগা আছে হ'ব। কিবা হ'ব লগা থাকিলে আমাৰ চৰকাৰে আমাক জনাব নহয়! আমি আমাৰ চৰকাৰ আৰু স্থানীয় এম. এল. এক এই বিষয়টোলৈ মন দিবলৈ দৰখাস্ত কৰিছোঁ।"



বিহুৰ বন্ধৰ বাবেহে বাট-পথত ব্যস্ততা নাই

ঘৰ-দুৱাৰ ইনছিঅ'ৰ কৰিলে নেকি বুলি সোধাত তেখেতে কলে,—"গাঁৱৰ প্ৰায়বোৰ মানুহৰ বাঁহৰ, কেঁচা ঘৰ। কি ইনছিঅ'ৰটো কৰিবলৈ আছে!"

ধেমাজীৰ চেম্বাৰ অৱ কমাৰ্ছৰ সভাপতি শ্ৰীশ্যামসুন্দৰ গাৰোদিয়াৰ মতে: "মানুহবোৰে ভয় খাই থকাটো সঁচা, কিন্তু ইয়াৰ পৰা ব্যৱসায়ী মানুহবোৰ পলাই গৈছে,— সেইটো সম্পূৰ্ণৰূপে মিছা আৰু ভিত্তিহীন কথা। মই জনাত এজন ব্যৱসায়ীয়েও এতিয়া-লৈকে ধেমাজী এৰি যোৱা নাই আৰু নাযায়ো।"

মই সুধিলো, আপোনালোকৰ ঘৰবোৰ ধুমধাম ইনছিঅ'ৰ কৰিবলৈ লোৱা কথাটো কিমান সঁচা? তেখেতে উত্তৰ দিলে, সেইটো সম্পূৰ্ণ মিছা কথা নহয়। কিন্তু এটা কথা;—প্ৰায় ভাগ ব্যৱসায়ী মানুহৰেই দোকান-ঘৰবোৰ ইনছিঅ'ৰ কৰা থাকেই, আৰু ধেমাজীতো তাৰ ব্যতিক্ৰম নহয়। যি দুই-এখন দোকানৰ মালিকে ইনছিঅ'ৰ কৰা নাছিল, তেখেতসকলেও এই সুযোগতে কৰি ললে। আৰু এটা কথা;—ভূমিকম্পৰ কথা গম পাই বহুত ইনছিঅ'ৰেন্‌ছ কোম্পানিৰ মানুহৰ ধেমাজীলৈ সোঁত বৈছে।"



ধেমাজীত ভূমিকম্পৰ ভয়ত নতুনকৈ ঘৰ সজাৰ কামো বন্ধ হোৱা নাই

"পিছে আপুনি কি কৰিব?"— বুলি সোধোঁতে তেখেতে ক'লে,— মই একো কৰিব লগা নাই। মইতো ইয়াতেই থাকিম। চাব, একো ডাঙৰ ভূমিকম্প নহয়। মোৰ গুৱাহাটীতো ঘৰ আছে; কিন্তু মই ব্যৱসায় এৰি যোৱাত নাই। যি হয় হ'ব। আৰু অকল মোৰহে হ'বনে? চাওঁ, চৰকাৰে কি কয়! আমি কিন্তু ভূমিকম্প হ'ব বুলি ভবা নাই।"

আকৌ সুধিলো, ইয়াৰ স্থানীয় মানুহবোৰে মাটি-বাৰীবোৰ বৰ সস্তা দামত বেচি পেলাইছে;—কথাটো সঁচানে?"

শ্ৰীগাৰোদিয়াই ক'লে, "মাটিবাৰী বিক্ৰি কৰিলেই হবনে? কিনিব কোনে? জুৱা খেলত টকা দিয়াৰ দৰেহে হ'ব!"

তেঁহপৰা গাঁৱৰ গাঁওবুঢ়া শ্ৰীমহেন্দ্ৰ দিহিঙীয়াক লগ পালো।

তেখেতে কলে,— ভূমিকম্প আহিব বুলি মনত যে শংকা এটা হোৱা নাই সেইটো নহয়, কিন্তু ভয় খাই কাম-বনবোৰ বাদ দিয়া নাই, বা কৰবালৈ পলাই যাবলৈও ঠিক কৰা নাই। তেখেতৰ গাঁৱৰ ৰাইজে গুণাগঁথা কৰিছে— কি কৰিব? কিন্তু সকলো একমত,—নিজৰ গাঁৱতে, একগোট হৈ আগৰ ধৰণেৰে থাকিব। অৱশ্যে শ্ৰীদিহিঙীয়া ৫০ চনৰ ভূমিকম্প পোৱা মানুহ। সেই সময়ৰ বহু কথা তেখেতে সুঁৱৰিলে। বেচ সাহসী মানুহ। তেখেতে ক'লে—আগৰ তুলনাত কি ডাঙৰটো হ'বনো? ভয় খোৱাৰ কোনো প্ৰশ্ন নাই। আমাৰ যি হ'ব, নিজৰ মাতৃ-ভূমিতেই হ'ব।

গাঁৱত বিহু পতা-নপতা আৰু খেতি-বাতি কৰা-নকৰাৰ কথা সোধাত তেখেতে কলে, "ইয়াৰ বিহু দুদিন মানৰ পাছতহে হয়। ১, ২, ৩ বহাগত ইয়াত ৰভাঘৰৰ বিহু নাপাতে। ৪ মানৰ পাছতহে আৰম্ভ হয়। এইবাৰো ৰাইজে বিহু উৎসৱৰ আয়োজন কৰিছে।" খেতি-বাতিৰ কথাত কলে,—বহাগৰ শেষৰ ফালৰ পৰাই খেতিয়কে হাল বাবলৈ আৰম্ভ কৰিব। তেখেতৰ মতে ভূমিকম্প আগতেও আহিছিল আৰু ভৱিষ্যতেও আহিব; সেই বুলিয়েই জানো মানুহে ভাত-পানী খাবলৈ বাদ দিব? আৰু এইবোৰ প্ৰকৃতিৰ নিয়মলৈ ভয় কৰাৰ প্ৰশ্নই নুঠে।

শ্ৰীসুনিন্দৰ সিং: বিহাৰৰ মানুহ। ধেমাজীৰ কাপোৰৰ দোকান এখনৰ তেওঁ ছেলছমেন। তেওঁৰ মতে ভূমি-কম্প যে হ'ব, সেইটো মিছা কথা, আৰু হ'লেও বৰ ডাঙৰ নহয়। তাৰ কাৰণে নিজৰ ব্যৱসায় এৰি পলাই যোৱাৰ কোনো যুক্তি নাই। মৰিব লগা থাকিলে মানুহ, য'তে-ত'তে মৰিব; কোনেও বচাব নোৱাৰে।

শ্ৰীজনক যাদব: খাদ্য নিগমৰ ধেমাজী শাখাৰ দৈনিক হাজিৰা কৰা মানুহ। ঘৰ বিহাৰৰ এখন সৰু গাঁৱত। ধেমাজীত তেওঁ অকলে থাকে। তেওঁ ভূমিকম্পৰ কথা শুনি ভয় খাইছে; সেইবুলি ইয়াৰপৰা পলাই নাযায়। তেওঁৰ মতে জন্মিছে যেতিয়া মৰিব লাগিবই। সেই মৰালৈ ভয় কৰি ইয়াৰপৰা গুচি যোৱাটো তেওঁ নিবিচাৰে আৰু আনকো যাবলৈ নকয়। তেওঁলোকে মিলিজুলি (সকলো বিহাৰী মানুহ) স্থানীয় বিষ্ণু মন্দিৰত ভূমি-কম্পৰপৰা হাত সাৰিবলৈ প্ৰায়ে কীৰ্তন গাই আছে।

শ্ৰীমীনকান্ত বৰ গোঁহায়ে কলে: আমি চাকৰিয়াল মানুহ। ঘৰো ইয়াতে কৰিলো। হওঁতে আৰ. ছি. ছি. ঘৰ; 'ইনছিঅ'ৰ-ছিনছিঅ'ৰ হ'লে কৰা নাই। গলে যাব আৰু। ভূমিকম্পত ঘৰটো যাব বুলি মনে ধৰা নাই। কথাটো ভাবকচোন, — হ'বও হ'ব, একেবাৰে ধেমাজীতহে হ'ব! এইবোৰ মিছা কথা বুজিছে। কিবা মৈৰপাক আছে যেন পাওঁ। আমাৰ গাঁও, আমাৰ ঘৰ আমাৰ ল'ৰা-ছোৱালী, বন্ধু-বান্ধৱ, চাকৰি আটাইবোৰ ইয়াতে আছে। এইবোৰ এৰি কৰবালৈ ভয়ত পলাই যোৱাৰ কথা সপোনতো নাভাবোঁ।

শ্ৰীভৰত কোঁচ, লখিমী পাম গাঁৱৰ এজন খেতিয়ক। খেতিয়েই তেওঁৰ জীৱনৰ একমাত্ৰ ভৰসা। বহাগ বিহুৰ পাছতেই তেওঁ হাল বাবলৈ আৰম্ভ কৰিব। জন্ম তেখেতৰ এই গাঁৱতেই। ভূমিকম্পৰ কাৰণে তেওঁ পলাই যোৱাৰ কথা ভবা নাই আৰু ভাবিবও নোৱাৰে। ভূমিকম্প মাজে মাজে হৈয়েই থাকে; আৰু তেনেকুৱা ভূমিকম্প এটাই সম্ভৱ এইবাৰো হ'ব।

ৰাম ৰতন ৰায়: ৰজৰং ধানমিলৰ এজন কৰ্মী। তেওঁ ভয়খোৱা নাই। যি হব লগা আছে হৈ থাকিব। প্ৰকৃতিৰ কাম প্ৰকৃতিয়ে কৰিব, আমাৰ কাম আমি কৰিম। সেয়ে এই অমূলক চিন্তাবোৰ নকৰাই ভাল। ৰাতি অৱশ্যে নাম-কীৰ্তনৰ মাধ্যমেৰে তেওঁ-লোকে ভূমিকম্প নহ'বলৈ ভগবানক কাকুতি কৰি আছে।

শ্ৰীথুলন্ত কুমাৰ বুঢ়াগোঁহায়ে: চৰকাৰী অফিছত কামকৰে। জলসিঞ্চন বিভাগৰ ইউ.ডি.এ.। তেখেতে নতুনকৈ সজা পকী ঘৰটো বীমা কৰিলে ডেৰ লাখ টকাত। তাৰ বাবে সদ্যহতে দিব লগা হল ১৮০ টকা। এখেত টঙনাপৰা গাঁৱৰ এজন মুখ্য বাসিন্দা। এখেতে অৱশ্যে ভূমিকম্প হব বুলি ভবা নাই, আৰু ভূমিকম্প আহিব বোলা সময়ছোৱাত আন ঠাইলৈ গুচি যোৱাৰ কথাও ভবা নাই। এখেতে বিহুৰ চিৰা, পিঠাকে আদিকৰি আটাইবোৰ বস্তুৰ আয়োজন কৰিছে। কেইদিনমান পাছতে খেতি-বাতিত লগাৰ কথাও ভাবিছে।

শ্ৰীপুষ্পধৰ পেগু: এজন খেতিয়ক। ১৯৮৩ চনত এই সমষ্টিৰ পৰা এখেত বিধান সভালৈ নিৰ্বাচিত হৈছিল। এখেতৰ মতে এইবাৰ বিহু কম, অ'ত-ত'ত দুই এজনক ঢোল লোৱা দেখাগৈছে। অইনকালে বোলে মানুহ-বোৰৰ গাত তত নোহোৱা হয়। ভূমিকম্প হোৱা বা নোহোৱাৰ লগত তেখেতৰ কোনো সম্পৰ্ক নাই। নিজৰ বাসস্থান এৰি তেখেত কলৈকো নাযায়। ভূমিকম্প প্ৰসংগটোত চৰকাৰ আৰু স্থানীয় বিধান সভাৰ সদস্যই গুৰুত্ব দিয়া নাই কাৰণে তেখেত দুঃখিত। "ভূমিকম্প হ'ব পাৰে, কিন্তু নিজৰ জন্মঠাই এৰি পলোৱাটো উচিত নহয়।" —তেখেতে কলে।

আলোকচিত্ৰ: লেখক

OKDISCD

বিশ্ব পৰিক্ৰমা

# প্ৰসংগ ঃ পশ্চিম এছিয়া   বিষয় ঃ পি. এল. অ'

ড° সুনীল পৱন বৰুৱা

চাৰি বছৰীয়া বিৰতিৰ পাছত পেলেষ্টাইনী মুক্তি সংস্থাৰ অংশীদাৰসকলৰ মাজত পুনৰ ঐক্য স্থাপিত হৈছে। যোৱা মাহৰ শেষ সপ্তাহত আলজেৰিয়াৰ ৰাজধানী আলজিয়াৰ্ছত অনুষ্ঠিত পেলেষ্টাইনীসকলৰ ৪৪৭-জনীয়া সংসদ পেলেষ্টাইন জাতীয় পৰিষদৰ অষ্টাদশ অধিবেশনৰ এইটোৱেই আছিল উল্লেখযোগ্য বাতৰি। ইয়াৰ ফল হ'ল,— মুক্তি সংস্থাৰ আঠোটা অংশীদাৰী গোষ্ঠীয়ে তেওঁলোকৰ মাজত নেতৃত্বৰ বাবে চলি থকা খোৱা-কামোৰা আৰু সংঘৰ্ষৰ পথ ত্যাগ কৰি পেলেষ্টাইনীসকলৰ গৃহভূমিৰ লক্ষ্যত য়াছাৰ আৰাফাটৰ নেতৃত্বত পুনৰ ঐক্যবদ্ধ সংগ্ৰাম চলোৱাৰ সংকল্প গ্ৰহণ। মধ্য প্ৰাচ্যৰ ৰাজনীতি তথা পেলেষ্টাইনী মুক্তি সংস্থাৰ বিষয়ে খা-খবৰ ৰখাসকলৰ বাবে নিঃসন্দেহে ই এক তাৎপৰ্যপূৰ্ণ ঘটনা। স্মৰণযোগ্য যে ১৯৮৩ চনৰ সামৰিত ইজৰাইলী সৈন্য বাহিনীৰ প্ৰচণ্ড আক্ৰমণৰ পৰিপ্ৰেক্ষিতত পি. এল. অ'ৰ নেতা য়াছাৰ আৰাফাট আৰু তেওঁৰ অনুগত দহ হাজাৰ মুক্তি যোদ্ধাই সংস্থাৰ সদৰ দপ্তৰ অৱস্থিত পশ্চিম লেবানন ত্যাগ কৰিবলৈ বাধ্য হয়। পেলেষ্টাইনী মুক্তি সংস্থাৰ মুল সংগঠনৰ ওপৰত এই ঘটনাৰ ব্যাপক প্ৰতিক্ৰিয়া ঘটে। ইতিমধ্যে আৰাফাটৰ নেতৃত্বৰ প্ৰতি প্ৰত্যাহ্বান জনোৱা পেলেষ্টাইনী উগ্ৰপন্থী গোষ্ঠীসমূহে সংগঠনৰ নেতৃত্বৰ পৰা তেওঁক অপসাৰণ কৰিবলৈ উঠি-পৰি লাগে। বাস্তৱিকতে বিশ্বৰ অন্যতম মুক্তি আন্দোলন ৰূপে স্বীকৃতি লাভ কৰা পি. এল. অ'ৰ মাজত বিভাজনৰ সৃষ্টি হোৱাত ইয়াৰ লক্ষ্য একৰকম অনিশ্চিত হৈ পৰে।

চাৰি দশকৰ পাছলৈ ঘূৰি চালে আমি দেখিম যে ১৯৪৮ চনত ইহুদী ৰাষ্ট্ৰ ইজৰাইলৰ জন্মই পেলেষ্টাইনৰ লাখ-লাখ আৰব বাসিন্দাক গৃহহীন কৰিলে। পৰবৰ্তী সময়ছোৱাত ইজৰাইলে চলোৱা সম্প্ৰসাৰণ নীতিৰ ফলত ৰাষ্ট্ৰসংঘই বান্ধি দিয়া ইজৰাইলৰ সীমা প্ৰায় তিনিগুণ বৃদ্ধি হোৱাৰ লগতে আৰব ভগনীয়াৰ সংখ্যাও দুগুণে বৃদ্ধি পালে। অকণমান নিৰাপদ আশ্ৰয়ৰ সন্ধানত চুবুৰীয়া আৰব দেশসমূহত ভালেদিন ডলাৰ বগৰিৰ দৰে ঘূৰি পেলেষ্টাইনী ভগনীয়াসকলে অৱশেষত নিজৰ ভাগ্য নিজেই নিৰ্ণয় কৰিবলৈ স্থিৰ কৰে। ইয়াৰ ফলস্বৰূপে পশ্চিম এছিয়াৰ বিভিন্ন দেশ আৰু ইজৰাইলৰ দ্বাৰা অধিকৃত পেলেষ্টাইনত সিঁচৰতি হৈ থকা প্ৰায় চাৰি নিযুত পেলেষ্টাইনীৰ বাবে এক নিজা গৃহভূমিৰ দাবীত ১৯৬৭ চনত জন্ম হ'ল পেলেষ্টাইনী মুক্তি সংস্থা। সাধাৰণতে পি. এল. অ' নামে পৰিচিত এই মুক্তি সংগঠন আছিল আঠোটা গোষ্ঠীৰ এটা গোট। ইয়াৰে শক্তিশালী আল ফাটাহৰ নেতা য়াছাৰ আৰফাটেই আছিল প্ৰথম অৱস্থাত সংগঠনৰ অপ্ৰতিদ্বন্দ্বী নেতা। লক্ষ্য সাধনৰ বাবে আৰম্ভণিতে পশ্চাদঘাতী আৰু সন্ত্ৰাসবাদী কাৰ্যকলাপত লিপ্ত থকা মুক্তি সংগঠনটোৱে লাহে লাহে এক স্বয়ং সম্পূৰ্ণ অনুষ্ঠান ৰূপে আৰাফাটৰ নেতৃত্বত পেলেষ্টাইনী জনগণৰ প্ৰকৃত প্ৰতিনিধিৰূপে আত্ম প্ৰকাশ কৰিলে। সৰ্বজনৰ স্বীকৃতি লাভ কৰা পি. এল. অ'ক ৰাষ্ট্ৰসংঘকে ধৰি ভালেমান অনুষ্ঠান-প্ৰতিষ্ঠানে ইতিমধ্যে ন্যায্য সন্মান প্ৰদান কৰিছে। কিন্তু লেবাননত ইজৰাইলী আক্ৰমণৰ ফলত অসামৰিক লোকৰ অযথা প্ৰাণহানি নঘটাবলৈ একপ্ৰকাৰ বিনাযুদ্ধে লেবাননৰ ৰাজধানী বেইৰুট ত্যাগ কৰাৰ সিদ্ধান্তৰ বাবেই পি. এল. অ'ৰ মাজত পূৰ্বৰেপৰা চলি থকা মতানৈক্যই বিভাজনৰ ৰূপে ললে। ছিৰিয়াৰ পৃষ্ঠপোষকতাত পি. এল. অ'ৰ উগ্ৰপন্থীসকলে য়াছাৰ আৰাফাট আৰু তেওঁৰ অনুগামীসকলক উচ্ছেদ কৰিবলৈ উঠি-পৰি লগাত মুক্তি সংগঠনৰ কাৰ্যকলাপ আৰু ভাবমূৰ্তি কিছু ম্লান হৈ পৰিল।

বৰ্তমান আলজিয়াৰ্ছত গৃহীত সিদ্ধান্ত মতে আলফাটাহ আৰু উগ্ৰপন্থী আন আন গোষ্ঠীসমূহ এক আপোচত উপনীত হৈছে। সেইমতে সমূহীয়া নেতৃত্বৰ দাবীৰ বিপৰীতে য়াছাৰ আৰাফাটে মুক্তি সংগঠনৰ প্ৰধান নেতাৰ স্বীকৃতি লাভ কৰিছে। আৰাফাটৰ নেতৃত্বৰ বিৰুদ্ধে উগ্ৰপন্থীসকলৰ প্ৰধান অভিযোগ হ'ল,— জৰ্ডানৰ ৰজা হুছেইনৰ লগত সম্পাদিত চুক্তি আৰু ইজিপ্টৰ সৈতে বজাই ৰখা বন্ধুত্বপূৰ্ণ সম্পৰ্ক। জৰ্ডানৰ লগত সম্পাদিত চুক্তি মতে ইজৰাইলৰ দখলাধীন জৰ্ডান নদীৰ পশ্চিম পাৰ আৰু গাজা ভূখণ্ড লাভ কৰিবৰ বাবে জৰ্ডান আৰু পেলেষ্টাইনী মুক্তি সংস্থাই যুটীয়াভাৱে ইজৰাইলৰ লগত আলাপ-আলোচনা কৰিবলৈ সন্মত হৈছিল। এতিয়া আৰাফাটে এই চুক্তি বাতিল কৰিছে। অৱশ্যে ইতিমধ্যে জৰ্ডানে নিজেই চুক্তি বাতিল কৰাৰ ফলত তেওঁৰ বাবে কথাটো সহজ হৈ পৰিল। কিন্তু ইজিপ্টৰ লগত পি. এল. অ'ৰ সম্পৰ্কক কেন্দ্ৰ কৰি বাদানুবাদ একেবাৰে শেষ হোৱা নাই। উল্লেখযোগ্য যে ১৯৭৯ চনত মাকিন প্ৰেছিডেণ্ট জিমি কাৰ্টাৰৰ মধ্যস্থতাত কেম্প-ডেভিড শীৰ্ষ সন্মিলনত ইজৰাইলৰ লগত সম্পাদিত শান্তি চুক্তিৰ কাৰণে ইজিপ্টক আৰব জগতত একপ্ৰকাৰ এঘৰীয়া কৰা হৈছিল। এনে অৱস্থাত ইজিপ্টৰ লগত পি. এল. অ'ৰ হলিগলি উগ্ৰপন্থী গোষ্ঠীসমূহে কোনো পধ্যে মানি লব নোৱাৰে। আলজিয়াৰ্ছত পেলেষ্টাইনী জাতীয় পৰিষদৰ বৈঠকত প্ৰভাৱশালী পপুলাৰ ফ্ৰণ্টৰ গোড়া মাৰ্ক্সবাদী নেতা জৰ্জ হাবাছ আৰু ডেমক্ৰেটিক ফ্ৰণ্টৰ নেতা নেইফ হাৱাটমেই এই বুলি ভাবুকি দিছিল যে ইজিপ্টৰ লগত পি. এল. অই সম্পৰ্ক ত্যাগ নকৰিলে তেওঁলোকে বৈঠক ত্যাগ কৰিব। বাস্তৱিকতে ঐক্যৰ বাবে দৰদামৰ সুবিধা লৈ উগ্ৰপন্থী নেতাসকলে একেলগে আৰাফাটৰ ওপৰত হেঁচা প্ৰয়োগ কৰিবলৈ আলজিয়াৰ্ছত সমবেত হৈছিল। পি. এল. অ' নেতাগৰাকীৰ প্ৰধান বিৰোধী ছিৰিয়াৰ দ্বাৰা সমৰ্থিত উগ্ৰপন্থী দলবোৰৰ লগতে দুৰ্ধৰ্ষ সন্ত্ৰাসবাদী নেতা আবু নিদালেও দৰদামৰ বাবে অধিবেশনত যোগদান কৰিছিল। বহুসংখ্যক আন্তঃৰাষ্ট্ৰীয় সন্ত্ৰাসবাদী কাৰ্যকলাপত লিপ্ত আবু নিদালে যোৱা ছবছৰত আৰাফাটৰ ভালেমান ঘনিষ্ঠ সহযোগীক হত্যা কৰিছে। অৱশেষত মুক্তি সংগঠনটোৰ মাজত পুনৰ ঐক্য স্থাপনৰ স্বাৰ্থত উগ্ৰপন্থীসকলৰ ওচৰত সেও মানি ভৱিষ্যতে ইজিপ্টৰ লগত তেওঁৰ সম্পৰ্ক সীমিত কৰিবলৈ আৰাফাটে প্ৰতিশ্ৰুতি দিছে। অৱশ্যে কেম্প ডেভিড শীৰ্ষ সন্মিলনৰ চুক্তিক গৰিহণা দি তেওঁ পোনপটীয়াকৈ একো কোৱা নাই।

পেলেষ্টাইনী মুক্তি সংস্থাৰ মাজত পুনৰ প্ৰতিষ্ঠিত ঐক্যৰ প্ৰতি বিভিন্ন মহলে আদৰণি জনাইছে। এই সম্পৰ্কত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি আৰব লিগৰ এগৰাকী মুখপাত্ৰই কৈছে যে ভৱিষ্যতে পেলেষ্টাইনী সমস্যা সমাধান কৰাত এই কাৰ্যই সহায় কৰিব। পেলেষ্টাইনী মুক্তি যোদ্ধাৰ মাজত ঐক্য স্থাপনৰ বাবে ছোভিয়েট ইউনিয়ন বিশেষভাৱে আগ্ৰহী। বিশেষকৈ পি. এল. অ' আৰু ছিৰিয়াৰ মাজত চলি থকা সংঘৰ্ষ বন্ধ হোৱাটো মস্কোৱে বিচাৰে। ইমান দিনে পি. এল. অ'ত আৰাফাটৰ নেতৃত্ব উচ্ছেদ কৰিবলৈ পেলেষ্টাইনী উগ্ৰপন্থীসকলক উৎসাহ যোগাই অহা ছিৰিয়াই এই বিষয়ত নিৰৱতা অৱলম্বন কৰিছে। পেলেষ্টাইনী মুক্তি সংগ্ৰামীসকলৰ মাজত বিভাজন ৰোধ কৰিবলৈ চেষ্টা চলোৱা দেশসমূহৰ ভিতৰত আলজেৰিয়া, লিবিয়া আৰু দক্ষিণ য়েমেনৰ নাম বিশেষ ভাৱে উল্লেখ কৰিব পাৰি। প্ৰকৃতপক্ষে পশ্চিম এছিয়া সমস্যাৰ এটা গ্ৰহণযোগ্য সমাধানৰ বাবে প্ৰথমতে পেলেষ্টাইন মুক্তি সংগঠনৰ মাজত ঐক্য স্থাপন হব লাগিব। কিয়নো, বিভাজন চলি থাকিলে ইজৰাইল আৰু ইয়াৰ সহযোগী শক্তিসমূহে পশ্চিম এছিয়াত নিজৰ সম্প্ৰসাৰণ নীতি চলাই থকাত সুবিধা হয়। পেলেষ্টাইনী সমস্যা সমাধানাৰ্থে শেহতীয়াভাৱে সাধাৰণ মনোভাব হৈছে, —পশ্চিম এছিয়া সন্দৰ্ভত ৰাষ্ট্ৰ সংঘৰ নিৰাপত্তা পৰিষদৰ স্থায়ী সদস্য আৰু মুক্তি সংস্থাকে ধৰি সংশ্লিষ্ট সকলো পক্ষক লৈ এক আন্তঃৰাষ্ট্ৰীয় শান্তি সন্মিলন অনুষ্ঠিত হব লাগে। পশ্চিম এছিয়া বিবাদৰ সমাধান আৰু ইজৰাইলৰ দখলত থকা অঞ্চলসমূহলৈ পেলেষ্টাইনী ভগনীয়াসকলৰ প্ৰত্যাবৰ্তনৰ বিষয়টো ১৯৮৩ চনৰ আগষ্ট মাহত ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদত গৃহীত ৩৮/১৫৮ প্ৰস্তাৱৰ আধাৰত আলোচনা হোৱাটো উচিত। ইয়াৰ বাট মুকলি কৰিবলৈ নিৰাপত্তা পৰিষদৰ পাঁচজনীয়া সদস্য ৰাষ্ট্ৰৰ মাজত এক প্ৰস্তুতি বৈঠক হব লাগে বুলি মত পোষণ কৰি পেলেষ্টাইনী জাতীয় পৰিষদৰ সদ্য সমাপ্ত অধিবেশনত বিষয়টো উত্থাপন কৰা হয়। এই প্ৰসংগত ইউৰোপীয় অৰ্থনৈতিক গোষ্ঠী (E. E. C) পি. এল. অ'ক পেলেষ্টাইনীসকলৰ প্ৰতিনিধিৰূপে স্বীকৃতি দিবলৈ ব্যৰ্থ হোৱাত, আমেৰিকাৰ হেঁচাত পশ্চিমীয়া শক্তিসমূহে এক স্বাধীন পেলেষ্টাইনৰ জন্ম আৰু আন্তঃৰাষ্ট্ৰীয় শান্তি সন্মিলনত পি. এল. অ'ৰ যোগদানত প্ৰতিবন্ধকতা সৃষ্টি কৰাৰো অভিযোগ উঠিছিল। মন কৰিবলগীয়া কথাটো হ'ল,—ইজৰাইলে পশ্চিম এছিয়া সম্পৰ্কত কোনো আন্তঃৰাষ্ট্ৰীয় সন্মিলন হোৱাটো নিবিচাৰে। ইয়াৰ সলনি তেওঁলোকে পেলেষ্টাইন মুক্তি সংগঠনক আওকাণ কৰি সংশ্লিষ্ট আৰব দেশসমূহৰ লগত এই সমস্যাটো সুকীয়া-সুকীয়াভাৱে সমাধান কৰিব খোজে। যিয়েই নহওক, যোৱা কিছুদিন ধৰি আন্তঃৰাষ্ট্ৰীয় শান্তি সন্মিলনৰ প্ৰস্তাৱটোৱে পুনৰ প্ৰাধান্য লাভ কৰিছে। এনে এক আন্তঃৰাষ্ট্ৰীয় সন্মিলনৰ পূৰ্বে পেলেষ্টাইন মুক্তি সংস্থাৰ মাজত ঐক্য স্থাপন হোৱাটো ছোভিয়েট ইউনিয়নে বিচাৰিছে। পি. এল. অ'ৰ লগত বিবাদৰ মীমাংসাৰ প্ৰয়োজনীয়তাৰ কথা ছিৰিয়াৰ নিচিনা দেশেও উপলব্ধি কৰিছে। বিশেষকৈ ছিৰিয়াৰ দ্বাৰা পৰিচালিত লেবাননৰ চিয়া মুছলমান সম্প্ৰদায়ৰ অমল ৰক্ষী বাহিনীয়ে পেলেষ্টাইনী আশ্ৰয় শিবিৰত পাঁচ মাহ ধৰি চলোৱা অৱৰোধৰ ফলত যি ভয়াবহ পৰিস্থিতিৰ সৃষ্টি হৈছিল, সেই কথাটোৱেও পেলেষ্টাইনী মুক্তি বাহিনীৰ মাজত ঐক্যৰ বিষয়টোত প্ৰাধান্য বিস্তাৰ কৰিলে। এই অৱৰোধৰ সময় ছোৱাত অৱৰুদ্ধ প্ৰায় ৮০০ পেলেষ্টাইনীৰ মৃত্যু হৈছিল। উক্ত সংকটৰ সময় ছোৱাত য়াছাৰ আৰাফাটে গ্ৰহণ কৰা ভূমিকাৰ বাবে তেওঁৰ নেতৃত্বৰ প্ৰতি পেলেষ্টাইনীসকলৰ নতুনকৈ আস্থা স্থাপিত হ'ল। পেলেষ্টাইনী মুক্তি সংস্থাৰ মাজত পুনৰ প্ৰতিষ্ঠিত ঐক্যই সমস্যাটো সমাধান কৰিব বুলি কব নোৱাৰি; কিন্তু ইয়াৰ মাজেদি পশ্চিম এছিয়া সমস্যা সমাধানত প্ৰাৰম্ভিক প্ৰস্তুতিৰ বাট মুকলি হৈছে।

হেমকুৰাৰ —
ৰঙা কৰবীৰ ফুল — ১২ টকা
কন্নকী — ১০ টকা
বহাগতে পাতি যাওঁ বিয়া—
২৫ টকা

এলবিএছ পাব্লিকেশ্যন
জি. এন. বৰদলৈ ৰ'ড,
আমবাৰী, গুৱাহাটী-১


OKDISCD

# সীমান্তত

বিপুল মহন্ত

মাৰ্চ মাহৰ ২৩ তাৰিখে ৰাতিপুৱাই ধুবুৰীৰপৰা গৌৰীপুৰ হৈ গোলোকগঞ্জৰ কাষৰ লক্ষীমাৰী সীমান্ত ৰক্ষী বাহিনীৰ শিবিৰৰপৰা প্ৰায় ২ কি. মি. দূৰৈৰ গাইখোৱা সীমান্তলৈ যাত্ৰা কৰিলো। আচলতে যোৱা কথা আছিল বিন্দাচাৰালৈ। বিন্দাচাৰাৰ প্ৰগেম হঠাতে বাটতে সলনি কৰিলো। কাৰণ আগদিনা ধুবুৰিত থাকোঁতে আমি বিন্দাচাৰালৈ যাম বুলি বাতৰিটো ৰাষ্ট্ৰ হৈছিল। ইয়াত এটা নিয়ম আছে ঃ ইয়াৰ চৰকাৰী বিভাগে, বিশেষকৈ আৰক্ষী বিভাগে, কোনোবাই সীমান্ত পৰিভ্ৰমণ কৰিবলৈ অহা বুলি গম পালেই বি. এছ. এফলৈ খবৰ পঠিয়াই দিয়ে। লগে লগে বি. এছ. এফৰ লোক সষ্টম হয়। সেয়েহে আমি বিন্দাচাৰালৈ যোৱাৰ আগতেই গাইখোৱালৈ যোৱাৰ সিদ্ধান্ত ললো। আমি গাড়ীত মুঠ ছজন। ধুবুৰীৰপৰা জয়দীপ বৰুৱা, চাপৰৰ নিৰ্মলেন্দু সিংহ, গৌৰীপুৰৰ সুচীব্ৰত সিংহ চৌধুৰী, বিন্দাচাৰাৰ জাহিদুৰ ৰহমান খান, ঝগৰাপাৰৰ চোলেমান খান, গুৱাহাটীৰ পৰা মই আৰু ৰবিন দাস। আটাইকেউজন অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ সদস্য। ইয়াৰ আগতে ১৯ মাৰ্চত অসমৰ মুখ্যমন্ত্ৰীক কথাটো কৈছিলো ; —সীমান্তৰে এতিয়াও বিদেশী নাগৰিক আহিয়েই আছে। কেন্দ্ৰীয় গৃহদপ্তৰেও অহৰহ প্ৰচাৰ চলায়েই আছে সীমান্ত সুৰক্ষিত বুলি।

চিলাৰায় সেতু পাৰ হোৱাৰ পাছৰ পৰাই আমি বেয়া ৰাস্তা পাবলৈ আৰম্ভ কৰিলো। ৰতিয়াদহৰপৰা ৰাস্তা নাই বুলিলেও হয়। পথাৰৰ মাজে-মাজে গাড়ী আগ বাঢ়িছে। হঠাৎ সম্মুখত এটা নিৰীক্ষণ চকী দেখি আমি গাড়ী ৰখালো। আটায়ে পথাৰৰ মাজে-মাজে আগ বাঢ়িলো। পথাৰত তেতিয়া ৰঙালাও, তিতাকেৰেলাৰ খেতি। অলপ দূৰৈত ধাননি পথাৰ। এজন মানুহে মৈ চলাই আছে। আমি ওচৰলৈ গলো। আচলতে সেয়া ধাননি পথাৰ নাছিল। তাত বজ্ৰা জাতীয় খেতি এবিধহে কৰা হৈছে।





পহৰাদাৰ নথকা নিৰীক্ষণ চকী

বস্তুটো গাখীৰৰ লগত খায়। মানুহজনে চলাই থকা সঁজুলিটো মৈ নহয়। দেখাত মৈৰ দৰে যদিও আচলতে সেইপাত ঘাঁহ-বন চাফা কৰা সঁজুলিহে। খেতি যথেষ্ট ভাল হৈছে। মাটি বালিচহীয়া। পথাৰৰ মাজতে ৬৫ বছৰীয়া ম. ইমৰান আলিক লগ পালো। বুঢ়াক নমস্কাৰ জনাই পৰিচয় দিলো। বুঢ়াই আমাক চৰকাৰী বিষয়া বুলি ভাবিছিল! বুঢ়াৰ ভুলটো ভাঙি দিলো। সীমান্ত চাবলৈ অহা বুলি কলো। বুঢ়াই আমাক নিৰীক্ষণ চকীটোলৈ লৈ গ'ল। চকীটোত কোনো নাছিল। শূন্য পহৰা চকী। বুঢ়াই জনালে— এই চকীটোত মানুহ তেনেকৈ নাথাকে। দুপৰীয়া বাৰ মান বজাত সীমান্ত ৰক্ষী বাহিনীৰ দুই-এজন লোকে এপাক মাৰে। ৰাতি পহৰাৰ ব্যৱস্থা নায়েই। বুঢ়াই আমাক কলে সীমাৰ খুটিটো চাবলৈ। খুটিটো ওচৰতে ; প্ৰায় এশ ফুট মান দূৰৈত। আমি পথাৰৰ আলিয়েদি আগবাঢ়িলো। ১০১৩ নম্বৰ খুটি। খুটিটোৰ কাষতেই এজন লোকে পথাৰত কাম কৰি আছে। অৰ্থাৎ বাংলাদেশত। আমি তেওঁৰ সতে কথা পাতিব খুজিলো। মানুহ জনে কিন্তু সহযোগ নকৰিলে। খুটিটোৰ সিটো

অসম-বাংলাদেশ সীমান্তৰ ১০১৩ নং সীমান্ত খুটি







সীমান্তৰ পথ-জৰীপৰ চিন

পাৰে ৫০ গজ দূৰৈৰপৰা খুটামাৰা গাঁও খন। সিটো পাৰে বাংলাদেশ ৰাইফলছৰ ভইচকুৰি কেম্প। আমি ফটো তুলি থাকোঁতেই বাংলাদেশ ৰাইফলছৰ দুজন লোক আহি উপস্থিত হ'ল। তেওঁলোক ছাইকেলত আহিছে। আনি বাংলাদেশৰ ভিতৰৰ পৰা আমাৰ ফালে গুচি আহিলো, বুঢ়াই আমাক জনালে যে সিফালৰ পৰা মানুহ সদায়েই আহি আছে। গোলোকগঞ্জত হাট বহে। তালৈ সিপাৰৰপৰা বেপাৰী আহে। বিশেষকৈ মুৰ্গী, কণী, কাপোৰ ইত্যাদি লৈ আহে। কাপোৰবোৰ বাংলাদেশত তৈয়াৰী নহয়। যিমানদূৰ সম্ভৱ আমেৰিকা, জাপান আদিৰ পৰা সাহায্যৰ নামত আহে। কাপোৰবোৰ ধুনীয়া আৰু যথেষ্ট সস্তা। ধুবুৰীৰ বজাৰত আমি এনে কেইবাখনো কাপোৰৰ দোকান দেখিছোঁ। মাজে-মাজে বি. এছ. এফৰ লোকে ধৰ-পাকৰ কৰে। কিন্তু সামান্য মাননিৰ বিনিময়ত এৰি দিয়া হয়। ধুবুৰীত প্ৰশাসন ব্যৱস্থা দুৰ্বল। দিছপুৰে ধুবুৰী জিলাখনৰ প্ৰতি এতিয়াও মনোযোগ নিদিয়া যেন লাগে। জিলাখনৰ অৰ্থনৈতিক অৱস্থা বেয়া। সিফালৰ পৰা বেপাৰ কৰিবলৈ অহা মানুহবোৰে ইফালৰ পৰা কেৰাছিন, নিমখ লৈ যায়। সিফালে নিমখৰ দাম কেজিত তিনি টকা, কেৰাছিন লিটাৰত সাত টকা। সিফালৰ পৰা ঘড়ি, ইলেকট্ৰনিক যন্ত্ৰ-পাতিও আহে। অৱশ্যে সেই সামগ্ৰীবোৰ গোপনে বিক্ৰি কৰা হয়। ইয়াৰ মুল বজাৰখন শিলিগুড়িত। তাৰ পৰাই বস্তুবোৰ দেশখনৰ বিভিন্ন ঠাইলৈ যায়। এক অভিনৱ পদ্ধতিত বস্তু অনা নিয়া কৰা হয়। দুয়োখন দেশৰ মহিলাসকল তালৈ পানী নিবলৈ আহে। কলহত বস্তু ইফাল-সিফাল হয়। নাৱৰ তলত ৰচি বান্ধি, প্লাষ্টিকৰ মোনাত বস্তুবোৰ অনা



ম. ইমৰান আলি

হয়। নদী-পুলিছে ধৰিব নোৱাৰে। ৰাতি সিটো পাৰলৈ কাঠ যায়। ইটো পাৰৰ পৰা মানুহবোৰে গৰু-মহ চুৰ কৰি লৈ যায়। ৰাতি পথাৰৰ শস্য কাটি লৈ যায়। গৰাকীয়ে গোচৰ দিবলৈ যায় মানে পলম হৈ যায়। গোচৰ দিবই বা কাক ? লাভেই বা কি হব ? সিটো পাৰৰ মানুহ আহি ইটো পাৰে খেতি কৰে, হাজিৰা কৰে। ইয়াত হাজিৰা বেছি। দৰকাৰ হলে এই মানুহবোৰ

এল. পি. স্কুলৰ ছাত্ৰ-ছাত্ৰীসকল



গাইখোৱা খুটিৰ ৰাইজে সজা এম. ই. স্কুলখন







OKDISCD

ধুবুৰীৰ গাড়ীত উঠি অসমৰ যি কোনো ঠাইলৈ যায়। এনেকৈয়ে হয় প্ৰব্ৰজন।

আমি গাড়ীলৈ উভতি আহিলো। ওচৰতে স্কুল এখন। ২৮১ নং গাইখোৱা খুটি প্ৰাথমিক বিদ্যালয়। বিদ্যালয়খনৰ ছাইনব'ৰ্ড নাই। স্কুল ঘৰটো ভাল। অসমৰ বহু স্কুলতকৈ ভাল। তিনিওটা শ্ৰেণীত ল'ৰা-ছোৱালীৰ সংখ্যা প্ৰায় ৩০ জন মান হ'ব। আমি স্কুলত সোমোৱাৰ লগে লগে সৰু সৰু ল'ৰা ছোৱালী আটায়ে একেলগে চিঞৰি উঠিল—"জয়" বুলি। আচলতে "জয়হিন্দ" শব্দটো মুখত নুফুটাৰ বাবে "জয়" বুলি ওলাইছিল যেন লাগিল। ভাষাৰ সুৰ যথেষ্ট বেলেগ; অসমীয়াও নহয় বাংলাও নহয় গোৱালপৰীয়াও নহয়। ৰংপুৰীয়া ভাষাৰ সুৰ। ৰাইজে জানি আচৰিত হ'ব,— স্কুলখনৰ মাধ্যম কিন্তু অসমীয়া। মই ল'ৰা আহোঁতে এটা কথাই ভাৱিছোঁ,— চৰকাৰে এই অঞ্চলৰ মানুহখিনিক সংগঠিত আৰু motivate কৰা হ'লে এই মানুহখিনিয়েই প্ৰব্ৰজনত বাধাৰ সৃষ্টি কৰিব পাৰিলে হয়। কাৰণ গোটেই সীমান্তত বি. এছ. এফৰ লোক গাত গা লগাই থিয় কৰাই ৰাখিলেহে বিদেশী অহাত বাধা দিব পৰা যাব। তদুপৰি কাইটীয়া তাঁৰৰ বেৰে যে সিপাৰৰ মানুহক অহাত বাধা দি ৰাখিব পাৰিব, তাৰো আশা কম। সীমান্তৰ মানুহ খিনিৰ মাজত দেশপ্ৰেমৰ ভাব জগাই তুলিব নোৱাৰিলে, আৰু তেওঁলোকক অৰ্থনৈতিকভাৱে উন্নত কৰিব নোৱাৰিলে সিপাৰৰ মানুহ আহিয়েই থাকিব।

গাড়ীত উভতি আহোঁতে স্কুলখনৰ ল'ৰা ছোৱালী কেইটাৰ কথা মনত পৰিছিল। অৰ্ধ-নগ্ন ল'ৰা-ছোৱালী

**সীমান্তৰ মানুহখিনিৰ মাজত দেশপ্ৰেমৰ ভাব জগাই তুলিব নোৱাৰিলে আৰু তেওঁলোকক অৰ্থনৈতিক- ভাৱে উন্নত কৰিব নোৱাৰিলে সিপাৰৰ মানুহ আহিয়েই থাকিব।**

এজনৰ বহী এখন চালো। কবিতা এটা লিখিছে। আখৰবোৰ বেছ ধুনীয়া। কাষতে এম. ই পৰ্যায়ৰ ভেনচাৰ স্কুল এখন আছে। গাঁৱৰ ৰাইজে খুলিছে। এল. পি. খনৰ মাষ্টৰ আব্দুল শোভান তেতিয়া আহি পোৱা নাছিল। এজন মাষ্টৰেই তিনিটা শ্ৰেণী পঢ়ায়। আটাইবোৰ একেলগে বহে। সৰু-সৰু আধা নাঙঠ ল'ৰা-ছোৱালী কেইটামানো শ্ৰেণীত বহি আছে। সিহঁত স্কুললৈ অহাৰ অভ্যাস কৰিছে। আমাৰ ছাত্ৰ একতা সভাৰ দৰে এল. পিখনতো সন্তৰ ছাত্ৰ একতা সভা আছে। কাৰণ তৃতীয়মান শ্ৰেণীৰ আটাইতকৈ ডাঙৰ (বয়স ১১ বছৰমান হ'ব) ছোৱালীজনী জাহানাৰা খাতুন হ'ল ছাত্ৰ-ছাত্ৰীসকলৰ মন্ত্ৰী। ব্যৱহাৰ-পাতি যথেষ্ট ভাল। আমাক সৰু-সৰু ল'ৰা-ছোৱালীবোৰে যি সন্মান প্ৰদৰ্শন কৰিলে, তাৰ কথা আমি কেতিয়াও পাহৰিব নোৱাৰোঁ।

ইমৰান আলিৰ পৰা বিদায় লৈ কেইটাই অসমীয়া পঢ়িছে, অথচ ইয়াত থকা বহু লোকে অসমীয়া মাধ্যম গ্ৰহণ কৰিব খোজা নাই। চৰকাৰে সেই সকল ছাত্ৰ-ছাত্ৰীৰ অভিভাৱকসকলৰ চিন্তাক সন্মান জনাই কিবা এটা কৰিব নোৱাৰে নে? সিহঁত আগবাঢ়ি আহিছে অসমীয়া শিকিবলৈ। অসম সাহিত্য সভাকো কথাটো জনাই থলো। সাহিত্য সভাৰ কৰ্মী তালৈ যোৱাৰ প্ৰয়োজন আছে। বৃহত্তৰ অসমীয়া জাতি গঠনৰ বাবে, প্ৰব্ৰজনত বাধা দিবৰ বাবে, মানুহ খিনিক সংগঠিত কৰাৰ প্ৰয়োজন হৈছে।

ম. ইমৰান আলিৰ বগা ডাড়িখিনি ৰদেপোৱা পিঠিখন মোৰ চকুত এতিয়াও ভাহি আছে। বুঢ়াৰ খেতিডৰা সোণোৱালী হওক। জাহানাৰা হয়তো এদিন গোলোকগঞ্জৰ কলেজলৈ পঢ়িবলৈ আহিব। হয়তো নাহিবও পাৰে। কাৰণ সিহঁতৰ বাবে ইমান দূৰলৈ পঢ়িবলৈ অহাটো হৈ নুঠিবও পাৰে।




*প্ৰগতিশীল কথা-সাহিত্যিক অধ্যক্ষ শ্ৰীৰবীন চৌধুৰী অসমীয়া সাহিত্য জগতৰ এটি পৰিচিত নাম। 'কিম্বদন্তীৰ সাধু', 'দুই নদীৰ দুপাৰে', অৰূপ ৰূপৰ প্ৰেমকথা' আদি এলানি কাহিনীৰ ৰচয়িতা শ্ৰীচৌধুৰীৰ নৱতম বাণী-অৰ্ঘ্য ঃ*

**ৰূপ-সাগৰিকাৰ প্ৰেমকথা**

মহাকবি কালিদাসৰ অমৰগ্ৰন্থ নলোদয়, কুমাৰসম্ভৱ আৰু মেঘদূতৰ বৈচিত্ৰময় কাহিনী মালাৰ সমষ্টি, যাৰ সংযোগত প্ৰেমৰ পূজাৰী, সৌন্দৰ্যৰ উপাসক কালিদাসে প্ৰেম-সৌন্দৰ্য আৰু তপস্যাৰ মাজত সমন্বয় স্থাপন কৰি তপস্যাবিহীন প্ৰেম আৰু সৌন্দৰ্যৰ নিৰৰ্থকতা প্ৰতিপন্ন কৰিলে। ভাৰতীয় পৰম্পৰা আৰু সাধনাৰ ওপৰত গভীৰ বিশ্বাসী কালিদাসে ভাৰতীয় জীৱন তথা সমাজক সৌন্দৰ্যৰ তন্ময়ভাত বিমোহিত কৰি নিৰবধি কাল আৰু বিপুলা পৃথিৱীত চিৰজ্যোতিৰ্ময় হৈ থাকিল—অমৰ নিৰ্মিতিৰ সংযোগত।

কালিদাসৰ ৰূপ-সৌন্দৰ্য আৰু সাধনাৰ সোৱাদ সৰ্বসাধাৰণে লব নোৱাৰে—দেৱ ভাষা সংস্কৃত মন্থন কৰি। অসমীয়া পাঠক-পাঠিকাক কালিদাস কাব্যৰ অমৃত নিঃস্যন্দী ৰস প্ৰবাহত নিমজ্জন কৰাবলৈ সফল চেষ্টা কৰিছে শ্ৰীচৌধুৰীয়, তেওঁৰ 'ৰূপ-সাগৰিকাৰ প্ৰেম কথা'ৰ জৰিয়তে। ভাষাৰ যাদুকৰ চৌধুৰীয়ে তেওঁৰ গ্ৰন্থত কালিদাসৰ অপূৰ্ব নিৰ্মিতিৰ সোৱাদ অবিকৃতভাৱে ৰক্ষা কৰিবলৈ সক্ষম হৈছে আৰু ইয়াতেই তেওঁৰ অতুলনীয় ৰচনা ক্ষমতাৰ পৰিচয় পোৱা যায়।

*বেচ পোন্ধৰ টকা।*

বাণী প্ৰকাশ
পাণবজাৰ গুৱাহাটী-৭৮১০০১






# ভৱিষ্যতৰ বাহন

নীলোৎপল বেজবৰুৱা

সেয়া আছিল ১৮৮৫ চনৰ এক সেমেকা গধুলি। জাৰ্মানিৰ সৰু চহৰখনৰ নাগৰিকসকলে অবাক দৃষ্টিৰে, পৰম কৌতূহলেৰে তিনিচকীয়া চাইকেলখন লক্ষ্য কৰিছিল। সম্পূৰ্ণ নতুন ধৰণৰ বাহনখনে সমগ্ৰ চহৰখনতেই উত্তেজনাৰ সৃষ্টি কৰিছিল। এই উত্তেজনা সৃষ্টিকাৰী বাহনখনৰ চালকজন আছিল কাৰ্ল বেঞ্জ। জাৰ্মানিৰ এইজনা ব্যক্তিকেই বৰ্তমানৰ মটৰ গাড়ীৰ স্ৰষ্টাৰূপে গণ্য কৰা হয়। জাৰ্মানিৰ আন এগৰাকী প্ৰতিভাশালী আৱিষ্কাৰক গটিলেব ডেইমলাৰক দুচকীয়া বাহনৰ আৱিষ্কাৰক ৰূপে অভিহিত কৰা হয়।

ট্ৰাই-চাইকেল আৱিষ্কাৰ হোৱাৰ প্ৰায় পঞ্চাছ বছৰৰ আগৰ কথা। কিৰ্পট্ৰিক মেকমিলানে আৱিষ্কাৰ কৰা দুইচকীয়া চাইকেলে বৃটেইনৰ লগতে সমগ্ৰ ইউৰোপতে চাঞ্চল্যৰ সৃষ্টি কৰিছিল। মাধ্যাকৰ্ষণ শক্তিৰ সৈতে ভাৰসাম্য ৰক্ষা কৰি দুটা চকাৰ ওপৰত তীব্ৰ গতিত অগ্ৰসৰ হোৱাটো সেইসময়ত আশ্চৰ্যজনক ঘটনা আছিল। দুচকীয়া বাহনখনক উন্নত ৰূপ দিবলৈ যত্নৰ অন্ত নাছিল। এই প্ৰচেষ্টাৰ সাৰ্থক ৰূপ হ'ল পেট্ৰল ইঞ্জিন। জাৰ্মানিৰ ড° নিকলাছ অট্টই পেট্ৰল ইঞ্জিন আৱিষ্কাৰ কৰে। ১৮৭৬ চনত আৱিষ্কাৰ কৰা এই ইঞ্জিনকেই বৰ্তমানৰ মটৰ বাহনৰ পথ-প্ৰদৰ্শক বুলিব পাৰি। পাছলৈ শক্তিৰ মিতব্যয়িতা আৰু অন্যান্য কিছু সুবিধাৰ বাবে ডিজেল ইঞ্জিম আৱিষ্কাৰ কৰা হয়। প্ৰায় ১৯ বছৰৰ পাছত (১৮৯৫ চনত) এই আৱিষ্কাৰ কৰা ৰুডলফ ডিজেলো জাৰ্মানিৰেই আছিল। যি কি নহওক, অট্ট আৰু লানজেনৰ ইঞ্জিন কোম্পানিত কাম কৰাৰ ফলস্বৰূপে গটিলেব ডেইমলাৰে নতুন ইঞ্জিনটো অধ্যয়ন কৰিবলৈ সুবিধা পাইছিল। ভৱিষ্যতৰ যাতায়তৰ বাবে পেট্ৰল ইঞ্জিনৰ ব্যৱহাৰৰ সম্ভাৱনাৰ কথাই তেতিয়াই ডেইমলাৰৰ মগজুত স্থান পাইছিল। ১৮৮৫ চনত ডেইমলাৰে ২৬৪ ছি. ছি.ৰ পাতল, ফ'ৰ ষ্ট্ৰ'ক (four stroke) মটৰ ইঞ্জিন আৱিষ্কাৰ কৰিছিল। সেই-বছৰতেই, ১৮৮৫ চনৰ ১০ নৱেম্বৰৰ দিনা, পেট্ৰলচালিত আৰু "আশ্চৰ্য" তথা "বিপদজনক" গতিত (ঘণ্টাত ১৫ কি. মি.) অতিক্ৰম কৰা প্ৰথম মটৰ চাইকেলখন জাৰ্মানিৰ পথত দেখা গৈছিল।

ইয়াৰ পৰৱৰ্তীকালত মটৰ গাড়ীৰ বিকাশ আছিল ক্ষিপ্ৰগতিৰ। কাৰ্ল বেঞ্জৰ "এইন ছপুৰ"ৰ (Einspur) পৰা বৰ্তমানৰ আধুনিকতম "আলফা ৰোমিঅ'লৈকে অগ্ৰগতিৰ ইতিহাসে প্ৰায় এক শতিকা কাল জুৰি আছে।

মটৰ গাড়ীৰ উন্নতি তথা সংশোধনৰ প্ৰক্ৰিয়া অব্যাহত থাকিলেও, ইয়াৰ নিৰ্মাতা আৰু পৰিকল্পনাকাৰীসকলে জনসাধাৰণৰ অৰ্থনৈতিক অৱস্থা, ইন্ধনৰ মিতব্যয়িতা, কৰ্মদক্ষতা, প্ৰদূষণ আদিৰ ওপৰতো গুৰুত্ব প্ৰদান কৰি আহিছে। প্ৰায় দুই-দশকৰ আগলৈকে সমগ্ৰ আমেৰিকাতে বৃহৎ আকাৰৰ বিলাসিতাপূৰ্ণ গাড়ীসমূহ অতি জনপ্ৰিয় আছিল। কিন্তু ১৯৭৩-৭৪ চনৰ আৰব-ইজৰাইল যুদ্ধৰ ফলত সৃষ্টি হোৱা তেলৰ অভাৱে মটৰ গাড়ীৰ নিৰ্মাতা আৰু পৰিকল্পনাকাৰীসকলক বিপাঙত পেলালে। তেলৰ অভাৱত হোৱা মূল্যবৃদ্ধিৰ ফলত বিলাসবহুল মটৰগাড়ীসমূহৰ জনপ্ৰিয়তা ক্ষিপ্ৰগতিত হ্ৰাস পালে। অতি সোনকালে বৃহৎ আকাৰৰ ছয় বা আঠ ছিলিণ্ডাৰযুক্ত মটৰগাড়ীসমূহ দুই বা চাৰিটা ছিলিণ্ডাৰলৈ পৰিবৰ্তিত হ'ল। এই মটৰ গাড়ীৰ ইঞ্জিনসমূহে কম শক্তি ব্যৱহাৰ কৰিছিল। যদিও এই গাড়ীসমূহৰ গতি যথেষ্ঠ পৰিমাণে হ্ৰাস পাইছিল, তথাপি ইন্ধনৰ মিতব্যয়ীতাৰ দিশত এই ইঞ্জিনসমূহ উৎকৃষ্ট মানৰ আছিল।

বৰ্তমানে গাড়ীৰ ওজন হ্ৰাস কৰি ইঞ্জিনৰ সক্ষমতা কিদৰে বৃদ্ধি কৰিব পাৰি, সেই বিষয়ে গৱেষণা কাৰ্য আৰম্ভ কৰা হৈছে। আগৰ লো-তীখাৰ পৰিবৰ্তে বিভিন্ন ধৰণৰ নতুন কৃত্ৰিম পদাৰ্থ আৱিষ্কাৰ কৰা হৈছে। কৃত্ৰিম সামগ্ৰীসমূহৰ ভিতৰত ৰিইনফৰ্চড প্লাষ্টিক, থাৰ্ম'ছে'ট, আৰু থাৰ্ম'প্লাষ্টিক পলিমাৰ আদি অন্যতম। এই পদাৰ্থসমূহ অতি পাতল, সুদৃঢ় আৰু মামৰ প্ৰতিৰোধী। পদাৰ্থসমূহৰ প্ৰয়োগে মটৰ গাড়ীৰ ওজন শতকৰা ২০অৰ পৰা ৩০ ভাগলৈকে হ্ৰাস কৰিব আৰু ইন্ধনৰ খৰচো নিম্নগামী কৰিব।

আন এবিধ উল্লেখনীয় পৰিবৰ্তন হল গাড়ীসমূহৰ আকাৰ। আগৰ বাকচৰ আকাৰৰ গাড়ীসমূহৰ ওপৰত বায়ুৰ প্ৰতিৰোধ আছিল বেছি। ই ইঞ্জিনৰ কৰ্মদক্ষতা যথেষ্ট পৰিমাণে হ্ৰাস কৰিছিল। সেয়ে বৰ্তমানৰ মটৰ গাড়ীৰ উপৰিভাগ মসৃণ কৰা আৰু আকাৰবোৰ সামান্য ঘোৰ খোৱা কৰাৰ ওপৰত গুৰুত্ব দিয়া হৈছে।

শক্তিৰ পৰিবাহকৰ মাধ্যম সলনি কৰিও ইঞ্জিনৰ কৰ্মদক্ষতা বৃদ্ধি কৰিব পাৰি। এই মাধ্যমসমূহৰ ভিতৰত বে'ল্ট ড্ৰাইভ, চেইন ড্ৰাইভ, অথবা গিয়াৰ ড্ৰাইভ অন্যতম। জনপ্ৰিয় গিয়াৰ ড্ৰাইভৰ সলনি বৰ্তমানে আন এবিধ নতুন প্ৰক্ৰিয়াই ঠাই লৈছে। Automatic variable transmission (AVT) নামেৰে পৰিচিত এই প্ৰক্ৰিয়া বে'ল্ট ড্ৰাইভৰ ভিত্তিত আৱিষ্কাৰ কৰা হৈছে। বে'ল্টৰ সহায়ত শক্তিৰ পৰিবহনৰ এই প্ৰক্ৰিয়াই ইঞ্জিনৰ দক্ষতা যথেষ্ট পৰিমাণে বৃদ্ধি কৰিব।

এইদৰেই বিভিন্ন দিশত হোৱা গৱেষণাই মটৰ গাড়ীক এক নতুন ৰূপ দিছে যদিও ইলেকট্ৰনিকছ বিপ্লৱে সকলোকে অতিক্ৰম কৰিলে। বায়ুশূন্য নলীৰ (vacuum tube) পৰা আৰম্ভ কৰি ট্ৰেনজিষ্টৰ, ইণ্টিগ্ৰেটেড চাৰ্কিট অথবা মাইক্ৰ'-প্ৰছেছৰলৈকে বিভিন্ন সামগ্ৰীয়ে ইলেকট্ৰনিকছ বিজ্ঞানত যি ঢৌৰ সৃষ্টি কৰিছে, সেই ঢৌয়ে মটৰ


৩৯ পৃষ্ঠাত চাওক

# শিক্ষা, পৰীক্ষাৰ পদ্ধতি আৰু পৰিবেশ

পৰাগ কুমাৰ দাস

ৰাজ্যখনত আজি কেইবছৰ মানৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাত "ষ্টাৰ মাৰ্ক" পোৱা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা অভাবনীয়ভাৱে বাঢ়ি গৈছে; অথচ সেই অনুপাতে বিভিন্ন সৰ্বভাৰতীয় পৰ্যায়ৰ পৰীক্ষাত উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কিন্তু অকণো বৃদ্ধি পোৱা নাই। এই পৰ্যবেক্ষণৰ পৰা এতিয়া আমি এনেকুৱা এক সিদ্ধান্তলৈ আহিলে বোধকৰো ভুল কৰা নহ'ব যে, আমাৰ পৰীক্ষা পদ্ধতিয়ে হয়তো ছাত্ৰ-ছাত্ৰীৰ প্ৰকৃত গুণাগুণৰ মান নিচাৰ কৰাৰ ক্ষমতা লাহে লাহে হেৰুৱাই পেলাইছে। উদ্ভাৱনী শক্তিৰ পৰিবৰ্তে মুখস্থ শক্তিৰহে পৰীক্ষা লোৱা পদ্ধতিয়ে ছাত্ৰ-ছাত্ৰীৰ গুণগত মান সঠিককৈ নিৰূপণ কৰিব নোৱৰাটোৱেই স্বাভাৱিক। ৰাজ্যখনত এপিনে 'ভাল ৰিজাল্ট' কৰা ল'ৰা-ছোৱালীৰ সংখ্যা যিদৰে বাঢ়িছে, অকৃতকাৰ্য হোৱা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা শতকৰা হাৰো কিন্তু সেইদৰে কেইবাগুণে বৃদ্ধি পাইছে। আমাৰ পৰীক্ষাবিলাকত পৰিবেশৰ ইমান অধঃপতন ঘটাৰ পাছত, যিকোনো শিক্ষান্ত পৰীক্ষাতে মাত্ৰ দহ শতাংশ মান ছাত্ৰ-ছাত্ৰীহে উত্তীৰ্ণ হয়; তাৰ পাছত, কোনোমতে কিবাকৈ এৰাধৰা কৰি কৃতকাৰ্য হোৱা পৰীক্ষাৰ্থীৰ শতাংশ বিছ বা ত্ৰিছৰ ঘৰলৈ লৈ যোৱা হয়। যি পৰীক্ষাত এইদৰে শতকৰা নবৈৰ ভাগ পৰীক্ষাৰ্থী অকৃতকাৰ্য হয়, সেই পৰীক্ষা পদ্ধতি বাহাল ৰখাৰ যুক্তিযুক্ততা কিমান, সেয়াও এটা গুৰুত্বপূৰ্ণ প্ৰশ্ন। আমাৰ ল'ৰা-ছোৱালীয়ে শিক্ষা জীৱন আৰম্ভ কৰাৰ লগে লগে প্ৰচলিত শিক্ষা পদ্ধতিয়ে তেওঁলোকক পোনছাটে নি নম্বৰৰ-প্ৰতিযোগিতাত নমাই দিয়ে। আগৰ চামে পঢ়ি যোৱা পাঠখিনিকে পুনৰাই আওৰাই, পৰীক্ষাত তাৰ পুনৰাবৃত্তি কৰি, কোনে কিমান নম্বৰ পাব পাৰে, সেইটোহে এতিয়া শিক্ষাৰ মূল উদ্দেশ্য হৈ পৰিছে। তেওঁলোকৰ বুদ্ধি-বৃত্তিৰ বিকাশত জোৰ দিয়াৰ কথাটো তল পৰিছে। ফলস্বৰূপে, স্বাভাৱিকতেই শিক্ষাৰ প্ৰতি তেওঁলোকৰ আগ্ৰহ কমি আহে আৰু এটা পৰ্যায়ৰ পাছত নম্বৰৰ প্ৰতিযোগিতাত তিষ্টি থাকিবৰ নিমিত্তেই তেওঁলোকে যিকোনো পদ্ধতি অৱলম্বন কৰিবলৈকো কুণ্ঠাবোধ নকৰা হয়গৈ। একো নপঢ়াকৈ অসৎ উপায় অৱলম্বন কৰিয়েই নম্বৰৰ প্ৰতিযোগিতাত কৃতকাৰ্য হৈ সমাজত নিজকে প্ৰতিষ্ঠা কৰিব পৰা জন স্বাভাৱিকতে পিছৰ চামবোৰৰ বাবে আদৰ্শস্বৰূপ হৈ পৰে, আৰু এনেকৈয়ে আমাৰ শিক্ষা জগতত এই ব্যাধিবোৰ ক্ৰমান্বয়ে গুৰুতৰ হৈ যাবলৈ ধৰিছে। এনেকুৱা এক কেৰোণযুক্ত পদ্ধতিৰ মাজতো যিসকল উদ্ভাৱনী শক্তি সম্পন্ন প্ৰতিভাবান ছাত্ৰ-ছাত্ৰী ওলাই আহে, প্ৰচলিত প্ৰক্ৰিয়াটোৰ গৰাহৰ পৰা মুক্ত হৈ নিজকে প্ৰতিষ্ঠা কৰিবলৈ এওঁলোকে যথেষ্ট কষ্ট কৰিব লগীয়া হয়; গতিকে স্বাভাৱিকতেই, মুষ্টিমেয়জনৰ ক্ষেত্ৰতহে সেইটো সম্ভৱপৰ হয়গৈ। এইদৰে নিজকে প্ৰতিষ্ঠা কৰা প্ৰতিভাবানসকলৰ এটা চামে শিক্ষকৰ ৰূপত পুনৰ শিক্ষা ব্যৱস্থাত সোমোৱাৰ পাছত, উপযুক্ত সা-সুবিধা আৰু চিন্তাচৰ্চাৰ পৰিবেশৰ অভাৱত ক্ৰমান্বয়ে এনেকুৱা এটা পৰ্যায়ত উপনীত হয়গৈ যে, নিজস্ব অভিজ্ঞতা আৰু জ্ঞান-বুদ্ধিৰে তেওঁলোকে চৌপাশৰ পৰিবেশক প্ৰভাৱান্বিত কৰাৰ পৰিবৰ্তে নিজেই অৱস্থাটোৰ দ্বাৰা প্ৰভাৱান্বিত হৈ গতানুগতিকতাৰ সমৰ্থনকাৰী যন্ত্ৰ একোটাত পৰিণত হয়গৈ। আমাৰ শিক্ষা পদ্ধতিৰ এই দীৰ্ঘকালীন কেৰোণবোৰৰ উপৰিও আজি কেইবছৰ মানৰ পৰা গোটেই পৰিবেশটোতে এক ভয়ানক অৰাজকতাই বিৰাজ কৰিবলৈ আৰম্ভ কৰিছে। গুৰু-গোঁসাই নমনা ছাত্ৰ, নিৰ্বিকাৰ শিক্ষক আৰু কৰ্তৃপক্ষ, অসহায় অভিভাৱক, কেউপিনে অনিয়ম আৰু দুৰ্নীতি, সকলো স্তৰতে প্ৰকট হৈ পৰা এই প্ৰকৃতিবোৰে যেন এক অন্ধকাৰ ভৱিষ্যতৰহে ইংগিত বহন কৰিছে। ছবছৰীয়া আন্দোলনটোকে তাৰ বাবে জগৰীয়া সাব্যস্ত কৰি সকলোৱে এতিয়া গা এৰাই ফুৰিবলৈ চেষ্টা কৰিছে যদিও. আমাৰ বোধেৰে আন্দোলনটো হয়তো এক অজুহাতহে আছিল; ৰোগৰ গুৰি বিচাৰি দৰাচলতে এতিয়া আমি বহু দূৰলৈকে যাব লাগিব। যি কি নহওক, গোটেই পৰিবেশটোৱেই এতিয়া এনে এক ৰূপ লৈছে যে, এতিয়াই তাৰ বিৰুদ্ধে দৃঢ়ভাৱে কিবা এটা নকৰিলে পাছলৈ কিন্তু বহুত পলম হৈ যাব। কিন্তু মূল সমস্যাটো হ'ল, সংস্কাৰৰ প্ৰক্ৰিয়াটো এতিয়া আমি আৰম্ভ কৰিম ক'ৰ পৰা?

বিশ্ববিদ্যালয় পৰীক্ষাৰ আগ মুহূৰ্তত গুৱাহাটীৰ মাজ মজিয়াত থকা মহাবিদ্যালয় এখনলৈ বাহিৰৰ বিভিন্ন ঠাইৰপৰা যথেষ্ট সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে ট্ৰেন্সফাৰ লয়; — কাৰণ, এইখন মহাবিদ্যালয়ত হেনো 'ভালদৰে' পৰীক্ষা দিবলৈ সা-সুবিধা পোৱা যায়! বিশ্ববিদ্যালয়ৰ অধিনিয়ম আৰু মহাবিদ্যালয়খনত থকা সা-সুবিধা আৰু সামৰ্থ্যলৈ লক্ষ্য নকৰি গোটেই শিক্ষা বছৰটোতে যিকোনো সময়তে ভৰ্তিৰ কাম চলি থকা এইখন মহাবিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা যোৱা ফেব্ৰুৱাৰী মাহত ৩৯৯৭ জন আছিল; —দিনৰ আৰু নৈশ বিভাগত ভৰ্তিকৰণ বেলেগে বেলেগে হয় যদিও মুৰকত গৈ এওঁলোকৰ ক্লাছবোৰ কিন্তু একেলগেই হয়। এনেদৰে প্ৰতিটো বৰ্গতে শতাধিক ছাত্ৰ-ছাত্ৰীৰ নাম থাকে যদিও ছাত্ৰৰ উপস্থিতিৰ অভাৱত শিক্ষকে প্ৰায়েই ক্লাছ কেনছেল কৰিব লগীয়া হয়; কেতিয়াবা আকৌ শিক্ষকৰ অনুপস্থিতিৰ বাবে ক্লাছ কৰিবলৈ আহি ছাত্ৰ-ছাত্ৰীসকল উভতি যাব লগীয়া হয়; ছাত্ৰ আৰু শিক্ষকৰ ক্লাছ কৰিবলৈ একে সময়তে মন গ'লেহে সেই ক্লাছটো বহে অন্যথায়. ছাত্ৰ আৰু শিক্ষকৰ মাজৰ সম্পৰ্ক কেৱল পৰীক্ষা গৃহৰ অবাঞ্চিত পৰিবেশৰ মাজতেই সীমাবদ্ধ; শিক্ষক-ছাত্ৰৰ মাজত সৌহাৰ্দ্যপূৰ্ণ সম্পৰ্ক এটা গঢ়ি উঠাটোতো দূৰৈৰ কথা, পৰস্পৰৰ সৈতে চিনাকি হোৱাৰ সুবিধায়েই তেওঁলোকে নাপায়, বা তাৰ প্ৰয়োজন বোধো কেতিয়াও নকৰে। দূৰৈৰ গাঁৱৰ পৰা প্ৰতিদিনে বাছেৰে অহা-যোৱা কৰা আৰু কলেজৰ ওচৰত মেছ কৰি কষ্টকৈ কোনোমতে চলা অনেক দুখীয়া ছাত্ৰই দিনৰ দিনটো বাট চাই থাকি এটা বা দুটা ক্লাছ কৰিবলৈ সক্ষম হয়। এবছৰমান এইদৰে চলাৰ পাছত, পৰিস্থিতিত পৰি বাধ্য হৈ এওঁলোকেও গৰিষ্ঠ সংখ্যকৰ পৰীক্ষা পদ্ধতিক অনুকৰণ কৰি একো নপঢ়াকৈয়ে পৰীক্ষাত উত্তীৰ্ণ হৈ ওলাই আহে। পৰীক্ষাৰ পদ্ধতি ক্ৰমান্বয়ে সহজ হৈ অহাৰ লগে লগে ছাত্ৰ-শিক্ষক উভয়েই শ্ৰেণী কোঠাক এতিয়া অনাৱশ্যকীয় বোজা হিচাপেহে গণ্য কৰি যিমান দূৰ পাৰি সেইবোৰৰপৰা আঁতৰি থাকিব খোজে। গুৱাহাটীৰ এখন বিশেষ, মহাবিদ্যালয়ৰ গতি-বিধি কেইদিনমানলৈ লক্ষ্য কৰি আমি এইখিনি কথা কৈছোঁ যদিও, এনেকুৱা এটা পৰিবেশ এতিয়া দৰাচলতে ৰাজ্যখনৰ প্ৰায় সকলোবোৰ শিক্ষানুষ্ঠানতে কম-বেছি পৰিমাণে বিদ্যমান। ৰাজ্য চৰকাৰে এতিয়া স্কুল পৰ্যায়ত একোটা শিক্ষা বছৰত দুশ চল্লিছ দিন শ্ৰেণী বহাটো বাধ্যতামূলক কৰি জাননী দিছে; কিন্তু গুৱাহাটীৰ মাজ মজিয়াৰ চৰকাৰী বিদ্যালয় দুখনতে নিতৌ ইটোৰ পিছত সিটোকৈ অথন্তৰ লাগি থাকি বছৰটোৰ দুই তৃতীয়াংশ সময় শ্ৰেণী নবহাকৈয়ে

*বৰ্তমানে ৰাজ্যখনত পৰীক্ষাৰ যি পৰিবেশ আৰু পদ্ধতি তাৰ পৰিপেক্ষিতত এটাইবোৰ শিক্ষানুষ্ঠান এবছৰলৈ বন্ধ ৰাখি যথা সময়ত পৰীক্ষা পাতিলেও ফলাফলৰ ক্ষেত্ৰত বোধকৰোঁ স্থিতাৱস্থাতকৈ বিশেষ একো তাৰতম্য আমাৰ চকুত নপৰিব।*

অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ প্ৰথম বাৰ্ষিকৰ কিছু ছাত্ৰই চকী-মেজ নোহোৱা একোটা কোঠাত এনে দৰেই পঢ়াশুনা কৰিব লগা হয়



অতিবাহিত হৈ যায়। কটন কলেজৰ দৰে আদৰ্শ শিক্ষানুষ্ঠানতো আনকি আজিকালি ৰুটিন মতে ক্লাছ নহয়, ছুটামান বিভাগত স্নাতকোত্তৰ মহলাৰ ক্লাছ কৰিবলৈ ছাত্ৰ-শিক্ষক কাকো পোৱা নাযায় বুলি ভুক্তভোগী ছাত্ৰই নিজেই আমাৰ আগত খেদ কৰিছে। ক্লাছ নহ'লে আজিকালি অধিকাংশ ছাত্ৰ আৰু শিক্ষকে দৰাচলতে পেটে পেটে ভালহে পায়। বৰ্তমানে ৰাজ্যখনত পৰীক্ষাৰ যি পৰিবেশ আৰু পদ্ধতি তাৰ পৰিপেক্ষিতত এটাইবোৰ শিক্ষানুষ্ঠান এবছৰলৈ বন্ধ ৰাখি যথা সময়ত পৰীক্ষা পাতিলেও ফলাফলৰ ক্ষেত্ৰত বোধকৰোঁ স্থিতাৱস্থাতকৈ বিশেষ একো তাৰাতম্য আমাৰ চকুত নপৰিব। আমাৰ শিক্ষাব্যৱস্থাত শ্ৰেণীকোঠাৰ প্ৰয়োজনীয়তা এতিয়া এনেকুৱা এটা পৰ্যায়লৈ নামি যোৱাৰ পাছত ক্লাছবোৰ ঠিকমতে নোহোৱাটোৱেই স্বাভাৱিক।

শিক্ষা বছৰৰ অনিয়মবিলাকৰ সৈতে লাহে লাহে আমি ইমান অভ্যস্ত হৈ পৰিছোঁ যে, তাৰ অনিষ্টকাৰী প্ৰভাববোৰ আজি কালি আমাৰ চকুত নপৰাৰ দৰেই হৈছেগৈ। যোৱা বছৰৰ উচ্চতৰ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ হৈ যিসকল প্ৰতিভাবান ছাত্ৰ-ছাত্ৰীয়ে অসম অভিযান্ত্ৰিক মহাবিদ্যালয়ত ভৰ্তি হোৱাৰ সৌভাগ্য অৰ্জন কৰিছিল, পৰীক্ষাৰ ফলাফল ওলোৱাৰ পাছত ছমাহমান তেওঁলোকে ঘৰতে বহি কটাব লগীয়া হ'ল (তদুপৰি, পৰীক্ষাৰ ফলাফল ওলোৱাৰ ছমাহমান আগতেই এওঁলোকে শ্ৰেণী কোঠাৰ সৈতে সম্পৰ্ক এৰিছিল)। পৰীক্ষাবোৰ পিছুৱাই গৈ থাকোঁতে অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ চাৰি বছৰীয়া পাঠ্যক্ৰম পাঁচ বছৰীয়া হৈ পৰাত সা-সুবিধাৰ অভাৱত নাম-ভৰ্তি কৰাৰ পাছতো মহাবিদ্যালয় কৰ্তৃপক্ষই কেইবা মাহলৈকে এই নতুন ছাত্ৰ-ছাত্ৰীসকলৰ পাঠদান আৰম্ভ কৰিব নোৱাৰিলে। অনেক চেষ্টাৰ মূৰত ডিছেম্বৰত যেতিয়া পাঠদান আৰম্ভ হ'ল, বাহিৰত পঢ়িবলৈ যোৱা এওঁলোকৰ সহপাঠীসকলে তেতিয়া প্ৰথম ছেমিষ্টাৰৰ পৰীক্ষাত বহিছে। পাঠদান আৰম্ভ হোৱাৰ আজি চাৰিমাহ পাছতো মহাবিদ্যালয় কৰ্তৃপক্ষই প্ৰথম বাৰ্ষিকৰ এই ছাত্ৰ-ছাত্ৰীসকলক পঢ়া-শুনা কৰিবৰ বাবে প্ৰয়োজনীয় সা-সুবিধা দিব পৰা নাই। পৰীক্ষাবোৰ সময় মতে নোহোৱা বাবে পুৰণি ছাত্ৰ-ছাত্ৰীসকল নিৰ্ধাৰিত সময়ত ওলাই যাব নোৱৰাত, নতুন ছাত্ৰ-ছাত্ৰীসকলক এতিয়াও ছাত্ৰাবাসৰ সা-সুবিধাবিলাক দিব পৰা নাই। ছাত্ৰাবাসৰ কমন ৰুমবোৰতে এতিয়া প্ৰথম বাৰ্ষিকৰ ছাত্ৰ ষোলজনমানলৈকে একেলগে থাকে। তেওঁলোকক মাথোন একোখনকৈ বিছনা দিয়া হৈছে, চকী-মেজ একো নাই। ছাত্ৰই মাটিত বহি, ট্ৰাংকৰ ওপৰত কিতাপ থৈ ইঞ্জিনিয়াৰিঙৰ লিখা-পঢ়া কৰে, নক্সা আঁকে। মহাবিদ্যালয়ৰ অধ্যক্ষ গৰাকীয়ে আমাক জনোৱা মতে, অন্ততঃ প্ৰথম দুটা ছেমিষ্টাৰৰ পৰীক্ষা এওঁলোকে তেনেকৈ পঢ়িয়েই দিব লাগিব। ল'ৰাই ছাত্ৰাবাসৰ বাহিৰত পঢ়িবৰ বাবে উপযুক্ত সুবিধা থকা পুথিভঁৰাল এটাও মহাবিদ্যালয়ত নাই। মহাবিদ্যালয়ৰ যিটো কোঠাক পুথিভঁৰাল বুলি কোৱা হয়, তাত কিতাপ থ'বলৈকো ঠাই নথকাত বহুমূলীয়া কিতাপবোৰ মজিয়াতে দ'ম কৰি থোৱা হৈছে। এনেকুৱা এক পৰিবেশত পঢ়াশুনা কৰিবলৈ বাধ্য হৈ প্ৰথম বাৰ্ষিকৰ এই ছাত্ৰ-ছাত্ৰীসকলে এদিন যেতিয়া সময়মতে পতা পৰীক্ষাত বহিবলৈ অস্বীকাৰ কৰিব, তেতিয়া আমি কাক দোষাৰোপ কৰিম?

আমাৰ বিশ্ববিদ্যালয় কেইখনে আজিলৈকে শিক্ষা বছৰৰ স্থায়ী দিন-পঞ্জী এখন প্ৰস্তুত কৰি উলিয়াব নোৱৰাৰ ফলত ছাত্ৰ-ছাত্ৰীসকলে এক চৰম অনিশ্চয়তাৰ মাজত দিনবোৰ অতিবাহিত কৰিবলগীয়া হয়। এমুঠিমান ছাত্ৰই আহি হেঁচা দিলেই পৰীক্ষা পিছুউৱাৰ নিয়ম প্ৰবৰ্তিত হোৱা বাবে শিক্ষা বছৰৰ ওপৰত কৰ্তৃপক্ষৰ এতিয়া কোনো নিয়ন্ত্ৰণেই নোহোৱা হৈ গৈছে। এনেকুৱা এক অনিশ্চিত পৰিবেশ দুখীয়া অভিভাৱক আৰু সাধাৰণ ছাত্ৰ-

# বিশ্ববিদ্যালয়ৰ সংকট

ড° কুলেন্দু পাঠক

এটা বাতৰি অনুসৰি পশ্চিম ইউৰোপৰ (ইংলণ্ডক বাদ দি) ডাঙৰ দেশ—ফ্ৰান্স, ইটালি, পশ্চিম জাৰ্মানি আদিত বিশ্ববিদ্যালয়সমূহ গভীৰ সংকটৰ সন্মুখীন হৈছে। বিশেষকৈ চৰকাৰী সাহায্যৰে চলি থকা বিশ্ববিদ্যালয়সমূহৰ ছাত্ৰ-ছাত্ৰীসকল চাকৰি বা কৰ্মসংস্থানৰ ক্ষেত্ৰত বিপৰ্যয়ৰ সন্মুখীন হৈছে। এই বিশ্ববিদ্যালয়সমূহৰ আগত দেখা দিয়া সমস্যাবোৰৰ লগত সম্পূৰ্ণভাৱে চৰকাৰী অনুদানেৰে পৰিচালিত আৰু স্বায়ত্তশাসিত (!) (বহুতো পণ্ডিতে কয় যে অৰ্থনৈতিক স্বাধীনতাহে আচল স্বাধীনতা।) আমাৰ বিশ্ববিদ্যালয়বোৰৰ সমস্যাৰ যথেষ্ট পৰিমাণে মিল আছে। পশ্চিম ইউৰোপৰ বিশ্ববিদ্যালয়বোৰৰ আগত দেখা দিয়া সমস্যাবোৰ হ'ল:

(১) ছাত্ৰৰ সংখ্যা অস্বাভাৱিকৰূপে বাঢ়িছে। উদাহৰণ স্বৰূপে, ৰোম বিশ্ববিদ্যালয়ৰ প্ৰধান অংশ এটাই ৬০,০০০ ছাত্ৰ ভৰ্তি কৰিব পাৰে; কিন্তু এতিয়া তাত ছাত্ৰৰ সংখ্যা ১৬০,০০০। এই বৃদ্ধি অনুপাতে অনুদানৰ পৰিমাণ বৃদ্ধি হোৱা নাই।

(২) শিক্ষক আৰু কৰ্মচাৰীৰ সংখ্যা কম হৈছে। ফলস্বৰূপে শিক্ষাৰ মান আৰু সেৱাৰ পৰিমাণ কমি গৈছে। বহুতো বিশ্ববিদ্যালয় ডিগ্ৰী দিয়া ফেক্টৰিত পৰিণত হৈছে। ছাত্ৰ আৰু শিক্ষকৰ মাজৰ ব্যক্তিগত সম্বন্ধ নোহোৱাৰ দৰে। বহুতো শ্ৰেণীত পাঠদানৰ মান ইমান তলখাপৰ যে ছাত্ৰই শ্ৰেণীলৈ নগৈ নিজে পঢ়াকে লাভজনক বুলি ভাবে (ফ্ৰান্স, ইটালি)। ৰোম বিশ্ববিদ্যালয়ৰ অধ্যাপিকা এগৰাকীৰ মতে: "Our average students are definitely worse than those in Britain or United States."

(৩) পাঠ্যক্ৰমৰ দ্বাৰা ছাত্ৰ-ছাত্ৰী উপকৃত হোৱা নাই। ব্যৱহাৰিক আৰু আধুনিক জগতখনৰ লগত খাপ খাব পৰা আৰু প্ৰতিযোগিতাৰ সন্মুখীন হ'ব পৰা পাঠ্যক্ৰম বিশ্ববিদ্যালয়সমূহে দিব পৰা নাই। সেয়েহে প্ৰাইভেট বা স্বাধীনভাৱে পৰিচালিত (সংখ্যাত কম) উচ্চ মানৰ ব্যৱহাৰিক কলেজ আৰু বিশ্ববিদ্যালয়ত পঢ়িবলৈ, বহুত বেছি ফিজ দি হলেও,—ছাত্ৰ-ছাত্ৰীৰ হেতা-ওপৰা লাগে। সমীক্ষা মতে, এনে উচ্চ মানৰ, স্বাধীনভাৱে পৰিচালিত অনুষ্ঠানৰ পৰা পাছকৰা ছাত্ৰ-ছাত্ৰীৰ চাকৰিৰ অভাৱতো নহয়েই, বৰঞ্চ দৰমহাৰ ক্ষেত্ৰতো চৰকাৰী বিশ্ববিদ্যালয়ৰ পৰা পাছ কৰা ছাত্ৰ-ছাত্ৰীতকৈ তেওঁলোকে তিনিগুণ বেছি দৰমহা পায়।

আনহাতে পেৰিছৰ এখন চৰকাৰী মেডিকেল স্কুলত ভৰ্তি হোৱা ছাত্ৰ-ছাত্ৰীৰ শতকৰা ২০ জনো প্ৰথম পৰীক্ষাত উত্তীৰ্ণ নহয়। ইটালিৰ বিশ্ববিদ্যালয়ৰ দহ লাখ ছাত্ৰ-ছাত্ৰীৰ চাৰিজনৰ মাজত এজনহে স্নাতক হৈ ওলায়গৈ।

এই তিনিওবিধ ব্যাধিয়ে আমাৰ উচ্চ শিক্ষাকো বিপন্ন কৰি তুলিছে। উচ্চ শিক্ষা সকলোৰে বাবে নে যোগ্যজনৰ বাবে? এই প্ৰশ্নৰ সামাজিক, ৰাজনৈতিক আৰু ৰাষ্ট্ৰীয় উত্তৰ এটা আমি স্থিৰ কৰিব লাগিছিল। আমি প্ৰশ্ন সোধা উচিত হ'ব— অৰ্থনৈতিকভাৱে জুৰুলা বৃটেইনত উচ্চ শিক্ষাৰ মান পৰা নাই কিয়? কাৰণ যোগ্যতাৰ ভিত্তিত উচ্চ শিক্ষাৰ নীতিৰ পৰা তেওঁলোকে বেছি আঁতৰি অহা নাই। ইউৰোপৰ উল্লিখিত দেশ কেইখন "সকলোৰে বাবে উচ্চ শিক্ষা"—এনে শ্লোগানধৰ্মী নীতি অনুসৰণ কৰি আজি বিপদৰ সন্মুখীন হৈছে। সেয়েহে আমাৰ বাবে নিজকে সুধিবলগীয়া প্ৰশ্ন হ'ল: অৰ্থনৈতিকভাৱে যথেষ্ট শক্তিশালী হোৱা সত্ত্বেও যি নীতি পশ্চিম ইউৰোপৰ দেশবোৰে কাৰ্যকৰী কৰিবলৈ লৈ হাবাথুৰি খাইছে, তেনে নীতি ভাৰতে আৰু ভাৰতৰ ভিতৰত অৰ্থনৈতিকভাৱে দুৰ্বল অসমে কাৰ্যকৰী কৰিব পাৰিব নে?

আমাৰ দেশৰ বৰ্তমান অৱস্থাত উচ্চ শিক্ষাৰ ক্ষেত্ৰত, আৰু বিশেষকৈ তথাকথিত লিবাৰেল (অব্যৱহাৰিক?) উচ্চ শিক্ষাৰ ক্ষেত্ৰত সম অধিকাৰৰ পৰিবৰ্তে যোগ্যসকলৰ সম অধিকাৰৰ নীতিহে প্ৰবৰ্তিত হ'ব লাগে। নহলে উচ্চ শিক্ষাৰ ক্ৰমে নিম্নগামী মান উৰ্ধ্বমুখী কৰা টান হ'ব।

এই বিষয়ে সন্দেহ নাই যে মান উন্নয়নৰ প্ৰতি বিশ্ববিদ্যালবোৰৰ দায়বদ্ধতা প্ৰতি দিনে কমি গৈছে। বিশেষকৈ বহুত সংখ্যক স্বীকৃতি-প্ৰাপ্ত (এফিলিয়েটেড) কলেজৰ যোগেদি শিক্ষাদান কৰা বিশ্ববিদ্যালয়— কৰ্তৃপক্ষক আগৰ মাটিগিৰিৰ লগত তুলনা কৰিব পাৰি। পৰীক্ষাৰ ফিজ, পৰিদৰ্শনৰ ফিজ, ৰেজিষ্ট্ৰেশ্যন ফিজ আদি নিয়ম মতে (বছৰি বিঘাই প্ৰতি দুই মোন ধান পোৱাৰ দৰে) পাই থাকিলে, কলেজবোৰে কি শিকাইছে, কেনেদৰে শিকাইছে, শিক্ষক আছে নে নাই, নতুন পাঠ্যক্ৰম পঢ়াব পৰাকৈ শিক্ষকৰ অৰ্হতা আছে নে নাই, পাঠ্যপুথি আছে নে নাই,— এনেবোৰ জীৱন্ত সমস্যাৰ প্ৰতি বিশ্ববিদ্যালয় কৰ্তৃপক্ষ উদাসীন। (মাটিগিৰিয়েও ৰায়তে মাটিত সাৰ দিলে নে নাই, উন্নত বীজ ৰোপন কৰিলে নে নাই, পানীৰ সুব্যৱস্থা কৰিলে নে নাই—ইত্যাদিৰ প্ৰতি মন নিদিয়ে।) অথচ বিশ্ববিদ্যালয়ত অধিকাংশ ছাত্ৰ-ছাত্ৰীয়ে শিক্ষা লাভ কৰে এই কলেজবোৰতে। বিশ্ববিদ্যালয়ৰ চকুৰ আগতে এনে কলেজ আছে— য'ৰ পৰা প্ৰতি বছৰে শ শ ল'ৰা-ছোৱালীয়ে বিজ্ঞান শাখাত পৰীক্ষা দিছে; অথচ সেই কলেজৰ শিক্ষকৰ সংখ্যা, লেবৰেটৰিৰ সামৰ্থ্য আৰু সৰ্বতোপৰি বিশ্ববিদ্যালয়ে বান্ধি দিয়া আসন সংখ্যাৰ লগত পৰীক্ষাৰ্থীৰ সংখ্যাৰ অভাৱনীয় গড়মিলৰ প্ৰতি বিশ্ববিদ্যালয়ৰ উচ্চ-দৰমহা প্ৰাপ্ত পদাধিকাৰীসকলৰ কাণসাৰ নাই। এনেদৰে উচ্চ শিক্ষা চলি থাকিলে সাধাৰণ শিক্ষাৰো উন্নতি ঘটিব নোৱাৰে। কাৰণ যিজন ছাত্ৰই নিজে প্ৰেকটিকেল শ্ৰেণীত মাত্ৰ দহ-বাৰটা অতি সাধাৰণ পৰীক্ষাও ভাল দৰে নকৰিলে (কৰিব লাগে ত্ৰিছটামান) বা কৰাৰ সুবিধাকণ নাপালে, তেওঁ বি. এছ. ছি.—এম. এছ. ছি. উচ্চতৰ মাধ্যমিক স্কুলৰ অকলশৰীয়া বিষয়-শিক্ষক হলে ছাত্ৰ-ছাত্ৰীক কি শিকাব, সেই কথা সহজেই অনুমেয়। অসমত এনে নিকৰুণ অৱস্থা এটা সৃষ্টি হোৱাত বিশ্ববিদ্যালয়ৰ (এতিয়া উচ্চতৰ মাধ্যমিক শিক্ষা পৰিষদৰ) যথেষ্ট বৰঙণি আছে। চৰকাৰী প্ৰশাসনো এনেবোৰ গুণগত দিশৰ প্ৰতি নিৰ্বিকাৰ।

আমাৰ বোধেৰে আমাৰ সামৰ্থ্য আৰু প্ৰয়োজনৰ ভিত্তিতহে উচ্চ শিক্ষাৰ প্ৰসাৰ ঘটা উচিত আছিল। আজিৰ জ্ঞান আৰু ইনফৰ্মেশ্যনভিত্তিক যুগত মানহীন উচ্চ-শিক্ষা অপ্ৰয়োজনীয় আৰু অকাৰ্যকৰী। সেয়েহে শিক্ষানীতি নিৰ্ধাৰণ কৰোঁতে উচ্চ শিক্ষাৰ মানৰ ক্ষেত্ৰত আপোচ মনোভাব (বা "অমুক প্ৰদেশতকৈ বেয়া নহয়" মনোভাব) গ্ৰহণ কৰিলে আমাৰ ক্ষুদ্ৰ জাতি-সত্বা বিপদাপন্ন হ'ব। উচ্চ পৰ্যায়ৰ আৰু গুণোত্তম (সংখ্যাত কম হলেও) উচ্চ শিক্ষানুষ্ঠানৰ প্ৰয়োজনীয়তা ভাল প্ৰাইমেৰি স্কুলতকৈ কোনো গুণে কম নহয়।

[তথ্য: নিউজ উইকৰ পৰা।]

OKDISCD

ছাত্ৰীৰ কিমান আলাই আথানি হয়, তাৰ্লৈ লক্ষ্য কৰাৰ আহৰি কর্তৃপক্ষৰ নাই। বিশ্ববিদ্যালয়ৰ কোনটো পৰীক্ষা কেতিয়া হ'ব লাগে, তাৰ বিশেষ কোনো ধৰাবন্ধা নিয়ম নাই। উদাহৰণ স্বৰূপে, অসম অভিযান্ত্রিক মহাবিদ্যালয়ত প্ৰায় গোটেই শিক্ষা বছৰটোতে ইটোৰ পিছত সিটোকৈ ছেমিষ্টাৰৰ পৰীক্ষা হৈয়ে থাকে। বিশ্ববিদ্যালয় কর্তৃপক্ষই নিয়ম মতে পৰীক্ষা পাতি শিক্ষা বছৰবোৰ সময় মতে সমাপ্ত কৰাৰ পৰিবর্তে এচাম ছাত্ৰৰ মাজত প্ৰিয়পাত্ৰ হ'বলৈ পৰীক্ষা পিছুৱাই থাকি শিক্ষা বছৰ দীঘলীয়া কৰাত অৰিহণাহে যোগায়। শিক্ষা বছৰ আৰম্ভ কৰাৰ ধৰাবন্ধা সময়ো তেনেকৈ একো নাই। আনকি বিশ্ববিদ্যালয়ৰ বিজ্ঞান বিষয়ক বিভাগতো পাঠদান আৰম্ভ হোৱাৰ ছমাহ পিছ-বছৰটো নষ্ট কৰি উঠি মুকত পতা পৰীক্ষাত স্বাভাৱিকতেই ছাত্ৰ-ছাত্ৰীৰ মাজত অসৎ উপায় অৱলম্বনৰ প্ৰতিযোগিতা চলে। স্কুলৰ পৰা বিশ্ববিদ্যালয়লৈকে সকলোতে একে পৰিবেশ, একে অৰাজকতা। উপায় বিহীন হৈ অভিভাৱক, শিক্ষক সকলোৱেই এতিয়া এইবোৰ অপকার্য দেখিও নেদেখাৰ ভাও জুৰি থাকিবলৈ আৰম্ভ কৰিছে। শিক্ষা আৰু পৰীক্ষাৰ নামত চলা প্ৰসহনবোৰ আজিকালি আগতকৈ বহুত সহজভাৱে ল'ব পৰা হ'লো; আৰু এনেকৈয়ে প্ৰত্যেক বছৰে সামাজিকভাৱে পংগু একো একোটা চামক আমি জাতীয় জীৱনলৈ উলিয়াই আনি আছোঁ।

শিক্ষাৰ ক্ষেত্ৰত বর্তমানে আমি যি অৰাজকতাৰ সন্মুখীন হ'ব লগীয়া হৈছোঁ, তাৰ মূলতে প্ৰধানতঃ দুটা তুলিছে। গিনিপিগ একোটাৰ দৰে ছাত্ৰ-ছাত্ৰীসকলৰ ওপৰত ইটোৰ পাছত সিটোকৈ অস্ত্ৰোপচাৰ চলাই থাকি উদ্ভাৱন কৰা শিক্ষানীতি আৰু পদ্ধতিবোৰ সম্পূর্ণৰূপে কার্যকৰী নৌ হওঁতেই নতুন নীতি আৰু পদ্ধতি কিছুমান দৃশ্যপটলৈ লৈ অহা হয়;— পূর্বৰ শিক্ষানীতি কার্যকৰী কৰোঁতে হোৱা বিভিন্ন আসোঁৱাহ আৰু অসুবিধাৰ বিশ্লেষণ কিন্তু কেতিয়াও কৰা নহয়। নতুন শিক্ষানীতি সন্দর্ভত ৰাষ্ট্ৰজোৰা ঢৌত উজান দি আমাৰ শিক্ষাৰ দায়িত্বত থকা সকলেও এতিয়া শিক্ষা-সংস্কাৰৰ বিষয়ে পাণ্ডিত্যপূর্ণ দিহা-পৰামর্শ দিবলৈ আৰম্ভ কৰিছে; কিন্তু পূর্ববর্তী শিক্ষানীতি আৰু বিভিন্ন আয়োগৰ দিহা-পৰামর্শবিলাক আমাৰ ৰাজ্যত কি কাৰণত সময় মতে, সুচাৰুৰূপে কার্যকৰী কৰিব পৰা নগ'ল, তাৰ উপযুক্ত বিশ্লেষণেৰে ভৱিষ্যতৰ বাবে শিক্ষা ল'বলৈ কোনো আগবাঢ়ি নাহিল। শিক্ষা সম্বন্ধীয় সকলোখোৰ সংস্কাৰ আজিলৈকে সদায়ে এক উৰ্ধ্বতলীয় পর্যায়তে আবদ্ধ হৈ থকাৰ ফলত স্বাভাৱিকতে সেইবোৰে বাস্তৱ সমস্যা চুবগৈ নোৱাৰিলে। মেট্ৰিক পৰীক্ষাৰ ছাৰ্টিফিকেটখন যেতিয়ালৈকে চাকৰিৰ বজাৰত প্ৰৱেশৰ নিমিত্তে অনুজ্ঞাপত্ৰ স্বৰূপ হৈ থাকিব, নিবনুৱা সমস্যাত জর্জৰিত বর্তমানৰ সমাজত যোগ্য-অযোগ্য সকলো ছাত্ৰ-ছাত্ৰীয়ে অসৎ উপায় অৱলম্বন কৰি হ'লেও সেইখন ছাৰ্টিফিকেট সংগ্ৰহৰ নিমিত্তে হেতা-ওপৰা লগাবই। পদ্ধতিৰ সংশোধন নোহোৱা পর্যন্ত পৰিবেশৰ সংশোধন হয় কেনেকৈ? প্ৰতিটো পৰীক্ষাতে যিহেতু উদ্ভাৱনী শক্তিৰ পৰিবর্তে মুখস্থ শক্তিৰহে পৰীক্ষা লোৱা হয়, গতিকে ছাত্ৰ-ছাত্ৰীয়ে নকল কৰাৰ সুযোগ পাবই। নকলৰ পৰিবেশ বন্ধ কৰিবলৈ হ'লে এতিয়া আমি পৰীক্ষাৰ পদ্ধতিতহে আঘাত হানিব লাগিব; নিৰীক্ষক কঠোৰ হৈ আজিকালি আৰু দৰাচলতে বিশেষ একো লাভ নাই।

**পদ্ধতিৰ সংশোধন নোহোৱা পর্যন্ত পৰিবেশৰ সংশোধন হয় কেনেকৈ? প্ৰতিটো পৰীক্ষাতে যিহেতু উদ্ভাৱনী শক্তিৰ পৰিবর্তে মুখস্থ শক্তিৰহে পৰীক্ষা লোৱা হয়, গতিকে ছাত্ৰ-ছাত্ৰীয়ে নকল কৰাৰ সুযোগ পাবই। নকলৰ পৰিবেশ বন্ধ কৰিবলৈ হলে এতিয়া আমি পৰীক্ষাৰ পদ্ধতিতহে আঘাত হানিব লাগিব; নিৰীক্ষক কঠোৰ হৈ দৰাচলতে বিশেষ একো লাভ নাই।**

লৈকে নাম ভর্তি চলি থাকে। ইমান পলমকৈ ভর্তি হোৱা ছাত্ৰজনক শিক্ষকে কি পঢ়ুৱাব, তেওঁ প্ৰেক্টিকেলবোৰ কেনেকৈ শেষ কৰিব, এইবোৰ কথা ভাবি কর্তৃপক্ষই কেতিয়াও মূৰ নঘমায়; কাৰণ বিশ্ববিদ্যালয়ত পৰীক্ষাৰ পৰিবেশ কেনেকুৱা, সেয়া কর্তৃপক্ষয়ো ভালদৰে জানে। বাহিৰৰ শিক্ষানুষ্ঠানবিলাকত এটা শিক্ষা বছৰত যিমান ক্লাছ হয়, আমাৰ ইয়াৰ বহুতো সমপর্যায়ৰ শিক্ষানুষ্ঠানত তাৰ আধা ক্লাছো নহয়। এনেদৰে গোটেই শিক্ষা পৰম্পৰাৰ ওপৰত নির্ভৰশীল কাৰণৰ কথা উল্লেখ কৰিব পাৰি: আর্থ-সামাজিক বিবর্তন প্ৰক্ৰিয়াটোত আমাৰ সাম্প্ৰতিক অৱস্থিতিৰ পর্যায়ত যি সামাজিক অস্থিৰতা আৰু অৰাজকতাৰ উদ্ভৱ হৈছে, তাৰেই প্ৰতিফলন হয়তো এতিয়া শিক্ষা জগতত দেখিবলৈ পোৱা গৈছে। আৰু দ্বিতীয়তে, প্ৰচলিত শিক্ষা পদ্ধতিয়ে নিজেই সৃষ্টি কৰি গৈ থকা বিভিন্ন সমস্যাৰ পুঞ্জীভূত আকৃতিয়েই হয়তো শিক্ষাৰ পৰিবেশ এতিয়া ক্ৰমান্বয়ে জটিলতৰ কৰি



আমাৰ গোটেই শিক্ষা পদ্ধতিটো এতিয়া সম্পূর্ণৰূপে পৰীক্ষাকেন্দ্ৰিক হৈ পৰাৰ ফলত পাঠদানৰ মান স্বাভাৱিকতেই যথেষ্ট নিম্নগামী হৈছে। শ্ৰেণী কোঠাৰ পাঠদানত ছাত্ৰ-ছাত্ৰীৰ বিশ্লেষণ মূলক চিন্তা-চর্চাত জোৰ দিয়া নহয় এইবাবেই যে, তাৰ দ্বাৰা তেওঁলোকৰ পৰীক্ষাত একো সহায় নহয়। স্কুলীয়া পাঠ্যপুথিত থকা বিজ্ঞানৰ বিভিন্ন পৰীক্ষা-নিৰীক্ষাবোৰ হাতে-কামে কৰিবলৈ চৰকাৰে অনেক বিদ্যালয়ত যিবিলাক সৰু সুৰা বৈজ্ঞানিক সা-সৰঞ্জামৰ যোগান ধৰে, সেইবোৰ প্ৰায়েই আলমাৰীতে আবদ্ধ থাকি নষ্ট হৈ যায়। ছাত্ৰ-শিক্ষক কোনো এই সৰঞ্জামবোৰৰ প্ৰতি আকর্ষিত নহয় এইবাবেই যে, সেইবোৰ কেতিয়াও "পৰীক্ষাত নাহে"। স্কুল, কলেজ আৰু আনকি বিশ্ববিদ্যালয়ৰ পর্যায়তো আজিকালি শিক্ষকে পাঠদান আৰম্ভ কৰাৰ আগতে পূর্বৰ কেইবছৰমানৰ প্ৰশ্ন কাকতবোৰ চাই লয়;— কাৰণ পৰীক্ষাত অহাৰ সম্ভাৱনা নথকা পাঠ পঢ়ুৱাবলৈ আৰম্ভ কৰিলে ছাত্ৰ-ছাত্ৰীয়েই শ্ৰেণীলৈ অহা বন্ধ কৰি দিব। আমাৰ শিক্ষা ব্যৱস্থাত এতিয়া প্ৰশ্নোত্তৰৰ সংস্কৃতি (কুইজ কালচাৰ) এটা সোমাই পৰিছে। পৰীক্ষাৰ প্ৰশ্ন কাকতৰ পৰিসৰ কেৱল ছাত্ৰ-ছাত্ৰীৰ জ্ঞান পৰীক্ষা কৰাতেই সীমাবদ্ধ। পৰীক্ষাবিলাকত অবজেক্টিভ প্ৰশ্নৰ প্ৰচলন আৰম্ভ হোৱাৰ পাছত ইয়াৰ মাত্ৰা কমক ছাৰি বাঢ়িছেহে। কেৱল মুখস্থ বিদ্যাতে পাৰ্গত কৰি এইদৰে উলিয়াই অনা ল'ৰা-ছোৱালীবিলাকে এটা পর্যায়লৈ গৈ যেতিয়া বিশ্লেষণমূলক পৰীক্ষা আৰু চিন্তা-চৰ্চাৰ সন্মুখীন হয়, তেতিয়া তেওঁলোকৰ অৱস্থা পানীত হাঁহ নচৰা বিধৰ হয়গৈ। হাইস্কুল শিক্ষান্ত পৰীক্ষাত বৰ ভাল ৰিজাল্ট কৰা ল'ৰা-ছোৱালীয়েও আনকি আই. আই. টি. ৰ নাম-ভৰ্তি পৰীক্ষাত আধাঘণ্টা পাছতে ওলাই আহিবলৈ বাধ্য হয়। গুৱাহাটীত থকা ইংৰাজী মাধ্যমৰ উচ্চ বিদ্যালয় দুখনৰ ল'ৰা-ছোৱালীয়ে হাইস্কুল শিক্ষান্ত পৰীক্ষাত সদায় ভাল ফলাফল দেখুৱায়; কিন্তু তাৰ পাছৰ পর্যায়ৰ পৰীক্ষাবোৰত, বিশেষকৈ বিজ্ঞান শাখাত, এই একে ল'ৰা-ছোৱালীখিনিয়েই সাধাৰণতে তুলনামূলকভাৱে ভাল ফলাফল দেখুউৱাত ব্যর্থ হয়। প্ৰচলিত শিক্ষা ব্যৱস্থাৰ পাঠ আওৰাই পুনৰাবৃত্তি কৰাৰ পৰিবেশতে অভ্যস্ত অভিভাৱকে নিজ নিজ ল'ৰা-ছোৱালীৰ শিক্ষাৰম্ভ কি ভাষাৰ মাধ্যমত হোৱা উচিত, এই বিষয়ত বিজ্ঞানসন্মত সিদ্ধান্ত লোৱাৰ প্ৰয়োজন বোধ নকৰাৰ ফলতেই এনেকুৱা এক আপাতদৃষ্টিত আত্মবিৰোধী কথা (paradox) সত্য বুলি প্ৰমাণিত হৈ আহিছে।

ল'ৰা-ছোৱালীক verbal আৰু mathematical communicationৰ ক্ষেত্ৰত পাৰ্গত কৰি তুলিবৰ নিমিত্তে আৰম্ভণিৰ পর্যায়ত মাতৃভাষাত পাঠদান কৰাৰ প্ৰয়োজনীয়তাৰ কথা আজিকালি সকলো ঠাইতে বিজ্ঞানসন্মত বুলি স্বীকৃত হৈছে। মাতৃভাষাত শিক্ষা আৰম্ভ কৰিলে ল'ৰা-ছোৱালীয়ে কথাবোৰ সোনকালে আয়ত্ত কৰিব পাৰে; তেওঁলোকৰ চিন্তা আৰু বিশ্লেষণ শক্তি বৃদ্ধি পায়। তদুপৰি, মাতৃভাষা আয়ত্ত কৰিব পাৰিলে দ্বিতীয় ভাষা এটা শিকাৰ প্ৰক্ৰিয়াটো (শিক্ষা বিজ্ঞানত যাক $L_1 - L_2$ transfer বুলি কোৱা হয়) উজু হৈ পৰে। আমাৰ শিক্ষা ব্যৱস্থাত কিন্তু মাতৃভাষাৰ শিক্ষাৰ ওপৰতে সদায় সবাতোকৈ কম গুৰুত্ব দি অহা হৈছে। ষষ্ঠমান শ্ৰেণীৰপৰা দ্বাদশমানলৈকে একে কেইটা জতুৱা ঠাঁচৰ বাক্য ৰচনা কৰিয়েই ছাত্ৰ-ছাত্ৰীয়ে অসমীয়া বিষয়টোৰ পৰীক্ষা পাছ কৰে। মাতৃভাষাৰ জ্ঞান ভাল দৰে নোহোৱা বাবেই অইন বিষয়বোৰত আমাৰ ল'ৰা-ছোৱালী কেঁচা হয়। তেনেদৰে, নগৰত থকা অসমীয়া মাধ্যমৰ স্কুল কেইখনৰ পৰিবেশ আজিকালি ইমান শোচনীয় যে, আমি নিজে পঢ়ি অহা স্কুল কেইখনলৈকে এতিয়া আমাৰ ল'ৰা-ছোৱালীক পঠিয়াবলৈ ভয় কৰোঁ। ফলত, উপকৰা ভাষা এটা আয়ত্ত কৰাৰ নিমিত্তে

বৈজ্ঞানিক সা-সৰঞ্জাম যোগান ধৰে যদিও 'পৰীক্ষাৰ বাবে প্ৰয়োজনীয় নহয়' বুলি সেইবোৰৰ ব্যৱহাৰ কাহানিও নহয়





OKDISCD

ল'ৰা-ছোৱালীৰ সামৰ্থ্যৰ কথা নভবাকৈ, ভাল পৰিবেশ দেখিয়েই আমি সিহঁতক ইংৰাজী মাধ্যমৰ স্কুলত ভৰ্তি কৰাই দিওঁ। স্কুলৰ পৰিবেশৰ ওপৰত আজিকালি আমি অত্যধিক গুৰুত্ব দিবলৈ আৰম্ভ কৰিছোঁ এই বাবেই যে, ইয়াৰ দ্বাৰা অভিভাৱকে নিজ নিজ ল'ৰা-ছোৱালীৰ প্ৰতি থকা দায়িত্বকণ এৰাই চলাৰ সুবিধা পায়। যি কি নহওক, মাতৃভাষাৰ বিষয়ে উপযুক্ত জ্ঞান নোহওঁতেই এই কণ-কণ ল'ৰা-ছোৱালীখিনিক আমি দ্বিতীয় ভাষা এটা শিকিবলৈ বাধ্য কৰোৱাৰ ফলত তেওঁলোকে কোনো এটা ভাষাৰ ওপৰতে ব্যুৎপত্তি অৰ্জন কৰিব নোৱৰা হয়গৈ; আৰু ভাষা জ্ঞানেই ভালদৰে নোপোৱা হেতুকে তেওঁলোকৰ চিন্তা-চৰ্চাৰ পৰিসৰো স্বাভাৱিকতে সীমিত হৈ পৰে। কিন্তু এই দক্ষহীনতাৰ কথা আৰম্ভণিৰ পৰ্যায়ত অভিভাৱকৰ চকুত নপৰে এই কাৰণেই যে, কেৱল মুখস্থ বিদ্যাৰ ওপৰতে নিৰ্ভৰশীল আমাৰ শিক্ষা ব্যৱস্থাত ল'ৰা-ছোৱালীৰ বিশ্লেষণ মূলক শক্তিৰ মান পৰীক্ষা কৰাৰ কোনো উপায়ে নাথাকে। ল'ৰা-ছোৱালীৰ উচ্চ শিক্ষাৰ সময়তহে অভিভাৱকে যেতিয়া কথাবোৰ উপলব্ধি কৰিবলৈ আৰম্ভ কৰে, তেতিয়া কিন্তু আৰু এই ভুলবোৰৰ সংশোধন একেবাৰে অসম্ভৱ হৈ পৰে। আমাৰ চহৰবিলাকত আজি কিছুদিনৰপৰা ইংৰাজী মাধ্যমৰ স্কুলৰ সংখ্যা যিদৰে বৃদ্ধি পাবলৈ ধৰিছে, বা অভিভাৱকসকলৰ মাজতো পৰিবেশক দোহাই দি ল'ৰা-ছোৱালীক আৰম্ভণিৰেপৰাই ইংৰাজী মাধ্যমৰ বিদ্যালয়ত ভৰ্তি কৰোৱাৰ প্ৰতিযোগিতা যিদৰে আৰম্ভ হৈছে, সেয়া দৰাচলতে আমাৰ নতুন চামৰ নিমিত্তেই ক্ষতিকাৰক হৈ পৰিছে। এই ধাৰা অব্যাহত থাকিলে অচিৰেই এনেকুৱা এটা সময় আহিব যে, আমাৰ সমাজত মৌলিক চিন্তা-চৰ্চা কৰা লোকৰ সংখ্যাই কমি যাব, কেউপিনে কেৱল অলপ ভাল ইংৰাজী ক'ব পৰা অৰ্হতাৰে ছে'লছমেনৰ চাকৰি বিচাৰি ফুৰা ল'ৰা-ছোৱালীয়ে পিয়ঁপি দিয়া দেখিবলৈ পাম।

উপযুক্ত কোনো তদাৰকী ব্যৱস্থা আৰু পৰিকল্পনা নোহোৱাকৈয়ে গোটেই প্ৰক্ৰিয়াটো চলি থকাৰ ফলত নানান বেমেজালি ঘটিছে। আৰু এতিয়া ৰাজ্যখনত শিক্ষাৰ দৈনন্দিন পৰিবেশ বুলিবলৈ একো নোহোৱা হৈছে। ছাত্ৰ-ছাত্ৰীয়ে কি পঢ়িছে, শিক্ষকে কি পঢ়াইছে, পৰীক্ষা কেনেদৰে হৈছে, এইবোৰ কথা চিন্তা কৰাৰ আহৰি কৰ্তৃপক্ষৰ নাই। কোনে ক'ত কি স্কুল খুলিছে, সেইবোৰ লৈও কোনেও মূৰ নঘমায়। চহৰবিলাকত এতিয়া ঘৰে-ঘৰে যিবোৰ মণ্টেছৰি স্কুলৰ ব্যৱসায় আৰম্ভ হৈছে, সেইবোৰৰ ওপৰত কৰ্তৃপক্ষৰ কোনো নিয়ন্ত্ৰণ নাই। ভিতৰুৱা অঞ্চলবিলাকতো ঠিক তেনেকুৱা এক অৰাজক অৱস্থা। কোনোমতে পাছ কৰি একো চাকৰি নাপাই বহি থকা যুৱকজনক গাঁৱৰ মানুহে মিলিজুলি ভেনচাৰ স্কুল এখন খুলি দিয়ে; বহু বছৰলৈকে স্কুলখন কৰ্তৃপক্ষৰ চকুতে নপৰে। নিজেই কোনোমতে পাছ কৰা এই অৰ্হতাহীন আৰু অপ্ৰশিক্ষিত যুৱকজনে ল'ৰা-ছোৱালীক কি পঢ়ুৱাব, ল'ৰা-ছোৱালীয়েই বা তেওঁৰপৰা কি শিকিব, সেইবোৰ কথা ভাবিবলৈ কোনো নাই। কেইবছৰমান পাছত, ৰাজনৈতিক হেঁচাত পৰি অৰ্হতাহীন শিক্ষকে পাঠদান কৰি থকা এনেকুৱা একো একোখন বিদ্যালয়ক চৰকাৰে স্বীকৃতি দিবলৈ বাধ্য হয়; আৰু এনেকুৱা অজস্ৰ মানদণ্ডহীন বিদ্যালয়ৰ সমষ্টিয়েই যেতিয়া ৰাজ্যখনৰ শিক্ষাৰ পৰিবেশ নিৰূপণ কৰে, তেতিয়া আৰু শিক্ষা ব্যৱস্থাত সংস্কাৰৰ কোনো সুযোগেই নাথাকেগৈ। শিক্ষা প্ৰদানৰ ক্ষেত্ৰত পঢ়াশালিৰ যি দায়িত্ব থকা উচিত, বিদ্যালয়ভেদে সেই দায়িত্বৰ তাৰতম্য ঘটাটো কেতিয়াও সমৰ্থন যোগ্য হ'ব নোৱাৰে। কেৱল ব্যৱসায় বা সমাজ সেৱাৰ দৃষ্টিভংগীৰেই কোনো মানদণ্ড নোহোৱা বিদ্যালয় খুলি অৰ্হতাহীন শিক্ষকৰ হতুৱাই পাঠদান কৰোৱাই ছাত্ৰ ছাত্ৰীৰ জীৱন নষ্ট কৰাৰ প্ৰক্ৰিয়াটো এনেদৰে বাধাহীনভাৱে চলি থাকিবলৈ দিয়াৰ কোনো যুক্তিযুক্ততা থাকিব নোৱাৰে। চৰকাৰে আৰু দুবছৰমানলৈ নতুন শিক্ষানুষ্ঠান খোলা সম্পূৰ্ণৰূপে বন্ধ কৰি গোটেই ৰাজ্যখন সাঙোৰাকৈ মানব সম্পদ পৰিকল্পনাৰ দিহা কৰক; উপযুক্ত জৰীপেৰে ক'ত কেনে ধৰণৰ শিক্ষানুষ্ঠানৰ প্ৰয়োজন, সেইখিনি উলিয়াই লৈ চৰকাৰে নিজেই প্ৰয়োজন অনুসাৰে ৰাইজৰ সহযোগত ন্যূনতম মান বজাই ৰাখিব পৰা শিক্ষানুষ্ঠান খোলা আৰম্ভ কৰক। কিন্তু এইখিনি কৰিবলৈ যি পৰিকল্পনা আৰু দূৰদৃষ্টিৰ প্ৰয়োজন, শিক্ষা বিভাগত আমি সদায় তাৰেই সৰাতোকৈ বেছি অভাৱ অনুভৱ কৰি আহিছোঁ। আৰু, দূৰদৃষ্টিৰ অভাৱত সকলো কাম সদায় মূৰামূৰি সময়ত ভুধেমধে কৰি যোৱাৰ ফলত ছাত্ৰ ছাত্ৰীয়েহে যাতনা ভুগিবলগীয়া হয়। মহাবিদ্যালয় পৰ্যায়ত ইমান দিনে আওপুৰণি পাঠ্যক্ৰম কিছুমানকে চলাই অহাৰ ফলত বিভিন্ন বিষয়ত হোৱা অত্যাধুনিক চিন্তা-চৰ্চাবিলাকৰ পৰা আমাৰ ছাত্ৰ-ছাত্ৰীক সদায়ে বঞ্চিত কৰি অহা হৈছিল। তাৰ পৰিপ্ৰেক্ষিততে, স্নাতক মহলাত তিনি বছৰীয়া শিক্ষাৰ প্ৰবৰ্তন কৰাৰ সময়ত আমি পাঠ্যক্ৰম সংশোধন কৰিবলৈ সুন্দৰ সুযোগ এটা পাইছিলো। কিন্তু, বিশ্ববিদ্যালয় কৰ্তৃপক্ষৰ অদূৰদৰ্শিতাৰ ফলতে ইমান গুৰুত্বপূৰ্ণ বিষয়টো বহু বছৰলৈ পেলাই ৰাখি মূৰামূৰি সময়তহে হাতত লোৱা বাবে পাঠ্যক্ৰম সংশোধনৰ নামত অনেক বেমাজালিৰহে সৃষ্টি হ'ল। অৰ্থনীতি আদি কিছুমান বিষয়ৰ নতুন পাঠ্যক্ৰমত আধুনিক চিন্তা-চৰ্চাৰ কোনো প্ৰভাৱ নপৰিল; আনহাতে, পদাৰ্থ বিজ্ঞানৰ পাঠ্যক্ৰম ইমান বেছি আধুনিক কৰা হ'ল যে, গুৱাহাটীৰ দুখনমান কলেজৰ বাহিৰে অইন কলেজত সেইবোৰ পাঠ পঢ়ুৱাবলৈ এতিয়া শিক্ষক আৰু কিতাপ উভয়ৰে অভাৱ। নতুন পাঠ্যক্ৰম প্ৰবৰ্তনৰ নিমিত্তে



বিশ্ববিদ্যালয় কৰ্তৃপক্ষই যিহেতু বহু বছৰ সময় পাইছিল, গতিকে আৰম্ভণিৰে পৰাই উপযুক্ত পৰিকল্পনাৰে সেই কাম আৰম্ভ কৰাহেঁতেন এই বেমেজালিবোৰৰ কেতিয়াও উদ্ভৱ নহ'লহেঁতেন। কিন্তু, কৰ্তৃপক্ষৰ দায়িত্বসমূহ পালনৰ ক্ষেত্ৰত তদাৰকৰ কোনো ব্যৱস্থা নথকাত শিক্ষা সম্পৰ্কীয় যি কোনো পৰিকল্পনাৰ ক্ষেত্ৰতেই বেমেজালি ঘটাটো আজিকালি এক নিয়মত পৰিণত হৈছে।

শিক্ষানুষ্ঠানত শিক্ষাৰ পৰিবেশ গঢ়ি তোলাৰ ক্ষেত্ৰত শিক্ষকে যি গুৰুত্বপূৰ্ণ ভূমিকা লোৱা উচিত, আজি কিছু বছৰৰ পৰা ৰাজ্যখনৰ প্ৰায় সকলোবোৰ শিক্ষানুষ্ঠানতে শিক্ষকসকলে সেই ভূমিকা সম্পূৰ্ণ ঋণাত্মক দিশতহে পালন কৰি অহাটো পৰিলক্ষিত হৈছে। ইয়াৰ বাবে আমি পৰিবেশ আৰু পদ্ধতিকে প্ৰধানতঃ দায়ী সাব্যস্ত কৰিব লাগিব যদিও, কিন্তু লগতে ইয়াকো কব লাগিব যে— কেৱল পৰিবেশকে দোহাই দি আজিকালি শিক্ষকসকলে নিজেও যিদৰে দায়িত্ব এৰাই ফুৰিবলৈ আৰম্ভ কৰিছে, সেই মনোবৃত্তিয়ে চক্ৰবৃদ্ধি হাৰত সমস্যাবোৰ ঘনীভূত হোৱাত সহায়হে কৰিছে। আগতে শিক্ষক বুলিলেই শ্ৰদ্ধাভাজনৰ যি এক প্ৰতিচ্ছবি আমাৰ মনত ভাঁহি উঠিছিল, আজিকালি কদাচিতহে বাস্তৱত তাৰ প্ৰতিফলন দেখাৰ সৌভাগ্য হয়। প্ৰাথমিক বিদ্যালয়ৰ স্তৰৰ পৰা মহাবিদ্যালয়লৈকে সকলো পৰ্যায়তে শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত স্বজনপ্ৰীতি আৰু দুৰ্নীতিক প্ৰশ্ৰয় দি অৰ্হতাহীন লোককো শিক্ষক ৰূপে নিযুক্তি দিয়াৰ ফলত গোটেই শিক্ষক সমাজৰ প্ৰতিয়েই ছাত্ৰ-অভিভাৱকৰ শ্ৰদ্ধা লাহে লাহে কমি আহিছে। প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকৰ পদ পৰ্যন্ত কিনা-বেচা হোৱা ৰাজ্যখনত শিক্ষাৰ মানৰ অৱনতি ঘটাটোৱেই হয়তো সম্পূৰ্ণ স্বাভাৱিক। শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত দুৰ্নীতি ৰোধ কৰিবলৈ নতুন চৰকাৰে এতিয়া যোৱা ডেৰ বছৰ ধৰি উচ্চ মাধ্যমিক পৰ্যায়ত শিক্ষকৰ নিযুক্তি দিয়াৰ প্ৰক্ৰিয়াটোকে সম্পূৰ্ণ ৰূপে বন্ধ কৰি ৰাখিছে; কিন্তু এই সাময়িক উপশম সমস্যাৰ সমাধান কেতিয়াও হ'ব নোৱাৰে। দুৰ্নীতিৰ ভয়ত নিযুক্তিৰ প্ৰক্ৰিয়াটো এইদৰে বন্ধ কৰি থোৱাৰ ফলত অনেক শিক্ষানুষ্ঠানত এতিয়া অসুবিধাৰ সৃষ্টি হৈছে; শিক্ষকৰ অভাৱত ছাত্ৰ-ছাত্ৰীৰ আলাই-আথানিৰ সীমা নোহোৱা হৈছে। আনহাতে, শিক্ষক নিযুক্তিৰ নামত দুৰ্নীতিমূলক কাৰ্যকলাপৰ অৰ্হতাহীন লোকক নিৰ্বাচিত কৰি কণ-কণ ল'ৰা-ছোৱালীৰ ভৱিষ্যত ধ্বংস কৰা পূৰ্ববৰ্তী প্ৰক্ৰিয়াটো পুনৰাই আৰম্ভ হোৱাৰো আমি পোষকতা নকৰোঁ। সেয়েহে, এই দুয়োটা দিশলৈকে লক্ষ্য ৰাখি, চৰকাৰে এতিয়া তৎপৰতাৰে কৰ্মক্ষেত্ৰত নামি যোগ্য লোকৰ দ্বাৰা স্বতন্ত্ৰ বাছনি কমিটি কিছুমান গঠন কৰি দি উপযুক্ত তদাৰকী ব্যৱস্থাৰ মাজত শিক্ষক নিযুক্তিৰ দিহা কৰাটো আমি বাঞ্ছা কৰোঁ। শিক্ষক নিযুক্তিৰ ক্ষেত্ৰতে অন্ততঃ কৰ্তৃপক্ষই নিষ্ঠা প্ৰদৰ্শন কৰিব পৰাটোও ৰাজ্যখনত শিক্ষাৰ সুস্থ পৰিবেশ গঢ়ি তোলাৰ পথত নিঃসন্দেহে এক গুৰুত্বপূৰ্ণ পদক্ষেপ ৰূপে স্বীকৃত হ'ব। আনহাতে, লাহে লাহে আমি সকলোবোৰেই এনেকুৱা এটা বস্তুবাদী মূল্যবোধৰ গৰাহত সোমাই পৰিছোঁ যে, আজিকালি আৰু কেৱল আদৰ্শগত কাৰণতে তুলনামূলকভাৱে কম সা-সুবিধা থকা শিক্ষকৰ চাকৰিত যোগ দিবলৈ চোকা বুদ্ধি-বৃত্তি সম্পন্ন লোকে ওলাই নাহে। ফলস্বৰূপে, অইন উপকৰা সা-সুবিধাৰ চাকৰিত নিয়োগৰ প্ৰক্ৰিয়াটোৰ অলাগতিয়াল উপজাত দ্ৰব্য বিলাককহে (এই ক্ষেত্ৰত মানুহ) মূৰকত গৈ আমি নিম্ন পৰ্যায়ৰ শিক্ষানুষ্ঠানবোৰত শিক্ষক ৰূপে নিযুক্তি দিবলগীয়া হয়। অথচ, কণ-কণ ল'ৰা ছোৱালীবিলাকক আৰম্ভণিৰে পৰাই উপযুক্তভাৱে গঢ় দিবৰ নিমিত্তে নিম্ন স্তৰৰ শিক্ষানুষ্ঠানবোৰতে আমি সৰ্বোৎকৃষ্ট লোকক শিক্ষক ৰূপে নিযুক্তি দিব পৰাটো নিশ্চিত কৰিব লাগিছিল। কিন্তু, এই শ্ৰেণীৰ শিক্ষকসকলৰ প্ৰতি সদায়ে আমি আওকণীয়া মনোভাব প্ৰদৰ্শন কৰি অহাৰ ফলত তেওঁলোকৰ মানৰ ক্ৰমান্বয়ে অৱনতিহে ঘটিব ধৰিছে। বিভাগীয় বেমেজালিত পৰি স্কুলীয়া শিক্ষকে দৰমহা পাবলৈ মাহৰ দহ বা পোন্ধৰ তাৰিখ পৰ্যন্ত অপেক্ষা কৰিব লগীয়া হোৱাটো আজিকালি প্ৰায় নিয়মতে পৰিণত হৈছেগৈ। এই সন্দৰ্ভত শিক্ষা বিভাগৰ উচ্চপদস্থ বিষয়াৰ পৰা মতামত বিচাৰোঁতে আমাক জনোৱা হ'ল যে, চৰকাৰী সাহায্যপ্ৰাপ্ত স্কুলবিলাকে প্ৰত্যেক তিনিমাহৰ মূৰে মূৰে দিবলগীয়া খৰচৰ হিচাপৰ ওপৰত ভিত্তি কৰি পিছৰ তিনিমাহৰ অনুদানৰ বাবে কৰ্তৃপক্ষই LOC (Letter of Credit) জাৰি কৰাৰ নিয়ম। এই LOC পোৱাৰ পাছতহে যিহেতু শিক্ষকসকলৰ দৰমহা উলিয়াব পৰা যায়, গতিকে অনেক সময়ত বিভাগীয় বেমেজালি ঘটি দৰমহাৰ দিন পিছুৱাই গৈ থাকে। সময়মতে দৰমহা নাপালে নিম্ন মধ্যবিত্ত পৰ্যায়ৰ পৰিয়াল এটাৰ কিমান দুৰ্গতি হ'ব পাৰে, সেয়া আমাৰ কাৰো অবিদিত নহয়; কিন্তু, এই ব্যৱস্থাৰ উপযুক্ত সংশোধনেৰে শিক্ষকসকলে প্ৰতি মাহৰ এক তাৰিখে দৰমহা পোৱাটো নিশ্চিত কৰাৰ কোনো প্ৰচেষ্টায়েই চলোৱা হোৱা নাই। অইন নহ'লেও চৰকাৰে অন্ততঃ প্ৰতিখন বিদ্যালয়ৰ মঞ্জুৰীপ্ৰাপ্ত পদবোৰৰ বিপৰীতে ন মাহৰ দৰমহাৰ অনুদান আগতীয়াকৈ দি শেহৰ তিনিমাহৰ অনুদানত গোটেই বছৰটোৰ খৰচ আৰু অনুদানৰ মাজৰ তাৰতম্য খিনিৰ নিষ্পত্তি কৰি লোৱাৰ ব্যৱস্থা কৰিব পাৰে। পাঠদানৰ মান বজাই ৰাখিবৰ নিমিত্তে শিক্ষকসকলৰ আৰ্থিক দিশৰ উপৰিও পৰিবেশ সৃষ্টিকাৰী অইন কিছুমান সা-সুবিধালৈকো চকু দিয়া উচিত। শ্ৰেণীকোঠাত পাঠদানৰ নতুন নতুন বৈজ্ঞানিক পদ্ধতিবোৰৰ বিষয়ে তেওঁলোকক অৱগত কৰিবৰ নিমিত্তে



OKDISCD

নিয়মীয়া প্ৰশিক্ষণৰ ব্যৱস্থা থকা উচিত। আমাৰ শিক্ষকসকলৰ নিমিত্তেও সময়ে সময়ে প্ৰশিক্ষণৰ দিহা কৰা হয় যদিও, সেই প্ৰশিক্ষণবিলাকৰ উপযুক্ত মূল্যায়নৰ কোনো ব্যৱস্থা নথকাত মুৰকত গৈ সেইবোৰ মিলি-জুলি ভোজ-ভাত খোৱা সবাহতহে পৰিণত হয়গৈ। শিক্ষকৰ উপযুক্ত প্ৰশিক্ষণৰ কোনো ব্যৱস্থা নথকাৰ ফলতে আজিকালি শ্ৰেণীকোঠাৰ আকৰ্ষণ বৃদ্ধি কৰিবৰ নিমিত্তে পাঠদানৰ ইমানবোৰ নতুন নতুন বিজ্ঞানসন্মত পদ্ধতিৰ উদ্ভৱ হোৱা সত্ত্বেও আমাৰ শিক্ষকে এতিয়াও তাহানিৰ দৰেই ছবি অঁকাৰ শ্ৰেণীত ছাত্ৰ-ছাত্ৰীক ছবি আঁকিবলৈ দি টোপনিয়াই থাকে; অসমীয়াৰ শ্ৰেণীত ছাত্ৰ-ছাত্ৰীক এপিনৰ পৰা পঢ়ি যাবলৈ দিহা দি নিজে হামিয়াই-হিকটিয়াই বহি থাকে। আনহাতে, মাত্ৰ আধা ঘণ্টা জিৰণিৰে দহবজাৰ পৰা তিনি পাঠ্যপুথিৰ মাজতে আবদ্ধ থকাৰ অৱস্থা এটা পাইছেহি। মহাবিদ্যালয়ৰ শিক্ষক এজনে গৱেষণা কৰি উভতি গৈ সমপৰ্যায়ৰ চিন্তা-চৰ্চা অব্যাহত ৰখাৰ নিমিত্তে ন্যূনতম সা-সুবিধাকণ নোপোৱাৰ ফলত তেওঁৰ সকলো উচ্চ শিক্ষা অথলে যোৱাৰ নিচিনা হয়। বাহিৰত উচ্চশিক্ষা লাভ কৰি উভতি আহি শিক্ষকতা কৰিবলৈ লোৱা প্ৰতিভাবান ছাত্ৰজনৰ ক্ষেত্ৰতো সেই একেটা মন্তব্যই সমভাৱে প্ৰযোজ্য। তেনেদৰে, একোজন শিক্ষকে পদোন্নতিৰ কোনো সম্ভাৱনা নোহোৱাকৈ, একেটা পদতে গোটেই চাকৰি জীৱনটো অতিবাহিত কৰিবলগীয়া হোৱাৰ ফলতো তেওঁলোকৰ পাঠদানৰ মান নিম্নমুখী হোৱাৰ প্ৰৱণতা এটা আহিব পাৰে। চৰকাৰী মহাবিদ্যালয় কেইখন আৰু বিশ্ববিদ্যালয় পৰ্যায়ত পদোন্নতিৰ যি ব্যৱস্থা আছে, সেয়াও মূলতঃ যোগ্যতাৰ দেখুউৱা ফলাফলৰ ক্ষেত্ৰত শিক্ষকৰ কোনো কৈফিয়ৎ-দায়িত্ব (accountability) নথকাৰ কথাটোও কিমান সমৰ্থনযোগ্য, সেয়াও বিচাৰ্য। বিদ্যালয়ৰ পৰা বিশ্ববিদ্যালয়লৈকে সকলো পৰ্যায়ৰে প্ৰায়বোৰ শিক্ষকেই আজিকালি উপকৰা আয়ৰ নিমিত্তে প্ৰাইভেট টিউশ্যন কৰে। আমাৰ প্ৰায় সকলোবোৰ স্তৰৰে পাঠবিলাক এতিয়া তুলনামূলকভাৱে আগতকৈ অধিক উন্নত হোৱা বাবে সাধাৰণ অভিভাৱকৰ সহযোগিতা সীমাবদ্ধ হৈ পৰিছে। ফলত শ্ৰেণীকোঠাৰ পাঠদানৰ আঁত ধৰিবৰ নিমিত্তেই ল'ৰা-ছোৱালীয়ে কেতিয়াবা ঘৰুৱা শিক্ষক একোজনৰ প্ৰয়োজন বোধ কৰিব পাৰে; কিন্তু ৰাজ্যখনত বৰ্তমানে প্ৰাইভেট টিউশ্যনৰ যি ব্যৱসায়, সেয়া দৰাচলতে শ্ৰেণীকোঠাৰ পাঠদানৰ পৰিপূৰক (complimentary) হোৱাৰ পৰিবৰ্তে প্ৰতিকল্প

*ৰাজ্যখনত সম্প্ৰতি শিক্ষা ব্যৱস্থা বুলিলে কেৱল পৰীক্ষাৰ কথাকে মনলৈ অহা যি এক অশুভ পৰিবেশৰ সৃষ্টি হৈছে, তাৰ বিলুপ্তি সাধিবৰ নিমিত্তেই এতিয়া পৰীক্ষা পদ্ধতিৰ সংশোধনৰ প্ৰয়োজন হৈছে। প্ৰতিটো পৰীক্ষাত ছাত্ৰ-ছাত্ৰীৰ পাঠ পুনৰাবৃত্তি কৰাৰ ক্ষমতা পৰীক্ষা কৰাৰ পৰিবৰ্তে উদ্ভাৱনী শক্তিৰহে পৰীক্ষা কৰাৰ দিহা কৰিব পাৰিলেও দৰাচলতে গোটেই শিক্ষা ব্যৱস্থাৰ ওপৰত এক সুদূৰ প্ৰসাৰী প্ৰভাৱ পেলাব পৰা যায়।*

বজালৈ একে লেথাৰিয়ে ক্লাছ কৰিব লগীয়া হ'লে শিক্ষকৰ পাঠদানৰ মানৰ অৱনতি ঘটাটোও সম্পূৰ্ণ স্বাভাৱিক। দুখনমান চৰকাৰী বিদ্যালয়ৰ বাহিৰে ৰাজ্যখনৰ অইন সকলোবোৰ বিদ্যালয়তে ঠিক এনেকুৱা এটা [illegible] স্বায়েই চলি আহিছে। কেৱল বি[illegible] বুলিয়েই নহয়, মহাবিদ্যালয় [illegible] অইন উচ্চ পৰ্যায়ৰ শিক্ষানুষ্ঠা[illegible]লাকতো আজিকালি আমি সেই একে [illegible]বেশৰে প্ৰতিফলন দেখিবলৈ পাইঁ[illegible] তুলনামূলকভাৱে এই পৰ্যায়ৰ [illegible]ক্ষকসকলৰ হাতত যথেষ্ট সময় [illegible]ক যদিও, উপযুক্ত সা-সুবিধাৰ অভ[illegible]ত এওঁলোকৰ চিন্তা-চৰ্চাৰ পৰিসৰ এতিয়া কলেজীয়া পৰিবৰ্তে জ্যেষ্ঠতাৰ ভিত্তিতহে হোৱাৰ ফলত সম্পূৰ্ণ প্ৰেৰণাহীনভাৱেই এওঁলোকে চাকৰি জীৱনটো অতিবাহিত কৰিবলগীয়া হয়। আনহাতে, শিক্ষক এজনে এবাৰ নিযুক্তি পোৱাৰ পাছত তেওঁৰ পাঠদানৰ মান মূল্যায়নৰ কোনো ব্যৱস্থা নথকাত, অথবা, শিক্ষকে কি পঢ়াইছে, কেনেকৈ পঢ়াইছে সেই সম্বন্ধেও ছাত্ৰৰ পৰা feedback পোৱাৰ কোনো উপায় নথকাত পাঠদানৰ মান ক্ৰমান্বয়ে নিম্নমুখী হৈ অহা সত্ত্বেও কৰ্তৃপক্ষই নিৰৱ দৰ্শকৰ ভূমিকা গ্ৰহণ কৰিবলগীয়া হৈছে। শিক্ষানুষ্ঠানত শিক্ষাৰ পৰিবেশ বজাই ৰখা আৰু পৰীক্ষাত ছাত্ৰ-ছাত্ৰীয়ে (substitute) হিচাপেহে পৰিণত হৈছেগৈ। শিক্ষকে শ্ৰেণীকোঠাত পাঠদানৰ দায়িত্বকণ সুচাৰুৰূপে পালন নকৰা বাবেহে ল'ৰা-ছোৱালীয়ে আজিকালি শ্ৰেণীকোঠাৰ পাঠখিনিকে প্ৰাইভেট টিউশ্যনৰ জৰিয়তে ল'বলৈ বাধ্য হৈছে। চৰকাৰী চিকিৎসকে কৰ্তব্য অৱহেলা কৰি প্ৰাইভেট প্ৰেকটিছ কৰাৰ দৰে এয়াও হয়তো অন্য এক সামাজিক দুৰ্নীতি; কিন্তু এবিধ দুৰ্নীতিৰ গ্ৰহণীয়তাই অইন এবিধ দুৰ্নীতিৰ যুক্তিযুক্ততা সাব্যস্ত কৰিবলৈ দিয়াটো উচিত নহয়।

স্বাধীনতা সংগ্ৰামৰ সময়ছোৱাত সৰ্বসাধাৰণ ৰাইজৰ মাজত যি এক





ইংৰাজী আৰু অসমীয়া এই দুয়ো মাধ্যমৰ পঢ়াশালীৰ পৰাই শিক্ষা লৈ বিভিন্ন ছাত্ৰই হাইস্কুল শিক্ষান্ত পৰীক্ষাকে আৰম্ভ কৰি তাৰ পাছৰ পৰ্যায়ৰ পৰীক্ষাত বহে। কোন ভাগৰ ছাত্ৰই শেষলৈকে ভাল ফল দেখুৱাই আহিছে তাৰ এটা খতিয়ান ল'ব পাৰিলে ভাল হয়।



জাগৰণ আহিছিল, তাৰ ঢৌত সঁহাৰি দি অনেক প্ৰতিভাবান ছাত্ৰই তেতিয়া প্ৰাচুৰ্যপূৰ্ণ চাকৰিৰ মোহ ত্যাগ কৰি স্বইচ্ছাই শিক্ষকতাকে জীৱিকা ৰূপে গ্ৰহণ কৰিবলৈ আগবাঢ়ি আহিছিল; আৰু সেইবাবেই, এই সময়ৰ শিক্ষক শ্ৰেণীটোৱে সমাজত এক শ্ৰদ্ধা আৰু প্ৰতিপত্তি লাভ কৰিবলৈ সক্ষম হৈছিল। কিন্তু, স্বাধীনতাৰ পাছত দেশখনত ক্ষিপ্ৰগতিত বিভিন্ন উন্নয়নমূলক আঁচনিৰ ৰূপায়ন আৰম্ভ হোৱাৰ ফলত চৰকাৰী চাকৰিৰ সংখ্যা যথেষ্ট পৰিমাণে বৃদ্ধি পোৱাৰ লগতে এইবোৰ চাকৰিৰ জৰিয়তে সহজে অধিক পৰিমাণৰ ধন উপাৰ্জনৰ পথো মুকলি হ'ল; আৰু স্বাভাৱিকতেই, সেই ধৰণৰ চাকৰিৰ প্ৰতিয়েই সকলো আকৃষ্ট হ'বলৈ ধৰিলে। এনেকুৱা এক পৰিবেশে জন্ম দিয়া মূল্যবোধৰ পৰিপ্ৰেক্ষিতত এপিনে যিদৰে স্বইচ্ছাই শিক্ষকতা কৰিবলৈ অহা লোকৰ সংখ্যা কমি গ'ল, আনপিনে আকৌ সহজলভ্য ধনৰ প্ৰাচুৰ্যৰ মানদণ্ডৰেই সামাজিক প্ৰতিপত্তি নিৰূপিত হোৱাৰ ফলত ত্যাগৰ প্ৰতীকস্বৰূপ শিক্ষক শ্ৰেণীটোৰ প্ৰতিপত্তি কমি আহিবলৈ ধৰিলে। এই নতুন সামাজিক মূল্যবোধৰে প্ৰতিফলন ছাত্ৰ-শিক্ষকৰ মাজৰ সম্বন্ধৰ ওপৰত ক্ৰমান্বয়ে স্পষ্ট হৈ অহাৰ লগে লগে পূৰ্বৰ সেই গুৰু-শিষ্যৰ সম্পৰ্ক আজিকালি লাহে লাহে নোহোৱা হৈ আহিছে। বৰ্তমানে শিক্ষানুষ্ঠানবিলাকত শিক্ষকক প্ৰাপ্য সন্মান যাচিব নোখোজা উদ্ধত ছাত্ৰ-ছাত্ৰীৰ যিটো চাম, তেওঁলোকৰ অধিকাংশয়েই সেই সহজলভ্য ধনৰ প্ৰাচুৰ্য থকা দুৰ্নীতিগ্ৰস্ত পৰিয়ালতে ডাঙৰ-দীঘল হোৱা ল'ৰা-ছোৱালী; আৰু এনেকুৱা এক বস্তুবাদী মূল্যবোধৰ ক্ৰমান্বয়ে হৈ থকা প্ৰসাৰণৰ পৰিপ্ৰেক্ষিতত শিক্ষক-ছাত্ৰৰ মাজৰ সম্পৰ্কৰ আৰু অধিক অৱনতি ঘটাটোৱেই হয়তো সম্পূৰ্ণ স্বাভাৱিক। সময়ৰ লগে লগে শিক্ষক-ছাত্ৰৰ মাজৰ সম্পৰ্কৰ অৱনতি এটাৰ অইন এটা কাৰণ হৈছে, শিক্ষাৰ বহুল প্ৰসাৰতা। আগতে স্বভাৱতঃ শিক্ষাৰ প্ৰতি আকৰ্ষণ থকা মুষ্টিমেয়সকলহে শিক্ষানুষ্ঠানলৈ অহাৰ ফলত সকলোৱেই শ্ৰদ্ধা সহকাৰে শিক্ষকৰ পৰা নতুন নতুন কথা শিকাত আগ্ৰহী আছিল. শিক্ষাৰ পৰিবেশ গঢ়ি তোলাৰ ক্ষেত্ৰত শিক্ষকক পাৰ্যমানে সহায় কৰিছিল। আজিকালি কিন্তু সকলোৰে বাবেই শিক্ষানুষ্ঠানলৈ অহাটো নিয়মত পৰিণত হোৱাৰ ফলত সংখ্যা আৰু গুণাগুণ—এই দুয়োটাৰে তাৰতম্যৰ প্ৰকোপত পৰি আগৰ দৰে শিক্ষক আৰু ছাত্ৰৰ মাজৰ সৌহাৰ্দ্যপূৰ্ণ সম্পৰ্ক ক্ৰমান্বয়ে নোহোৱা হৈছে। আৰু এনেদৰে উভয় পক্ষই এতিয়া পৰস্পৰৰ প্ৰতি থকা দায়িত্ববোধৰ ক্ষেত্ৰত উদাসীন মনোবৃত্তি ল'বলৈ আৰম্ভ কৰাৰ ফলত শিক্ষাৰ পৰিবেশ বাৰুকৈ ক্ষতিগ্ৰস্ত হৈছে। ছবছৰীয়া আন্দোলনটোৰ সময়ছোৱাত ইমান ডাঙৰ এক জাতীয় সমস্যাৰ বিৰুদ্ধে ৰাজ্যবাসীক একত্ৰিত কৰিবলৈ নতুন চামেহে আগবাঢ়ি আহি সফলতা অৰ্জন কৰাৰ ফলত, পুৰণি চামটোৱে নিজৰ ওপৰত আস্থা হেৰুৱাই নতুন চামৰ পথ প্ৰদৰ্শক হোৱাৰ স্বাভাৱিক দায়িত্বকণ পালন কৰিবলৈ ইতস্ততঃ বোধ কৰা যেন পৰিলক্ষিত হ'ল। শিক্ষকসকলৰ মাজতো এনেকুৱা এক মনোভাবৰ প্ৰতিফলন ঘটি ছাত্ৰকহে অনুসৰণ কৰাৰ মানসিকতা এটাই গঢ় লৈ উঠাৰ ফলত এক অৰাজকতাৰ সৃষ্টি হৈছে আৰু সি এতিয়া উভয় পক্ষৰে প্ৰভূত ক্ষতি সাধন কৰিছে। শিক্ষানুষ্ঠানত পৰীক্ষাৰ পৰিবেশ ধ্বংস হোৱা বুলি সকলো শিক্ষকেই এতিয়া খেদ কৰে যদিও, এটা সময়ত কিন্তু ছাত্ৰৰ মাজত প্ৰিয়পাত্ৰ হ'বলৈ গৈ এক-শ্ৰেণীৰ "আন্দোলনকাৰী ছাত্ৰনেতাৰ" প্ৰতি সহানুভূতিশীল হৈ শিক্ষকসকলে নিজেই নিৰৱ ভূমিকাৰে পৰীক্ষা গৃহত অসৎ উপায় অৱলম্বনৰ ক্ষেত্ৰত উদগণি যোগাইছিল। এনেকুৱা এক পৰিবেশৰ নিমিত্তে ছবছৰীয়া আন্দোলনটোকে সম্পূৰ্ণৰূপে জগৰীয়া সাব্যস্ত কৰাটো উচিত নহ'ব যদিও, সেই সময়ৰ অস্বাভাৱিক পৰিস্থিতিৰ গইনা লৈয়ে যে শিক্ষাৰ নামত চলি অহা অৰাজকতা আৰু অধিক প্ৰকট হৈ পৰিল, সেইটো এতিয়া আমি স্বীকাৰ কৰি ল'বই লাগিব। তেতিয়া পৰিস্থিতিত পৰি বাধ্য হৈ ছাত্ৰক অনুসৰণ কৰা শিক্ষকে এতিয়া স্বাভাৱিক অৱস্থা ঘূৰি অহাৰ পাছত পূৰ্বৰ মৰ্যাদা ঘূৰাই বিচাৰি ছাত্ৰ-ছাত্ৰীৰ পৰা উপযুক্ত সঁহাৰি নোপোৱাত, গোটেই প্ৰক্ৰিয়াটোত নিজৰ অৱস্থানকে ঠাৱৰ কৰিব নোৱৰা দৰে হৈছে আৰু এক মানসিক অন্তৰ্দ্বন্দ্বত ভুগিবলৈ আৰম্ভ কৰিছে। তাৰ বাবে পৰিবেশকে সম্পূৰ্ণৰূপে জগৰীয়া কৰি নিজ নিজ দায়িত্ব এৰাই ফুৰাৰ প্ৰবৃত্তি এটাই এতিয়া তেওঁলোকৰ মাজত গা কৰি উঠিছে।

সীমিত বাজেটৰ পৰিপ্ৰেক্ষিতত শিক্ষা সম্বন্ধীয় পৰিকল্পনাত চৰকাৰে অগ্ৰাধিকাৰ দিয়া বিষয়বোৰ অনেক সময়ত প্ৰয়োজনসাপেক্ষ হোৱাৰ পৰিবৰ্তে অইন বিভিন্ন দৃষ্টিকোণৰ দ্বাৰাহে বিবেচিত হয়; তাৰ ফলত প্ৰায়েই এই ধৰণৰ চৰকাৰী সিদ্ধান্তই মূল সমস্যাবিলাকৰপৰা ফালৰি কাটি অহা যেনহে পৰিলক্ষিত হয়। গণ পৰিষদৰ নতুন চৰকাৰ গঠন হোৱাৰ পাছত ৰাজনৈতিক চমকৰ দিহা কৰাৰ উদ্দেশ্যেই সপ্তমমান শ্ৰেণীলৈ সকলো ছাত্ৰ-ছাত্ৰীকে বিনামূলীয়া পাঠ্য পুথিৰ যোগান ধৰাৰ যি সিদ্ধান্ত লোৱা হ'ল, তাকো এতিয়া আমি ঠিক এনেকুৱা এক দৃষ্টিভংগীৰে চোৱাৰ প্ৰয়োজন বোধ কৰিছোঁ। যোৱা শিক্ষা বছৰত চৰকাৰে সৰ্বমুঠ ১ কোটি ৭৩ লাখ খন পাঠ্যপুথি ছাত্ৰ-ছাত্ৰীৰ মাজত বিলাই দিবলৈ সক্ষম হোৱা বুলি শিক্ষা মন্ত্ৰীয়ে ৰাজ্য বিধান সভাত ইতিমধ্যে প্ৰকাশ কৰিছে। এতিয়া কথা হ'ল, সমাজৰ দুৰ্বল শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ নিমিত্তে বিনামূলীয়া পাঠ্যপুথিৰ যোগান ধৰাৰ সিদ্ধান্তলৈ আমাৰ সকলোৰেই সমৰ্থন নিশ্চয় আছে; কিন্তু সেইখন আঁচনি সকলো শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ নিমিত্তেই সম্প্ৰসাৰিত কৰাৰ যুক্তিযুক্ততা কি থাকিব পাৰে, সেয়া নিঃসন্দেহে এক বিচাৰ্য প্ৰশ্ন। যিসকল অভিভাৱকৰ নিজ ল'ৰা-ছোৱালীৰ নিমিত্তে কিতাপ-পত্ৰ কিনাৰ সামৰ্থ্য আছে, তেওঁলোকৰ ল'ৰা-ছোৱালীৰ বাবেও বিনামূলীয়া পাঠ্যপুথিৰ যোগান ধৰিবলৈ যোৱাটো সীমিত বাজেটৰ অপচয় বুলিহে স্বীকৃত হোৱা উচিত; সেই একেখিনি ধনেৰে চৰকাৰে দৰাচলতে দুৰ্বল শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে থকা বিদ্যালয়ত অন্যান্য সা-সুবিধা কিছুমানৰ দিহা কৰিব পাৰিলেহেঁতেন; প্ৰতিটো বৰ্ণৰ নিমিত্তে এজন শিক্ষক আৰু এটা শ্ৰেণীকোঠাৰ ন্যূনতম প্ৰয়োজন কণ পূৰণৰ বাটত কিছুদূৰ অগ্ৰসৰ হ'ব পাৰিলেহেঁতেন। তেনেদৰে উপযুক্ত কোনো পৰিকল্পনা নোহোৱাকৈ বিনামূলীয়া পাঠ্যপুথি, বিজ্ঞানৰ ৰাজনৈতিক সিদ্ধান্তটো হুৰমুৰকৈ ৰূপায়িত কৰিবলৈ যোৱাৰ ফলতো ছাত্ৰ-ছাত্ৰীয়ে এতিয়া অনেক অসুবিধাৰ সন্মুখীন হ'বলগীয়া হৈছে। অভিভাৱকে বজাৰত কিনিবলৈ বিচাৰিও কিতাপ নোপোৱা হৈছে, কণ কণ ল'ৰা-ছোৱালীয়ে অনেক বিষয়ৰ কিতাপ নেদেখাকৈয়ে শিক্ষা বছৰটো অতিবাহিত কৰিবলগীয়া হৈছে। প্ৰাথমিক বিদ্যালয়ৰ পৰ্যায়ৰ পৰা স্নাতক মহলালৈকে সকলো ছাত্ৰ-ছাত্ৰীয়েই পাঠ্যপুথি নোহোৱাকৈ শিক্ষা বছৰটো পাৰ কৰি পৰীক্ষাত বহিবলগীয়া হোৱাটো এতিয়া প্ৰায় নিয়মত পৰিণত হৈছেগৈ। আনহাতে, পাঠ্যপুথিৰ মান পৰ্যায়ক্ৰমে উন্নত কৰি যোৱাৰ নিমিত্তে কিতাপৰ বজাৰত যি প্ৰতিযোগিতামূলক পৰিবেশৰ প্ৰয়োজন, পাঠ্য পুথিসমূহৰ চৰকাৰীকৰণৰ ফলত সেই পৰিবেশ এতিয়া প্ৰায় নোহোৱা হ'ল; অথচ, কৰ্তৃপক্ষই নিজৰ ৰবীয়াকৈ পাঠ্যপুথিৰ মান উন্নত কৰাৰ নিমিত্তে কোনো নিৰৱচ্ছিন্ন প্ৰচেষ্টাও নচলালে। ফলস্বৰূপে, বিভিন্ন বিষয়ত অসমীয়া মাধ্যমৰ যিবোৰ নিকৃষ্ট মানদণ্ডৰ পাঠ্যপুথিকে এতিয়া ছাত্ৰ ছাত্ৰীয়ে বাহিৰৰ ল'ৰা-ছোৱালীৰ সৈতেই ফেৰ মাৰিব নোৱৰা অৱস্থা হৈছেগৈ। সেইদৰে, প্ৰয়োজনসাপেক্ষে নতুন নতুন পাঠ্যক্ৰম প্ৰৱৰ্তন কৰাৰ মুহূৰ্তত যি দূৰদৃষ্টি আৰু সতৰ্কতাৰ আৱশ্যক, শিক্ষা বিষয়ক পৰিকল্পনা আৰু তাৰ ৰূপায়ণৰ দায়িত্বত থকা সকলে ইয়াৰ ওপৰত কোনো গুৰুত্ব নিদিয়াৰ ফলত মূৰকত গৈ অনেক বেমেজালিৰ সৃষ্টি হৈ আঁচনিবিলাকৰ মূল উদ্দেশ্য সফল হোৱাৰ পৰিবৰ্তে অযথা ছাত্ৰ-ছাত্ৰীক হাৰাশাস্তি কৰাৰ নিচিনাহে হয়গৈ। উদাহৰণ স্বৰূপে, ৰাজ্যখনৰ ইলেট্ৰনিকছ বিদ্যাৰ প্ৰতি আগ্ৰহান্বিত ছাত্ৰ-ছাত্ৰীসকলৰ সুবিধাৰ্থে ৰাজ্য চৰকাৰে অসম অভিযান্ত্ৰিক মহাবিদ্যালয়ত ইলেকট্ৰনিকছ আৰু টেলিকমিউনিকেশ্যনৰ বিভাগ এটা খোলাৰ বাবে যি সিদ্ধান্ত লৈছিল, তালৈ আমি সকলোৱেই আদৰণি জনাইছিলো; কিন্তু এই বিষয়ত উপযুক্ত কোনো পৰিকল্পনা নোহোৱাকৈ হুৰমুৰকৈ বিভাগটো আৰম্ভ কৰি দিয়াৰ ফলত, যিসকল বছা-বছা ছাত্ৰ-ছাত্ৰীয়ে তাত নাম ভৰ্তি কৰিলে, যোৱা চাৰি বছৰে তেওঁলোকৰ আলাই-আথানিৰ সীমা নোহোৱাৰ দৰে হৈছেগৈ। বিভাগটোৰ চতুৰ্থ বছৰত স্নাতক মহলাৰ ছাত্ৰ-ছাত্ৰীসকল এতিয়া শিক্ষান্ত বৰ্ষ পালেহি; কিন্তু আজিলৈকে উপযুক্ত লেবৰেটৰি এটা নহ'ল, পুথিভঁৰালত সংশ্লিষ্ট কোনো কিতাপেই পাবলৈ নাই। আৰু তাতোকৈ ডাঙৰ কথা, কৰ্তৃপক্ষই ইলেকট্ৰনিকছ বিষয়ৰ সুনিৰ্দিষ্ট পাঠ্যক্ৰম এটাকে আজিলৈকে যুগুত কৰি উলিয়াব পৰা নাই। ছাত্ৰ-ছাত্ৰীসকলে নতুন শ্ৰেণী এটা পোৱাৰ পাছতহে হুৰমুৰকৈ সেই শ্ৰেণীটোৰ পাঠ্যক্ৰম আৰু পাঠ্যপুথিৰ বিষয়ে সিদ্ধান্ত লৈ বিভাগটো চলাই গৈ থকা হৈছে। বিভাগটোৰ শিক্ষান্ত বৰ্ষত উপনীত হোৱা ছাত্ৰসকলে এতিয়া ঐচ্ছিক বিষয় কি কি ল'ব পাৰিব, সেয়া বৰ্তমানে থকা চাৰিজন শিক্ষকে কি কি পঢ়ুৱাব পাৰে, তাৰ ওপৰত ভিত্তি কৰিহে নিৰ্ধাৰণ কৰা হ'ব। বিভাগীয় লেবৰেটৰিত পৰীক্ষা-নিৰীক্ষা চলোৱাৰ বাবে উপযুক্ত কোনো সা-সুবিধা নথকাত ছাত্ৰই নিজৰ খৰচত সা-সৰঞ্জাম কিনি পৰীক্ষা চলাব লগীয়া হোৱা বুলি আমাক জনাইছে। মহাবিদ্যালয়ৰ পুথিভঁৰালত ইলেকট্ৰনিকছ বিষয়ক কোনো পাঠ্যপুথি নথকাত ছাত্ৰই ক্লাছৰ পাছত কৰিবলৈকে একো নথকাৰ দৰে হৈছে। উপযুক্ত পৰিকল্পনাৰে প্ৰয়োজনীয় সা-সুবিধাসমূহ আগতীয়াকৈ যোগাৰ কৰি লৈ বিভাগটো কেইবছৰমান পাছত আৰম্ভ কৰাহেঁতেনো হয়তো ৰাজ্যখনৰ বিশেষ একো ক্ষতি নহ'লহেঁতেন; কিন্তু শিক্ষা সম্বন্ধীয় যিকোনো সিদ্ধান্তৰ ক্ষেত্ৰতে এনে ধৰণৰ সুপৰিকল্পিত চিন্তা-চৰ্চাৰ প্ৰয়োজনবোধ কাহানিও কৰা নহ'ল। উপযুক্ত কোনো পৰিকল্পনা আৰু সা-সুবিধা নোহোৱাকৈয়ে কৰ্তৃপক্ষই মুহূৰ্তৰ ভিতৰতে কটন কলেজৰ চৈধ্যটাকৈ বিভাগত স্নাতকোত্তৰ মহলাৰ শ্ৰেণী আৰম্ভ কৰি দিলে; এতিয়া মহাবিদ্যালয়ৰ কিছুমান বিভাগৰ ছাত্ৰই শ্ৰেণী কোঠাৰ মুখকে নেদেখাৰ দৰে হৈছে। অনেক বিভাগত স্নাতকোত্তৰ মহলাৰ পাঠদানৰ ন্যূনতম মান খিনিকে বজাই ৰাখিব পৰা নাই। একেখন শিক্ষানুষ্ঠানতে প্ৰায় একেখিনি শিক্ষকেই উচ্চতৰ মাধ্যমিক পৰ্যায়ৰ পৰা স্নাতকোত্তৰ মহলালৈকে পঢ়ুৱাব লগীয়া হ'লে পাঠদানৰ কি মান বজাই ৰাখিব পৰা যাব, সেয়া অতি সহজেই অনুমেয়। প্ৰকৃত শিক্ষা সম্বন্ধে কোনো সম্যক ধাৰণা নথকাসকলৰ ওপৰতে যোগান-চাহিদাৰ ভিত্তিত শিক্ষা সম্পৰ্কীয় নীতি নিৰ্ধাৰণ কৰাৰ দায়িত্ব এৰি দিবলগীয়া হ'লে এনেকুৱা ধৰণৰ ত্ৰুটি-বিচ্যুতি ঘটাটোৱেই সম্পূৰ্ণ স্বাভাৱিক।

ৰাজ্যখনত সম্প্ৰতি শিক্ষা ব্যৱস্থা বুলিলে কেৱল পৰীক্ষাৰ কথাকে মনলৈ অহা যি এক অশুভ পৰিবেশৰ সৃষ্টি হৈছে, তাৰ বিলুপ্তি সাধিবৰ নিমিত্তেই এতিয়া পৰীক্ষা পদ্ধতিৰ সংশোধনৰ প্ৰয়োজন হৈছে। প্ৰতিটো পৰীক্ষাত





OKDISCD

ছাত্ৰ-ছাত্ৰীৰ পাঠ পুনৰাবৃত্তি কৰাৰ ক্ষমতা পৰীক্ষা কৰাৰ পৰিবৰ্তে উদ্ভাৱনী শক্তিহে পৰীক্ষা কৰাৰ দিহা কৰিব পাৰিলেও দৰাচলতে গোটেই শিক্ষা ব্যৱস্থাৰ ওপৰত এক সুদূৰ প্ৰসাৰী প্ৰভাৱ পেলাব পৰা যায়। তেনেদৰে, পৰীক্ষাৰ প্ৰশ্ন কাকতত প্ৰশ্ন “কমন” পৰাৰ সম্ভৱপৰতা কমাই আনি কিতাপ নপঢ়াকৈ পাছ কৰিব পৰাটোও যিমান পাৰি সোনকালে বন্ধ কৰা উচিত। দহ বছৰমানৰ আগতে ৰাজ্যখনৰ বিভিন্ন পৰীক্ষাৰ নিমিত্তে প্ৰশ্ন ভাণ্ডাৰৰ যি ব্যৱস্থা প্ৰবৰ্তন কৰা হৈছিল, তাৰ মূল উদ্দেশ্যও দৰাচলতে ঠিক এনেকুৱাই আছিল; কিন্তু আমিহে প্ৰশ্ন ভাণ্ডাৰৰ প্ৰশ্ন মাত্ৰ কেইশমানতে আৱদ্ধ ৰাখি মূল উদ্দেশ্যৰ পৰা ফালৰি কাটি আহি পূৰ্বৰ মুখস্থ শক্তি পৰীক্ষাৰ প্ৰক্ৰিয়াটোকে আৰু অধিক সুচল কৰি তুলিলো। আজিকালি ছাত্ৰ-ছাত্ৰীয়ে আগৰ দুবছৰৰ প্ৰশ্ন কাকত চাই এই বছৰৰ প্ৰশ্ন কাকত সম্বন্ধে প্ৰায় সম্পূৰ্ণ শুদ্ধ ভৱিষ্যতবাণী কৰি দিব পাৰে; আৰু এনেকুৱা এক অবাঞ্ছিত পৰিবেশৰ পৰা হাত সাৰিবৰ নিমিত্তেই এতিয়া প্ৰকৃতাৰ্থত প্ৰশ্ন ভাণ্ডাৰ ব্যৱস্থা প্ৰবৰ্তন কৰাৰ প্ৰয়োজন হৈছে। প্ৰতিটো বিষয়তে অজস্ৰ প্ৰশ্নৰ একো একোটা প্ৰশ্ন ভাণ্ডাৰ কৰি লৈ তাৰপৰা কম্পিউটাৰৰ সহায়ত Random Selectionঅৰ জৰিয়তে প্ৰশ্ন কাকত যুগুতোৱাৰ দিহা কৰিব পাৰিলেও এই ধৰণৰ অনেক ব্যৱহাৰিক আসোঁৱাহ অতি সহজে আঁতৰ কৰিব পৰা যাব। কিন্তু এই ধৰণৰ সংশোধনমূলক পৰামৰ্শৰ কাৰ্যকৰী কৰণতেই সমস্যাৰ শেষ নহয়; বৰ্তমানৰ যি পৰীক্ষা পদ্ধতি, তাৰ প্ৰাসংগিকতায়েই এতিয়া আমাৰ বাবে সবাতোকৈ ডাঙৰ প্ৰশ্ন হৈ পৰিছে। বাস্তৱ জীৱনৰ সৈতে কোনো সম্পৰ্ক নথকা শিক্ষাৰ পৰীক্ষা লৈ, পাছ আৰু ফে'ল কৰা ছাত্ৰ-ছাত্ৰীৰ মাজত আকাশ-পতাল পাৰ্থক্যৰ সৃষ্টি কৰি তেওঁলোকক সমাজত মেলি দিয়া কাৰ্য কিমান বিজ্ঞানসন্মত, সেয়াই নিসন্দেহে এক বিতৰ্কৰ বিষয়। কেৱল মুখস্থ শক্তিৰহে বিচাৰ পোৱা পৰীক্ষা ব্যৱস্থাত তৃতীয় বিভাগত উত্তীৰ্ণ হোৱা ছাত্ৰজন আৰু অকৃতকাৰ্য হোৱা ছাত্ৰজনৰ মাজত বাস্তৱ জীৱনৰ সন্মুখীন হোৱাৰ সামৰ্থ্যৰ ক্ষেত্ৰত দৰাচলতে কোনো পাৰ্থক্যয়েই থাকিব নোৱাৰে; মাত্ৰ আমিহে কৃত্ৰিমভাৱে পাছ আৰু ফে'লৰ মাজত এক ভয়ানক পাৰ্থক্য ৰাখি, অকৃতকাৰ্য হোৱা ছাত্ৰ-ছাত্ৰীখিনিক অলাগতিয়াল উপজাত দ্ৰব্য হিচাপে চিহ্নিত কৰি বজাৰত এৰি দি আহিছোঁ। ফলস্বৰূপে, পৰীক্ষাত অকৃতকাৰ্য হৈ বাস্তৱ জীৱনৰ বাবে অনুপযুক্ত বুলি স্বীকৃত হোৱাৰ ভয়ত সকলো ছাত্ৰ-ছাত্ৰীয়েই এতিয়া যি কোনো উপায় অৱলম্বন কৰি হ'লেও পৰীক্ষাত কৃতকাৰ্য হোৱা প্ৰমাণ-পত্ৰখন সংগ্ৰহৰ বাবে উঠি পৰি লাগিবলৈ আৰম্ভ কৰিছে। আৰু এই দৰেই শিক্ষা মানে আমি পৰীক্ষাকে বুজিবলৈ আৰম্ভ কৰিছোঁ। শিক্ষাৰ মূল উদ্দেশ্য এতিয়া পৰীক্ষাত পাছ কৰাতেই সীমাবদ্ধ হৈ পৰিছে। হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হোৱা দুই লাখ পৰীক্ষাৰ্থীৰ ভিতৰত দৰাচলতে প্ৰায় শতকৰা পয়সত্তৰ ভাগেই হৈছে এনেকুৱা ছাত্ৰ ছাত্ৰী, যি চাকৰিৰ বজাৰত প্ৰৱেশৰ নিমিত্তে অনুজ্ঞাপত্ৰ স্বৰূপ হৈ পৰা ছাৰ্টিফিকেটখন সংগ্ৰহৰ নিমিত্তেহে এইদৰে পৰীক্ষা গৃহত ভীৰ কৰিছেহি। আমাৰ শিক্ষা ব্যৱস্থা বাস্তৱমুখী নোহোৱালৈকে, এইদৰে পাছ-ফে'লৰ নামত ছাত্ৰ-ছাত্ৰীৰ মাজত আকাশ-পাতাল পাৰ্থক্য অনাৰ পৰিবৰ্তে যিয়ে যি নম্বৰ পাইছে তাতেই তেওঁক এৰি দিয়াৰ ব্যৱস্থা কৰা উচিত। উচ্চ শিক্ষাৰ আগ্ৰহ থকা কোনোবা ছাত্ৰ-ছাত্ৰীয়ে যদি আৰু ভাল ৰিজাল্ট কৰিব খুজিছে, তেন্তে তেওঁ পুনৰাই পৰীক্ষাত বহিব পৰাৰ সুবিধা থাকক; কিন্তু, চাকৰিৰ বজাৰত প্ৰৱেশৰ বাবে ছাৰ্টিফিকেটখন সংগ্ৰহৰ নিমিত্তেই ছাত্ৰ-ছাত্ৰীয়ে যাতে বাৰম্বাৰ একেটা পৰীক্ষাতে বহিবলগীয়া নহয়. সেইটো নিশ্চিত কৰিবলৈকে পাছ-ফে'লৰ নিয়ম সম্পূৰ্ণৰূপে উঠাই দিয়াৰ পোষকতা কৰিব খোজোঁ। এই সম্বন্ধে স্পষ্ট সিদ্ধান্ত এটা লৈ শিক্ষাৰ প্ৰতিটো স্তৰতে জীৱিকাৰ সন্ধানত মূল প্ৰক্ৰিয়াটোৰপৰা বাহিৰলৈ ওলাই অহা ছাত্ৰ-ছাত্ৰীসকলৰ নিমিত্তে সম্যক বৃত্তিজীৱী শিক্ষাৰ দিহা কৰিব পাৰিলেও দৰাচলতে আমাৰ শিক্ষা ব্যৱস্থা বহু পৰিমাণে বাস্তৱমুখী হৈ পৰিব।

শিক্ষাক বাস্তৱমুখী কৰিবৰ নিমিত্তে আৰু শিক্ষাৰ যোগেদিয়েই বিভিন্ন ৰাষ্ট্ৰীয় আকাংক্ষাসমূহ পূৰণৰ উদ্দেশ্য কেন্দ্ৰীয় চৰকাৰে ইতিমধ্যে প্ৰৱৰ্তন কৰা নতুন শিক্ষানীতিৰ আধাৰত অসমতো এতিয়া নতুন নতুন চিন্তা-চৰ্চা আৰম্ভ হৈছে। কিন্তু, পূৰ্ববৰ্তী শিক্ষানীতিসমূহকে যথাযথভাৱে ৰূপায়িত কৰিব নোৱাৰাৰ ফলত এতিয়া নতুন শিক্ষানীতিক অনুসৰণ কৰি আমি কিমান সুফল পাম, সেয়াই এটা ডাঙৰ প্ৰশ্ন হৈ পৰিছে। ৰাজ্যখনত শিক্ষাৰ সুস্থ পৰিবেশ এটা গঢ়ি তুলিবৰ নিমিত্তে সম্প্ৰতি যিমানবিলাক সংস্কাৰৰ প্ৰয়োজন হৈছে, সীমিত জনসম্পদ আৰু বাজেটৰ পৰিপ্ৰেক্ষিতত এই কাম এতিয়া আমাৰ বাবে দুঃসাধ্য যেনেই হৈ পৰিছে; আৰু সেইবাবেই, শিক্ষা সম্বন্ধীয় সকলো দিশ সামৰি পৰ্যায়ক্ৰমে আগবাঢ়িব পৰাকৈ এক সুচিন্তিত পৰিকল্পনাৰ আৱশ্যক হৈছে। ছাত্ৰ-শিক্ষক অভিভাৱক সকলোৱেই এতিয়া সৰ্বান্তঃকৰণেৰে এনে পৰিকল্পনাৰ কামত সহযোগ নকৰি কেৱল চৰকাৰী সিদ্ধান্তৰ ওপৰতে গোটেই বিষয়টো এৰি দিলে এই আটাইবোৰ সংস্কাৰ পূৰ্বৰ দৰেই সদায় কাকততে আবদ্ধ হৈ থাকি যাব।



# মহিলাৰ ওপৰত অত্যাচাৰ

## অসমত এই সামাজিক ব্যাধি সোমাইছেনে ?

অপৰ্ণা মহন্ত

মহিলাৰ সংগঠনৰ লগত জড়িত থকাৰ বাবে বহুতো সময়ত ভাৰতৰ বিভিন্ন প্ৰান্তৰ মহিলা সংগঠকসকলক লগ পোৱা যায়। ভাৰতৰ অন্যান্য ৰাজ্যত ক্ৰমাৎ বাঢ়ি অহা মহিলাৰ ওপৰত চলা অত্যাচাৰ, যেনে যৌতুক-হত্যা, ধৰ্ষণ বা পাৰিবাৰিক হিংসাৰ কথা ওলালে প্ৰায়ে মন্তব্য কৰিব লগীয়া হয় যে অসমত এনে ধৰণৰ অত্যাচাৰ বিৰল। ইয়াৰ সমৰ্থনত কেইটামান কাৰণ দৰ্শোৱাও হয়; যেনে— অসমৰ সৰহভাগ গ্ৰামীন মহিলাই উৎপাদনৰ লগত ওতপ্ৰোতভাৱে জড়িত থকাৰ বাবে তেওঁলোকৰ আৰ্থিক স্বাৱলম্বিতা, আমাৰ শংকৰী ধৰ্মীয় পৰম্পৰাত পুৰুষ-মহিলাৰ সমান মৰ্যাদা, অসমীয়া জাতিত জনজাতীয় পৰম্পৰাৰ প্ৰভাৱ আৰু ওচৰ-চুবুৰীয়া জনজাতীয় সমাজৰ আহি। ইয়াৰ লগতে জোৰাব পাৰি আৰু এটা কাৰণ। তুলনামূলকভাৱে অসমত সামগ্ৰিকভাৱে জীয়াই থকাৰ মান কম হোৱাত, বা পুঁজিবাদী অৰ্থনীতিৰ প্ৰাদুৰ্ভাৱ সীমিত হোৱাত ইয়াত এতিয়াও পণ্যভিত্তিক সংস্কৃতিয়ে পূৰ্ণোদ্যমে গা কৰি উঠিব পৰা নাই; গতিকে যৌতুক প্ৰথাই এতিয়াও ভয়ংকৰী ৰূপ লব পৰা নাই, বা নাৰীদেহ মুকলিকৈ বেচা-কিনাৰ ঘটনাও ইমান সহজে চকুত নপৰে।

পিছে যোৱা কেইমাহমানত ঘটা ঘটনাই পূৰ্ব ধাৰণাৰ সংশোধন কৰাবলৈ বাধ্য কৰাব যেন পাওঁ। অৱশ্যে কলিকাতা বা অন্য ডাঙৰ চহৰৰপৰা ওলোৱা বাতৰি কাকতত প্ৰকাশ পোৱা যৌতুক-হত্যা, গৃহিনীৰ আত্মহত্যা বা কিশোৰীৰ অপহৰণৰ ঘটনা অসমত এতিয়াও বিৰল। তথাপিও যি এটা-দুটা ঘটনা বিক্ষিপ্তভাৱে হলেও ইতিমধ্যে অসমত ঘটা দেখা পাইছোঁ, তালৈ লক্ষ্য ৰাখি এতিয়াৰ পৰা সতৰ্ক হোৱাৰ প্ৰয়োজনীয়তা আমি উপলব্ধি কৰিছোঁ। যোৱা বছৰৰ শেহৰ ফালে মাৰ্ঘেৰিটাত এগৰাকী বিবাহিতা শিক্ষয়িত্ৰীক হত্যা কৰি ৰেল আলিত পেলাই থোৱা ঘটনাই মাৰ্ঘেৰিটাৰ মহিলাসকলক সংঘবদ্ধভাৱে ওলাই আহিবলৈ বাধ্য কৰালে। যোৱা মাহত ফৰকাটিঙত ৰেল আলিত দুগৰাকী যুৱতী বায়েক-ভনীয়েকক ৰহস্যজনকভাৱে মৃত অৱস্থাত পোৱা গৈছিল। অৱশ্যে ৰাইজ আৰু মহিলা সংগঠনৰ হেঁচাত ইতিমধ্যে অসম চৰকাৰে এই ঘটনাৰ এটা ন্যায়িক তদন্তৰ ঘোষণা কৰিছে আৰু গৃহ মন্ত্ৰীয়েও ঠাইতে পৰিস্থিতিৰ বুজ লৈ আহিছে। এই ঘটনাৰ কেইদিনমানৰ পাছতে ওলাল গুৱাহাটীত অসমীয়া মধ্যবিত্ত পৰিয়ালৰ গৰ্ভৱতী বোৱাৰীৰ মৃত্যুৰ বাতৰি। শেহতীয়াকৈ ডিব্ৰুগড় চহৰৰ মাজ মজিয়াতে এগৰাকী সম্ভ্ৰান্ত মহিলা, এখন ব্যক্তিগত স্কুলৰ পৰিচালিকা, তিনিটা সন্তানৰ মাতৃৰ নিজা বাসভৱনত হোৱা মৃত্যুক প্ৰকৃততে হত্যা বুলিহে সন্দেহ কৰা হৈছে। এতিয়াও অনুসন্ধান চলি আছে, পিছে প্ৰাথমিক অনুসন্ধানৰ ভিত্তিত মৃতকৰ স্বামী বৰ্তমান হাজোতত। মৃতকৰ পৰিয়ালৰ মতে মৃত্যুৰ আগেয়েও স্ত্ৰীৰ ওপৰত স্বামীৰদ্বাৰা নানা অত্যাচাৰ দৈনন্দিন ঘটনাত পৰিণত হৈছিল। চহৰীয়া সম্ভ্ৰান্ত পৰিয়ালৰ মাজত ঘটাৰ বাবে এই ঘটনাটোৱে যথেষ্ট প্ৰচাৰ পাইছে। প্ৰায় একে অঞ্চলতে কেইমাহমানৰ আগত ঘটা এগৰাকী বহুৱা যুৱতীৰ হত্যাই তেনে ধৰণৰ প্ৰচাৰ নাপালে। এতিয়া ওপৰত উল্লেখ কৰা ঘটনাৰ সন্দৰ্ভতহে এইটো ঘটনাৰ কথাও মানুহে মনত পেলাইছে। ইয়াৰ বাহিৰেও অলপতে যুৱতী, আনকি স্কুলীয়া ছাত্ৰীৰ অপহৰণৰ ঘটনাও কেইবাখনো কাগজত প্ৰকাশ পাইছে।

এনেবোৰ ঘটনাৰপৰা এইটোৱেই বুজা যায় যে মহিলাৰ সামাজিক নিৰাপত্তাৰ বিষয়ে সচাকৈয়ে চিন্তা কৰিবলগীয়া হৈছে। সমাজত মুকলিভাৱে ওলাই ফুৰাটো বাদেই, আনকি নিজৰ ঘৰৰ ভিতৰতো এগৰাকী মহিলাৰ জীৱনৰ সঁচাকৈয়ে নিৰাপত্তা নাই। যি সময়ত দীৰ্ঘদিন ধৰি চলি অহা মহিলাৰ আন্দোলনৰ ফল হিচাপে আংশিকভাৱে হলেও লাভ কৰা শিক্ষা, চাকৰি কৰাৰ, বা অকলে চলা ফুৰা কৰাৰ সুবিধা পোৱা বুলি ভবা হৈছিল, সেই সময়তে দেখা যায় যে আচলতে মহিলাৰ তথাকথিত স্বাধীনতা ভুৱা আৰু মূল্যহীন। স্কুললৈ যোৱা ছোৱালী যদি দুৰ্বৃত্তৰ বা ৰক্ষকৰ দ্বাৰাই অপহৃতা হয় বা অকলে বজাৰ কৰিবলৈ যোৱা, বা অকলে ছিনেমা-থিয়েটাৰ চাবলৈ যোৱা ছোৱালী মৃত্যুমুখত পৰিব লগীয়া হয়, বা কিছুদিনৰ আগতে গুৱাহাটীত হোৱাৰ দৰে এগৰাকী চাকৰিজীৱী মহিলাক অফিছতে হত্যা কৰা হয়, তেনেহলে মহিলাই প্ৰকৃত স্বাধীনতা লাভ কৰিব পাৰিছে বুলি কেনেকৈ কব পৰা যায়? বৰঞ্চ এনেবোৰ ঘটনাই মহিলাৰ সামাজিক নিৰাপত্তাহীনতা প্ৰকাশ কৰি মহিলাৰ পৰাধীন অৱস্থাৰ কথা পুনৰ সোঁৱৰাই দিয়ে। পুৰণি নীতি মতে মহিলা চিৰ-অবলা; জীয়ৰী কালত পিতৃৰ, বোৱাৰী কালত পত্নীৰূপে পতিৰ আৰু বৈধব্যত পুত্ৰৰ আশ্ৰয়ত থকাৰ উপযুক্ত। আধুনিক যুগতো মহিলাৰ অৱস্থাৰ সমূলি পৰিবৰ্তন হোৱা নাই। কোনো পুৰুষৰ ৰক্ষণাবেক্ষণৰ বাহিৰে মহিলাৰ জীৱন মুঠেই বিপদমুক্ত নহয়। এগৰাকী দুৰ্ভগীয়া নাৰীৰ করুণ কাহিনীৰ দ্বাৰা সকলো নাৰীকে সকিয়াই দিয়া হয় যাতে তেওঁলোকে নিজৰ মংগলৰ বাবে



OKDISCD

কোনো পুৰুষৰ শৰণাপন্ন হৈ থাকে। অৱশ্যে খালী শৰণাপন্ন হৈ থাকিলেই নহব, নিজকে বশ কৰি চলিবও লাগিব; নহলে— বাকীখিনি কোৱা অনাৱশ্যক।

মহিলাৰ ওপৰত চলোৱা অত্যাচাৰৰ প্ৰধান উদ্দেশ্য হ'ল মহিলাক সামাজিক গোট হিচাপে বলপূৰ্বকভাৱে চিৰপৰাধীন অৱস্থাত ৰখা। অৰ্থনৈতিক, সাংস্কৃতিক, ধৰ্মীয় বা মতাদৰ্শগত দমনৰ পৰিপূৰক হিচাপে বল প্ৰয়োগ আৰু হিংসাক সদায় সমাজৰ এটা অংশই আনটো অংশক দমন কৰি ৰাখিবলৈ ব্যৱহাৰ কৰি অহা দেখিছোঁ। ঘৰৰ চাৰিবেৰে আৱ কৰিলেও ইতিহাসে নাৰীৰ ওপৰত চলা নিৰ্যাতনক সমূলি ঢাকি ৰাখিব পৰা নাই। ইয়াৰ জলন্ত উদাহৰণ সতীদাহ প্ৰথা। তথাপি কেইগৰাকীমান বিদ্ৰোহী নাৰীৰ বাহিৰে সৰহভাগ নাৰীয়েই পুৰুষৰ বশ্যতা স্বীকাৰ কৰিবলৈ বাধ্য হৈছিল —যাৰ ফলত হয়তো নাৰী নিৰ্যাতন অন্ততঃ প্ৰকাশ্যভাৱে আজিৰ দৰে চৰম পৰ্যায় পোৱা নাছিল। নাৰীৰ স্বাধীনতা আন্দোলনৰ লগে লগে নাৰীৰ ওপৰত চলা নিৰ্যাতন আৰু অত্যাচাৰৰ মাত্ৰা বাঢ়ি গৈছে।

ইয়াৰ কাৰণ বিচাৰিবলৈ গলে কেইবাটাও কথা মনলৈ আহে। এটা প্ৰধান কাৰণ হ'ল নিৰ্যাতনৰ প্ৰতি নাৰীৰ নিজৰ সচেতনতা। যি অত্যাচাৰক আগৰ নাৰীয়ে কৰ্মৰ ফল বা ভাগ্য বুলি সহি আছিল, আজিৰ নাৰীয়ে সেয়া অন্যায় বুলি বিবেচনা কৰিব পাৰিছে। তদুপৰি যি অত্যাচাৰ আগতে ঘৰৰ চাৰিবেৰৰ ভিতৰতে আবদ্ধ আছিল আজিৰ অধিকতৰ মুকলি সমাজত সি প্ৰকাশ পায়। কৌতুহল আৰু চাঞ্চল্যৰ প্ৰতি আকৰ্ষিত আধুনিক সমাজে ঘৰ আৰু পৰৰ মাজৰ বিভাজনটো আঁতৰাই দিছে। ইয়াত মহিলা সকলৰো অৰিহণা আছে। ঘৰৰ চাৰিবেৰৰ মাজৰপৰা ওলাই অহাৰ ফলত ঘৰৰ পবিত্ৰতাৰ প্ৰতি গদ-গদ ভাবো এতিয়া বহু পৰিমাণে কমি গ'ল। আজিকালিৰ সৰু আৰু সঘনে স্থানান্তৰ হোৱা পৰিয়ালবোৰৰ পাৰিবাৰিক মৰ্যাদাৰ ভাবো প্ৰায় নোহোৱা হ'ল। এনেবোৰ কাৰণতে ঘৰৰ ভিতৰত চলি থকা অত্যাচাৰে পূৰ্বৰ গোপনীয়তা ৰক্ষা কৰিব নোৱাৰে। আৰু এটা কাৰণ হ'ল,— গাঁও আৰু চহৰৰ মাজত লোকপ্ৰবাহৰ ফলত সমাজৰ পুৰণি গাঁথনি শিথিল হ'ল। খেল, মেল বা পঞ্চায়তৰ পৰম্পৰাগতভাৱে চলি অহা সমাজ নিয়ন্ত্ৰণৰ ক্ষমতা হ্ৰাস পোৱাৰ ফলত সামাজিক নীতি-নিয়মৰ ওপৰত নিয়ন্ত্ৰণ নাইকিয়া হ'ল। সমাজখন জটিল আৰু সমস্যাৰে জৰ্জৰিত হোৱাৰ ফলত মহিলাৰ অৱস্থা স্বাভাৱিকতে তললৈ গ'ল। অভাৱ অনাটনৰ হেঁচা, মূল্যবৃদ্ধি, নিবনুৱা সমস্যা আদিৰ বাবে পৰাধীন মহিলাৰ অৱস্থা আৰু বেয়াৰ ফালে যোৱাই স্বাভাৱিক। মদ্যপানৰ বাবে পাৰিবাৰিক অশান্তি বৃদ্ধি পোৱাত মহিলাৰ ওপৰত পাৰিবাৰিক অত্যাচাৰ বাঢ়িল, অৰ্থনৈতিক হেঁচাত চহৰবোৰত দেহোপজীৱিনীৰ সংখ্যা বাঢ়িল; ফলত যৌন অপৰাধৰ সংখ্যাও বাঢ়িছে। বিকৃত পণ্য সংস্কৃতিৰ ফলত যৌতুকৰ বিভীষিকা, আৰু প্ৰচাৰ-মাধ্যমত যৌনতা আৰু হিংস্ৰতাৰ অবাধ প্ৰদৰ্শনৰ ফলতো মহিলাৰ ওপৰত অত্যাচাৰৰ এটা নতুন ৰূপ আমি দেখা পাইছোঁ।

প্ৰথমতে কৈ অহাৰ দৰে মহিলাৰ জাগ্ৰত চেতনাও নাৰীৰ ওপৰত চলা ক্ৰমবৰ্ধমান অত্যাচাৰৰ অন্যতম কাৰণ। স্বাধীনতাৰ স্পৃহাতে নাৰীয়ে হাত মেলিছে শিক্ষা, অৰ্থনৈতিক স্বাৱলম্বিতা সামাজিক মৰ্যাদা, নিজৰ আৰু দেশৰ ভৱিষ্যতৰ ওপৰত মাত মাতিবলৈ অধিকাৰৰ ফালে। অন্যায়ৰ প্ৰতি অসহিষ্ণুতা নাৰীৰ এটা নতুন গুণ। নাৰীৰ এই বিদ্ৰোহ সমাজৰ স্থিতি ৰক্ষা কৰিবলৈ বিচৰাসকলৰ বাবে অসহনীয়। যদি আটাইতকৈ পদদলিত, চণ্ডালতকৈয়ো চণ্ডাল নাৰীয়েই বিদ্ৰোহ কৰে আৰু কিবা বাকী থাকিব পাৰেনে? এই বিদ্ৰোহক দমন কৰিবলৈ যি কোনো ধৰণৰ হিংসাই অগ্ৰহণীয় নহব। সমাজৰ দলিত শ্ৰেণীক দমন কৰিবলৈ সমূহীয়া ধৰ্ষণ এটা বৰ্তমানে স্বীকৃত আৰু নানা ৰাজ্যত গৃহীত কৌশল। ইয়াৰ উপৰিও পাৰিবাৰিক হিংসাৰ প্ৰতি সমাজে চকুমুদি ৰয়। পত্নী প্ৰহাৰৰ প্ৰতি সমাজ এতিয়াও সচেতন নহয়। এহেজাৰটা যৌতুক-হত্যাৰ মাজত কৰবাত এটা অপৰাধীক দণ্ড দিয়া হয়; আনবোৰ আইনৰ ফুৰুঙাইদি সাৰে। ধৰ্ষণৰ বিৰুদ্ধে আইন সংশোধন হ'ল, পিছে ধৰ্ষণৰ অপৰাধী কমেইহে ধৰা পৰে বা দণ্ডিত হয়; আৰু আনহাতে ধৰ্ষিতা নাৰীৰ বাবে সামাজিক সংস্থাপন কঠিন হৈ পৰে। আনকি আইনৰ খেলিমেলিৰ বাবে বহুত সময়ত সাক্ষীৰ অভাৱত বিনা দোষত তেওঁলোক জেলত পচি থাকিব লাগে।

বৰ্তমান চলিত পৰিয়াল ব্যৱস্থাই নাৰীক সমাজৰপৰা আনকি অন্য নাৰীৰপৰাও বিচ্ছিন্ন কৰি ৰাখে। পূৰ্বৰ যৌথ পৰিয়াল ব্যৱস্থাত বৰঞ্চ নাৰীৰ অলপ-অচৰপ নিৰাপত্তা আছিলেই। অনাথ, বিধৱাৰ সুৰক্ষাৰ বাহিৰেও এনে ব্যৱস্থাই পাৰিবাৰিক অত্যাচাৰকো বাধা দিছিল বুলি অনুমান হয়। বিভিন্ন বয়সৰ মহিলা একেলগে বাস কৰাৰ ফলত, সমূহীয়া কাম-কাজ কৰাৰ অভ্যাসৰ ফলত নাৰী এগৰাকী অকলশৰীয়া নহৈছিল। একক পৰিয়ালত এগৰাকী নৱবিবাহিতা নাৰী হঠাৎ অকলশৰীয়া আৰু উপায়হীন হৈ পৰে, আৰু স্বামী আৰু লগত থাকিলে শাহু-শহুৰৰ নিয়ন্ত্ৰণাধীন হৈ পৰে। পৰিয়ালৰ ভিতৰত কি ঘটে, কি নঘটে কোনেও খবৰ নলয়; ফলত বিশেষকৈ চহৰবোৰত যৌতুক-হত্যা, বা তথাকথিত আত্মহত্যা বা দুৰ্ঘটনা ইমান ভয়ংকৰভাৱে বাঢ়ি গৈছে।

মহিলাই চাকৰি কৰি নিজৰ জীৱিকা অৰ্জন কৰিলেও পাৰিবাৰিক বা সামাজিক অত্যাচাৰৰপৰা হাত সাৰিব নোৱাৰে। কৰ্মস্থান বা কামৰ-



পৰা অহা-যোৱা বাটত লম্পট গুণ্ডা বা দেখাত ভদ্ৰ সহকৰ্মী বা ওপৰৱালাৰপৰা নানা ধৰণৰ অত্যাচাৰ সহিব লাগে। গাঁৱত জমিদাৰ আৰু ভেৰোণীয়া গুণ্ডাৰ বলি হ'ল পেট পুৰাবলৈ কাম কৰা বুদ্ধেশ্বৰী বড়া। কৰ্মক্ষেত্ৰত পুৰুষৰ দম্ভালি আৰু লাম্পট্যৰ সম্মুখীন হোৱাৰ বাহিৰেও উপাৰ্জন কৰা মহিলাৰ উপাৰ্জনৰ ধনো হৈ পৰে ঘৰুৱা কন্দলৰ ঘাই কাৰণ। নিজৰ প্ৰাধান্য হেৰুউৱাৰ ভয়ত পুৰুষে সচৰাচৰ মহিলা আৰ্থিকভাৱে স্বাৱলম্বী হোৱাটো বাঞ্চা নকৰে। পূৰ্বে ইংলণ্ডত প্ৰচলিত আইন মতে, মহিলা যিহেতু পুৰুষৰ সম্পত্তি, সেয়েহে মহিলাই উপাৰ্জন কৰা ধনো সেই পুৰুষৰেই সম্পত্তি। আজিকালি অৱশ্যে ইংলণ্ডত এই অশোভনীয় আইনৰ সংশোধন ঘটিছে। আমাৰ দেশত এনেকুৱা আইন নাই যদিও পৰম্পৰাগতভাৱে এনে ধৰণৰ নীতিয়েই প্ৰচলিত হৈ আহিছে;— স্ত্ৰীৰ ৰোজগাৰ স্বামীৰ প্ৰাপ্য বুলি এটা অলিখিত নিয়ম চলি আহিছে। মহিলাৰ ফালৰপৰা নিজৰ শ্ৰমেৰে উপাৰ্জন কৰা ধনৰ ওপৰত অধিকাৰ বিচৰাটো স্বাভাৱিক। ফলত এই ধনৰ নিয়ন্ত্ৰণ লৈ আৰম্ভ হয় ঘৰুৱা বিবাদ আৰু পুনৰ মহিলা গৰাকীৰ ওপৰত চলে দমন, নিগ্ৰহ,— আৰু তাৰ পৰিণতি কেতিয়াবা হয়গৈ স্ত্ৰী-হত্যা।

মহিলাই ঘৰৰ বাহিৰত কাম কৰা, মুকলিভাৱে ঘূৰি ফুৰা আৰু সামাজিক বা ঘৰুৱা ক্ষেত্ৰত আমাৰচেৰেক মাত মতা ঘটনাবোৰক পুৰুষে তেওঁলোকৰ হাতত থকা সামাজিক, ৰাজনৈতিক বা অৰ্থনৈতিক ক্ষমতাত হাত দিয়া বুলি ভয় কৰে। এনে আশংকাতো মহিলাৰ ওপৰত সামাজিক আৰু ঘৰুৱা ক্ষেত্ৰত চলা অত্যাচাৰ ক্ৰমাৎ বাঢ়ি আহিছে। আৰ্থিক, ৰাজনৈতিক আৰু সামাজিক দমন আৰু কৌশলৰে সমাজত অৱস্থিত ৰাজনৈতিক, আৰ্থিক আৰু সামাজিক ক্ষমতা চক্ৰই সমাজৰ এক শ্ৰেণী মুষ্টিমেয় লোকৰ হাতত সকলো ক্ষমতা অৰ্পণ কৰিছে। দলিত শ্ৰেণীৰ স্বাধীনতাৰ দৰেই মহিলাৰ স্বাধীনতাও বৰ্তমান ক্ষমতা-গাঁথনিটোৰ বাবে অসহনীয়। দলিতৰ বিদ্ৰোহ বা প্ৰতিবাদৰ দৰে সংগঠিত বা অসংগঠিত হলেও মহিলাৰ বিদ্ৰোহ বা প্ৰতিবাদক পুৰা দমন নীতিৰে মষিমূৰ কৰা হয় আৰু এনে বিদ্ৰোহৰ পুনৰুত্থান নঘটিবলৈ অধিক ভাবুকি দিয়া হয়। ধৰ্ষণ হ'ল নাৰীৰ ওপৰত চলোৱা অত্যাচাৰৰ চৰম পৰ্যায়। ইয়াৰদ্বাৰা মহিলা এগৰাকীক শাৰীৰিকভাৱেই কেৱল নহয়, মানসিকভাৱেও তেওঁৰ ব্যক্তিগত সত্তা আৰু নাৰী জাতিৰ মৰ্যাদাক চৰম আঘাত দিয়া হয়। যোৱা কেইবছৰমানৰপৰা দেখা গৈছে যে ভাৰতৰ ৰাজনৈতিক পটভূমিত ধৰ্ষণ, বিশেষকৈ সমূহীয়া ধৰ্ষণ দমনৰ এটা কৌশলত পৰিণত হৈছে। দলীয়, বৰ্ণভিত্তিক বা 'শ্ৰেণীভিত্তিক ৰাজনীতিয়েই হওক বা ৰাষ্ট্ৰীয় দমন নীতিৰ ফালৰপৰাই হওক, আমি আন্দোলনৰ সময়ত কামৰূপত, সঘনে বিহাৰ, অন্ধ্ৰপ্ৰদেশ, উৰিষ্যা বা উত্তৰ প্ৰদেশত সমূহীয়া ধৰ্ষণৰ সহায়েৰে বৰ্তমান শাসন আৰু শোষণৰ যন্ত্ৰটো টিকাই ৰখা হৈছে, আৰু ৰাখিবলৈ চেষ্টা কৰি থকা হৈছে। ভাবুকিটো স্পষ্ট: মহিলা মনে মনে থাকক, প্ৰতিবাদৰ স্বৰ নোতোলক, আৰু তেওঁলোকৰ পুৰুষবোৰো বশ হৈ চলক, কাৰণ তেওঁলোকে নিজৰ তিৰোতাৰ মৰ্যাদাকেই ৰক্ষা কৰিব নোৱাৰিলে।

এইদৰে মহিলাৰ ওপৰত চলা অত্যাচাৰৰ সামাজিক বিশ্লেষণ কৰিবলৈ যাওঁতেই আমি সম্মুখীন হওঁহি বৰ্তমানে প্ৰচলিত ক্ষমতা ব্যৱস্থাটোৰ। দেখা গ'ল যে ঘৰতেই হওক বা সমাজতেই হওক মহিলাৰ ওপৰত চলা অত্যাচাৰৰ ঘাই উৎস আৰু প্ৰধান পৃষ্ঠপোষক হ'ল এক শ্ৰেণীভিত্তিক ক্ষমতা-ব্যৱস্থা, যিটো পুৰুষৰ নিয়ন্ত্ৰণত থকাৰ হেতুকেই আমাৰ সমাজক পুৰুষ-প্ৰধান সমাজ বুলি গণ্য কৰা হৈছে। আমি দেখা পাওঁ যে এই ব্যৱস্থাৰ বলি হৈ মহিলাই অকলে আৰ্তনাদ কৰে, অথচ অত্যাচাৰীৰ ফালে আছে সমাজৰ সকলো ভব্য গব্য অনুষ্ঠান— ধৰ্ম, আইন, সামাজিক ৰীতি-নীতি। উদাহৰণ স্বৰূপে যৌতুক এনে এটা প্ৰথা যিটো সামাজিকভাৱে, ধৰ্মীয়ভাৱে (কন্যাদান), আনকি আইনৰদ্বাৰাও (যিহেতু আইনে যৌতুকৰ পৰিমাণ নিয়ন্ত্ৰণ কৰাত হাত দিছে) স্বীকৃত; আনহাতে যৌতুকৰ বৰুণ বলি হয় এগৰাকী উপায়হীনা, সহায়হীনা নাৰী। একে ধৰণেই বিবাহ প্ৰথাও, যি প্ৰথাত এগৰাকী নাৰীক ঘোৰাৰী হিচাপে এঘৰে গ্ৰহণ কৰে,— সামাজিকভাৱে প্ৰচলিত এটা ব্যৱস্থা। বিবাহ প্ৰথাত মহিলা নীতিগতভাৱে আৰু পৰম্পৰাগতভাৱে পুৰুষৰ অধীনত। আইনত পোনপটীয়াকৈ তেনে ধৰণৰ বিধান নাই যদিও কেইবাটাও চৰ্তই, যেনে—বিবাহত স্ত্ৰীয়ে স্বামীৰ বাসস্থান গ্ৰহণ কৰা, পুৰুষেহে ঘৰৰ কৰ্তা হোৱাৰ অধিকাৰ, জীৱিত অৱস্থাত পিতৃহে ল'ৰা-ছোৱালীৰ প্ৰকৃত অভিভাৱক হোৱাৰ অধিকাৰ ইত্যাদিয়ে স্বামীৰ তলত স্ত্ৰীৰ অধীনতাহে সূচায়। ফলত সমাজে আৰু আইনে স্ত্ৰীৰ ওপৰত যৌতুকৰ নামত বা অন্য কোনো অজুহাতত হোৱা বিভিন্ন মানসিক বা শাৰীৰিক অত্যাচাৰলৈ চকুমুদি থাকে। এগৰাকী নিৰ্যাতিতা নাৰী এনে ধৰণৰ প্ৰথাৰ কবলত পৰি সম্পূৰ্ণ অকলশৰীয়া আৰু আৰু উপায়হীন হৈ পৰে; কাৰণ এই প্ৰথাৰ সামাজিক স্বীকৃতি আছে। তেজৰ বা সম্বন্ধৰ খাতিৰত মাতৃবংশৰ পৰা স্বাভাৱিকতে সুৰক্ষা আশা কৰিব পাৰি; কিন্তু সেই মাতৃবংশও সমাজৰে এটা অংশ। সামাজিক নিন্দাৰ ভয়ত দাম্পত্য জীৱনৰ পবিত্ৰতা অক্ষুণ্ন ৰখাৰ নামত এগৰাকী অসহায় নাৰীৰ,—নিজৰ জীয়েকৰ আৰ্তনাদ (মাতৃবংশয়ো) আওকাণ কৰে। সমাজৰ ভয়ত মাক-দেউতাকে বহুত সময়ত নিজৰ জীয়েকক অত্যাচাৰী স্বামী বা শহুৰ-শাহুৰৰ হাতত মৃত্যুৰ মুখত পৰা দেখে, পিছে সহায় কৰিবলৈ আগ বাঢ়ি যাব



OKDISCD

নোৱাৰে। সমাজৰ চকুত বিবাহ-বান্ধোনৰ পৰা ওলাই অহা এগৰাকী নাৰী নিজে যে দ্বিতীয় খাপৰ ব্যক্তি অকল সেয়ে নহয়, তেওঁৰ পৰিয়ালবৰ্গও গ্লানিৰ পাত্ৰ হয়। ইয়াৰ প্ৰভাৱ পৰিয়ালৰ অন্য ছোৱালীৰ বিয়াৰ সময়ত দেখা যায়।

সামাজিক বা পাৰিবাৰিক অত্যাচাৰৰ সন্মুখীন হোৱা নাৰীৰ উপায়হীন আৰু অকলশৰীয়া অৱস্থা বিশেষকৈ উল্লেখ কৰিবলগীয়া। এগৰাকী ধৰ্ষিতা নাৰীয়েই হওক বা প্ৰহৃতা পত্নীয়েই হওক, সমাজৰপৰা বিনাদোষত বৰ্জিতা হয়, বিচ্ছিন্ন হৈ যায়, সমাজৰ চকুত হেয় হবলগীয়া হয়, তেওঁৰ জীৱন তিল তিলকৈ ধ্বংস হয়। আনকি আৰ্থিকভাৱে স্বাৱলম্বী মহিলায়ো এনে অৱস্থাত পৰা দেখা যায়। ধৰক কোনো এগৰাকী নাৰীৰ বৈবাহিক জীৱন অশান্তিময় বা অসহনীয়। বহুতে ক'ব, এনে অৱস্থাত মহিলা গৰাকী বিবাহৰ বান্ধোনৰপৰা ওলাই আহিব লাগে, নিজৰ ভৰিত থিয় দি নতুন জীৱন আৰম্ভ কৰিব লাগে। ব্যক্তিগত দুই-এটা পৰিস্থিতিত সমস্যা সমাধান হ'ব পাৰে, পিছে সামাজিক সমস্যা এটা এনেকৈ সমাধান কৰিব নোৱাৰি। কাৰণ বহুত ক্ষেত্ৰত ইয়াৰ সহজ উপায় পোৱা নাযায়। বহুতো সমস্যা ৰৈ যায়। আৰ্থিক স্বাৱলম্বিতা বহুতৰ কাৰণে বৰ্তমান অৱস্থাত সম্ভৱ নহয়। ইয়াৰ উপৰিও দম্পতিৰ ল'ৰা-ছোৱালীৰ পালন আৰু সুৰক্ষাৰ প্ৰশ্নই মাতৃৰ বাবে স্বাভাৱিকতে প্ৰাধান্য লাভ কৰে। বহুত সময়ত দেখা যায় যে মাক গৰাকীয়ে ল'ৰা-ছোৱালীৰ বৰ্তমান সুখ, আৰাম আৰু ভৱিষ্যতৰ নিৰাপত্তাৰ চিন্তাত অত্যাচাৰ আৰু নানা ধৰণৰ লঘু-লাঞ্চনা সহি থাকে। সমাজৰ কাৰণে প্ৰতিবাদ কৰাটো প্ৰয়োজনীয়। পিছে সমূহীয়া সমাধানৰ পথত সাধাৰণতে ব্যক্তিগত সুখ-সুবিধাৰ প্ৰশ্নটোহে বেছি গাত লগা হৈ থাকে।

বহুতৰ মতে সমাজৰ ধ্যান-ধাৰণা সলোৱাৰ প্ৰয়োজনীয়তাই দেখা দিছে। পিছে সলাব লাগে বুলি ভাবিলেই ধ্যান-ধাৰণা সলনি নহয়। ধ্যান-ধাৰণাবোৰৰ বাস্তৱ ভেটিটো সলালেহে প্ৰকৃত পৰিবৰ্তন দেখা যাব। অৰ্থাৎ বৰ্তমানৰ ক্ষমতাৰ গাঁথনিটো ভাঙিব লাগিব,—যিটোৰ দ্বাৰা সমাজৰ অধিকসংখ্যক লোক এটা সৰু অংশৰ অধীনত থাকিবলগীয়া হয়। ইয়াৰ লগত ৰাজনৈতিক ক্ষমতাৰ প্ৰশ্নটো জড়িত হৈ আছে। বৰ্তমান এটা শ্ৰেণীৰ দখলত সকলো ক্ষমতা আছে। আদিম সমাজত ক্ষমতা আহিছিল হাতৰ বলত। পিছে সভ্যতাৰ আবিৰ্ভাৱৰ লগে লগে বিভিন্ন অনুষ্ঠানৰ জৰিয়তে ক্ষমতাৰ পদ্ধতিবোৰো ক্ৰমাৎ উদ্ভৱ হ'ল। ক্ষমতা সঞ্চয় আৰু সঞ্চাৰণ অনুষ্ঠানৰ সহায়ত চলে, সংগঠিত শক্তিৰ জৰিয়তে। আদিম চিকাৰী দলৰপৰা আধুনিক ৰাষ্ট্ৰলৈকে এই প্ৰক্ৰিয়াই চলি আহিছে। ধৰ্ম, শিক্ষা, সংস্কৃতিৰ দ্বাৰাও ক্ষমতাৰ ওপৰত এচাম স্বাৰ্থজড়িত লোকৰ দখল অটুট ৰখা হয়। কোৱা বাহুল্য যে এচাম পুৰুষৰ নিয়ন্ত্ৰণত ক্ষমতা-যন্ত্ৰ চলি আছে, আৰু সমস্ত মহিলা-সমাজো সৰহ সংখ্যক পুৰুষৰ সৈতে শোষিত হৈ থাকে। এহাতে ক্ষমতা কেন্দ্ৰীভূত হয় সংগঠিত শক্তিৰ ফালে আনহাতে শাসিতসকলৰ মাজত নানা বিভাজন আনি তেওঁলোকক শক্তিহীন কৰি তোলা হয়। মহিলাৰ ক্ষেত্ৰত দেখা যায় যে প্ৰচলিত বিবাহ পদ্ধতি আৰু ব্যক্তিগত পৰিয়ালৰ ব্যৱস্থাই মহিলাসমাজৰ মাজত পাৰস্পৰিক সংযোগ নাইকিয়া কৰি তোলে। সামাজিক ক্ষেত্ৰত সহযোগ থাকিলেও গাইগুটীয়া পৰিয়াল আৰু তাৰ লগতে জড়িত গাইগুটীয়া অৰ্থনৈতিক ব্যৱস্থাৰ ফলত পাৰিবাৰিক জীৱন সামাজিক জীৱনৰপৰা বিচ্ছিন্ন হৈ যায়। সেয়েহে কোনো কোনো বিষয়ত মহিলাৰ মাজত যথেষ্ট আদান-প্ৰদান চলি থাকিলেও আৰু ভিতৰি-ভিতৰি এক মহিলা-সত্তাৰ ধাৰা প্ৰবাহিত হৈ থাকিলেও মহিলা-শক্তিৰ কেন্দ্ৰ হিচাপে গণ্য কৰিব পৰাকৈ তেওঁলোকৰ স্বকীয়া কোনো অনুষ্ঠান নাই। অকলশৰে মহিলাৰ কোনো বল নাই, আনকি প্ৰতিবাদৰ বলো নাই। একত্ৰিত হোৱাৰ সুবিধাৰ পৰাও তেওঁলোক বঞ্চিত। এই কথা অৱশ্যে কেৱল মহিলাৰ ক্ষেত্ৰতে নাখাটে, অন্যান্য শোষিত শ্ৰেণীৰ বা অংশৰ ক্ষেত্ৰতো খাটে।

মহিলাৰ অকলশৰীয়া, উপায়হীন অৱস্থাৰ প্ৰসংগতে নাৰীৰ সংগঠনৰ ভূমিকাৰ গুৰুত্ব বুজা যায়। যি পুৰুষতান্ত্ৰিক সমাজে মহিলাক এঘৰীয়া কৰি নিৰ্বিঘ্নে মহিলাৰ ওপৰত অত্যাচাৰ চলাই থাকে, সেই সমাজৰ আওকণীয়া মনোভাবৰ প্ৰতিৰোধ কৰিবলৈকে মহিলা সংগঠনবোৰ শক্তিশালী কৰি তুলিব লাগিব, যাতে নিৰ্যাতিতা মহিলাই সমাজে প্ৰশ্ৰয় দিয়া অন্যায় আৰু অবিচাৰক নিঃসংকোচে আৰু নিৰ্ভয়ে প্ৰতিৰোধ কৰিব পাৰে। যৌতুকৰ বাবে হত্যা কৰা এগৰাকী নাৰীক বা অত্যাচাৰ সহিব নোৱাৰি আত্মহত্যা কৰা নাৰীক ঘূৰাই আনিব নোৱাৰি সঁচা, পিছে যৌতুকৰ হেঁচাক বাধা দিয়াৰ ব্যৱস্থা বা অত্যাচাৰত ধ্বংসপ্ৰায় হোৱা নাৰীক পুনৰ সংস্থাপনৰ ব্যৱস্থা নিশ্চয় কৰিব পাৰি। নাৰী সংগঠনবোৰে এনে ধৰণৰ নাৰীক সহায় আৰু সমৰ্থন কৰিলেহে সমাজৰ নাৰী-বিষয়ক গোড়ামিৰ অন্ত পৰিব। ঘটনা ঘটি যোৱাৰ পাছৰ পৰিতাপতকৈ ঘটনা ঘটিবলৈ পোৱাৰ আগৰ তৎপৰতা বেছি আৱশ্যকীয়। বিশেষকৈ নাৰী সংগঠনৰ মাজেদিয়েই মহিলাৰ সামাজিক জ্ঞানৰ বৃদ্ধি পোৱাটোত গুৰুত্ব দিয়া অতি দৰকাৰ; —যাতে মহিলাসকলে সীতা-সাবিত্ৰীৰ ত্যাগৰ আহিৰে নিৰৱে সকলো সহ্য কৰি থকাতকৈ মহিলাৰ সমূহীয়া স্বাৰ্থতে প্ৰতিবাদ আৰু প্ৰতিৰোধ বাঞ্চনীয় বুলি ভাবিবলৈ শিকে।



# টুকুৰা চিন্তা ডুখৰীয়া ছবি

প্ৰদীপ মহন্ত

## এক

অলপতে দক্ষিণ ভাৰতৰ কেইডোখৰমান ঠাইলৈ গৈছিলোঁ। তাত লাভ কৰা অভিজ্ঞতা আৰু মনত উদ্ৰেক হোৱা চিন্তাই এইখিনি লিখিবলৈ উদগালে। মাদ্ৰাজ, পণ্ডিচেৰি, ভেলোৰ আদি যি ঠাইলৈকে গৈছোঁ, তাতে চিনাকি বা নতুনকৈ চিনাকি হোৱা মানুহৰ কিছু প্ৰশ্নত বিব্ৰতবোধ কৰিছিলোঁ। মাদ্ৰাজ বিশ্ববিদ্যালয়ত লগ পোৱা এদল ছাত্ৰ-ছাত্ৰীয়ে সুধিলে প্ৰফুল্ল-ভৃগুৰ মনোমালিন্যৰ কথা। মোৰ উত্তৰত তেওঁলোক আশ্বস্ত হ'লনে নাই নাজানো, কিন্তু অসমৰ বাতৰি-কাকত গৰম কৰি তোলা আৰু অসমৰ সকলোমানুহকে দুখ দিয়া এনেবোৰ খবৰ গৈ দক্ষিণ ভাৰতৰ ৰাইজৰ কাণতো পৰিছেগৈ, তেওঁলোকেও এনেবোৰ খবৰত দুখ অনুভৱ কৰিছে। উতকামণ্ডৰ বোটানিকেল গাৰ্ডেনত লগ পোৱা অন্ধ্ৰপ্ৰদেশ কৃষি বিশ্ববিদ্যালয়ৰ এদল ছাত্ৰই সুধিলে— গণপৰিষদ চৰকাৰৰ কাম-কাজ আৰু চৰিত্ৰ সম্পৰ্কে। তাৰে দুজনমানে কলে যে গণপৰিষদ চৰকাৰৰ মাজতো দুৰ্নীতি আৰু দলাদলি ব্যাপ্ত হোৱা বুলি শুনি তেওঁলোক অত্যন্ত হতাশ হৈছে। কাৰণ কলেজ-বিশ্ববিদ্যালয়ৰ পৰা আদৰ্শবাদলৈ পোনে-পোনে শাসনত বহা আদৰ্শবাদী যুৱছাত্ৰ এই চৰকাৰখনৰ কথা ভাবি তেওঁলোকে আশা কৰিছিল যে অসমৰ যুৱ নেতৃত্বই নিষ্ঠা আৰু সততাৰে সমগ্ৰ দেশৰ ৰাজনীতিতে এক নতুন চেতনাৰ সঞ্চাৰ কৰিব। কিন্তু তেওঁলোকে শুনি দুখ অনুভৱ কৰিছে যে—আনকি মন্ত্ৰী পৰ্যায়তো দুৰ্নীতিৰ প্ৰবেশ ঘটিছে। তেওঁলোকৰ আন্তৰিক সদিচ্ছাত এফালে যেনেকৈ মুগ্ধ হৈছিলোঁ, আনফালে তেনেকৈ অভিযোগ আৰু আশাভংগত বিব্ৰতবোধ কৰিছিলোঁ।

ৰেলত, বাছত, ফুৰিবলৈ যোৱা ঠাইবোৰত যতেই কোনো সহযাত্ৰী বা সেইঠাইৰ মানুহে জানিছে যে আমি অসমীয়া মানুহ, ততেই প্ৰায় একে প্ৰশ্নৰে সন্মুখীন হৈছোঁ— How is AGP Govt. functioning? Is it clean and honest? উতকামণ্ডত লগ পালোঁ ইণ্ডিয়ান এক্সপ্ৰেছৰ এজন সাংবাদিকক। অসমলৈ তেওঁ আহিছে। কোনো কোনো মন্ত্ৰীৰ সৌজন্যৰ অভাৱত কষ্ট হৈছে। তেওঁৰ দুটা প্ৰধান অভিযোগ হ'ল—বিশ্ববিদ্যালয়ৰ শিক্ষাৰে শিক্ষিত হৈও সৰহভাগ মন্ত্ৰী বিধায়কে ইংৰাজী বা হিন্দী কোনোটো ভাষাতে ভালকৈ কথা ক'ব নাজানে। বয়স আৰু অভিজ্ঞতাৰে তৰুণ হৈও এই চৰকাৰখনে এটা নতুন social and political culture সৃষ্টি কৰাত ব্যৰ্থ হৈছে। দ্বিতীয় অভিযোগটোৱে মোক বেছিকৈ স্পৰ্শ কৰিলে। কাৰণ এই কথাটোৱে বহুদিন ধৰি মোৰ মনত (হয়তো অসমৰ প্ৰতিজন সচেতন নাগৰিকৰ মনতে) ক্ৰিয়া কৰি আছে। সঁচাকৈয়ে অসমীয়া ৰাইজৰ মানসপুত্ৰ এই গণপৰিষদ চৰকাৰখনৰ চৰম ব্যৰ্থতা এইখিনিতে বুলি অনুভৱ কৰিছোঁ। যিকোনো কাৰণতে নহওক, গণপৰিষদ চৰকাৰৰ কামৰ বা কৃতিত্বৰ তালিকাখন দীঘল নহলেও বৰ আপত্তিৰ বা দুখৰ কাৰণ নাছিল। কাৰণ তিনি চাৰি দশকৰ স্তুপীকৃত সমস্যা দূৰ কৰি এবছৰতে এখন সুন্দৰ অসম গঢ়ি তুলিবলৈ নতুন চৰকাৰখনৰ হাতত যাদু-কাঠী নাই। এই কথাটো চৰকাৰতকৈ হয়তো ৰাইজে বেছিকৈহে বুজে। কিন্তু পৰিচালনাৰ ক্ষেত্ৰত, ৰাজহুৱা আৰু ব্যক্তিগত চালচলনৰ ক্ষেত্ৰত তাৰুণ্যৰে দীপ্তিমান অসমৰ মন্ত্ৰী-বিধায়কসকলে এক সদাচাৰী, অনাড়ম্বৰ, সৰল জীৱন যাত্ৰাৰে, এক আদৰ্শ গঢ়াৰ দৃষ্টিভংগীৰে, সমূহীয়া নেতৃত্বৰে এক নতুন কালচাৰ, এক নতুন মূল্যবোধ গঢ় দিব পৰা নাই বা সেই দিশৰ প্ৰতি ধাবিত হোৱাৰ পৰিচয়ো দিব পৰা নাই। ভ্ৰমণ, উদ্বোধন আধাৰশিলা স্থাপন, মুখ্য অতিথি, বিশিষ্ট অতিথিৰ আসন, শ্লিপত বিভাগীয় মূৰব্বী বিষয়ালৈ চাকৰিত নিজৰ প্ৰাৰ্থী মকৰলৰ বাবে অনুমোদন, illegal gratification প্ৰভৃতি সকলো তথাকথিত ৰাজনৈতিক নেতাৰ ক্ৰিয়াকাণ্ডই এই মন্ত্ৰীসকলৰ দৈনন্দিন জীৱনৰ ৰুটিনত প্ৰবেশ কৰিছে। (সেই সিদিনা এজন মন্ত্ৰীয়ে তেওঁৰ কোনো এজন প্ৰাৰ্থীক জুনিয়ৰ ইঞ্জিনিয়াৰ পদ নিযুক্তি দিবলৈ দি পঠোৱা শ্লিপ বিভাগীয় মুখিয়ালজনে গ্ৰহণ নকৰাৰ কাৰণে টেলিফোনত মুখিয়ালজনক কদৰ্থনা কৰা, সচিবালয়ৰ সহকাৰী পদবীৰ বাবে দিয়া মন্ত্ৰী-বিধায়কৰ শ্লিপৰ সংখ্যা পদবীৰ সংখ্যাতকৈ ওপৰলৈ উঠা প্ৰভৃতি ঘটনা এনে ক্ৰিয়া-কাণ্ডৰ উদাহৰণ।) ৰাইজে বিচৰাৰ অজুহাতত একো একোটা নিত্য-নৈমিত্তিক অনুষ্ঠানত দুজন-তিনিজনকৈ মন্ত্ৰী উপস্থিত থকাৰ খবৰ পৰিলে মনত ভাব হয়—ইমান সময় আৰু ৰাজহুৱা অৰ্থব্যয়ৰ স্পৰ্ধা (audacity) এইসকল ৰাজহুৱা নেতাই ক'ৰপৰা পালে? অসমত বিভিন্ন দিশত ভালেমান গুণী মানী ব্যক্তি আছে। আধাৰশিলা স্থাপন উদ্বোধন আদিৰ কামত, বিশিষ্ট অতিথি মুখ্য অতিথিৰ আসনত বহুৱাই তেনে ব্যক্তিক সন্মানিত কৰিবলৈ আমাৰ তৰুণ তেজৰ মন্ত্ৰীসকলে ৰাইজক সুবুজায় কেলৈ? বা, ৰাইজেও তেনেদৰে নাভাবে কেলৈ? মন্ত্ৰীসকলেও নীতি হিচাপে তেনেবোৰ অনুষ্ঠানলৈ নাযাবলৈ ঠিক কৰি নলয় কিয়? মন্ত্ৰী হলেই সাহিত্যৰপৰা বাণিজ্য, বিজ্ঞানলৈ সকলো বিষয়ত ৰাইজক উপদেশ দিব পৰা অৰ্হতা লাভ কৰিব পাৰি বুলি ভবাতকৈ আমাৰ মন্ত্ৰীসকলে বিভিন্ন বিষয়ত অধ্যয়ন আৰু চিন্তা কৰিবলৈকে শিককচোন; বিজ্ঞজনৰ পৰামৰ্শ

গ্ৰহণ কৰাৰ মানসিকতা এটা গঢ়কচোন।

## দুই

দক্ষিণ ভাৰতলৈ গলে সহজে চকুতপৰা এটা দৃশ্য হ'ল খৰাং বতৰ আৰু ৰৌদ্ৰপীড়িত শুকান বিস্তীৰ্ণ অঞ্চল। প্ৰকৃতিৰ সেই অভিশাপৰ মাজতো মন জুৰোৱা দৃশ্য হ'ল কৃষক বন্ধুৰাৰ পুৰুষাৰ্থৰে ঠায়ে ঠায়ে গঢ় লোৱা সেউজীয়া শস্যৰ পয়োভৰ। চৰকাৰ, স্বেচ্ছাসেৱী সংস্থা, কৃষক ৰাইজ আদিৰ সমূহীয়া প্ৰচেষ্টাৰে গভীৰ নাদ বা নানাৰকম প্ৰচেষ্টাৰে পথাৰত পানীৰ ব্যৱস্থা কৰা হৈছে। জলসিঞ্চন বিভাগবোৰে হয়তো কামৰ কাম কৰিছে। সেইবোৰ দেখি-শুনি এনে ভাব হয়— আমাৰ জলসিঞ্চন বিভাগটোৱেনো বাৰু কি কাম কৰে। অসংখ্য অভিযন্তা, কোটি কোটি টকা বছৰি খৰচ, কাগজে-কলমে, ৰেডিঅ'ত অসমৰ ইমান লাখ হেক্টৰ মাটিত জলসিঞ্চন কৰা হৈছে ধ্বনিৰ কোব। অথচ পথাৰৰ মাজে-মাজে জলসিঞ্চনৰ সৰু-বৰ খালবোৰত বাৰিষা সকলোতে পানী থকা সময়ত পানী থাকে, বাকী মাহবোৰত সেইবোৰ শুকান। বানপানীয়ে, বৰষুণে ঢৌৱাই থকা সময়ত পানী দিবলৈকে এই খালবোৰ নেকি? পঞ্জাব-হাৰিয়ানাৰ কৃষি বিশ্ববিদ্যালয় কেইখনৰ গৱেষণা কিৰিষণাই সেই কেইখন ৰাজ্যৰ ৰূপেই সলাই দিলে। কিন্তু অসমত কৃষি বিশ্ববিদ্যালয়, কৃষি আৰু জলসিঞ্চন বিভাগ, ৰাজ্যিক বিদ্যুৎ পৰিষদ সবেও মিলি আজি অত বছৰে অসমৰ পথাৰৰ খেতিৰ চেহেৰাটো সলাবপৰা নাই। চৈখোৱাৰপৰা ধুবুৰীলৈকে ঘূৰক, খৰালি সেই শুকান নবানি, শুকান জলসিঞ্চনৰ খাল। কেতিয়াকৈ সলনি হ'ব আমাৰ এই শুকান কঙাল ৰূপ? দোষ কেৱল খেতিয়কৰহেনে?

## তিনি

মাদ্ৰাজ অঞ্চলৰপৰা মহাবলীপুৰমৰ সাগৰতীৰলৈ ৪০ কি. মিটাৰ মান হ'ব। এই ছোৱা বাটৰ সৰহ অংশই উপকূলৰ খালিৰে পোত যোৱা। কিন্তু তাকে পৰিকল্পিতভাৱে সজাইছে সুদৃশ্য গছগছনিৰে। ঠিক সেইদৰে তামিলনাড়ু, কৰ্ণাটক, কেৰালাৰ পৰ্যটন স্থানবোৰ শুকান হোৱা সত্ত্বেও পৰ্যটন নিগমবোৰে সেইবোৰ আকৰ্ষণীয়ৰূপত সজোৱাৰ প্ৰয়াস কৰিছে; সকলো হৈছে। সেইবোৰ ঠাইলৈ দেশ-বিদেশৰ অসংখ্য পৰ্যটনকাৰী আহে;—ৰাজ্যকেইখনৰ অৰ্থভঁৰাললৈ ধনৰ সোঁত বয়। প্ৰকৃতিয়ে আপোন হাতেৰে ৰঙেৰে ওপচাই সজাই থৈছে কাৰণে যেনিবা সেইবোৰৰ প্ৰতি আমাৰ কাৰো দায়িত্বও নাই, ঘূৰি চাবলৈ অৱসৰো নাই। বাছ-কেইখনমানেৰে এটা পৰ্যটন বিভাগ আছে, এটা প্ৰত্নতত্ত্ব বিভাগ আছে, এটা বন বিভাগ আছে, পৰিবেশ সংৰক্ষণ বুলিও এটা বিভাগ (উপবিভাগ?) আছে। উমৈহতীয়া কাৰ্যসূচীৰে অসমৰ চুকে-কোণে থকা অজস্ৰ টুৰিষ্ট স্পটবোৰক অলপ সজাইপৰাই তোলাৰ ইচ্ছা বা আগ্ৰহ কাৰো নাই। (ৰংঘৰ তলাতলঘৰৰ সম্মুখত ইউকেলিপ্টাছ-একেছিয়া জাতীয় সামাজিক বনানীকৰণৰ ছাপ থকা গছ কেইজোপামান উঠিছে।) গুৱাহাটীতে আগিয়াঠুৰী, নৰকাসুৰ, শৰণীয়া প্ৰভৃতি কতটা পাহাৰ আছে। চৰকাৰী মাটিৰ এই পাহাৰবোৰকে গছ-গছনিৰে সুদৃশ্যৰূপত সজাব নোৱাৰিনে? কিমান চৰকাৰ আহিল গ'ল, গুৱাহাটী পৌৰ নিগমৰ কেইজন মেয়ৰ-প্ৰশাসক আহিল গ'ল, ভৰলু-শুক্ৰেশ্বৰৰ মাজত নাকৰ সোপা গুচাবৰ ব্যৱস্থা হলে কোনেও কৰিব নোৱাৰিলে। বৰ্তমান চৰকাৰেও ভৰলুৰ পৰা শুক্ৰেশ্বৰলৈ নদীৰ কাষেকাষে পদ পথ হ'ব শ্ৰীমন্ত শংকৰদেৱ উদ্যান নামফলকৰ তলৰ মুতনি-চুৰাপাতনিখন ফুলনি হ'ব বুলি সজোৰে ঘোষণা কৰিলে যদিও অৱস্থাৰ কোনো পৰিবৰ্তন ঘটা নাই। অসমীয়া জাতিৰ জনক বুলি ঘোষিত মহাপুৰুষজনৰ নামত উৎসৰ্গিত উদ্যান নামৰ ঠাইখিনিত ৰাইজে ইচ্ছামতে সৰুপানী-বৰপানী দুই যি যেনেকৈ পাৰে সন্মান জনাই আছে।

গড়কাপ্টানি বিভাগ, পৰ্যটন, বন, পুৰাতত্ত্ব, সংগ্ৰহালয়, কেন্দ্ৰীয় পুৰাতাত্ত্বিক জৰীপ, INTACHঅৰ অসম শাখা আদিয়ে যুটীয়াভাৱে কাৰ্যসূচী প্ৰস্তুত কৰি অসমৰ অসংখ্য মঠ-মন্দিৰ, দৌল-দেৱালয় আদিক পৰ্যায়ক্ৰমে সুদৃশ্যভাৱে গঢ় দিব নোৱাৰিনে? সামাজিক বনানীকৰণ আঁচনিত সৰ্বত্ৰ কেৱল একেছিয়া-ইউকেলিপ্টাছকে নলগাই নাহৰ, বকুল, আমলখি, তিতাচপাৰ দৰে আমাৰ অঞ্চলৰ শুৱনী গছবোৰো লগাব নোৱাৰিনে?

## চাৰি

তামিলনাড়ু ৰাজ্যখনত ৰাজহুৱা পৰিবহন নিগম পাঁচোটা নে ছটা। কেৱল মাদ্ৰাজ মহানগৰৰ ছিটি বাছ চলাচলৰ বাবে এটা (Pallavam); কম দূৰত্বৰ লাইন বাছ চলোৱা এটা (PATC), কইম্বাটুৰক কেন্দ্ৰ কৰি আন এটা তেনে নিগম (Cheran), দূৰদূৰণিৰ ঠাইলৈ এক্সপ্ৰেছ বাছ চলোৱা এটা (Thiruvalluvar) ইত্যাদি। খবৰ লৈ গম পালো প্ৰতিটো নিগমেই স্বয়ংক্ৰিয় একোটা লাভজনক সংস্থা। বাছবোৰৰ সময়ানুবৰ্তিতা চমকপ্ৰদ। আকস্মিক যান্ত্ৰিক বিজুতি নঘটিলে নিৰ্দিষ্ট সময় লৈ বিভিন্ন ঠাইলৈ যাব পাৰি,—ছিটি বাছ, লাইনবাছ বা এক্সপ্ৰেছ বাছ যিহওতেই হওক। এইবোৰৰ লগতে দক্ষিণ ভাৰতৰ প্ৰায় সকলো ঠাইলৈ সহজে যাব পৰাকৈ সাধাৰণ আৰু দ্ৰুতগতিৰ ৰেলসেৱা আছেই। বাংগালোৰ মহিশূৰৰ ৩/৪ ঘণ্টাৰ দূৰত্বক সামৰি চলা ৰেল গাড়ীয়েই চাৰিখন; মাদ্ৰাজ-কইম্বাটুৰৰ মাজত অহা-যোৱা কৰা ৰেল ৩খন, মাদ্ৰাজ-মাদুৰাইৰ মাজত তিনিখন; দূৰ দূৰণিৰ অন্যান্য সেৱাৰ কথা বাদেই। অথচ অসমৰ ডিব্ৰুগড়-গুৱাহাটীৰ মাজত অহা-যোৱা কৰিবলৈ নিজাকৈ এখন দ্ৰুতৰেল গাড়ী নাই। গুৱাহাটী হাওড়াৰ মাজত এখনেই ৰেলগাড়ী। অসমৰ একমাত্ৰ ৰাজহুৱা পৰিবহন নিগমটোক এটা প্ৰকাণ্ড ফুটা কলহ বুলি কোৱা হয়। অনিয়ম, দুৰ্নীতি আৰু ৰাজনৈতিক টনা-আঁজোৰাৰ ফলত যোগ্যতা, নিয়মানুবৰ্তিতা বোলা কথাবোৰ এই নিগমৰপৰা অন্তৰ্হিত হৈছে। সবল, সুস্থ কৰ্মক্ষম পৰিচালনাৰে অকল গুৱাহাটীতে এক লাভজনক ৰাজহুৱা পৰিবহন সংস্থা গঢ়ি তুলিব পৰাৰ সম্ভাৱনা আছে। ৰাজ্যখনত পৰিবহন সেৱাটো নিকা আৰু কৰ্মক্ষম পৰিচালনাৰে কিয় এক সবল লাভজনক সংস্থাৰূপে গঢ়ি তুলিব নোৱাৰি, এইটো এক অতি দুৰ্বোধ্য বিষয়। পৰিবহন মন্ত্ৰীয়ে মিনিবাছ, মাৰুতি টেক্সি সেৱা প্ৰভৃতিৰ কথা শুনোৱাতকৈ পৰিবহন নিগমটোক নিকা এক লাভজনক সংস্থাৰূপে গঢ়াৰ চেলেঞ্জকে যদি ললেহেঁতেন! ডিব্ৰুগড়—গুৱাহাটীৰ মাজত এক সুকীয়া ৰেলসেৱা প্ৰৱৰ্তনৰ বাবেও কেন্দ্ৰীয় ৰেল কৰ্তৃপক্ষৰ সৈতে যোগাযোগ কৰিব পাৰে।

## পাঁচ

তামিলনাড়ুৰ তাঞ্জাভোৰত কেইবছৰমান আগতে এখন তামিল বিশ্ববিদ্যালয় প্ৰতিষ্ঠিত হৈছে তামিল ভাষা-সংস্কৃতিৰ সংৰক্ষণ-সংবৰ্ধন, গৱেষণা, পঠন-পাঠনৰ উদ্দেশ্যে। সেই বিশ্ববিদ্যালয়ৰে এক প্ৰশাখা Institute of Tribal Studies and Research গঢ় লৈ উঠিছে উতকামণ্ডত। ধৰ্ম আৰু দৰ্শনৰ অধ্যয়ন-গৱেষণাৰ অন্য এক প্ৰশাখা প্ৰতিষ্ঠিত হৈছে কাঞ্চিপুৰমত। কৰ্ণাটকৰ আগশাৰীৰ Mysore University ৰ বুকুতে Institute of Kannada Studies শীৰ্ষক এক সংস্থা আছে। তাত কন্নড় ভাষা-সংস্কৃতিৰ অধ্যয়ণ গৱেষণাৰ এক বিস্তৃত পৰিৱেশে গঢ় লৈ উঠিছে। পঞ্জাবত (অমৃতসৰত) গুৰু নানকৰ নামতে এক বিশ্ববিদ্যালয় গঢ়ি তোলা হৈছে। তাত গুৰু নানক ষ্টাডিজ শীৰ্ষক এক স্বতন্ত্ৰ বিভাগ আছে। অসমত দুয়োখন বিশ্ববিদ্যালয়ৰ এখনতো বা যৌথ প্ৰচেষ্টাৰে হলেও অসমীয়া ভাষা-সংস্কৃতিৰ অধ্যয়ন-গৱেষণাৰ বাবে এক স্বতন্ত্ৰ সংস্থা, শংকৰদেৱ তথা বৈষ্ণৱ সংস্কৃতিৰ সামাগ্ৰক অধ্যয়নৰ অৰ্থে আৰু বাৰেৰহনীয়া জনজাতীয় ভাষা-সংস্কৃতি অধ্যয়নৰ বাবেও একোটা গৱেষণা কেন্দ্ৰ বা বিভাগ গঢ় লৈ নুঠিল। অভাৱ কেৱল অৰ্থৰহেনে? অসম সাহিত্য সভাৰ অসম তত্ত্ব আৰু গৱেষণা সংস্থাৰ প্ৰকল্পটোও কল্পলোকৰ বস্তু হৈয়েই আছে।

এক অভুতপূৰ্ব জনজাগৰণৰ ঔৰসত অসমৰ জনসাধাৰণৰ মানস সন্তান ৰূপে জন্ম লোৱা গণ পৰিষদ দলৰ চৰকাৰটোৱে আন্তৰিকতাৰে যদি এনেবোৰ কথাত মনোনিবেশ কৰি পৰ্যায়ক্ৰমে আগবাঢ়িলেহেঁতেন!

---

১৯ পৃষ্ঠাৰ পিছৰ পৰা

গাড়ীৰ উদ্যোগকো চুইছে। বৰ্তমানৰ প্ৰায় সকলো মটৰগাড়ীতে মাইক্ৰ'-প্ৰচেছৰৰ প্ৰয়োগে ইঞ্জিনৰ সক্ষমতা শতকৰা প্ৰায় ২০/৩০ ভাগ বৃদ্ধি কৰিছে। ৭০।৮০ৰ দশকৰ মটৰগাড়ীবিলাকৰ মুখ্য অসুবিধা আছিল সঠিক সময়ত ইন্ধনৰ প্ৰজ্বলন। (spark ignition: সাধাৰণতে পেট্ৰল ইঞ্জিনত এক নিৰ্দিষ্ট সময়ৰ মূৰে মূৰে এক বিশেষ প্ৰক্ৰিয়াৰ সহায়ত স্ফুলিংগৰ দ্বাৰা ইন্ধন জ্বলোৱা হয়।) সঠিক সময়ত স্ফুলিংগৰ সৃষ্টি নোহোৱা বাবে অযথা বহুত ইন্ধনৰ অপচয় ঘটিছিল আৰু প্ৰত্যক্ষভাৱে ই ইঞ্জিনৰ সক্ষমতা হ্ৰাস কৰিছিল। মাইক্ৰ'-প্ৰচেছৰ প্ৰয়োগে সঠিক সময়ত ইন্ধনৰ প্ৰজ্বলন কাৰ্যত সহায় কৰে। কম্পিউটাৰৰ প্ৰয়োগেও মটৰ গাড়ীৰ ক্ষেত্ৰত এক নতুন দিশ মুকলি কৰিছে। computerised graphic আৰু computerised compass পদ্ধতিয়ে চালকজনক সঠিক দিশ নিৰ্ণয়ত সহায় কৰিব। ইয়াৰ উপৰিও নিৰাপত্তা পৰামৰ্শদাতা"ই (safety adviser) চালকজনৰ ব্যৱহাৰ তথা শাৰীৰিক অৱস্থাৰ সূক্ষ্ম বিশ্লেষণ কৰি চালকজনক বিপদৰ আগজাননী জনাই দিয়াত সহায় কৰিব।

আন এক চিন্তাজনক সমস্যা হ'ল মটৰ গাড়ীৰ দুৰ্ঘটনা। গৱেষকসকলে ঠিৰাং কৰিছে যে বৰ্তমানৰ মটৰ দুৰ্ঘটনাৰ প্ৰায় ২০ শতাংশ প্ৰতিৰক্ষা বে'ল্ট ব্যৱহাৰ কৰি প্ৰতিৰোধ কৰিব পাৰি। প্ৰাণহানি অথবা গুৰুতৰ আঘাতৰ সংখ্যাও হ্ৰাস পাব বুলি বিশেষজ্ঞসকলে মত প্ৰকাশ কৰিছে। আন এক বিতৰ্কজনক পদ্ধতি হ'ল এয়াৰ বেগ পদ্ধতি। দুৰ্ঘটনাৰ সময়ত এই বেগে আৰামদায়ক কুছনলৈ ৰূপান্তৰিত হৈ চালকজনক ৰক্ষা কৰিব বুলি আশা কৰা হৈছে। অৱশ্যে এই পদ্ধতি বিতৰ্কজনক বুলি এইবাবেই কোৱা হৈছে যে প্ৰয়োজনীয় সময়ত যদি বেগটো ফুলি নুঠে, তেতিয়াহ'লে চালকজনক ৰক্ষা কৰিবলৈ আন কোনো প্ৰতিৰোধকাৰী পদ্ধতি নাথাকিব। তদুপৰি এই বেগ কেতিয়াবা অকস্মাত "মুক্ত" হৈ গলে অযথা দুৰ্ঘটনা ঘটিব। ভৱিষ্যতে অধিক বিজ্ঞানসন্মত তথা সুবিধাজনক প্ৰতিৰোধকাৰী পদ্ধতিৰ যে উদ্ভাৱন হ'ব, সেয়া গৱেষকসকলৰ অধ্যৱসায়ৰ পৰাই নিৰ্ণয় কৰিব পাৰি।

যি কি নহওক, এইন্ ছপুৰৰ পৰা বৰ্তমানলৈকে এই অবিশ্বাস্য প্ৰগতিলৈ লক্ষ্য কৰিলে ভৱিষ্যতে বিজ্ঞানভিত্তিক কাহিনীত বৰ্ণিত মাধ্যাকৰ্ষণ প্ৰতিৰোধকাৰী প্ৰচণ্ড গতিত শূন্যতে ঘূৰা-পকা কৰা গাড়ীবিলাকো আমাৰ চহৰবিলাকত দেখা যাব বুলি ধাৰণা কৰিব পাৰি।

পুলক লাহিড়ীৰ

**ক্ৰিকেটৰ সঁথৰ**

মূল্য—১০ টকা

এলবিএছ পাব্লিকেশ্যন

আমবাৰী : গুৱাহাটী-৭৮১০০১





OKDISCD

# আলাপ্তু

সুধীৰ চন্দ্ৰ বৰুৱা

জ্ঞানদাভিৰাম বৰুৱা: গুৱাহাটীৰ ল কলেজৰ অধ্যক্ষ আছিল। অসাধাৰণ ব্যক্তিত্বসম্পন্ন মানুহ আছিল। এখেতৰ লগ আছিল গোবিন্দ শৰ্মা বুলি এজন মানুহ। জ্ঞানদাভিৰাম বৰুৱা শৰ্মাৰ লগত ফুৰিছিল যাইকৈ এটা কাৰণত। শৰ্মাৰ শ্যেক্সপিয়েৰৰ নাটকবোৰৰ ভালেমান অংশমুখস্থ আছিল। জে. বৰুৱাই ইংগিত দিলেই শৰ্মাই হেমলেট, ৰ'মিঅ'-জুলিয়েট আদিৰ পৰা ফৰমাছ মতে আওৰায় যায়। জে. বৰুৱাই সদায় প্ৰাতঃ ভ্ৰমণ কৰিছিল। বাটত সকলোকে ভল ভলাই মাত লগাই যায়। এবাৰ কটন কলেজৰ স্বৰস্বতী পুজাৰ উপলক্ষে হোৱা শিল্প প্ৰতিযোগিতাৰ ছেক্ৰেটেৰী আছিলো। জে. বৰুৱাক পুৰস্কাৰ বিতৰণ কৰিবলৈ মাতি আনিলো। তেখেতে প্ৰত্যেকজনকে পুৰস্কাৰটো দি তেওঁৰ বিষয়টো আৰু পুৰস্কাৰটোৰ লগত তৎক্ষণাত এটা সম্পৰ্ক উদ্ভাৱন কৰি অতি সুন্দৰ ভাষাত এশাৰী কথা কৈ পুৰস্কাৰ পোৱা জনক উদগনি দিছিল। কোনো বাদ নপৰিল। এতিয়া গোটেইবোৰ মনত নাই। কিন্তু তেখেতৰ এই প্ৰত্যুৎপন্নমতি আৰু অসমীয়া ভাষাৰ ওপৰত দখলে আমাক তবধ মনাইছিল। অলপ অলপ মনত আছে, হুবহু নহলেও প্ৰায় তলত দিয়া দৰেঃ এজন শিল্পী ছাত্ৰই মেডোনাৰ মাতৃমূৰ্তি এটি সাজি বঁটা পাইছিল। বঁটাটো আছিল এটা আতৰদানী। জে. বৰুৱাই পুৰস্কাৰটো আৰু বিষয়টো (যিবিলাক ছবি, মূৰ্তি আদিৰ বাবে পুৰস্কাৰ দিয়া হৈছিল, সেইবিলাক লগে লগে প্ৰদৰ্শন কৰা হৈছিল।) তত্ৰালিকে নিৰীক্ষণ কৰি ক'লে, "হোৱা, এইটো আতৰদানী। আতৰৰ সৌৰভ যেনেকৈ আৰবৰ মৰুভূমিত মলমলায়, তোমাৰ এই মাতৃ মূৰ্তিৰপৰা ওলোৱা মাতৃ-চেনেহৰ সুগন্ধয়ো যেন সেইদৰে মৰম-আকলুৱা মনবোৰত জুৰ পেলায়।"

জৱহাৰলাল নেহেৰুৱে গুৱাহাটীৰ কটন কলেজত ভাষণ দিয়া সভাখনত জে. বৰুৱাইয়ো ইংৰাজীতে নেহেৰুক ওলগ জনাইছিল। গলগলীয়া মাতেৰে শুদ্ধ উচ্চাৰণেৰে ওজস্বী ভাষাত কথাখিনি কোৱাৰ পাছত নেহেৰুৱে অলপ তবধ মানি সোধা মনত আছেঃ "এখেত নো কোন?"

**ৰাধাগোবিন্দ বৰুৱা**

মোৰ সৌভাগ্য— তেখেতৰ সান্নিধ্যলৈ আহিছিলো— দৈনিক 'আছাম ট্ৰিবিউনৰ' চালুকীয়া অৱস্থাতে ছাব-এডিটৰ ৰূপে কাম কৰাৰ সময়ত। পাছত আকৌ লগ পাইছিলোঁ অসম সংগীত সন্মিলনৰ কাৰ্যকৰী সমিতিৰ সভ্য হিচাপে। তেখেত তাৰ সভাপতি আছিল।

সেই সময়ত আমি তিনিজন অসমীয়া ছাব এডিটৰ আছিলো;— শ্ৰীজগন্নাথ ঠাকুৰ, যোগেন্দ্ৰ নাথ চৌধুৰী, আৰু মই। এজন সহকাৰী সম্পাদক আছিল,—আনন্দেশ্বৰ শৰ্মা। নিউজ এডিটৰ তিনিজন বাঙালী অভিজ্ঞ সাংবাদিক আছিল। এওঁলোকৰ নাম ভালকৈ মনত নাই। এজনৰ নাম ৰায়চৌধুৰী আছিল বুলি মনত পৰে। যাই সম্পাদক আছিল লক্ষ্মীনাথ ফুকন। তেখেত মোৰ সম্পৰ্কীয় ভিনদেউ আছিল। কিছুদিন তেখেতৰ দীঘলী পুখুৰীৰ ওচৰৰ ঘৰটোতে আছিলো।

মই প্ৰথমে কামত সোমাই প্ৰুফ ৰিডিঙৰ অভ্যাস কৰিছিলো। কলিং বেলটো মাৰিলো। পিছফালে পিয়নজন আহি থিয় হোৱা যেন অনুমান কৰি ক'লো, "হোৱা, এইখন হ'ল, নিয়া।" উত্তৰ আহিল গলগলীয়া মাতেৰে,— "দিয়া বাৰু"। উচপ খাই পিছফালে মুখ ঘূৰাই দেখো স্বয়ং মালিক— বৰুৱা, হাঁহি এটা মাৰি কলে, "তোমালোকৰ লগতে ময়ো একেবাৰে তলৰপৰা সকলো কাম শিকিছো।"

এদিন সম্পাদকৰ কোঠাত হুলস্থূল। ৰায় চৌধুৰীয়ে (?) সম্পাদক ফুকনক জেৰা কৰিছে। কথা হ'ল সেই সময়ত (১৯৪৬) বেলুচিস্থানৰ 'মুছলিম লিগ'ৰ তৰফৰপৰা কেইজনমান ধৰ্মীয় নেতাই (চালজাৰ বুলিছিল হ'বলা) আহি নগাঁৱত মুছলিম সম্প্ৰদায়ৰ লোকৰ মাজত অলপ উত্তেজনা মূলক বক্তৃতা দি ফুৰিছিল। আমাৰ ৰিপ'টাৰে ফুকনৰ নিৰ্দেশমতে নিৰপেক্ষভাৱে হুবহু বক্তৃতাৰ উদ্ধৃতি দিছিল আৰু ফুকনেও সেইদৰে আছাম ট্ৰিবিউনত প্ৰকাশ কৰিছিল। ৰায়চৌধুৰী আছিল উগ্ৰ হিন্দু। তেওঁ সম্পাদকক প্ৰশ্ন কৰিছিল আমাৰ কাকতৰ নীতি (policy) কি? ফুকনে ধৈৰ্য ধৰি যথাযথ উত্তৰ দিলে। তাৰ পাছতো ৰায় চৌধুৰীয়ে সন্তুষ্ট নহৈ অলপ টানকৈ কোৱাত ফুকনৰ মুখখন পকা বিলাহী-বেঙেনাৰ নিচিনা হ'ল। ময়ো উঠি গৈ সেইখিনি পালো। খঙত ফুকনৰ মুখৰপৰা ভালকৈ কথা নুফুটা হ'ল। ৰায় চৌধুৰীয়ে কথা বিষম দেখি উচাট মাৰি আহি কাম ইস্তফাৰ কাগজ এখন পঠাই কাপোৰ-কানি সামৰি যাবলৈ ওলাল। ইতিমধ্যে ৰাধাগোবিন্দ বৰুৱাক কথাটো জনোৱা হ'ল। তেখেতে লৰালৰিকৈ ছুটকেছ এটাত কাপোৰ-কানি দুটামান ভৰাই লৈ ৰায়চৌধুৰীক কলে, "মই এইমাত্ৰ জৰুৰী কাম এটাত দিল্লীলৈ যাব লাগে। ঘূৰি আহি আপোনাৰ ইস্তফা পত্ৰৰ বিচাৰ কৰি, হিচাপ-নিকাচ কৰিম। এই কেইদিন, আপোনাৰ ছুটি।" আচলতে তেওঁ ডিব্ৰুগড়লৈ গ'ল। ভাবিলে,— 'দিন পালে খেন, খেন পালে অজৰ-অমৰ। কথা সেয়ে হ'লগৈ। সকলো শাম কাটিলে। এইদৰে তেখেতে উপস্থিত বুদ্ধিৰে আৰু প্ৰচণ্ড ব্যক্তিত্বৰ প্ৰভাৱেৰে অনেক বিপৰ্যয়ৰ পৰা উদ্ধাৰ পাইছিল।



সংগীত সন্মিলনতো তেখেতে নানা আহুকলীয়া পৰিস্থিতিত পৰি অকণো বিচলিত নহৈ শান্ত-সৌম্য মূৰ্তিৰে সকলোকে মিঠামুখে অকাট্য যুক্তিৰে সন্তুষ্ট কৰিছিল। এবাৰ প্ৰেছৰ ফৰমেন (এজন খাছি ডেকা) আৰু লিন'টাইপিষ্ট সুধীৰ বাবুৰ তয়াময়া ৰণ। বৰুৱাক খবৰ দিয়া হ'ল। প্ৰথমে তেখেতে ফ'ৰমেনজনক মোৰ মেজলৈ মাতি আনি বুজালে যে ফ'ৰমেন সকলোৰে ওপৰত। সুধীৰ বাবুও ফ'ৰমেনৰ তলৰ কৰ্মচাৰীহে। (সুধীৰ বাবুৱে দৰমহা অৱশ্যে বেছি পাইছিল)। গতিকে নিজৰ সন্মান ৰাখি দন-হাইৰ পৰা আঁতৰি থাকিব লাগে। ইয়াৰ পাছত সুধীৰ বাবুক বেলেগে মাতি আনি কলে "তুমি বেছি শিক্ষিত আৰু এজন টেক্‌নিছিয়ান। গতিকে নিজৰ সন্মান ৰাখি চলিবা। সাধাৰণ কৰ্মচাৰীৰ দৰে দন-হাই নকৰিবা।" দুয়ো ঠাণ্ডা হ'ল। আন এবাৰ ৰাতি দুদলৰ মাজত কাজিয়া হ'ল। হতাহতি হওঁ হওঁ। বৰুৱাদেৱে খবৰ পাই লৰি আহি তৎক্ষণাত কাৰোবাৰ হতুৱাই অদৰকাৰী কাগজ এদমত জুই লগাই দিয়ালে। সকলো আহি জুই নুমুৱাত লাগি গ'ল। লগে লগে ইকুৰা জুয়ো নুমাল। পাছত সকলো শান্ত হলত তেখেতে ঘটনাটো মিটমাট কৰালে। তেখেতৰ সাহসো কম নাছিল। চৰকাৰকো কেতিয়াবা চুণ্ডা চাই সোপা দিছিল। অৱশ্যে ভদ্ৰ ভাৱে। তাৰ কাৰণে তেখেতে চৰকাৰী বিজ্ঞাপনো হেৰুৱাইছিল।

মই আটাইতকৈ আচৰিত হৈছিলো তেখেতৰ উপযুক্ত কৰ্মচাৰী আৰু সস্তাত প্ৰেছৰ সৰঞ্জাম আদি যোগাৰ কৰাৰ দক্ষতাত। কেনেকৈ মানুহ চিনি পাই বিচাৰি উলিয়ায় বুজিবই নোৱাৰি। সাংবাদিক শ্ৰীনৰেশ ৰাজখোৱাই নিজেই কয় যে তেওঁৰে সৈতে যাই সম্পাদক লক্ষ্মীনাথ ফুকনৰ বৰ ৰাহি যোৱা নাহিছিল। পিছে ৰাধাগোবিন্দ বৰুৱাই ৰাজখোৱাৰ বহিমুখী (extrovert) গুণ'টোৰ সন্ধেদ পাইছিল। সেয়েহে তেওঁক বৰুৱাই শ্বিলঙত বিশিষ্ট প্ৰতিনিধি হিচাপে নিয়োগ কৰিলে আৰু তাৰ সুফলো পালে। সুধীৰবাবু লিন'টাইপিষ্ট, কিন্তু তেওঁ ইংৰাজী বৰ ভাল জানিছিল। ইংৰাজী ভাষা বুলিলে মই লক্ষ্মীনাথ ফুকনক কেতিয়াও পাহৰিব নোৱাৰোঁ। তেখেতে যদিও বিশ্ববিদ্যালয়ৰ দুৱাৰডলিহে মাত্ৰ পাৰ হৈছিল, তথাপি ইংৰাজী ভালকৈ জানিছিল। আমাক ফুলষ্টপ কমা, ছেমিক'লন আৰু 'The' 'a' এইবোৰ article অৰ যথাৰ্থ প্ৰয়োগবোৰ অতি সুক্ষ্ম উদাহৰণেৰে বুজাই দিছিল। যাহওক, ৰাধাগোবিন্দ বৰুৱাই ডিব্ৰুগড়ৰপৰা লগত আনিছিল কুঞ্জলাল থাপা আৰু নব বৰঠাকুৰক। এনেকুৱা কৰ্মনিষ্ঠা আৰু দক্ষতা থকা মানুহ কদাচিতহে লগপোৱা যায়। এবাৰ দেখিলো— বৰুৱাই দিল্লীনে কৰপৰা আনি এটা আওপুৰণি 'ছেমি ৰ'টাৰি প্ৰেছ বহুৱালে। লগতে আনিলে লুঙি পিন্ধা অশিক্ষিত মানুহ এজন। সকলোকে অবাক কৰি সেইজন মেকানিকেই প্ৰেছটো চলাই দিলে। সেইটো প্ৰেছ বহুত দিনলৈকে আছিল।

বৰুৱাই আমাক কামৰ অনুপ্ৰেৰণা যোগাইছিল। দৰ্মহাৰে নহয়, আদৰ্শৰ বাণীৰে। সেয়েহে আমি তিনিজনে ১৯ ঘণ্টা ২০ ঘণ্টা পৰ্যন্ত দিনৰ পাছত দিনকৈ খাটি গৈছিলো। বাঙালী সম্পাদক কিজন যাবলৈ বাট চাই থাকোঁ। ফটাকাগজ পেলোৱা খৰাহীৰপৰা তেওঁলোকে পেলাই দিয়া কাকতবোৰ তুলি আনি পিছদিনাৰ খবৰ কাগজৰ লগত মিলাই চাওঁ। তেওঁলোকেও টিপাটো এৰি নিদিয়ে। ৰাধাগোবিন্দ বৰুৱাৰ ইংগিতত মই সেইটো কৰি পাছত আমি তিনিও বাঙালীকিজন নোহোৱাকৈ ট্ৰিবিউন উলিয়াব পৰা হলো। তাকো সেই প্ৰথমদিনা এজনক (বানৰ্জিক?) তেজপুৰলৈ কিবা খেলৰ ৰিপ'টাৰ হিচাপে পঠাইহে। বৰুৱাই আমাক কৈছিল যে এইদৰে বুদ্ধি কৰি নিশিকিলে কেনেকৈ আমি নিজৰ ওপৰত নিৰ্ভৰ কৰিম? এবাৰ মই ঘৰুৱা কাৰণত কাম এৰিবলৈ ঠিক কৰিলো। আগতেও কেইবাৰো চেষ্টা কৰিছিলো। কিন্তু ফুকনে মানা কৰাত ৰৈ গৈছিলো। এইবাৰ খাটাংকৈ ওলাই ছুটকেছ লৈ ৰিক্সাত উঠিলো। গে'টৰ ওচৰত ৰাধাগোবিন্দ বৰুৱাক পালো। মাত লগাবলৈ বুলি ৰিক্সাৰপৰা নামিলো। তেখেতে ক'লে, "যোৱা, তোমাৰ ভৱিষ্যত ভালেই হ'ব। মোৰো বিশেষ একো হানি নহয়। আকৌ ডিব্ৰুগড়লৈ গৈ আগৰ দৰেই চলিম। তোমালোক যদি এজন এজনকৈ এইদৰে যোৱা, তেন্তে কেৱল অসমে এখন ইংৰাজী দৈনিক হেৰুৱাব।" তেখেতে কথাষাৰ এনে আন্তৰিকতাৰে কৈছিল যে মই ৰিক্সাৰপৰা ছুটকেছ নমাই, নিজৰ কোঠাত থৈ কামকৰা মেজত বহিলোগৈ! মই যিমান দিন তেখেতক পালো, কেতিয়াও কাহানিও কাকো টান কথা কোৱা নুশুনিলো। অথচ তেখেতক নমনা মানুহ নাছিল।

ভুবন চন্দ্ৰ গগৈ: এখেতৰ দেউতাক আছিল ফটিক চন্দ্ৰ গগৈ। তেখেত বৰ ওখ আছিল। তেখেতে একেবাৰে পোনহৈ খোজ কাঢ়িছিল। গংগা গোবিন্দ ফুকনক অলপ অলপ দেখা মনত আছে। ফটিক গগৈ আৰু গংগা গোবিন্দ ফুকনৰ অবয়ব প্ৰায় একে সাজৰ। ভুবন গগৈ বৰ গোমোঠামুৱা মানুহ আছিল। আমি তেখেতৰ লগত কথা পাতিবলৈ সাহ গোটাব নোৱাৰিলো। তেখেতে খুব কম কথা কৈছিল। কেৱল কামৰ মানুহ আছিল। আজি তেখেতক সোঁৱৰাৰ এটা উদ্দেশ্য আছে। অতি দুখলগা কথা যে সেই তাহানিতে যেতিয়া মহাত্মাই ভাৰতৰ জনতাক স্বাৱলম্বী হ'বলৈ উদগাইছিল, গগৈদেৱে তেতিয়াই কাৰিকৰী শিক্ষাৰ কাৰণে শিৱসাগৰত এটা পলিটেকনিকেল স্কুল স্থাপন কৰি নিজে অশেষ ত্যাগ স্বীকাৰ কৰি তাৰ বোধহয় অবৈতনিক অধ্যক্ষ হৈ আছিল। ধাৰ ধুৰ কৰি খুজি-মাগি ঘৰটো সাজি কমাৰশাল, কাঠমিস্ত্ৰিৰ সঁজুলি আৰু অনেক কিবাকিবি গোটাইছিল। কিন্তু দেশ স্বাধীন হ'ল, থলুৱা চৰকাৰ



OKDISCD

গাদীত বহিল, তথাপি ভুবন গগৈৰ সপোন বাস্তৱত পৰিণত নহল। এতিয়াও স্কুলটোৰ জৰাজীৰ্ণ অৱস্থা।

ম. আব্দুল ৰেজাক : এখেতক সোঁৱৰাৰ এটা বিশেষ কাৰণ আছে। অসমীয়া মানুহে যদিও এখেতক লৈ গৌৰৱ কৰিবৰ স্থল আছে, তথাপি মোৰ বোধেৰে এখেতক আমাৰ পঢ়ুৱৈ সমাজত তেনে স্থান দিয়া হোৱা নাই। এখেত এজন মেধাবী পুৰুষ আছিল, সাংবাদিক হিচাপে তেখেতে বম্বে ক্ৰনিকল আৰু বোধহয় কলিকাতাৰ ষ্টেটছমেন নহলে আন এখন প্ৰখ্যাত ইংৰাজী দৈনিকত সহকাৰী সম্পাদক স্বৰূপে কাম কৰিছিল। তেখেত কিছু-দিনৰ কাৰণে মহম্মদ আলি জিন্নাৰ (সম্ভৱ যেতিয়া জিন্না জাতীয় কংগ্ৰেছত আছিল) ছেক্ৰেটেৰি আছিল। দ্বিতীয় মহাযুদ্ধ চলি থকা অৱস্থাতে ভাৰতৰ স্বাধীনতাৰ বাবে খদমদম লাগে। মুছলিম লিগে অবিভক্ত ভাৰতৰ মুছল-মানসকলৰ বহুতকে প্ৰভাৱিত কৰিছিল। অসমতো ছাৰ ছাদুল্লাৰ নেতৃত্বত মুছ-লিম লিগ শক্তিশালী হৈ উঠিছিল। সেই সময়ত আব্দুল ৰেজাকে (তেওঁৰ আদি ঘৰ শিৱসাগৰত) বখতদ্দৌলা আদি কেইজনমান শিৱসাগৰৰ পুৰণি পৰিয়ালৰ নেতৃস্থানীয় মুছলমানৰ লগ লাগি জাতীয়তাবাদী মুছলিগ লিগ (National Muslim league) বুলি এটা দল গঠন কৰে। ইয়াৰ কিছু-দিনৰ পাছত এসময়ৰ পূৰ্ব বংগৰ গৱৰ্নৰ মুছলিম লিগৰ নেতা খোৱাজা নাজিমুদ্দিন শিৱসাগৰলৈ আহিছিল। পাছে বখতদৌল্লাহঁতৰ দলৰ আগত তিষ্ঠিব নোৱাৰি নাজিমুদ্দিন আৰু লগৰীয়া সকলে বিল-পথাৰ বগাই কোনো ৰকমে চাকাপাটৰ চামুমিস্ত্ৰিৰ দোকানতে আশ্ৰয় ললেহি। তাৰ পৰা তেতিয়াৰ মহকুমাধিপতি ম· চুলতানে কোনো ৰকমে নাজিমুদ্দিনক উদ্ধাৰ কৰি শিৱসাগৰৰ পৰা আতঁৰাই পঠায়।

আছাম ট্ৰিবিউন কাকত দৈনিক ইংৰাজী কৰাৰ লগে লগে ৰাধাগোবিন্দ বৰুৱাই প্ৰথমে আব্দুল ৰেজাককে৷ সম্পাদক কৰাৰ কথা ভাবিছিল। মই ব্যক্তিগতভাৱে যিমানদূৰ জানো, আমাৰ পুৰণি অসমীয়া মুছলমানসকলৰ অসমীয়া সাহিত্য, অসমীয়া সাজ-পাৰ, অলংকাৰ আদিৰ পৰম্পৰা ৰাখিবলৈ অতিশয় ধাউতি। সেয়েহে বখতদৌল্লা, ৰেজাক—এই সকলে প্ৰকৃততে জাতী-য়তাবাদী অসমীয়া মুছলিম লিগ এখন প্ৰতিষ্ঠা কৰিছিল। আমাৰ শিৱসাগৰত হিন্দু মুছলমানৰ ভেদাভেদ নাছিল। শিৱসাগৰ নাট্য মন্দিৰত সেই সময়ত দিনৌ আবেলি খবৰ কাগজ আলোচনী আদি পঢ়াৰ ব্যৱস্থা আছিল। আমি তাক ৰিডিং ক্লাব বুলিছিলো, এদিন কলেজ বন্ধত মই ৰিডিং ক্লাবৰ পৰা আহোঁতে অলপ এন্ধাৰ হ'ল। বাটত বখতদৌল্লাই দেখি খুব খেদিলে,— "গলিনে ঘৰলৈ ? পঢ়া ল'ৰা ইমান ৰাতিলৈ ৰাস্তাত ঘুৰিছ ! ব ; বাপেৰক কৈ দিম। যা : সোনকালে,"—ইত্যাদি। তেওঁলোকে আমাক নিজৰ পৰিয়ালৰ ল'ৰাৰ দৰে গণ্য কৰিছিল। ম· চুলতান মহকুমাধিপতি হৈ থাকোঁতে মোৰ দেউতাৰ যোগেদি তেখেতে মোক চিনি পাইছিল। তেখেত ছেক্ৰেটেৰি হৈ শ্বিলঙত থাকোঁতে এবাৰ মোক শ্বিলঙৰ ছেক্ৰেটেৰিয়েটৰ ওচৰত পাই বাউসীতে ধৰি ছাৰ ছাদুল্লাৰ ওচৰলৈ লৈ গ'ল—মোক এটা ভাল চাকৰি দিয়াবলৈ। চাকৰিটো আছিল মোৰেই এজন আত্মীয়ই দিব পৰা অৱস্থাত। ছাৰ ছাদুল্লাই মোক চিঠি এখনেৰে তেওঁৰ ওচৰলৈ পঠালে। পিছে মোৰ আত্মীয়জনে ঐ দেহি—বৈ দেহি গাই মোক আভুৱা ভাবিলে।

ড° কনকেশ্বৰ বৰুৱা :

এখেত ড° ভুবনেশ্বৰ বৰুৱাৰ ভাতৃ। মই স্কুলত পঢ়োতে তেখেতে শিৱসাগৰত ডাক্তৰি ব্যৱসায় কৰিছিল। মোৰ সৌভাগ্য যে তেখেতক মই সেই বয়সতে লগ পাইছিলোঁ। সেই একে সময়তে শিৱসাগৰত কেইজনমান গুণী লোকৰ সান্নিধ্যলৈ প্ৰায়েই আহিবলৈ পাইছিলোঁ। এখেতসকল হ'ল লক্ষেশ্বৰ শৰ্মা, নগেন্দ্ৰ নাৰায়ণ দাস, শ্ৰীৰতি কান্ত শৰ্মা (এইসকল এ· ছি· এছ· আছিল) আৰু নলিনী বৰকাকতী (এখেত ক'-অপাৰেটিভ ইন্সপেক্টৰ আছিল)। এখেতসকলৰ এখন নাও আছিল। বৰপুখুৰীত এই নাওখনত দিনৌ আবেলি এখেতসকল উঠে আৰু মই গুৰি ধৰো। এখেতসকলে সদায় ভাল ভাল আলোচনা কৰিছিল। মই মাত্ৰ শুনি গৈছিলো।

লক্ষেশ্বৰ শৰ্মা সাহিত্যজগতত পৰিচিত। নগেন দাসে কেইবাবাৰো ভাৰতৰ ৰাষ্ট্ৰপতি পদৰ কাৰণে নিৰ্বাচনী যুজত নামিছিল। ৰতি শৰ্মা সংস্কৃতত কলিকাতা বিশ্ববিদ্যালয়ৰ এম· এত প্ৰথম শ্ৰেণীৰ প্ৰথম। নলিনী বৰকাকতী অংকত কলিকাতা বিশ্ববিদ্যালয়ৰ বি· এছ· ছিৰ প্ৰথম শ্ৰেণীৰ প্ৰথম। তেখেত অংকত অসম্ভৱ চোকা আছিল। শুনামতে তেখেতে বিশেষ নপঢ়া-কৈয়ে কৃতিত্বৰে পাছ কৰিছিল। মই নিজে দেখিছিলো, এক লাইনত ৫টা সংখ্যাকৈ তেনেকুৱা ২০ লাইন মান যোগ অংক একোটা বাঁওফালৰপৰা বুঢ়া আঙুলিৰে চুঁচি আনি যোগ ফলটো লিখি দিছিল। এখেতসকলৰ লগত থাকি মই কেইটামান কথা লক্ষ্য কৰিছিলোঁ। কনক দদাইদেউ ডাক্তৰ, বাকী কিজন নানা বিষয়ত পণ্ডিত। অথচ তেওঁলোকৰ এটা উমৈহতীয়া দস্তুৰ আছিল : তেখেতসকলে ভাৰতীয় সংস্কৃতি, দৰ্শন, সাহিত্য আৰু সেই সময়ৰ পশ্চিমীয়া চলন্ত সাহিত্য অধ্যয়ন আৰু আলোচনা কৰিছিল। দ্বিতীয়তে, তেখেতসকল নিজ নিজ চাকৰি বা ব্যৱসায়ত আন্তৰিকভাৱে লিপ্ত আছিল। নলিনী বৰকাকতীৰ চাকৰিৰ ডায়েৰিখন মই দেখিছিলোঁ। তাত ভ্ৰমণ বানচৰ এক অনাও বেছি হ'বলৈ নিদিছিল। কনক দদাইদেৱে মোক সেই সময়ত বিশ্ববিখ্যাত কিতাপবোৰ পঢ়িবলৈ উদগনি দিছিল। এদিন তেখেতে ঢলপুৱাতে মেটেকা গাঁৱত এজন ৰোগীক

৪৫ পৃষ্ঠাত চাওক



মতান্তৰ

# জীৱন আনন্দৰ সাধনা

দেৱকান্ত সন্দিকৈ

যোৱা অক্টোবৰ মাহৰ দ্বিতীয় পষেকৰ প্ৰান্তিকত প্ৰকাশিত শ্ৰীকল্যাণ দেশমুখ্যৰ "আনন্দ উৎসৰ সন্ধানত" শীৰ্ষক ৰচনাখন মনোযোগেৰে পঢ়িলো। কিন্তু তেখেতে যিখিনি চিন্তা প্ৰকাশ কৰিলে সি মানৱ জীৱনৰ আনন্দৰ বাস্তৱ উৎসবিলাকক মুঠেই স্পৰ্শ নকৰিলে। ৰচনাখন ভাব-আশ্ৰয়ী—অধ্যাত্ম, আত্মা, পৰমাত্মা, ব্ৰহ্ম, পৰম-ব্ৰহ্ম আদি কিছুমান বহুব্যৱহৃত ভাব-বাদী শব্দেৰে (theosophical jar-gon) ভাৱাক্ৰান্ত। মানৱ জীৱন এটি মাথো সুন্দৰ বিলাসী 'ভাব' নহয়,—ই কঠোৰ বাস্তৱ। আমাৰ জন্মৰ আগত আৰু মৃত্যুৰ পাছত এই জীৱন নামৰ বাস্তৱ অস্তিত্বটোকৈ কিবা ভাল এটা অৱস্থা আছিল নেকি, বা থাকিব নেকি,—এই ধৰণৰ চিন্তা নিতান্তই অৰ্থহীন আৰু অপ্ৰয়োজনীয়। জীৱনৰ উদ্দেশ্য যিয়েই নহওক, আমি জন্মৰ পৰা মৃত্যুলৈকে সময়ছোৱা কঠোৰ সংগ্ৰাম কৰি জীয়াই থাকিবই লাগিব। আনন্দৰ উৎস সন্ধান কৰিবলৈ গৈ আমি এই সময়ছোৱাক অনিত্য আখ্যা দি ("যাৰ জন্ম নাই, মৃত্যু নাই সিয়েই নিত্য আৰু শাশ্বত। ...... জাগতিক সকলোখিনি আনকি জগত-খনো অনিত্য।") কিছুমান অবাস্তৱ চিন্তাৰ প্ৰহেলিকা সৃষ্টি কৰিলে নহ'ব। জীৱনৰ বাহিৰত, মানৱ সমাজৰ বাহি-ৰত (হিমালয়ৰ গুহাত !) চিৰ আনন্দৰ ফল্গুধাৰাও যদি অহৰ্নিশে বৈ আছে, সি আমাৰ উপকাৰত জানো আহিব ? জীৱনৰ বাস্তৱ আনন্দ সন্ধানী সংসাৰী মানুহ হিচাপে, সামাজিক মানুহ হিচাপে আমাক এতিয়া জীৱন সংগ্ৰামৰ সহা-য়ক হোৱা, সমাজ পৰিবৰ্তনৰ সহায়ক হোৱা চিন্তাৰেই বেছি প্ৰয়োজন। শ্ৰীদেশমুখ্যৰ প্ৰতি আন্তৰিক শ্ৰদ্ধা ৰাখি, তেখেতৰ চিন্তাৰেই সূত্ৰ ধৰি আমাৰ মনত উদয় হোৱা কিছুমান চিন্তা বিনয় সহকাৰে ইয়াত প্ৰকাশ কৰিব খুজিছো।

(১)

শ্ৰীদেশমুখ্যই "হিংসা-প্ৰতিহিংসা পাহৰি প্ৰেমৰ বন্যাত পৃথিৱীৰপৰা সকলো দুখ উটুৱাই দি আনন্দৰ বাৰি-ধাৰা পৃথিৱীলৈ নমাই অনাৰ কাৰণে চেষ্টা' কৰিবলৈ আহ্বান জনাইছে। আমাৰ ৰাজনৈতিক নেতাসকলেও প্ৰতি দিনেই এইদৰে হিংসা-প্ৰতিহিংসা পাহৰি এখন প্ৰেমময় মানৱ সমাজ গঢ়াৰ আহ্বান জনাই থাকে। কিন্তু মানুহৰ হৃদয়ত হিংসা-প্ৰতিহিংসাৰ প্ৰবৃত্তিটো জন্ম হোৱাৰ কাৰণটো নোহোৱা নকৰি কেৱল আহ্বানেৰে হিংসা-প্ৰতিহিংসা নাইকিয়া কৰাৰ চেষ্টা যে ফলপ্ৰসূ নহয় তাৰ প্ৰমাণৰ বাবে প্ৰতিদিনৰ বাতৰি কাগজৰ প্ৰথম পৃষ্ঠা-টোৱেই জানো যথেষ্ট নহয় ? সমাজৰ এচামে আন এচামক হেঁচা দি ৰখাৰ চেষ্টা, সমাজৰ সম্পদ মুষ্টিমেয় লোকৰ হাতত গৈ জমা হোৱা, এচামৰ সীমা-হীন বিলাস, গৰিষ্ঠ এচামৰ অবৰ্ণনীয় দুখ-যন্ত্ৰণা, বিভেদ সৃষ্টিকাৰী ধৰ্ম, পৰ-ম্পৰা আৰু ঐতিহ্যগত গোড়ামী, জাতিভেদ, কুসংস্কাৰ, অন্ধবিশ্বাস,—সমাজৰ এই বিষাক্ত বাতাবৰণটোৱেই হিংসা-প্ৰতিহিংসাৰ জন্মৰ উৰ্বৰ ক্ষেত্ৰ। সৰল কথাত সামাজিক বৈষম্য তথা অসমতাতে হিংসা ওপজে। যিমানেই আন্তৰিক নহওক কিয়, কেৱল অনু-ৰোধ বা আহ্বানতেই সমাজৰ পৰা হিংসা-প্ৰতিহিংসা আঁতৰি নাযায়। ইয়াক নোহোৱা কৰিবৰ বাবে এটা বাস্তৱ বাতাবৰণ তৈয়াৰ কৰিব লাগিব। এই বাস্তৱ বাতাবৰণটোৰ নামেই সামাজিক আৰু অৰ্থনৈতিক সমতা। আমাৰ মনৰ হিংসা-প্ৰতিহিংসাৰ প্ৰবৃ-ত্তিটোক ৰাস্তাত বাছ ৰখাই নিৰীহ লোকক হত্যা কৰাৰ উদ্দেশ্যত ব্যৱহাৰ নকৰি এটা সামাজিক বিপ্লৱৰ ইন্ধনলৈ ৰূপান্তৰিত কৰিব পাৰিব লাগিব। তেতিয়াহে হিংসাও মহান হৈ উঠিব।

(২)

"কেৱল শুদ্ধ চেতনাই নিত্য। ইয়াক ধাৰণ কৰিবৰ বাবে কোনো দেহ বা আধাৰৰ প্ৰয়োজন নাই। এই চেতনাই সূক্ষ্মৰূপে আমাৰ দেহৰ মাজত বিৰাজ কৰিছে।" —এয়া অস্পষ্ট আৰু স্ব-বিৰোধী চিন্তা বুলি ভাবোঁ। প্ৰথমে কোৱা হ'ল— শুদ্ধ চেতনাৰ কোনো ধাৰকৰ প্ৰয়োজন নাই। পাছ মুহূৰ্ততে কোৱা হল— এই চেতনা আমাৰ দেহৰ মাজত বিৰাজ কৰিছে! চেতনা যদি আধাৰহীন অৱস্থাত থাকিব পাৰেই তেন্তে ই আমাৰ দেহৰ মাজত আশ্ৰয় লবলৈ আহিল কিয় ? আচ-লতে দেহহীম বা আধাৰহীন চেতনাৰ কোনো অৰ্থই নাই। এখন মটৰ গাড়ীত পেট্ৰল ভৰাই ষ্টাৰ্ট দিয়াৰ লগে লগে গাড়ীখনক গতিময় কৰি আগলৈ লৈ যোৱাত যি শক্তিৰ সৃষ্টি হয়, সেই শক্তিটো আগৰে পৰাই গাড়ীখনৰ ওচৰে-পাজৰে ঘূৰি ফুৰিছিল আৰু ষ্টাৰ্ট দিয়াৰ লগে লগে গাড়ীখনৰ ইঞ্জিনত প্ৰবেশ কৰিলেহি ; —দেহহীন চেতনাৰ ধাৰণাটোৱে আমাক এনেকুৱা অবাস্তৱ চিন্তা কৰিবলৈকো পথ মুকলি কৰি দিব। চেতনাৰ অস্তিত্ব আধাৰহীনভাৱে থাকিব পাৰে বুলি চিন্তা কৰোঁতাজনৰো প্ৰথমে এটা দৈহিক অস্তিত্ব আছে ; পৃথিৱীৰ অন্ন, জল, বায়ু, সেৱন কৰি তেওঁ সেই দেহটো লালিত পালিত কৰিছে ; সেই দেহে তেওঁৰ তথাকথিত চেতনাক ধৰি ৰাখিছে ; আৰু দেহক আধাৰ হিচাপে লোৱাৰ পাছত দেহ আৰু চেতনা দুয়ো মিলি পৃথিৱীৰ ৰং, ৰূপ, ৰস উপভোগ কৰিছে। এই চেতনাই যদি এতিয়া দম্ভ কৰি কয়, "মোক দেহৰ কোনো প্ৰয়োজন নাই, মই অকলে স্বতন্ত্ৰভাৱে শূন্যত ওপঙি ফুৰিব পাৰোঁ", —তেন্তে এনে অকৃতজ্ঞ চেতনাই আমাৰ দেহ খালী কৰি দি বাহিৰলৈ ওলাই যোৱাই ভাল।—আধাৰহীন চেতনাৰ ধাৰণাই কিছুমান-ভাববাদী আবৰ্জনাৰ সৃষ্টি কৰে। আত্মা, পৰমাত্মা, প্ৰেতাত্মা, ভূত, পূৰ্বজন্ম,



OKDISCD

পৰজন্ম, কৰ্মফল, ইহকাল, পৰকাল আদি বিশ্বাস আৰু সংস্কাৰবোৰ সেই আবৰ্জনাৰে দুৰ্গন্ধ! মৃত্যুৰ পাছত মানুহৰ দেহৰপৰা ওলাই গৈ "অদৃশ্য নিৰাকাৰ" ৰূপত শূন্যতে বিচৰণ কৰি ফুৰা "আত্মা" বা "চেতনা"টোক লৈ কিছুমান বুদ্ধিমান মানুহে এসময়ত ভাল ব্যৱসায় কৰিছিল। স্বৰ্গ আৰু নৰক নামৰ ধাৰণা দুটাও এই ব্যৱসায়ী সকলৰে সৃষ্টি। মানুহৰ কাল্পনিক 'আত্মা'টোক কাল্পনিক 'স্বৰ্গ'ৰ সুখত ৰখাৰ লোভ দেখুৱাই এসময়ৰ ধৰ্মযাজকসকলে স্বৰ্গলৈ যাব পৰা এবিধ Visa (indulgence) বিক্ৰি কৰি যথেষ্ট অৰ্থ উপাৰ্জন কৰিছিল। আজিৰ যুগতো অৱস্থাৰ বিশেষ পৰিবৰ্তন হোৱা বুলি কব নোৱাৰি। এতিয়াও মানুহৰ আত্মাৰ স্বৰ্গপ্ৰাপ্তিৰ বাবে শ্ৰাদ্ধ হয়, পিণ্ডদান হয়, আত্মাৰ সদগতিৰ অৰ্থে ৰাজহুৱা তথা চৰকাৰী পূজা-প্ৰাৰ্থনা হয়। আধাৰহীন চেতনাৰ ধাৰণাটোৰ পৰা মানুহ মুক্ত হ'ব নোৱাৰিলে এনেবোৰ অন্ধবিশ্বাস তথা কুসংস্কাৰৰ পৰাও কোনোদিন মুক্ত হ'ব নোৱাৰিব।

(৩)

"কামনা বাসনাৰ ধুমুহা মানৱ জীৱনৰ লক্ষ্যভ্ৰষ্টকাৰী দুটি অদমনীয় ৰিপু"— শ্ৰীদেশমুখ্য। ইয়াত আমি কামনা-বাসনাক বিশেষ অৰ্থত (যৌন বাসনা) আৰু সাধাৰণ অৰ্থত দুয়ো অৰ্থতে বিচাৰ কৰি চাব পাৰোঁ। প্ৰথম প্ৰশ্ন হ'ল, আমাৰ জীৱনৰ লক্ষ্যই বা কি? পৃথিৱীৰ বাহিৰৰ কিবা এটা শক্তিয়ে কিবা উদ্দেশ্য লৈ মানুহক পৃথিৱী নামৰ গ্ৰহটোলৈ পঠাই দিছে নে, পৃথিৱীতে উদ্ভৱ হোৱা কিছুমান চৰ্ত, condition বা পৰিস্থিতিৰ আধাৰত জীৱৰ সৃষ্টি হৈছে? যদি জীৱনৰ বাহিৰৰপৰা নিৰ্দিষ্ট কৰি দিয়া কিবা এটা উদ্দেশ্য বা লক্ষ্য মানৱ জীৱনৰ আছে, তেন্তে তাত সেই লক্ষ্য ভ্ৰষ্টকাৰী কামনা-বাসনা ৰিপুটো সংযোগ কৰা হ'ল কি যুক্তিত? —মই মোৰেই বিশেষ এটা কামত বা উদ্দেশ্যত আপোনাক ছাইকেলখন দি বজাৰলৈ পঠালোঁ, কিন্তু বাটতে ছাইকেলখন পাংচাৰ হৈ যোৱাৰো ব্যৱস্থা কৰি দিলোঁ! —এনেকুৱা জানো হ'ব পাৰে?

পৃথিৱী সৃষ্টিৰ লগে লগেই জীৱৰ সৃষ্টি হোৱা নাছিল। জীৱসৃষ্টিৰ অনুকূল পৰিবেশ এটা পৃথিৱী নামৰ গ্ৰহটোত এদিন সৃষ্টি হোৱাৰ পাছতহে জীৱৰ আৱিৰ্ভাব হ'ল। বায়ু, পানী, বিশেষ তাপমাত্ৰা ইত্যাদি জীৱনৰ বাবে প্ৰয়োজনীয় সকলোবোৰ উপাদান পৃথিৱীৰ বাহিৰে এতিয়ালৈকে মানুহে জনা অন্য কোনো গ্ৰহতে নাই বাবেই তেনেবোৰ গ্ৰহত জীৱনৰ সন্ধানো পোৱা হোৱা নাই। বিশেষ পৰিস্থিতিত লোত যেনেকৈ মামৰে ধৰে, খাদ্যত ভেঁকুৰ জন্মে, তেনেকৈ বিশেষ কিছুমান পৰিস্থিতিতহে পৃথিৱীত জীৱৰ সৃষ্টি হ'ল। সেই পৰিস্থিতি বা পৰিবেশবোৰ কেনেবাকৈ নোহোৱা হৈ গলে (বায়ুহীন হৈ পৰিলে, পানী নোহোৱা হলে, তাপমাত্ৰা ভয়ংকৰভাৱে উচ্চ বা নিম্ন হৈ পৰিলে) পৃথিৱীৰ বুকুত জীৱৰ অস্তিত্ব এতিয়াও নাইকিয়া হৈ থাকিব পাৰে। ডায়নছ'ৰৰ (dinosaur) দৰে অতিকায় প্ৰাণী একোটা পৃথিৱীৰ বুকুৰ পৰা হেৰাই যোৱাৰ কাৰণো এইটোৱেই; তেনে জীৱ জীয়াই থাকিব পৰা পৰিবেশটো পৃথিৱীত এদিন নোহোৱা হৈ পৰিল। গতিকে পৃথিৱীত জীৱনৰ অস্তিত্ব কোনো "উদ্দেশ্য" নহয়, কেইটামান চৰ্তহে! জীৱনৰ কোনো "বাহিৰৰ পৰা ঠিক কৰি দিয়া উদ্দেশ্য" নাই। আমি যি "জীৱনৰ উদ্দেশ্য"ৰ কথা সততে কৈ থাকোঁ (পৰীক্ষাত ৰচনা লিখোঁ!) সেয়া আমি জীয়াই থকাৰ প্ৰয়োজনত সৃষ্টি কৰা পৃথিৱীৰ স্থানীয় উদ্দেশ্যহে ((local purpose)। আৰু কামনা-বাসনাৰ পৰিতৃপ্তিও সেই স্থানীয় উদ্দেশ্য বা উদ্দেশ্যসমূহৰ অন্যতম।

অৱশ্যে আমি স্বীকাৰ কৰিবই লাগিব যে জীৱন এটা অতিশয় জটিল প্ৰক্ৰিয়া। এই জটিলতাই মানুহক আজিও বিস্ময়-বিমুগ্ধ কৰি ৰাখিছে। এটা ঘড়ীৰ বিভিন্ন অংশ টেমা এটাত ভৰাই লৈ বছৰৰ পাছত বছৰ ধৰি জোকাৰি থাকিলেও যেনেকৈ সেইবোৰ যথাযথে লগ লাগি এটা সম্পূৰ্ণ ঘড়ী হৈ যোৱাৰ সম্ভাৱনা নাই, তেনেকৈ জীৱনৰ অনুকূল সকলোবোৰ পৰিস্থিতি কৃত্ৰিমভাৱে তৈয়াৰ কৰি দিলেই অতি সহজে জীৱ এটা তৈয়াৰ হৈ যোৱাৰ সম্ভাৱনাও নাই। (মানুহৰ চেষ্টা কিন্তু অব্যাহত)। এইদৰে এদিন, ঘটনাক্ৰমে, পৃথিৱীত জীৱ সৃষ্টি হোৱাৰ পাছতেই, বৰ অদ্ভুতভাৱে, নতুন জীৱ সৃষ্টিৰ প্ৰক্ৰিয়াটো অব্যাহত ৰখাৰ এটা বৰ আমোদজনক আৰু কৌশলী উপায় প্ৰাথমিকভাৱে সৃষ্ট জীৱবিলাকৰ দেহৰ মাজতেই সৃষ্টি হৈ গ'ল। —আৰু জীৱসৃষ্টিৰ আদিম আৰু প্ৰাথমিক কাৰণ বা পৰিস্থিতিটো হঠাতে অন্তৰ্ধান হ'ল! —এই উপায়টো আমোদজনক; —কাৰণ পুৰুষ আৰু স্ত্ৰীদেহৰ বিশেষ দুটা অংগৰ মিলনৰ জৰিয়তেই একোটা নতুন জীৱৰ সৃষ্টি হ'ল! উপায়টো কৌশলী,—কাৰণ স্ত্ৰীপুৰুষৰ এই দুই অংগৰ মিলনত অনিৰ্বচনীয় পুলক, তথা চৰম সুখ (ecstasy) অনুভৱ হয়; —এই সুখ বিচাৰি যাওঁতেই সৃষ্টিকাৰ্যৰ দৰে এক জটিল আৰু মহৎ কাৰ্য সম্পাদন হয়। গতিকে সুখ মুখ্য, সৃষ্টি গৌণ; সৃষ্টিমূলক সকলো কৰ্ম সম্পাদন হয় সুখৰ সন্ধানত।

জীৱৰ কামনা প্ৰাকৃতিক পৰিকল্পনাৰে এটা অংগ। মানুহৰ বাহিৰে অন্যপ্ৰাণীৰ বাবে কামনা হ'ল কেৱল প্ৰজাতি সৃষ্টিৰ এটা মাধ্যম। কিন্তু মানুহৰ কামনাত প্ৰজাতি সৃষ্টিত বাদেও অন্য কিছু উপসৃষ্টিও (by-product) আছে। নদীত বান্ধ দি যেনেকৈ বিভিন্ন মানৱ-কল্যাণমূলক যোজনা তৈয়াৰ কৰা হয়, কামনাৰ তীব্ৰতাক নিয়ন্ত্ৰিত কৰি, কামনাৰ মহতীকৰণ (sublimation) কৰিও তেনেকৈ মানুহে বিভিন্ন শিল্প, কলা, সাহিত্য, ভাস্কৰ্য তৈয়াৰ কৰে। (মনস্তাত্ত্বিকসকলৰ 'মত')। সকলো



শিল্পবস্তুৱে আমাৰ ইন্দ্ৰিয়সমূহৰ পৰিতৃপ্তি সাধন কৰে; —গতিকে কামনা নিজেই এটা মহৎ শিল্প।

কামনা মানুহৰ ৰিপু বা শত্ৰুতো নহয়েই, বৰঞ্চ ইয়েই চৰমতম আৰু শ্ৰেষ্ঠতম আনন্দ। কামনা-বাসনাৰ প্ৰতি আমাৰ এনেকুৱা ঋণাত্মক দৃষ্টিভংগীৰ ফলতেই ইয়াৰ দৰে জীৱনৰ এটি সুন্দৰ প্ৰয়োজনীয় অভিব্যক্তিক আমি ফুটপাথৰ সাহিত্যত স্থান পাবৰ যোগ্য কৰি তুলিছোঁ। আমাৰ এনেকুৱা দৃষ্টিভংগীৰ ফলতেই আমাৰ স্বাভাৱিক কামনা-বাসনা সুস্থ আলোচনাৰ পৰিবৰ্তে গোপন ফুচফুচনিত পৰিণত হৈছে। কিন্তু মানুহৰ দেহ-মনৰ সৰ্বাংগীন বিকাশ তথা উন্নতিৰ বাবে এই বিষয়ৰ সুস্থ চিন্তা-চৰ্চাৰো যে প্ৰয়োজন এই কথা এতিয়া সমাজৰ বহুলোকে চিন্তা কৰা হৈছে। ভাববাদী, অধ্যাত্মবাদী চিন্তাবিদসকলৰ মতেই সমাজৰ সকলোৱেই যদি কামনা-বাসনাক ৰিপু জ্ঞান কৰি পৰিত্যাগ কৰি চলে, আৰু কেৱল ধ্যানেই পৰম আনন্দ প্ৰাপ্তিৰ একমাত্ৰ পথ বুলি ভাবি হিমালয়ৰ গুহালৈ গুচি যায় (সাংসাৰিক হুলস্থুলৰ মাজত ধ্যানৰ জেগা ক'ত?) তেন্তে এই বিশাল সৃষ্টিৰ দেখোন এইখিনিতেই সমাপ্তি!

মানুহৰ ভোগৰ বাসনা (সাধাৰণ অৰ্থত) ৰিপু বুলি বিবেচিত হ'লে কোনো ৰকমে গছপাতেৰে ঢকা চালিৰ তলত নিমখ ভাত খাই বাচি থকাটোৱেই শ্ৰেষ্ঠ জীৱন বুলি পৰিগণিত হ'ব। কিন্তু এনে জীৱনক কোনো মাপ কাঠীৰেই উন্নতমানৰ জীৱন বুলি কব পৰা নাযায়। আমাৰ জাতীয় পৰিকল্পনাৰ সহায়ত এনে লোকসকলৰ জীৱন ধাৰণৰ মান উন্নত কৰাৰ প্ৰচেষ্টা কেতিয়াবা হ'লে (এতিয়াও হৈ আছে নেকি!) এই অধ্যাত্মবাদীসকলে বাধাহে দিব নেকি?

ভোগ বাসনাৰ তীব্ৰতা যি জাতিৰ যিমানেই বেছি সেই জাতি সিমানেই উন্নত। সুন্দৰ আৰু স্থায়ী বাসগৃহ, উন্নতমানৰ সুস্বাদু খাদ্যসামগ্ৰী, যাতায়াতৰ সুচল অৱস্থা, উন্নত চিকিৎসা ব্যৱস্থা, বাস্তৱৰ লগত সংগতি থকা শিক্ষা ব্যৱস্থা,—এইবিলাকেই জানো আমাৰ বাস্তৱ জীৱনৰ আনন্দৰ উপকৰণ নহয়? আমাৰ সমাজৰ এমুঠিমানেহে আজি এইবোৰ সুবিধা ভোগ কৰি জীৱনৰ আনন্দত মছগুল হৈ আছে;—বাকী গৰিষ্ঠ সংখ্যক বঞ্চিতক এই সুবিধাভোগীসকলৰে অধ্যাত্মবাদে দিনে-ৰাতিয়ে সান্ত্বনাৰ বাণী শুনাইছে —"ভোগ-বাসনা মানৱজীৱনৰ লক্ষ্য ভ্ৰষ্টকাৰী ৰিপু"! তোমালোকে ভোগ-বাসনা ত্যাগ কৰি কপালৰ ঘাম মাটিত পেলাই পুৱাৰ পৰা গধূলিলৈকে খাটি অন্যৰ ভোগৰ পথ মুকলি কৰি দিয়া!

*

আনন্দৰ বাস্তৱ উৎসৰ সন্ধানত আমি বিমূৰ্ত পৰমব্ৰহ্মক বিচাৰি ফুৰাৰ প্ৰয়োজন নাই। আমাৰ বাস্তৱ জীৱন আৰু জগতেই অফুৰন্ত আনন্দৰ উৎস। এই যে সদাপ্ৰফুল্লিত শিশুৰ হাঁহিৰ খিলখিলনি, যৌৱনোচ্ছল ডেকাগাভৰুৰ আশা-উজ্জল চকুমুখ— দৃষ্টিত বুদ্ধিৰ তিৰবিৰণি— হৃদয়ত সুন্দৰ জীৱন ভোগৰ বাসনা, নদীৰ কুলুকুলু সুৰ-ধ্বনি, বতাহত লৰি থকা গছৰ পাতবোৰ, হেমন্তৰ পুৱাৰ শুভ্ৰ কুঁৱলী, বসন্তৰ মুকুলিত পুষ্প, কুঁহিপাত, বৰ্ষাৰ সাংগীতিক বৃষ্টিধাৰা, পূৰ্ণিমাৰ জোনাকৰ কাব্যিক কোমলতা, সংগীতৰ অনিৰ্বচনীয় সুৰৰ মাধুৰী, প্ৰেয়সীৰ প্ৰেমাকুল মুগ্ধ চাৱনি, হাঁহি, কোমলতা আৰু দেহৰ উত্তাপ, পখিলাৰ বিচিত্ৰ ৰঙীন সাজোন, ভোমোৰাৰ গুণগুণনি, চৰাইৰ কাকলি, সূৰ্যোদয় আৰু সূৰ্যাস্তৰ সোণালী সৌন্দৰ্য, দুপৰৰ প্ৰখৰ ৰদৰ নিস্তব্ধতা,— ইমানবোৰ আনন্দৰ উপকৰণেও যিসকলৰ হৃদয় আনন্দময় কৰি তুলিব নোৱাৰে, যিসকলে জীৱন জগতক অনিত্য জ্ঞান কৰি দেহহীন শুদ্ধচেতনাৰূপী নিত্যক পাবলৈহে ব্যাকুল হৈ থাকে সেইসকল এই ৰূপ-ৰসেৰে ভৰা পৃথিৱীত সামাজিক জীৱ হৈ জীৱন ধাৰণ কৰাৰ অনুপযুক্ত।

৪২ পৃষ্ঠাৰ পিছৰ পৰা

চাই আহিল। মই তাৰ পাছতে তেখেতক তেখেতৰ ফাৰ্মাছিত লগ পাইছিলো। তেখেতে মনমাৰি আছিল। সোধাত কলে যে ৰোগীজন তেখেত গৈ পোৱাৰ আগতে ঢুকাল। কিন্তু মানুহঘৰ ইমান দুখীয়া যে ডাক্তৰে মৰিশালীত কৃত-কাৰ্য কৰিবলৈ খটকাপোৰ আদি কিনিবলৈ জেপৰ পইচা দি আহিব লগীয়াত পৰিল।

কনক দদাইদেউ বৰ ৰসিক আছিল। এদিন এগৰাকী সবল তিৰোতাই তেখেতক ক'লে, "হয়নে বোপাটি, আজি বছৰৰ শেষ দিন। কাইলৈৰপৰা নতুন বছৰৰ আৰম্ভ হ'ব নহয়?" বছৰটো আছিল ১৯৩০। জগতজোৰা অনাতন। ডাক্তৰে ক'লে, "নহয় আইতা, এইবাৰ সকলো বস্তু বৰ মহঙা হৈছে; সেয়েহে চৰকাৰে আগৰটো চনকে চলাই থাকিবলৈ ঠিক কৰিছে।"

এখেতৰ বন্ধু আছিল শৈলজানন্দ বৰুৱা এখেতসকলৰ মাজত এনেকুৱা কিছুমান ধেমালি চলি থাকে যে কেতিয়াবা বুজিবলৈকে টান। ডাক্তৰ কনক বৰুৱা ভিয়েনালৈ গৈ ডাক্তৰীৰ উচ্চশিক্ষা লাভ কৰি ঘূৰি আহিল। তাৰ কিছুদিনৰ পাছতে মই বৰহাটলৈ গৈছিলোঁ। সেই অঞ্চলতে বৰাছালি বাগিচাৰ মেনেজাৰ শৈলজা বৰুৱাক লগ পাইছিলো। মোক সুধিলে, "কনকৰ ডিঙিটো পোন হলনে?" মই একো নুবুজি হোলাৰ ভাই মোলাটো হৈ ডাক্তৰ বৰুৱাক গৈ সুধিলোঁগৈ— শৈলজা বৰুৱাই সোধাৰ দৰে। ডাক্তৰে হাঁহি এটা মাৰি ক'লে "শৈলজাটো বৰ দুষ্ট।" মই সুধিলত বুজাই কলে, "মই চুটি মানুহ। ভিয়েনাৰ ছোৱালীবোৰ বৰ ওখ। সেইবোৰ চাওঁতে চাওঁতে মোৰ ডিঙিটো বেঁকা হ'ল বুলি মোক শৈলজাই জোকাইছে।" [আগলৈ]



OKDISCD

# আমেৰিকান মহিলা জেছি মুৰৰ দিনপঞ্জীৰপৰা

কমলেশ্বৰ বৰা

আজিৰপৰা এশ বছৰতকৈও আগেয়ে, ১৮৭৯ চনৰ অক্টোবৰ মাহৰ ১১ তাৰিখে ২২ বছৰীয়া আমেৰিকান গাভৰু জেছি মুৰে নিউয়ৰ্ক বন্দৰত "এংকৰিয়া" নামৰ জাহাজত উঠি স্বামীৰ কৰ্মস্থান নগাঁৱলৈ বুলি যাত্ৰা আৰম্ভ কৰিলে। তেওঁৰ স্বামী ২৬ বছৰীয়া পিট মুৰ আছিল নগাঁৱৰ আমেৰিকান বেপ্টিষ্ট মিছনৰ পাদ্ৰী। বিয়াৰ কেইমাহমানৰ পাছতে তেওঁ নব বিবাহিত পত্নীক মাকৰ ঘৰত থৈ কৰ্মস্থান নগাঁৱলৈ আহিছিল।

জেছিৰ জাহাজখন ২১ অক্টোবৰত ইংলণ্ডৰ উপকূল পালেহি। জেছি প্ৰথমে গ্লাছগ'লৈ গৈ, পাছত এডিনবৰাত উপস্থিত হ'ল। ইংলণ্ডত দুদিনমান কটাই তেওঁ নৱেম্বৰৰ ১ তাৰিখে লণ্ডনৰপৰা "ডিউক অব ছাদাৰলেণ্ড" জাহাজত উঠি ডিছেম্বৰৰ ১৫ তাৰিখে কলিকাতা পালেহি। ডিছেম্বৰৰ ২১ তাৰিখে ৰেলেৰে কলিকাতাৰপৰা আহি ধুবুৰীৰ ৰোমাৰিত ৰ'লহি। নগাঁৱলৈ যোৱাৰ আগতে তেওঁ তুৰাৰ মিছনৰ কামো চাই ললে। তেতিয়া গাৰো পাহাৰত মুঠে ৮০০ মান মানুহহে খৃষ্টান হৈছিল।

সুদীৰ্ঘ ২০ বছৰ কাল (১৮৭৯-১৮৯৯) অসমত থাকি, জেছিয়ে সেই সময়ৰ অসমৰ, বিশেষকৈ নগাঁৱৰ সামাজিক অৱস্থা, মানুহ-দুনুহৰ কথা, খৃষ্টান ধৰ্ম প্ৰচাৰৰ প্ৰচেষ্টা আৰু লগতে বহুতো মনোৰম কাহিনী দিন পঞ্জীৰ আকাৰত লিখি থৈ গৈছে। "অসমত কুৰি বছৰ" (Twenty years in Assam) বোলা এই কিতাপখন প্ৰথম প্ৰকাশিত হয় ১৯০১ চনত। ১৯৮২ চনত নতুন দিল্লীৰ অমছন প্ৰকাশনে পুনৰ্মুদ্ৰণ কৰি উলিয়াইছে। ইয়াৰে কেইটামান তথ্য-পূৰ্ণ মনোৰম কাহিনীৰ ভাঙনি আগবঢ়োৱা হ'ল।

স্বামী পিট মুৰৰ পৰিচয় দি জেছিয়ে লিখিছে: ১৮৫৩ চনৰ ৪ দিছেম্বৰত পিটৰ জন্ম হয় ব্ৰহ্মদেশৰ আকিয়াব চহৰত। তেওঁৰ দেউতাক কেলভিন মুৰ ব্ৰহ্মদেশৰ আমেৰিকান মিছনৰ পাদ্ৰী আছিল। পঢ়া-শুনাৰ কাৰণে পিটক আমেৰিকালৈ নিয়া হয়। চিকাগো বিশ্ববিদ্যালয়ত বিদ্যা লাভ কৰাৰ পাছত ১৮৭৬ চনত মেডিছন বিশ্ববিদ্যালয়ৰ (বৰ্তমান কলগেট বিশ্ব-বিদ্যালয়) পৰা তেওঁ স্নাতক হয়। তাৰে তিনি বছৰৰ পাছত হেমিল্টনৰ ধৰ্মতত্ত্ব মহাবিদ্যালয়ৰপৰা স্নাতক হৈ আমেৰিকান বেপ্টিষ্ট মিছন ইউনিয়নৰ অধীনত তেওঁ অসমৰ নগাঁৱত পাদ্ৰী হিচাপে নিযুক্তি লাভ কৰে।

জেছিমুৰ গুৱাহাটীৰপৰা জাহাজেৰে গৈ ১৮৮০ চনৰ ১৫ জানুৱাৰীত তেজপুৰ পায়হি। ১৬ জানুৱাৰীত শিলঘাটলৈ পাৰ হৈ, পুৱা ৭ বজাত যাত্ৰা আৰম্ভ কৰি, ৩২ মাইল পথ অতিক্ৰম কৰি, গধূলি ৬ বজাত তেওঁ নগাঁও চহৰত উপস্থিত হয়। এই যাত্ৰাৰ প্ৰথম চাৰি মাইল চৈ দিয়া গৰুৰ গাড়ীৰে পিছৰ ১২ মাইল ঘেৰ দিয়া অন্য এখন গাড়ীৰে, আৰু আঠ মাইল মিছ কিলাৰ বোলা মিছনেৰি গৰাকীৰ ঘোঁৰা গাড়ীৰে আৰু শেষৰ আঠ মাইল ডাক্তৰ চাহাব হিউজৰ ঘোঁৰা গাড়ীৰে অতিক্ৰম কৰে।

১৮৮০ চনৰ ৪ জানুৱাৰীত জেছিয়ে লিপিবদ্ধ কৰা দিন পঞ্জীত খৃষ্টান ধৰ্ম গ্ৰহণ কৰা প্ৰথমজন অসমীয়াৰ নাম নিধিলেভি বুলি লিখিছে। ডাক্তৰ মাইলছ ব্ৰনছন অসমত অতি জনপ্ৰিয় আছিল। ১৮৩৬ চনতে মিছনৰ কাম আৰম্ভ কৰি তেওঁ চল্লিছ বছৰ কাল অসমত বাস কৰিছিল। সেইখিনি সময়ত অসমৰ জনসংখ্যা কুৰি লাখ আছিল।

নগাঁও চহৰৰ পৰিচয় দি জেছিয়ে এনেদৰে লিখিছে:

১৮৮০ চনৰ জানুৱাৰী ২২ তাৰিখ

আজি আবেলি গাড়ীৰে ফুৰিবলৈ ওলাই গলো। নগাঁওখন চাফচিকুন আৰু সুন্দৰ। ঠাইখন সমান, চাৰিওফালে গছ-গছনিৰে ভৰা। ৰঙা আৰু হাল-ধীয়া ফুলেৰে গছবোৰ সুশোভিত হৈ আছিল। আলি-পদূলিবিলাকো ভাল। নগাঁওখন ব্ৰহ্মপুত্ৰৰ সুঁতি কলঙৰ কাষত অৱস্থিত। বাৰিষা কলং পানীৰে উপচি পৰে, কিন্তু খৰালি প্ৰায় শুকাই যায়। কলঙৰ পাৰৰ আলিয়েদি খোজ-কাঢ়ি ফুৰিবলৈ বৰ ভাল লাগে। চহৰখনত ইংৰাজ মহিলা মাথো দুগৰাকীহে আছে। তেওঁলোকৰ গিৰিহঁত চৰকাৰী চাকৰিয়াল। ডাক্তৰ আৰু শ্ৰীমতী হিউজ দুয়ো বৰ মৰমিয়াল।

২৪ জানুৱাৰী তাৰিখৰ দিনপঞ্জীত জেছিয়ে লিখিছে: আমি অসমীয়াৰ প্ৰথম পাঠ আৰম্ভ কৰিলো। আমাৰ পণ্ডিতৰ নাম গুনাই। আমি অৱশ্যে প্ৰথমেই আখৰ শিকিবলৈ ললো। লগতে অসমীয়া শব্দ পাৰু নতুন ধৰণৰ উচ্চাৰণ মুখস্থ কৰিলো।

১১ ফেব্ৰুৱাৰীত বিয়া এখন খোৱাৰ কথা জেছিয়ে এইদৰে লিখিছে:

আবেলি চাৰিবজাত আমি স্থানীয় খৃষ্টান মানুহ এজনৰ বিয়াখনলৈ গলো। কইনাজনী বৰ লাজকুৰীয়া যেন লাগিল। তেওঁ মুখখন ওৰণিৰে ঢাকি ৰাখিছিল আৰু বাইবেলৰ বাণী-সমূহো লাহে-লাহে উচ্চাৰণ কৰিছিল। অখৃষ্টান হিন্দু-মুছলমানৰ বিয়াৰ ভোজ ডাঙৰকৈ পতা হয়। কিন্তু খৃষ্টান-সকলৰ ক্ষেত্ৰত এনে কৰা নহয়। যিজন খৃষ্টান ডেকাৰ বিয়া আমি খাইছিলো, তেওঁ তিনিবছৰৰ আগেয়েই ছোৱালী আনিলে। স্থানীয় গীৰ্জাৰ পেষ্টৰ চাৰ্লছ সোণাৰামে আমেৰিকাত পতাৰ দৰেই সামান্যভাৱে বিয়াখন পাতি দিছিল। ডেকাজনে টকা ধাৰ কৰি তেতিয়া ভোজ নাপাতি, টকা-পইচা গোটাই পাছত ভোজ দিছিল। চোতালত চাৰিওফালে পাঁচফুট অন্তৰে-অন্তৰে কলপুলি পুতি মাজে-মাজে বাঁহৰ কামি ধেনু ভিৰীয়াকৈ লগাই সেইবোৰ কাগজৰ ফুল কাটি তাৰে সজাই দিছিল। তলত বহিবলৈ বগা কাপোৰ পাৰি দিছিল। লণ্ঠন জ্বলাই দিয়াত দেখিবলৈ বৰ ধুনীয়া হৈছিল।

আমি গধূলি ৬ বজাত বিয়াঘৰ পালোগৈ। মানুহবিলাকে মাটিতে পাতি পাৰি বহিছিল। ওচৰ-চুবুৰীয়া সকলো খৃষ্টান পৰিয়ালকে নিমন্ত্ৰণ কৰা হৈছিল। ডাঙৰসকলৰ কথোপকথন আৰু ল'ৰা-ছোৱালীৰ আনন্দৰ কিৰিলিয়ে গোটেইখন মুখৰিত কৰি তুলিছিল। খোৱাৰ সময় হোৱাত তিৰোতা মানুহবিলাক ভিতৰলৈ গ'ল। মতামানুহবিলাক কঠ পাৰি শাৰী-শাৰীকৈ বহি গ'ল। প্ৰত্যেকৰ আগতে কলপাত পাৰি দিলে আৰু পানীৰ গিলাছ দিলে। কলপাতেৰে ঢাকি অনা ডাঙৰ পাচিৰপৰা হেতাৰে দুজন মানুহে প্ৰত্যেকৰ পাতত ভাত দি গ'ল। তেওঁলোকৰ পিছে-পিছে দুজন মানুহে লোহাৰ কেৰাহীত তৰকাৰী আনি দি গ'ল। আমাৰ পেষ্টৰ চাৰ্লছ সোণাৰামে ভগবানৰ আশীৰ্বাদ ভিক্ষা কৰাৰ পাছত প্ৰত্যেকেই গিলাছৰ পানীৰে হাত তিয়াই খাবলৈ আৰম্ভ কৰিলে। ইতিমধ্যে আৰু দুজন মানুহে এটা লোহাৰ পাত্ৰত কিবা লৈ আহিল। তাকে দেখি মানুহবিলাকে ভাতৰ দমৰ মাজত আগ্নেয়গিৰিৰ গহ্বৰৰ নিচিনাকৈ হাতেৰে খাল কৰি দিলে আৰু মানুহ দুজনে সিজোৱা ডাইল ঢালি গ'ল। অলপ পাছতে প্ৰত্যেককে অলপ অলপ দৈ দিলে। একেবাৰে শেষত এপিয়লাকৈ চাহ দিলে। নিমন্ত্ৰিতসকলে বৰ তৃপ্তিৰে ভোজ খাই নিজৰ নিজৰ খোৱা পাত নি অলপ দূৰৈত পেলাই দিলে।

আমাৰ মিছনৰ পাদ্ৰীসকলক কিন্তু বেলেগে ৰভাৰ সোমাজত মেজ পাতি চুপ, কাটলেট, মুৰ্গী মাংস ভজা আৰু লগতে ভাত তৰকাৰী আদিও খাবলৈ দিছিল। খোৱা-বোৱা শেষ হোৱাত কেইজনমানে ঢোল পেঁপা বজাইছিল আৰু ল'ৰা-ছোৱালীবিলাকে অসমীয়া গীত গাইছিল। নাচ-গানৰ পাছত ফটকা ফুটাইছিল আৰু আতচবাজী পুৰিছিল। দুষ্ট ল'ৰাবিলাকে মনে-মনে গৈ কথাপাতি বিভোৰ হৈ থকা ডাঙৰ মানুহৰ পিছফালে ফটকা ফুটাই চক খুৱাই বৰ ৰং কৰিছিল। সেয়া দেখি আমি আমোদ পাইছিলো। ৰাতি আঠ বজাত সকলোকে নমস্কাৰ জনাই আমি ঘৰলৈ উভতিলো।

২২ মে', ১৮৮০

আমি আমেৰিকালৈ সুধি পঠোৱা প্ৰশ্নবিলাকৰ সমিধান আহিল। অসম মানে "তুলনা নোহোৱা" আৰু আহোমসকলৰ পৰাই এই নামৰ উৎপত্তি হৈছে। তেওঁলোক ১২২৮ খৃষ্টাব্দত অসমলৈ আহিছিল। ১৮ শতিকাৰ শেষৰফালে মানে তেওঁলোকক পৰাভূত কৰে আৰু আমাৰ প্ৰথম মিছনেৰিজন অসমলৈ অহাৰ দহবছৰ পূৰ্বে, ১৮২৬ চনত বৃটিছৰ হাতত পৰাজিত হৈ মানে অসম এৰি দিয়ে। এতিয়া অসমৰ জনসংখ্যা প্ৰায় ৫০ লাখ। ইয়াত মানুহে ৪০ টা বেলেগ বেলেগ দোৱান কয়। মাটিকালি ৪৬ হাজাৰ বৰ্গমাইল। দ্ৰাঘিমা ২৪-২৮ উত্তৰ আৰু অক্ষাংশ ৯০-৯৭ পুব।

অসম সম্পৰ্কে প্ৰকৃত ধাৰণা কৰিবলৈ হ'লে থোৰতে কব লাগিব—ই নিউয়ৰ্ক ৰাজ্যৰ সমান ডাঙৰ। ইয়াৰ জনসংখ্যা ছখন নিউইংলণ্ড ৰাজ্যৰ জনসংখ্যাৰ সমান। নগাঁও জিলাখন ৬০ × ৩০ মাইল জুৰি আছে। চহৰখন জিলাৰ সোঁমাজত অৱস্থিত আৰু জনসংখ্যা প্ৰায় চাৰি হাজাৰ। জিলাখনৰ মুঠ জনসংখ্যা তিনি লাখ চল্লিছ হাজাৰ। গড় হিচাপে জলবায়ু ৬৮° ফাৰেনহাইট। গৰমকালি ৯৮° লৈকে উঠে আৰু জাৰকালি ৪৮° লৈ নামে।

ইয়াৰ প্ৰধান শস্য ধান চাউল; অলপ পৰিমাণে মাহ আৰু সৰিয়হো হয়। কল সদায়েই পায়। সুমথিৰা, আম, কঠাল, আতলছ আৰু আনাৰস বতৰত পোৱা হয়।

৮ নৱেম্বৰ, ১৮৮৫

শ্ৰীমতী কাৰভেলৰ লগত মই নগাঁৱৰ পৰা ৭ মাইল দূৰত থকা পুৰণিগুদামৰ চৰকাৰী জিৰণি ঘৰত এসপ্তাহ কটালো। আমি লগত বিছনা, থাল, ৰন্ধা বাচন আৰু খোৱা বস্তু লৈ গৈছিলো। শ্ৰীমতী কাৰভেলৰ খানচামা আৰু তেওঁৰ পৰিবাৰ আমাৰ লগত গৈছিল। তেওঁলোক খৃষ্টান আছিল। খানচামাৰ পৰিবাৰ আহিনীয়ে আমাৰ লগত গাঁৱৰ মানুহৰ ঘৰলৈ গৈ তেওঁলোকৰ পৰিবাৰ আৰু ল'ৰা-ছোৱালীবিলাকক ৰক্ষাকৰ্তা যীশুৰ মৰম আৰু উদ্ধাৰ কৰাৰ ক্ষমতাৰ কথা কৈছিল। আমি লগত ছবি লৈ গৈছিলোঁ আৰু মানুহে আগ্ৰহেৰে সেইবিলাক চাইছিল। ক্ৰুছবিদ্ধ যীশুৰ ছবিখনে যীশুৰ ত্যাগ আৰু কষ্টৰ কথা তেওঁলোকৰ মনত জীৱন্ত কৰি তুলি ধৰিছিল। কিন্তু যীশুৱে যে তেওঁলোকৰ পাপৰ কাৰণেই এই দুৰ্ভোগ ভুগিছিল, সেই কথা বুজিবলৈ টান পাইছিল। শেষৰ দিনা দুজনী মানুহ আমাৰ জিৰণি ঘৰলৈকে আহিল। সিহঁতে খৃষ্টান হবলৈ ইচ্ছা প্ৰকাশ কৰিলে। তাৰে এজনী দুটা ল'ৰা-ছোৱালীৰে বিধবা মানুহ; আনজনীৰ গিৰিয়েকৰ লগত মনোমালিন্য আছিল আৰু সেই কাৰণে তেওঁ গিৰিয়েকক এৰি আঁতৰি আহিবলৈ বিচাৰিছিল। আমি অৱশ্যে গিৰিয়েকক এৰি অহাৰ কথাটো সমৰ্থন নকৰিলো; বৰঞ্চ ভাল আচাৰ-ব্যৱহাৰেৰে গিৰিয়েকৰ মন জয় কৰিবলৈহে উপদেশ দিলো। এইখন দেশৰ এনেকৈ যাতনা ভোগা কিছুমান তিৰোতাৰ প্ৰতি মোৰ যথেষ্ট সমবেদনা আছে। অতি কম বয়সতেই বিয়া হোৱা কাৰণে এওঁলোকে ভুগিব লগা হয়। (ছোৱালীৰ ১২ বছৰ বয়সতে বিয়া পতা হয়)। মুছলমানসকলে প্ৰায়েই দুই-তিনিজনী বিয়া কৰায়। মাজে-সময়ে কিছুমান হিন্দুৱেও

OKDISCD

এজনীতকৈ বেছি বিয়া কৰায়। যদিও বিয়াৰ দিনাখনহে প্ৰথমবাৰৰ কাৰণে দৰা-কইনাই লগা পায়, পৰস্পৰৰ মাজত কিন্তু মৰম-চেনেহ অটুট থাকে। বছৰেকীয়া উৎসৱ বিয়া-বাৰু, আঙঠি পিন্ধোৱা আদিত গোটেই সমাজেই ভাগ লয় আৰু আন আন দেশৰ মানুহৰ দৰেই আনন্দত আপ্লুত হয়। তেওঁলোক নিজৰ নিজৰ ভাগ্যত সন্তুষ্ট আৰু সম্পূৰ্ণ সুখী। কম সম্পদৰ মাজত থাকিয়েই বেছি আনন্দ আহৰণ কৰিব পৰা ক্ষমতা তেওঁলোকৰ আছে। গাঁও ফুৰিবলৈ অহা মানুহে তামোল এখন খায়েই বা হুঁকাত কেই হোঁপা-মান মাৰিয়েই সন্তুষ্ট হয়। নিজৰ কৰ্তব্য কামত বাধা পৰিলেও বন্ধু-বান্ধৱৰ লগতেই হওক বা অচিনাকি মানুহৰ লগতেই হওক মেল মাৰি, ৰং-ৰগৰ কৰি সময় কটাই দিবলৈ মানুহবোৰে বৰ ভাল পায়। বয়সস্থ-সকলক মানুহে সাধাৰণতে বৰ সন্মান কৰে। বহুতো পিতৃ মাতৃয়ে নিজৰ সন্তানক বৰ বেছিকৈ মৰম কৰি লাই দিয়ে। এফালে চোকা শাসন আৰু আনফালে অত্যধিক অপত্য স্নেহৰ দোমোজাত ল'ৰা-ছোৱালী বিলাকৰ ভাল বেয়া আচৰণৰ জ্ঞান নোহোৱা হয়।

মানুহৰ মাজত ঘোচ দিয়া আৰু লোৱাটো অতি বেছি।

### আমীৰণৰ বিয়া

১৮৯৭ চনৰ ২৭ মে'ৰ দিনপঞ্জীত জেছিয়ে আমীৰণ বোলা নগাঁও চহৰৰ মুছলমান ছোৱালী এজনীৰ বিয়াৰ কথা এইদৰে বৰ্ণাইছে:

এদিন আমীৰণৰ মাকে মোক কৈছিল যে অতি সোনকালে আমীৰণৰ বিয়া নগাঁৱৰ সকলোতকৈ ধনী মুছল-মানজনৰ ল'ৰাৰ লগত হ'ব।

কালি বিয়াখন হৈ গল। আমীৰণৰ মাকে মোক বিয়ালৈ মাতিছিল। আমীৰণেও চিঠি এখন দি মোক চাবলৈ বিচাৰিলে। আবেলি ৫ বজাত মই গলো। আমীৰণৰ মাকে মোক ভিতৰৰ চোতাললৈ লৈ গ'ল। তাতে নগাঁৱৰ শিক্ষিত আৰু সম্ভ্ৰান্ত মুছলমান-সকল গোট খাইছিল। আগতে মই ইমান ভাৰতীয় গহনা আৰু সাজ-পোছাক একেলগে দেখা পোৱা নাছিলো।

বাৰ বছৰীয়া কইনাজনীয়ে ৰঙা ছাটিনৰ মেখেলা পিন্ধিছিল। তাইৰ ৰ'ঙা ছাটিনৰ ধুনীয়া জেকেটত ৰঙা গোলাপ ফুল তোলা আছিল। তাইক ইমানবিলাক গহনা পিন্ধোৱা হৈছিল যে নিশ্চয় তাই সেইবোৰ বোজা যেন পাইছিল। তাই ডিঙিত পাঁচ ধাৰ সোণৰ নেকলেছ, কাণত দুযোৰ ইয়েৰিং আৰু হাতত দুয়োৰ খাৰু পিন্ধিছিল। ভৰিত ৰূপৰ এংকলেট আৰু মূৰত চিতি-পতি পিন্ধিছিল। কইনাজনী ধুনীয়া পাটি এখনৰ ওপৰত বহি আছিল আৰু ধুনীয়া ধুনীয়া সাজ-পাৰ আৰু গহনা পিন্ধা তাইৰ বান্ধৱীবোৰে তাইক বেঢ়ি বহি আছিল। কিছুমান বয়সীয়া তিৰোতাই পাটৰ শাৰী আৰু ছাটিনৰ জেকেট পিন্ধি-ছিল। তেওঁলোকে ভাত আৰু মাংসৰ আঞ্জাৰে ভোজ খাইছিল। যিসকল ৰাতিলৈকে বিয়াঘৰত থাকিব তেওঁ-লোকক আকৌ খুৱাব। পাছদিনা পুৱা কইনাক এখন ঢকা পাল্কীত দৰা ঘৰলৈ নিছিল। এজনে মোক কলে যে তাত মৌলবীয়ে কোৰাণ পাঠ কৰিব আৰু দৰা-কইনাক উপদেশ দিয়াৰ লগতে দুয়ো পক্ষৰ সন্মতি অনুসাৰে মোহৰানা কিমান দিব সেয়া ঘোষণা কৰিব। মই দৰাজন দেখা নাছিলো; কিন্তু দৰাঘৰৰ আগেদি যাওঁতে দৰা ঘৰটো ধুনীয়াকৈ সজোৱা দেখিছিলো।

তাই যাতে সুখী হয় আৰু গিৰিয়েকৰ মৰম পায়, তাকেই কামনা কৰিলো।

### বৰ ভুঁইকঁপ ১৩ জুন, ১৮৯৭

কালি ১২ জুন শনিবাৰে আবেলি ৫-১৫ বজাত অসমত এতিয়ালৈকে হোৱা ভুঁইকঁপবোৰৰ ভিতৰত সকলো-তকৈ ডাঙৰ ভুঁইকঁপটোৰ জোকাৰণিৰ অভিজ্ঞতা হল। আমি সেইদিনা দেও-বৰীয়া শিক্ষকসকলৰ সভা শেষ কৰি উঠিছোঁহে এনেতে, পৃথিৱীখন কঁপিবলৈ ধৰিলে। আমি দৌৰি ঘৰৰ বাহিৰলৈ আহিলো। জোকাৰণি ইমান ডাঙৰ হ'ল যে আমি পৰি যাওঁ পৰি যাওঁ হলো। আমাৰ ঘৰবিলাক হালিবলৈ ধৰিলে। দুই মিনিট জোৰা জোকাৰণি শেষ হোৱাৰ লগে লগে বহুতো ঠাইত মাটি ফাটি ওপৰলৈ পানীৰ নিজৰা ওলাবলৈ ধৰিলে। যেনি তেনি ডাঙৰ-ডাঙৰ ফাঁট মেলিলে আৰু বহুতো ঠাই এফুটৰপৰা ছফুটমানলৈকে বহি গ'ল। এনে নোহোৱা-নোপজা ঘটনাত বহুতে মহাপ্ৰলয় হল বুলি ধৰি ললে। খৃষ্টান-সকল দৌৰি দৌৰি আমাৰ চৌহদ পালেহি। কিছুমানে আটাহ পাৰিবলৈ ধৰিলে আৰু কিছুৱে প্ৰাৰ্থনা কৰিবলৈ ধৰিলে। আমাৰ ঘৰবিলাকৰ বেৰবিলাক খহি পৰিল। ঘৰবিলাক পৰি নগল যদিও খুটাবিলাক এনেকৈ বেকাবেকি হল বা ভাগিল যে মেৰামতি কৰিবলৈ কেইবাশও টকাৰ প্ৰয়োজন হব।

গোটেই ৰাতি আৰু আজিও আধা ঘণ্টাৰ মূৰে মূৰে জোকাৰণি আহি আছে। মিছনৰ ১২ টা কুঁৱা বালিৰে পোত গ'ল। এটা কুঁৱা আজি খান্দি উলিয়ালে যদিও ভিতৰত বেৰ বেয়াকৈ ফাটিছে। বৰ চাহাবৰ ঘৰ, কেছাৰী, ছাৰ্কিট বঙলা আৰু ইংৰাজী স্কুলখনৰ ঘৰ ইমান বেয়াকৈ ক্ষতি গ্ৰস্ত হ'ল যে এইবোৰ আকৌ নতুনকৈ সজাব লাগিব। ইটাৰ ঘৰবিলাক বেয়াকৈ ভাগিল। যোৱা ৰাতি ভালকৈ শুব নোৱাৰিলো। খৃষ্টানসকলে মিছনৰ চৌহদলৈ আহি মজিয়াত শুবলৈ চেষ্টা কৰিছিল। টেলিগ্ৰাফৰ খুটা বিলাক উভালি পৰিল, ৰেল লাইন আৰু দলঙ-বিলাকৰ এনে অৱস্থা হ'ল যে ৰেলৰ চলাচল বন্ধ হৈ গ'ল। শুনিবলৈ পোৱা মতে বহুতো গাঁও ধ্বংস হ'ল আৰু নৈৰ পাৰৰ আলিবাটটোত কেইবা-টাও ডাঙৰ ফাঁট মেলিলে। বহুতো সৰু-সৰু পুখুৰী বালিত পোত গ'ল।



শ্বিলঙৰ ধুনীয়া ধুনীয়া পকী ঘৰ-বোৰ ভাগি পৰিল আৰু দুজন ইউ-ৰোপিয়ানৰ মৃত্যু হল। শ্বিলঙৰ গাঁও বিলাক বৰ বেছিকৈ ক্ষতিগ্ৰস্ত হল। কিছুমান মাটিৰ তলত সোমাই নোহোৱা হল। শ-শ খাছিয়া আৰু গাৰো মানু-হৰ মৃত্যু হ'ল।

### নিশিকান্তৰ বিপদ
### ১৫ ফেব্ৰুৱাৰী, ১৮৯৯

আমেৰিকাত থাকোঁতেই মোৰ স্বামীয়ে চিঠিত নিশিকান্ত বোলা হিন্দু ডেকা এজনক খৃষ্টান ধৰ্মলৈ ধৰ্মান্তৰিত কৰাৰ কথা লিখিছিল। নিশিকান্তৰ হিন্দু বন্ধু-বান্ধৱসকলে তেওঁ খৃষ্টান হোৱাটো ভাল পোৱা নাছিল। কিছুমানে তেওঁৰ বিৰুদ্ধে টকা ৫০ টা ঠগি লোৱা বুলি মকৰ্দমা তৰিলে। খৃষ্টান হোৱা কাৰণে জুলুম দিবলৈকে এই মিছা মকৰ্দমা তৰা হৈছিল। ভাৰতীয় সহকাৰী আয়ুক্ত-জনেও বিচাৰত নিশিকান্তক জগৰীয়া কৰি শাস্তি বিহিলে। নিশিকান্তই আপীল কৰিব লগীয়া হ'ল।

ইতিমধ্যে নিশিয়ে শান্তি বোলা খৃষ্টান ছোৱালী এজনীক প্ৰেমত পৰি বিয়া কৰালে। গীৰ্জাত পতা এই বিয়া-খন চাবলৈ বহুতো মানুহ আহিছিল। হিন্দু আৰু মুছলমান সম্প্ৰদায়ৰ মানুহো আহিছিল; কাৰণ বিয়াখনে চাঞ্চল্যৰ সৃষ্টি কৰিছিল। নিশিকান্তই ভাবিছিল যে বিয়া হৈ যোৱাৰ পাছত তেওঁৰ বন্ধুবিলাকে হিন্দু ধৰ্মলৈ ঘূৰি যাবলৈ তেওঁক জোৰ নকৰিব।

পাছত নগাঁৱৰ চিঠিৰপৰা আকৌ জানিব পাৰিলো যে নিশিৰ দেউতাক আৰু ককায়েক ৩০০ মাইল দূৰৰ ঢাকাৰ পৰা আহি নিশিকান্তক পুনৰ হিন্দু ধৰ্মলৈ ওভতাই নিবলৈ চেষ্টা কৰিছিল। মোৰ স্বামীয়ে লিখিছিল:

কালি তেওঁলোক ইয়ালৈ আহিছিল আৰু মোৰ লগত সবিশেষ কথা পাতিলে। বাপেকজন ৬৫ বছৰীয়া সম্ভ্ৰান্ত মানুহ। লৰা খৃষ্টান হোৱাত তেওঁ মৰ্মান্তিক দুখ পাইছিল। তেওঁ জনালে যে নিশিকান্তৰ মাকে খবৰটো পোৱাৰ লগে লগে ডিঙিত ছিপজৰী লবলৈ চেষ্টা কৰিছিল।

আমাৰ ঘৰত এঘণ্টামান সময় আলোচনা কৰি আমি নিশিকান্তৰ শহুৰেক চিকনৰ ঘৰলৈ গলো। বুঢ়া-জনে বোৱাৰীয়েক আৰু মাকক চাবলৈ ইচ্ছা কৰিলে। নিশিকান্তৰ দেউতাক, তেওঁৰ আনটো ল'ৰা আৰু চিকন মোৰে সৈতে মুখৰ কোঠাটোত বহিছিল। বহুতো পলম কৰি শান্তিৰ মাক সেন্দুৰীয়ে ওলাই আহি নিশিকান্তৰ দেউতাকক নমস্কাৰ জনালে। অলপ পাছতে গধুলি বোলা ছোৱালীজনীয়ে এখন কাঁহৰ কাঁহীত কাপোৰেৰে ঢাকি মাননি আনি বুঢ়াজনৰ ভৰিৰ কাষত থলে। তাৰ পাছতে দেউতাকৰ লগত অহা বাহিৰা মানুহ কেইজনক কোঠাটোৰ পৰা ওলাই যাবলৈ দিলে। মানুহ কেইজন ওলাই যোৱাৰ পাছত শান্তিয়ে ওৰণিৰে মুখ ঢাকি মানুহজনক সেৱা কৰি ভৰি দুখনত চুমা খালে আৰু ওচৰতে আঁঠু লৈ থাকিল। বুঢ়াই বোৱাৰীয়েকৰ মুখখন চাব খোজাত গধূলিয়ে ওৰণিখন আঁতৰাই দিবৰ চেষ্টা কৰিও নোৱাৰিলে। শান্তি সাউৎ কৰে ভিতৰ সোমাল। বুঢ়া হতাশ হল। বহুতো বুজোৱা বঢ়োৱাৰ মূৰত শান্তি আকৌ আহিল আৰু ওৰণি দাঙি মুখখন দেখুৱালে। নিশিৰ দেউতাকে সেন্দুৰীৰ লগত কথা পাতি নিশিকান্তক ঢাকালৈ গৈ বুঢ়ী মাকক এবাৰ চাই আহিবলৈ দিবলৈ অনুৰোধ জনালে। লগতে এইটোও কলে নিশিকান্ত ঘূৰি নগলে বুঢ়ী বেজাৰতে মৰিব। সাতোটা ল'ৰা-ছোৱালীৰ ভিতৰত নিশিকান্তই সকলো-তকৈ সৰু আৰু মাকৰ বৰ মৰমৰ।

এঘণ্টামান থকাৰ পাছত নিশিকান্তৰ দেউতাক আৰু ককায়েকে মাননিত দিয়া ৫ টকা চিকাৰ্দ্ধপ, চাৰিটকা দামৰ তিনি যোৰা নতুন কাপোৰ লৈ যাবলৈ উঠিল। নিশিকান্তয়ো দেউতাকৰ দুয়ো ভৰিত ধৰি সেৱা কৰিলে; কিন্তু তেওঁ দেউতাকৰ লগত যাবলৈ অমান্তি হল।

আজি তেওঁলোকে নিশিকান্তৰ বাপেকলৈ চাউল, মহৰ ঘিঁউ, মাছ আদিৰ সিধা দি পঠালে আৰু ঘটনাটো মানি লোৱাৰ চিন স্বৰূপে তেওঁলোকে বস্তুখিনি ৰাখিলে"।

১৮৯৯ চনৰ ২৫ ডিচেম্বৰত লিখা শেষ টোকাত জেছিয়ে লিখিছিল: "কালি অসমৰ মাটিত ভৰি দিয়া কুৰি বছৰ পূৰ্ণ হল। এই দিনপঞ্জীৰ লিখনীয়ে ইমানদিনে মোক যথেষ্ট আনন্দ আৰু সকাহ দিলে। এই লিখনী যদি অদূৰ ভৱিষ্যতত পৰমপিতা পৰমেশ্বৰৰ ফুলনিৰ এই এচুকত থকা অসমত ধৰ্ম প্ৰচাৰৰ কামত সহায়ক হয় আৰু যদি ই পৰমেশ্বৰৰ কৰুণাৰ মহিমা প্ৰচাৰ কৰে তেনেহলে মই নিজকে ধন্য মানিম। বিদায়।"




'সৰ্বগুণাকৰ' শ্ৰীমন্ত শংকৰদেৱ আমাৰ দেশৰ বুৰঞ্জীৰ এক গুৰুত্বপূৰ্ণ ব্যক্তি আৰু অসম বুৰঞ্জীৰ আটাইতকৈ শক্তিমান চিন্তানায়ক।

**ধন্য নৰ তনু ভাল**



জাতপাতহীন এক মুক্ত মানৱ সমাজ গঠনৰ স্বপ্ন আৰু সংস্কাৰৰ বন্ধনৰ পৰা মানুহক মুক্ত কৰাৰ উন্মাদনা লৈ তেওঁৰ এই বিশাল লুইতৰ পাৰত আৱিৰ্ভাৱ। মানৱ মুক্তিৰ প্ৰেক্ষাপটত লুইতৰ বিস্তীৰ্ণ পাৰক মহামানৱৰ মিলন তীৰ্থ কৰি তুলিছিল। 'ধন্য নৰ তনু ভাল'—এই বাণী উচ্চাৰিত হওঁতে তেওঁ মানৱ জীৱনৰ মহিমাকে ঘোষণা কৰিছিল—এই বিশ্ববীক্ষাৰ প্ৰেক্ষাপটতে মালিক চাহাবে 'অসমৰ গুৰু' আমাৰ জাতীয় জীৱনৰ সবাতোকৈ শ্ৰেষ্ঠতম মনীষী, শিল্পী, সংস্কাৰক শংকৰদেৱৰ বিশাল কৰ্মময় জীৱনক ভিত্তি কৰি লিখা এক দুঃসাহসিক মহৎ উপন্যাস। কাল-নিৰপেক্ষ। কিন্তু সত্য বুলি যদি কিবা থাকে সি নিশ্চয় মহাকালৰ মহাফেজখানাত জমা থাকিবই। সেই সত্যকে—সেই উপলব্ধিকে তেখেতে আকৌ চিহ্নিত কৰি থৈ যাব খুজিছে। এগৰাকী অৱতাৰী পুৰুষ বা ধৰ্মগুৰু হিচাপে নহয়—এগৰাকী তেজ মঙহৰ ব্যক্তি হিচাপেহে—'যা কেৰি নাহিকে উপাম'—মালিক চাহাবে এই বিশাল মহৎ গ্ৰন্থখনিত চিহ্নিত কৰিছে—সেই মহাজীৱনৰ জ্যোতি ৰেখা।

প্ৰচ্ছদ: বেনু মিশ্ৰ

মূল্য: ৫০·০০

**ষ্টুডেণ্টচ্ ষ্ট'ৰচ্: গুৱাহাটী-১**




OKDISCD

# 'কবচ'

ভূপেন চৌধুৰী

ছিটি বাছৰপৰা নামিয়েই ছিনেমা হলটোলৈ বুলি ঢাপলি মেলিলো। টিকটৰ আশা নাই,—তথাপি। নহলে কাষতো আৰু দুটা ছিনেমা হল আছেই! পিছে তাৰে এটাত বৰ উঁৱহৰ কামোৰ আৰু তাত বা দিছে কি? ছিচাপ-নিকাচ কৰি আগ-বাঢ়িছো। হঠাৎ সন্মুখৰপৰা বিৰাট হলো চোলা পিন্ধা দুজন যুবকক বায়ু-বেগে অহা দেখিলো। গোটেই ফুট-পাথটো একেবাৰে ঘেৰি আহিছে। সিহঁতৰ খোজ-কাটল দেখি অলপ ভয়েই লাগিল। কাষেৰে পাৰ হৈ যাওঁতে এজনে এখুন্দা লগাই গ'ল। লগতে এটা অশ্লীল মাত।

ছিনেমা হলটো পালোগৈ। বাপৰে! কি মানুহ! বিৰাট হুলস্থুল। টিকট লোৱা মানুহৰ শাৰী দেখি ছিনেমা চোৱাৰ আশা বাদ দিলো। মানুহবে বেহ-ৰূপ চাওঁ বুলি অলপ থিয় হলো। লাইনৰ বাহিৰত দেখিলো—কেইজনমান হলো চোলা পিন্ধা আধুনিক যুবক—। ঠিক ফুটপাথত দেখা দুজনৰ দৰে। সিহঁতে সকলোকে আওকাণ কৰি লাইনৰ বাহিৰেৰে টিকট লোৱাৰ প্ৰয়াস কৰা দেখি, নীতি-নিয়ম মানি চলা এজন 'পিছপৰা' ভদ্ৰলোকে সিহঁতক মৃদু ভাষাৰে কিবা এটা ক'লে। প্ৰত্যুত্তৰত আধুনিক যুবক কেইজনে কেইটামান অকথ্য অশ্লীল শব্দ মাতি মানুহজনক 'নাক ভাঙি দিম' বুলি ক'লে। ভদ্ৰলোকজন মনে মনে থাকিল। মযো ভেবা লাগি চাই থাকিলো। অলপ পাছতে মাস্তান কেইজনে টিকট লৈ সগৌৰৱে ওলাই আহিল। 'হাউচ ফুল'ৰ লাইট জ্বলি উঠিল। কি কৰোঁ এতিয়া? একো কৰিবলৈ নাই। ওচৰৰ বজাৰ অঞ্চলত এনেয়ে এপাক মাৰিলো।

এটা কথা মোৰ বাককৈয়ে চকুত পৰিল। চাৰিওপিনে ছিনেমা ঘৰত দেখাৰ নিচিনা পখৰা-পখৰী হলো চোলা পিন্ধা যুবকৰ পয়োভৰ। সিহঁতৰ চাল-চলন কথা-বতৰা ইত্যাদি কিবা সৰ্ব-সাধাৰণ মানুহৰ লগত দেখোন নিমিলে! সিহঁতে অনায়াসে ছোৱালী জোকাব পাৰে, কাজিয়া কৰিব পাৰে, অকথ্য মাত মাতিব পাৰে। যেন সেই চোলাটোতে কিবা যাদু আছে!

মই ঘৰলৈ উভতিলো। ঘৰ সোমো-ৱাৰ লগে-লগে দেউতাই ক'লে,—"কি অ' মইনা, টিকট নাপালি? মই কৈছিলোৱেই নহয়!"

মই একো নামাতিলো। কথা কবৰ মোৰ মনেই নোযোৱা হ'ল। মোৰ চকুত মাথোঁ ভাঁহি থাকিল এটা হলো চোলা। নিশা বিছনাত পৰিও মই সেই চোলাটোৰ কথাকে ভাবি থাকিলো। মোৰ ভাব হ'ল—মই যেন বহুত পিছ পৰি আছোঁ। ছিনেমা এখন চাবলৈ গৈ টিকট নাপাই ঘূৰি আহোঁ? এনে ডেকাটো মই?

এটা সময়ত মোৰ টোপনি আহিল। কি অসংলগ্ন সপোনবোৰ যে নেদেখিলো!

ৰাতিপুৱা চাহ খাই উঠি মই এটা প্লেন বনালো। মযো আধুনিক হ'ম। মোৰ পুৰণিকলীয়া পেণ্ট-ছাৰ্টবোৰ দেখি চাগে' সেই এডভানৃছড ডেকাবোৰে হাঁহে। নাই নাই, মই কিয় হাঁহিয়াতৰ পাত্ৰ হ'ম? ছিনেমা চাবলৈ গৈ টিকট নাপাই ঘূৰি অহাটো, কিমান লাজৰ কথা! ছিঃ! মোৰ নিজৰ ওপৰতে ধিক্কাৰ জন্মিল। দুপৰীয়া সোনকালে ভাত লাগিব বুলি মাক ক'লো। বাৰ বজাতে ভাত খাই উঠি স্কলাৰশ্বিপৰ টকা কেইটা জেপত ভৰাই পুনৰ ওলালো। তিনিবছৰ আগৰে এটা টাইট পেণ্ট আছিল। আজি সেই-টোকে পিন্ধি ললো। ছিটি বাছৰপৰা নামিয়েই আজি মই ফুটপাথতে থকা কাপোৰৰ দোকানবোৰৰ সন্মুখত ৰ'লো। মোৰ জোখৰ? —নহয় এইবোৰ চোলাৰতো কোনো জোখ নাই! যিমানে লুজ হয়, যিমানে ভাল। বিৰাট সোলোক-ঢোলোক চোলা এটা কিনি ট্ৰায়েল দিয়াৰ ছলতে পিন্ধি ললো। ঘৰৰপৰা পিন্ধি অহাটো তলতে থাকিল। টকা কেইটা দলি মাৰি দি খোজ ললো সেই ছিনেমা হলটোৰ ফালে। লাহে লাহে মোৰ স্পিড বাঢ়ি গল। বিপৰীত পিনৰ পৰা অহা মানুহ এজনৰ লগত মোৰ খুন্দা লাগিল। খঙে মোৰ মুৰৰ চুলিৰ আগ পালেগৈ। দিওঁ নেকি খোঁচা এটা সোধাই? বাদ দে। যা ছালা। উঃ! আজিও কি মানুহ! কিন্তু আজি মই টিকট লবই লাগিব। শাৰীত থকা মানুহবোৰ মোৰ অন্য-গ্ৰহৰ প্ৰাণী যেন লাগিল। মই বেৰৰ কাষেৰে বগুৱা বাই টিকট দিয়া খিৰিকিৰ কাষ চাপিবলৈ যত্ন কৰিলো। কোনোবা, এজনে চিঞৰিলে, —"হেৰা, লাইনলৈ আহাঁ।"

"কোন ছালা?" —মোৰ মুখেৰে লগে লগে ওলাই আহিল। মই আজি কাকৈকো পৰোৱা নকৰোঁ। চোলাটো পিন্ধাৰে পৰা মই এটা সাংঘাতিক ধৰণৰ জোৰ পাইছোঁ। মই যেন অইন এটা প্ৰাণীলৈ ৰূপান্তৰিত হৈছোঁ। এটা সময়ত মই টিকেট লৈ ওলাই আহিলো।

পৰ্দাত এটা অশ্লীল দৃশ্য দেখি মোৰ চিঞৰি দিবৰ মন গ'ল। মোৰ আশে-পাশে থকা "ভদ্ৰলোক-ভদ্ৰ-মহিলা" সকলৰ অস্তিত্ব মই পাহৰি গলো। এটা অশ্লীল শব্দ চিঞৰি দিলো। পাছ মুহূৰ্ততে মোৰ মনলৈ সাহ আহিল। কোনে কয় সেইটো অশ্লীল শব্দ? তাৰ পাছত এবাৰ— দুবাৰ— বহুবাৰ চিঞৰিলো। মোক বাধা দিবলৈ কোনো নাই। কোনে দিব? কোনো-বাই মাতিব— তাৰ নাক মই চেপেটা কৰি দিম। ছিনেমা শেষ হ'ল। আঃ! ইমান গৰম! ইমান সোনকালে ঘৰলৈ গৈ কি কৰিম? অলপ ঘূৰি ফুৰাকে যাওক। ফুটপাথত হাত-বুকু পেট উলি-য়াই কাপোৰ— পিন্ধা মহিলা, গাভৰু-বোৰ দেখি মোৰ বৰ ভাল লাগি গ'ল। মোৰ জোকাবৰ মন গ'ল। "বাঃ ভণ্টি, বৰ— ভাল লাগিছে দেই।"

৬১পৃষ্ঠাত চাওক







# নিৰ্বাসন

ফুল গোস্বামী

'তাই'ক দ্বীপান্তৰ কৰাৰ বাহিৰে মই কোনো বিকল্প উপায় ভাবি পোৱা নাই। অহোৰাত্ৰি অনিয়ন্ত্ৰিত সন্তানৰ মাতৃত্বৰ যন্ত্ৰণা হৈ তাই মোক ক্ষত-বিক্ষত কৰে। ধুনীয়া ফুলপাহৰ নিমজ সৌন্দৰ্য মোৰ দৃষ্টিৰপৰা কাঢ়ি নি সন্ধিয়াৰ মৰহা ৰূপটো তায়েই মোৰ চকুৰ আগত দাঙি ধৰে। ভনীয়ে চোলাটো ফাটি যোৱা বুলি কোৱাত ভনীলৈ পিতাই এটা ধুনীয়া চোলা আনিছিল। মোকো এটা চোলা লাগে বুলি পিতাক ক'ব খোজোঁতেই তাই মোৰ মুখত সোপা মাৰি ধৰিলে। তাইৰ বাবেই এনেদৰে দিনৰ পাছত দিন কিছুমান অভিমানে কৰবাত এটু-কুৰা ঠাই ভীষণ গধুৰ কৰি তুলিলে। ভিন-ভিন সময়ত খবৰদাৰী তৰ্জনী আঙুলি টোঁৱাই 'কাৰো ওচৰত ভিক্ষা খুপুজিবি' বুলি সাৱধানবাণী শুনাই তাই মোৰ কৈশোৰৰ বহুতো স্বাভাৱিক হেঁপাহ স্তব্ধ কৰি পেলালে। প্ৰবল বাধাৰ সৃষ্টি কৰি চিৰদিন মোক সুস্থ জীৱন এটাৰ পৰা বিচ্ছিন্ন কৰি ৰাখিলে।

জীৱনৰ সৈতে কোনো সম্বন্ধ নথকা কিছুমান অনুভূতি 'তাই'ৰ উদগণিতেই প্ৰশ্ৰয় দিয়াৰ ফলত নিজৰ লগতে পাৰ্শ্ববৰ্তী বহুতো জীৱনৰ শান্তিভংগ হ'ল। সেই অনুভূতিৰ প্ৰতি থকা উষ্মা ইমান তীব্ৰ আছিল যে পৃথিৱীত বাস কৰিবৰ বাবে প্ৰয়োজনীয় যোগ্যতাখিনি মই কোনো দিনেই আয়ত্ত কৰিব নোৱাৰিলো। গতিৰ বিপৰীতে যাব খোজা, ব্যৱহাৰিক-জ্ঞান-ৰহিত, কল্পনা বিলাসী, অপদাৰ্থ বুলি মানুহবোৰে গছকি যোৱাৰ পাছতো মই সতৰ্ক নহলো; বৰং তাইৰ সান্নি-ধ্যত মই এটা বিশেষ উন্মাদনা অনুভৱ কৰিবলৈ ধৰিলো।

গৰমৰ বন্ধৰ সন্ধিয়াবোৰত চোতা-লত পাটি পাৰি লেমৰ পোহৰত পিতাই মহাভাৰত পঢ়িছিল। কাষতে পেট পেলাই, দুহাতত মুখ এৰি দি, একমনে ভীমৰ শক্তি, অৰ্জুনৰ শৌৰ্য-বীৰ্য, যুধিষ্ঠিৰৰ ধীৰ প্ৰশান্ত চৰিত্ৰৰ মাজত, ডুবি যোৱা মোৰ কৈশোৰৰ শৰীৰ, মনত বগাই থাকে 'তাই'। সূৰ্যকন্যা তপতীক পাবলৈ প্ৰখৰ সূৰ্যৰ প্ৰতি দৃষ্টি নিক্ষেপ কৰি কঠোৰ তপস্যা কৰা সম্বৰণৰ অনন্য একক প্ৰেমৰ আকুলতাত মোৰ শৰীৰত বিদ্যুৎ প্ৰবাহিত হ'ল। যুগে যুগে নাৰীয়ে পুৰুষক পাবলৈ কঠোৰ ত্যাগ কৰিছিল; পুৰুষে কৰা নাছিল। শক্তিশালী হ'লেও অৰ্জুনৰ প্ৰেমৰ একক তীব্ৰ অনুভূতি নাই। আনহাতে পূৰ্ণ অৱগাহন কৰিব পৰাকৈ যুধিষ্ঠিৰৰ প্ৰেমৰ উত্তাল তৰংগ নাই। সম্বৰণৰ ছবিখনৰ বুকুৰ সোঁ-মাজতে মূৰ্ত স্পৰ্শকাতৰতা আৰু আকু-লতা আধা জুলীয়া অৱস্থাত চিক-মিকাই থকা দেখিবলৈ পালো। আৰু তাতেই থৰ হৈ ৰৈ থাকিল মোৰ হেঁপাহ।

ভাৰ্গৱ আহিল। ভাৰ্গৱৰ মাজত সম্বৰণৰ 'ইমেজ' বিচাৰি চালো। ভাৰ্গৱৰ দৃষ্টিত, ব্যৱহাৰত সম্বৰণৰ আকুলতাবোৰ সিঁচি দিলো। প্ৰথমতে তেওঁ অলপ অবাক হ'ল, পাছলৈ আমনি পাবলৈ ললে। জীৱন আৰু সময়ৰ বিৰুদ্ধে মোৰ অসহযোগ আৰম্ভ হ'ল। ভাৰ্গৱে আওকাণ কৰি কিছু আঁতৰি গ'ল বাবেই মই তেওঁক প্ৰচণ্ড গতিত ঠেলি দিলো। মোৰ বৰ কষ্ট




OKDISCD

হবলৈ ধৰিলে। ক্ষয় ৰোগগ্ৰস্ত মানুহৰ দৰে ভিতৰি ভিতৰি মোৰ অৱক্ষয় আৰম্ভ হ'ল। আৰু সেই অৱক্ষয় চাই মই বিকৃত আনন্দ পাবলৈ ধৰিলো। ভাৰ্গৱ আৰু দূৰলৈ গ'ল। নিবিড় অন্তৰংগতাৰ ধ্যান-ধাৰণা চিৰাচিৰ হৈ গ'ল।

এই ব্যাধিটোৱে মোক এনেদৰে বিকলাংগ কৰি পেলালে যে সেই ঠেক গণ্ডীৰ পৰা নতুন মুকলি পৰিবেশ এটালৈ বাট বুলিবৰ বাবে মোৰ হেঁপাহ নোহোৱা হ'ল। নিজৰ অক্ষমতাৰ বাবে ভাৰ্গৱকেই পৰোক্ষভাৱে জগৰীয়া কৰিলো। অন্ধৰ হস্তীদৰ্শনৰ দৰে কোনো বস্তুৰে পূৰ্ণজ্ঞান নোহোৱাকৈয়ে, নিজৰ ৰুচিৰ অনুকূলে আমি কিছুমান ধাৰণা কৰি লওঁ।

মোনা লৈ, টোপোলা লৈ, কিতাপ লৈ মানুহ বাছে মটৰে দৌৰি ফুৰিছে। কোনোবা ঠিকাদাৰক লগ ধৰিবলৈ গৈছে, কোনোবা অস্ত্ৰোপচাৰৰ বাবে টেবুলত পৰি থকা প্ৰিয়জনৰ বাবে দৌৰিছে আৰু কোনোৱা বশিষ্ঠৰ নিৰিবিলিত নিঃশব্দতাৰ শব্দ শুনিবলৈ গৈছে। কোনো ক'তো ৰৈ থকা নাই। মই মাথোঁ সেই একেটা বিন্দুতে ৰৈ সিন্ধুৰ ভাবনাত থাকি গলো। কবিতাৰ স্তবকে স্তবকে, কেতিয়াবা গীতৰ শব্দ আৰু সুৰৰ বিমূৰ্ততাত তাহানিৰে সেই অৰ্ধ জুলীয়া পদাৰ্থখিনিৰ মূৰ্ততা বিচাৰি ফুৰিলো। জনতাৰ ভীৰত, মানুহৰ


হোমেন বৰগোহাঞি
সাউদৰ পুতেকে নাও মেলি যায়

হোমেন বৰগোহাঞিৰ শেহতীয়া শক্তিশালী উপন্যাস। কেৱল এগৰাকী সাংবাদিক আৰু বুদ্ধিজীৱিয়েই নহয় শ্ৰীবৰগোহাঞি অসমীয়া কথা-সাহিত্যৰ এগৰাকী শক্তিশালী স্ৰষ্টা।
নিভীক অথচ মানৱদৰদী, ক্ষুৰধাৰ সমালোচক অথচ সংবেদনশীল এই গৰাকী কথাশিল্পীৰ অসমীয়া উপন্যাসলৈ অৱদান সৰ্বজন সমাদৃত। মূল্য: ১৮·০০
ষ্টুডেণ্টচ ষ্টৰচঃ গুৱাহাটী-১


'এনাষ্টেটিক' বুকুৰ ভিতৰত নিবিড় অন্তৰংগতাৰ যথাৰ্থতা বিচাৰি হাবাথুৰি খালো। তথাপি বুজি নাপালো— মানুহে মানুহক নিজৰ অভিৰুচি মতে বনাব নোৱাৰে। সকলো মানুহৰে এটা সুকীয়া সত্বা থাকে। সেইখিনি মোহাৰি পেলাবলৈ গলে মানুহে স্বতঃস্ফূৰ্ততা হেৰুৱাই বান্দৰ হৈ যায়।

ছন্দপতন কম-বেছি পৰিমাণে সকলোৰে জীৱনত হয়। কিছুমানে স্বাভাৱিক বুলি গ্ৰহণ কৰে, কিছুমানে বাধ্য হৈ মানি লয়। কৰবীৰো দুই এডাল চুলি পকিছে। ষোল বছৰৰ গুণ গুণ সুৰবোৰ চকী-মেজ-আলমাৰী-মিটছেফ, দাইল, চেনি, শাক-পাচলি, পুতেকৰ টিউছনৰ ভীৰত হেৰাই গৈছে। তাইৰ পৃথিৱীতো আউসীৰ অন্ধকাৰত জোনাকী পৰুৱাই পথ খেপিয়াই ফুৰে; কিন্তু মোৰ দৰে তাই কোনো নিৰন্ধ্ৰ অন্ধকাৰত নিজে জোনাকী পৰুৱা হৈ নাযায়। শ্যামল গংগোপাধ্যায়ৰ 'নিবাৰণ পাকড়াশি'য়ে মানুহৰ বুকুত কাটা-চামুচ সুমুৱাই দি "আত্মাৰ নীলচে আভা" বিচাৰি ফুৰাৰ দৰেময়ো মাথো অৰ্ধজুলীয়া পদাৰ্থটোৰ মূৰ্ততাতেই মগ্ন গৈ থাকিলো। এটা ধাৰণাৰ পিছে-পিছে দৌৰোঁতে ভৰিৰ পতা উৰ'লি গ'ল। নিস্ফলতাই মৃত্যুৰ জঠৰতা আনি দিলে

'তাই' নাই বাবে মোৰ বোধশক্তিয়ে কাম কৰিলে।

ভাৰ্গৱৰো যে মোক লৈ কষ্ট হ'ল, এই কথাখিনিকে মই চাবপৰা নাছিলো। ভাৰ্গৱেও মোৰ মাজত কোনোবা দীপালীৰ 'ইমেজ' বিচাৰি চাইছিল। শাৰীৰিক-মানসিক কমনীয়তাৰে পূৰ্ণ আৰু অনুগত এটা নাৰীমূৰ্তি। ভাৰ্গৱেও নাপালে। ত্যৰ পাছতো তেওঁ ঠিক মতেই গৈ আছে। ত্ৰিছৰ দশকৰ শেষ ভাগত ৰৈ আজিহে মোৰ মনলৈ আহিছে কেনেদৰে মোক লৈ ভাৰ্গৱে জীৱনৰ সৰাতোকৈ সুন্দৰ সময়খিনি কটালে! মইতো তেওঁৰ জীৱনৰ সুষমা বা সমৃদ্ধি একো হ'ব নোৱাৰিলো! বৰং পথে-পথে বৃহৎ শিলাখণ্ডৰ সৃষ্টি কৰি এজন সমৰ্থবান মানুহক জীৱনৰ গণ্ডীৰ বাহিৰলৈ টানি থাকিলো। নিজেও ক্ষোভতে একো নললো, ভাৰ্গৱেও যে একো নাপালে তালৈও মন নকৰিলো। সেয়ে 'তাই'ক মোৰপৰা বিচ্ছিন্ন কৰি দিলো। কৰবাত হয়তো পক্ষাঘাতৰ স্থবিৰতা আহিব। আহক। নতুন বোধত হয়তো আত্মহনন হ'ব। হওক। সেই কৰ্ষণ নিতান্তই আপোন আৰু ব্যক্তিগত। নিজৰ কষ্টখিনি ঠিক-ঠাক কৰি ল'বপৰা যায়। পোৱা-নোপোৱাত জীৱনৰ একো নাহে-নাযায়। তৃপ্তিয়ে যেনেকৈ জীৱনক ধৰি ৰাখিব নোৱাৰে অতৃপ্তিয়ে তেনেকৈ ভেটাও নিদিয়ে। ভাৰ্গৱেতো সকলোখিনি মানি লৈ সুন্দৰভাৱে গৈ আছে। মই কিয় থমকি ৰ'ব লাগে? নিবিড় অন্তৰংগতাত ডুবি যোৱাৰ হেঁপাহ বহুতৰে জীৱনলৈ আহে,— ভাৰ্গৱৰো আহিছিল। কিন্তু সেইটো হেঁপাহে ভাৰ্গৱৰ জীৱনলৈ বিভ্ৰান্তি অনা নাই। কৈশোৰ আৰু যৌৱনৰ চিনাকি পথটোৰ সৈতে বহুতো নতুন পথৰ সংযোগ হ'ল। ভাৰ্গৱে সেইবোৰ পথত সহজভাৱে খোজ কাঢ়িছে। মই মাথোঁ এটা পথতেই ঘূৰি ফুৰা বাবে নতুন পথ বিচাৰি নাপালো,—মনো নকৰিলো। প্ৰেমক জীৱনৰ সমগ্ৰতা বুলি ভুল কৰা বাবে বহুতো কথাই জীৱনত আওকাণ কৰিলো। ভাৰ্গৱে বহুতৰ দৰে প্ৰেমক জীৱনৰ অংশ হিচাপে লৈ বাকী অংশবোৰ পথে-পথে পোৱা মণি-মুকুতাবোৰেৰে পূৰ্ণ কৰি ললে। সেয়ে মোৰ দৰে ভাৰ্গৱৰ শূন্যতা নাই। জীৱনৰ ক্ষুদ্ৰ এক নিচাত তেওঁ বন্দী হৈ থকা নাই। পুত্ৰ, বন্ধু, স্বামী, পিতৃ ইত্যাদি বিভিন্ন ৰূপৰ সমতা অনায়াসে ভাৰ্গৱে ৰক্ষা কৰিছে।

মোৰো বৰ মন গৈছে সকলোৰে লগত একেলগে বহিৰলৈ। 'তাই' মোক মই হৈ থাকিবলৈ নিদিয়ে। নিষ্কৃতিৰ বাবে 'তাই'ক মই আঁতৰাই পঠিয়ালো। 'তাই' যোৱাৰ পাছতে মোৰ বৰ মুকলি লাগিছে। প্ৰথম



উৰিবলৈ শিকা চৰাই পোৱালিৰ নিচিনাকৈ ডালে-ডালে জপিয়াই ফুৰিবলৈ মন গৈছে। এই মুকলি ভাবটো কেনেকুৱা ধৰণৰ হ'ব পাৰে মই ঠিক ভাবি পোৱা নাই। খিৰিকীখনৰ কাষতে বহুদিন ধৰি থকা বনৰীয়া জোপোহাটো কাটি দিয়াৰ পাছত লগা মুকলি ভাব নেকি? নাই, নহয়। বয়সে ম্লান কৰা গাভৰু জীয়েকক সুপাত্ৰত দান কৰি নিশ্চিন্ত হোৱা পিতৃ-মাতৃৰ মুকলি ভাবটো নেকি? ও-হোঁ, নহয়। গ্ৰীষ্ম-বন্ধৰ আগদিনাখনৰ মুকলি ভাবটো নেকি? এটাও নহয়। বোধকৰোঁ এই মুকলি ভাবটো পত্নীৰ ৰূপলৈ পৰিবৰ্তিত নোহোৱা প্ৰেয়সীৰ দৰে তুলনাৰ উৰ্ধত।

ক্ৰমে মুহূৰ্তবোৰ আৰু বেছি সহজ হৈ আহিছে। ভাৰ্গৱ এতিয়ালৈকে পোৱাহি নাই বুলি নিঃসংগতাই মোক আজি আমনি কৰা নাই। গুপ্তাৰ ঘৰৰ পৰা ভাঁহি অহা বাঙালী গানে (তুমি আছ সবে আছে তুমি নেই কিছু নেই) আজি মোক ব্যতিব্যস্ত কৰা নাই। অথচ 'তাই' থকালৈকে এই বিকৃত আবেগিক তাড়নাটোৱে মোক ভোক-পিয়াহৰ দৰে কষ্ট দিছিল। সেয়েহে বোধহয় পেট ভৰাই খোৱাৰ পাছতো ৰেলৰে অ'ভাৰব্ৰিজৰ অৰ্ধজীৱিত প্ৰাণী কেইটাৰ পৰা নিজকে পৃথক বুলি কেতিয়াও নাভাবিলো।

বিছ বছৰ আগেয়ে ভাৰ্গৱ কামলৈ ওলাই যাওঁতে পদূলিৰ পৰা এবাৰ


মা
মেক্সিম গৰ্কি
বিশ্ববিশ্ৰুত ৰুছ উপন্যাসিক মেক্সিম গৰ্কীৰ অমৰ আৰু শ্ৰেষ্ঠতম কীৰ্তি 'মাদাৰ' বিশ্বৰ কথা-সাহিত্যৰ অমূল্য ৰত্নৰূপে চিৰদিনেই স্বীকৃত হৈ আহিছে অসমৰ প্ৰগতিশীল আন্দোলনৰ এগৰাকী অন্যতম বাটকটীয়া স্বৰ্গীয় যদুনাথ শইকীয়াই সৰল আৰু সাবলিলভাৱে অনুবাদ কৰা গৰ্কীৰ 'মা' অসমীয়া সাহিত্যলৈ এক অনবদ্য সংযোজন।
মূল্য: ৩৬·০০
ষ্টুডেণ্টচ্ ষ্টৰচ্ঃ গুৱাহাটী-১


উভতি নাচালে চৌপাশৰ গছপাতবোৰৰ সেউজীয়া ৰংবোৰ উৰ'লি গৈছিল। ভাৰ্গৱক ক'ব খুজিছিলো—মোৰ বৰ কষ্ট হৈছে। মোৰ টেটুত চেপি ধৰি 'তাই' মোক স্তব্ধ কৰি দিছিল। আজি মোৰ নিজৰ প্ৰতি পুতৌ হৈছে,— হাঁহিও উঠিছে। এজন মানুহৰ এটা দৃষ্টিৰ প্ৰতীক্ষাই জীৱনক অৰ্থহীন বা অৰ্থবহ নকৰে। তুচ্ছতাৰে ভৰা জীৱনত এই গভীৰ মগ্নতাৰ কিয়েই বা প্ৰয়োজন আছে? এইবোৰ কথাত জীৱনৰ একো নাহে-নাযায়। অথচ এইবোৰ তুচ্ছ কথাতেই মোৰ অকমাণি পৃথিৱীখন থুপ খাই আছিল। অইন মানুহৰো থাকে। কিন্তু তেওঁলোকে সময়ৰ সৈতে হাত মিলাই সেইবোৰ এৰি থৈ নতুনক কোঁচ ভৰি তুলি লয়। আজি ময়ো মোৰ হাত দুখন মেলি দিলো।

এসময়ত, নিঃসংগ মুহূৰ্তবোৰত "নিবাৰণ পাকড়াশি"ৰ মাজতেই মই আচ্ছন্ন হৈ আছিলো। আজিৰ এই মুহূৰ্তত সেইবোৰ ৰুগ্ন মানসিকতা বুলি ভ্ৰূকুটি কৰিব পাৰিছোঁ। বাছ ষ্টপত দেখি থকা পগলা মানুহজনৰ বুকুৰ ভিতৰত সোমাই পিত্-পিত্ কৈ বিমূৰ্ততাৰ সন্ধান কৰিবলৈ আজি আৰু মোৰ কোনো উৎকণ্ঠা নাই। এইবোৰ দুৰ্বল চিত্তৰ মানুহৰ দুখ-বিলাসৰ পৰিণতি বুলি, বা বৰ বেছি নিয়তি বুলি এটা সহজ সিদ্ধান্ত ল'ব পাৰিছোঁ।

জোনাকে পৃথিৱীখন বৰ ধুনীয়া কৰিছে। হঠাতে কাৰোবাৰ মৃদু পদ-শব্দত মূৰ তুলি চাই মই সন্ত্ৰস্ত হৈ গলো। নিচেই কাষতে 'তাই'। অবিন্যস্ত চুলিৰে ঢকা কোমল মুখত সজল মিনতি ভৰা এযুৰি চকু। সেই চকুৰ ভাষাৰ স্পষ্টতাত কোনো জড়তা নাই। মনটোৱে হাঁহাকাৰ কৰি উঠিল। মই তাইক সাৰটি ধৰিলো। 'তাই' থাকক, লাগিলে দুখো থাকক। সেই দুখ আমলখিৰ দৰে কেতিয়াবা মিঠাও হ'ব হয়তো। দুখ নাথাকিলে মোৰ নিঃসংগতা আৰু তীব্ৰ হ'ব। আমি আকৌ অভিন্ন হৈ গ'লো। তাইৰপৰা নিষ্কৃতি পোৱাৰ হেঁপাহ ম্লান হৈ গ'ল। আকৌ পুৰণি উন্মেষ প্ৰবাহিত হ'ল মোৰ শিৰাই-শিৰাই।

বাৰান্দাৰ চিৰি বগাই অহা জোতাৰ শব্দতো আমাৰ তন্ময়তা নাভাগিল। নিজকে যেতিয়া বিচাৰি পালো, তেতিয়া মোৰ কাষত ভাৰ্গৱ থিয় দি আছে। চকুৰ বিমূঢ় অসহায় দৃষ্টিত এটা প্ৰশ্ন— "মণিকা, তুমি সঁচাকৈয়ে পাগলী হৈছা নেকি?"

সেই প্ৰশ্নবোধক চিনটো মোৰ ভিতৰলৈ সোমাই গৈ থাকিল। নিজৰ স্বাৰ্থপৰতাক ক্ষমা কৰিব নোৱাৰিলো। আলফুলে তাইক সাৰটি ধৰি থকা মোৰ হাত দুখনলৈ লাহে-লাহে নৃশংসতা নামি আহিল। তাইৰ স্পন্দনহীন শৰীৰটো পিতনিটোত পেলাই দিলো। তাইৰ কাষত আৰু অসংখ্য মৃত হেঁপাহ।

মুখখন ঘূৰাই খিৰিকীৰে চাই পঠিয়ালো। উত্তৰ আকাশত অচঞ্চল ধ্ৰুৱতৰা। মোৰ জীৱন দৃষ্টি তাত স্থিৰ হৈ ৰ'ল। পোৱাত উন্মাদনা আছে; কিন্তু দিবপৰাত গভীৰ প্ৰশান্তি আছে। মোৰ প্ৰশান্তিৰ বৰ প্ৰয়োজন। ভাৰ্গৱৰ কাষ চাপি গলো। মুখখন কাষলৈ চপাই আনি হতাশা আৰু বিমূঢ়তাৰ ৰেখাবোৰ মচি দিলো দ্বিধাহীনভাৱে।




আঢ়ৈ কুৰি বছৰৰ (১৯৩৫-৮৫) আঢৈকুৰি নিৰ্বাচিত শ্ৰেষ্ঠ গল্প সংকলন। বৰ্তমান গ্ৰন্থখনিত তেখেতে দীৰ্ঘদিন ধৰি ৰচনা কৰা—বেলেগ বেলেগ পটভূমিৰ বেলেগ বেলেগ ধৰণৰ গল্প—যিখিনিয়ে ১৯৩৫ চনৰ পৰা ১৯৮৫ চনলৈকে পাঠক সমাজত এক আলোড়ন তুলিছিল—তাৰ মাজৰ পৰা নিৰ্বাচন কৰা শ্ৰেষ্ঠতম গল্প সংকলন পাঠক সমাজক উপহাৰ দিলে। নিঃসন্দেহে এই নিৰ্বাচিত সংকলনটিয়ে পাঠক পাঠিকাক আকৃষ্ট কৰাৰ উপৰিও—অসমীয়া সাহিত্যৰ এক মূল্যবান গ্ৰন্থ হিচাপে সমাদৃত হ'ব। এই সংকলন আপোনাৰ বাবে এক আচুতীয়া আৰু আকৰ্ষণীয় সংগ্ৰহ হ'ব।
মূল্য ৫০·০০
ষ্টুডেণ্টচ্ ষ্টৰচ্ঃ গুৱাহাটী-১

## ৰাতি বিহু

**হীৰেন ভট্টাচাৰ্য**

পোহৰে হাতমেলি হালধি ল'লে,
আথৈফুটীয়া তৰাবোৰ এতিয়া বৰ একোটা হ'ল—
চিনিবই নোৱাৰি; জুমেৰে ফুৰিছে মেঘে-বৰষুণে ৰাতি।

ৰাতি-ঢোলৰ মাতৰ শিয়া গজে, পেঁপাৰ মাতে
পোখা মেলে, ৰাতি—বোকা-ভঙা মনে দিচৈয়ে দিচাঙে
শুনে বিহুৰ বিননি।

মেঘে-বৰষুণে গোটেই ৰাতি…

## পদাতিক

**অতনু ভট্টাচাৰ্য**

মই নাজানো, কাৰ সতে কথা পাতি পাতি
গৈ আছোঁ।
মোক গৰকি পাৰ হৈ যাব খোজা এই
স্বপ্নাদিষ্ট দুভৰি। মোৰ কোনো কবিতা নাই
যাৰ বোকাচাত উঠি সহজ কৰোঁ বুকুৰ বাট।
হাতৰ জোলোঙাত মোৰ
আহত শিল্প। তোমাৰ কবিতাৰ কাষে কাষে
সিঁচি দিব খোজোঁ তাৰ সেই কঠিন আঘাত।

## ডিৰ্মা-জাখিলীৰ চোতালত

**কৌস্তভমণি শইকীয়া**

ওৰেৰাতি জোনটো জ্বলি আছিল
ভেঁটফুলবোৰে ৰচিছিল সাঁথৰভঙা সপোন
সাৰে আছিল পাঁচখন গাঁৱৰ ডেকা-গাভৰু
ডিৰ্মা-জাখিলীৰ চোতালত।

আন্ধাৰতো জিলিকি আছিল গাভৰুহঁতৰ দেহৰ
ৰুফান্ কাণ্ঠং ৰুবুক্
ডেকাহঁতৰ ডিঙিত ফালি আৰু মূৰত খদবাং
শালগছৰ দৰে থিয় হৈ আছিল
পুৰাৰ পৰিমলবাহী গান।
ওৰেদিনটো মাঞ্চালেঙ্‌কা বাদিদিকা নচুৱাই
আকাশে তৰিছিল ইন্দ্ৰধনুৰ তোৰণ
ৰাতিয়ে দিনলৈ কঢ়িয়াইছিল নিফুট বতৰা।

ফাঁকতি নুবুজা সৰল মানুহবোৰে শপত লৈছিল
শান্তি শুই আছিল জুপুৰী ঘৰবোৰত
পথাৰবোৰে উদঙাই দিছিল সম্ভাৱনাৰ যৌৱন
ছাথাৰ নাচৰ তালে তালে
কুশল অভিযান।

টোকা:
ডিৰ্মা-জাখিলী: দুধনৈৰ ওচৰৰ ৰাভা জনজাতি প্ৰধান অঞ্চল।
ছাথাৰ নাচ: ৰাভাসকলৰ কৃষিভিত্তিক নাচ
ৰুফান্ কাণ্ঠং ৰুবুক: ৰাভা গাভৰুৰ সাজ
ফালি: গলাবন্ধ, খদবাং: পাগুৰি,
সাঞ্চালেঙ্‌কা বাদিদিকা: পথ সন্ধানৰ প্ৰতীক

## কোলাজ বাগড়ুম্বা: ৰাজেশ্বৰ শৰ্মালৈ

**অৱনী চক্ৰৱৰ্তী**

সঁচাই দুজনী পখিলা
    যেন আছিল নাচি

তন্ময় শিল্পীৰ ধ্যান ভাঙি
সুধিলো: নাচিব কেতিয়া?

যেতিয়া কুলিয়ে মাতে
পথাৰৰ পিয়াহ লাগে
মেঘৰ বুকুৰ পৰা উদি হয় ৰং
    কেতিয়া? কেতিয়া??…

গ্ৰীষ্ম কিম্বা শৰৎ
হেমন্ত অথবা শীততো
জীৱনলৈ যেতিয়া পখিলা আহে।

আহ মোৰ জীৱনৰ বাগড়ুম্বা!



## চেলেঞ্জাৰৰ নিশা: ফুটপাথত


**তাম্ৰপ্ৰভা কলিতা**

আকাশত জুইফুলে জকমকায়,
গমকে নাপালে তাই;
সৰ্বোত্তম মানবিক কুশলতা
জুই ফুলৰ পাহি হৈ সৰি পৰোঁতে
ফুটপাথৰ ৰাণী কলাঘুমটিত।
সন্ধিয়াতে এথাল হাড়ৰ ডিনাৰ:
আৰু একো নাই।
ইমান দীঘল মাঘৰ ৰাতি!
শানে-কটা ভোকৰ ৰাতি!!
সপোনত ভাতে মাতে,
ৰ'দালি প্ৰভাতে মাতে।
সপোনতে কান্দে তাই।

ক্ষুধাৰ অনন্ত মহাশূন্যত
আশৈশৱ অধোমুখী যাত্ৰা তাইৰ
অষ্ট্ৰেল'পিথেকাছৰ অতীতলৈ;
সংগী নিযুত-কোটি।
আঁচনিবোৰ আছিল, পিছে সামান্য চুটি—
দুআঙুলে নাটে তাইলৈ।

তাই ওজনহীন:
ৰাসন্তৰ হাজাৰ ফুট উচ্চতা
তাইৰ বাবে তুচ্ছ কথা;
জীৱনৰ মূলকথা ডাষ্টবিন:
তাকে কেন্দ্ৰ কৰি তাইৰ পৰিভ্ৰমণৰ কক্ষপথ।
মজবুত শৰীৰ— সমস্ত প্ৰতিকূলতাত অভ্যস্ত
প্ৰতিদ্বন্দ্বীৰ কবলৰপৰা তাই কাঢ়ি লয় উচ্ছিষ্ট:
নিয়োগ কৰে সৰ্বোত্তম মানবিক কুশলতা।
মহাকাশ, চুম্বক ক্ষেত্ৰ
ৰকেট, নক্ষত্ৰ যুদ্ধ—
এইবোৰ অপ্ৰয়োজনীয় শব্দ,
    তাই বাছি পেলায় জীৱনৰপৰা।
'ভয়? কাক বোলে ভয়?' তাইৰ ভ্ৰূকুটিত প্ৰশ্নবাণ।
তাই হিন্দু নে মুছলমান?
নে খৃষ্টান? কি বাৰু তাইৰ নাম?

আকাশত জুইফুলে জকমকায়।
গমকে নাপালে তাই;
কাৰণ
জীৱন নামৰ জুই একুৰা
সাতখন চিতা হৈ
তাইৰ জঠৰতে
আশৈশৱ, প্ৰতিমুহূৰ্তে
জ্বলি আছে
ৰমৰমাই।



## ব'হাগ

**ভূপেন দাস**

ধূলিৰে ভৰা গছবোৰৰ উদং মলিয়ন গাটো বৰষুণেৰে ধুৱাই দি
তুমি আলফুলে পিন্ধাই দিলা কুঁহিপাতৰ এযোৰ সেউজীয়া সাজ



OKDISCD

# অনুৰাধাৰ দেশ

আঠ

ফণীন্দ্ৰ কুমাৰ দেৱ চৌধুৰী

কিমান বছৰ আগৰ কথা!

কুৰি বছৰৰো আগৰ সেই দৃষ্টি-নন্দন দৃশ্য এতিয়াও সঞ্চিত হৈ আছে সৰু-সৰু স্মৃতিৰে ভৰপূৰ হৃদয়ৰ মণি-কোঠাত। মানুহৰ হৃদয় তৰপা-তৰপে সময়ৰ সুবাস আবদ্ধ কৰি ৰখা যাদুৰ সঁফুৰা।

গুলঞ্চ ফুল আৰু সেউজীয়া চিনাকি-অচিনাকি বনৰীয়া লতা-জোপোহাৰে সুশোভিত পাহাৰৰ ওপৰেৰে কুণ্ডলী পকাই উঠি যোৱা মসৃণ পথেৰে, গাড়ী ক্ৰমশঃ-ভৈয়ামৰ স্পৰ্শ ছিন্ন কৰি আগুৱাই গৈছে। ৰম্য প্ৰকৃতিৰ গুণগুনা সংগীতৰ সুৰত এৰি অহা নগৰৰ প্ৰাত্যহিক কোলাহল ধীৰে-ধীৰে স্তিমিতপ্ৰায়।

গাড়ীৰ কাষৰ ছিটত অৰুণাভ, ওচৰতে নিমি, সেইফালে অৰ্জুন মামা আৰু ৰুমী।

ময়ো চাম।

চলন্ত গাড়ীৰ ছিটৰ পৰা উঠি আহি নিমিয়েও কণমানি হাত দুখন আগবঢ়াই অৰুণাভৰ সৈতে একেলগে খিৰিকিৰ কাষত ভীৰ কৰিছেহি।

হাত-মূৰ বাহিৰলৈ নুলিয়াবি।

অৰ্জুন মামাই কৈছিল।

পাহাৰৰ বুকু খান্দি সজা ৰাস্তাৰ বাওঁফালে থিয় গৰা। অৰ্জুন মামাই খিৰিকিৰে বাহিৰলৈ চাই চায়েই কৈছিল— গাড়ী চলিব পৰা ৰাস্তা এতিয়াহে হৈছে। আগতে হোৱা হ'লেতো খোজ কাঢ়িয়েই উঠিব লাগিলেহেঁতেন।

ইমান ওখলৈ মানুহে কেনেকৈ পাহাৰ বগাইছিল?

বাহিৰলৈ বিমুগ্ধ দৃষ্টিৰে চাই থকা অৰুণাভে মূৰটো ঘূৰাই সুধিছিল।

ৰুমীয়ে সুধিছিল— এই পাহাৰৰ কি নাম দেউতা? ৰুমীয়ে পূজাত লোৱা ফুটফুটীয়া গোলাপী ফ্ৰকটো পিন্ধি আহিছিল, ফ্ৰকৰ জাপ যাতে নষ্ট নহয় তাৰ বাবে গাড়ীত বহিবৰ সময়তো তাই যথেষ্ট সচেতন হৈ আছিল। অৰ্জুন মামাই কৈছিল—

নীলাচল পাহাৰ। মন্দিৰ য'ত আছে, সেইডোখৰ ঠাই মাত্ৰ পাঁচশ পচিছ ফুট ওখত। পাহাৰ বগাই উঠি আহিবলৈ আগতে চাৰিওফালে চাৰিটা ৰাস্তা আছিল। সৰু-সৰু একাবেঁকা পাহাৰীয়া ৰাস্তা। শিলৰ খটখটি। দুইফালে জংঘল। আগৰ দিনৰ মানুহে কষ্টলৈ ভয় নকৰিছিল। পাহাৰ বগাই-বগাই গভীৰ অৰণ্যৰ মাজেৰেই ওপৰলৈ উঠি আহিছিল।

বাঘে যদি খাই পেলায়?

নিমিয়ে সুধিছিল।

নোখোৱা নহয়, বহুতকে খাইছিল। তথাপি উঠিছিল।

বন্দুক লৈ উঠিছিল নহয় দেউতা?

দেউতাকৰ মুখলৈ চাই বিজ্ঞ ছোৱালীৰ দৰে ৰুমীয়ে প্ৰশ্ন কৰিছিল; অৰ্জুন মামাই হাঁহি হাঁহি কৈছিল— ভগবানৰ ওচৰলৈ গ'লে মানুহে বন্দুক লৈ নাযায় নহয়, মনৰ ভিতৰৰ ভক্তি, বিশ্বাসেই মানুহৰ সাহস আছিল।

দেউতাই জানো মাজে-মাজে কেনেকুৱা নুবুজা কথাবোৰ কয় বুলি মনতে ভাবি ৰুমীয়ে আকৌ চলন্ত গাড়ীৰ খিৰিকিৰে বাহিৰলৈ চাইছিল।

ভগবাননো কিয় এইদৰে হাবি-বননিৰ মাজত লুকাই থাকিব লাগে অৰুণাভে অৰ্জুন মামাক সুধিম বুলি ভাবিও নোসোধাকৈ ৰৈছিল।

পাহাৰৰ ওপৰৰ সমতলত— য'ত গাড়ী আহি ৰৈছিল, তাত নতুনকৈ কেইখনমান দোকান বহিছে। দোকান কেইখন সজ্জিত হৈ আছে ফুলৰ মালা, প্ৰসাদ, ৰঙীন কাপোৰ আৰু বিভিন্ন মিঠাইৰে। ৰঙা বস্ত্ৰ পৰিহিত কেইবা-জনো লোকে গাড়ীৰ চৌদিশ ঘেৰি ধৰিছিল।

লৰালৰিকৈ গাড়ীৰ পৰা নামিয়েই নিমি, ৰুমী, অৰুণাভে আনন্দত কিৰিলি পাৰি উঠিছিল। বিস্ময়-বিমুগ্ধ নয়নেৰে চাই ৰৈছিল পাহাৰৰ ওপৰৰ পৰা সমতলৰ নয়নাভিৰাম দৃশ্য।

সেয়া চা সাগৰ!

অৰুণাভৰ ছোলাত খামুচি ধৰি নিমিয়ে দূৰলৈ আঙুলিয়াই দেখুৱাই-ছিল। অৰ্জুন মামাই হাঁহি হাঁহি কৈছিল।

সাগৰ নহয়, পাগলী। সেয়া ব্ৰহ্মপুত্ৰহে। পাহাৰৰ কাষে-কাষে দূৰলৈ বৈ গৈছে।

সেয়া উমানন্দ নহয় দেউতা? ৰুমীয়ে সুধিছিল।

ওঁ

মই ঠিক ধৰিব পাৰিছোঁ। আনন্দত জপিয়াই ৰুমীয়ে চিঞৰি উঠিছিল।

তাৰ পাছতো বহুবাৰ অৰুণাভ কামাখ্যালৈ গৈছে। পূজাৰ বন্ধত বেনাৰছৰ পৰা অসম চাবলৈ অহা তিৱাৰী নামৰ বন্ধুজনক লৈও এবাৰ কামাখ্যালৈ গৈছিল। নীলাচল পাহাৰৰ চূড়াৰ পৰা দৃশ্যমান হোৱা তৰংগায়িত ৰূপালী লুইত, ব্ৰহ্মপুত্ৰৰ মাজৰ পেখম ধৰা ময়ূৰ চৰাইৰ দৰে উমানন্দ দ্বীপ বহুত দূৰৰ আকাশৰ বুকুত ছবিৰ দৰে ভাহি উঠা অস্পষ্ট তুষাৰাবৃত হিমালয়ৰ শৃংগ, আৰু তাৰ বিপৰীতে গুৱাহাটী চহৰ—। কলেজত থাকোঁতে আৰু চাকৰিৰ তাগিদাত ভাৰতৰ বিভিন্ন স্থান অৰুণাভে ভ্ৰমণ কৰিছে, আধুনিকতাৰ স্পৰ্শত দ্ৰুত পৰিবৰ্তিত কোনো কোনো চহৰে কেতিয়াবা চকুত চমক লগাই দিছে, কিন্তু প্ৰাকৃতিক সৌন্দৰ্যৰ এনে দৃষ্টিনন্দন সংগম অইন কোনো চহৰতে দেখাৰ কথা অৰুণাভৰ মনত নপৰে। আশ্চৰ্যৰ কথা,— যিমানেই অৰুণাভ অসমৰ বাহিৰলৈ গৈছে, সিমানেই তেওঁ বাৰে-বাৰে নতুনকৈ আবিষ্কাৰ কৰিছে প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰপূৰ ঐতিহ্যমণ্ডিত অপ-ৰূপা অসমক।

দেওবাৰে ৰাতিপুৱা যেতিয়া অনুৰাধাৰ মাকে অসমৰ কামাখ্যা মন্দিৰৰ কথা সুধিলে, মুহূৰ্তৰ বাবে অৰুণাভৰ মনৰ মাজেৰে পাৰ হৈ গ'ল নিমি, ৰুমীৰ লগত একেলগে কামাখ্যালৈ যোৱা সেই প্ৰথম অভিজ্ঞতাৰ কথা। ৰুমীয়ে সেইদিনা ফুটফুটীয়া গোলাপী ফ্ৰক এটা পিন্ধি আহিছিল। সেই ৰুমী এতিয়া পৃথিৱীত নাই; হয়তো ভগবানৰ সৈতে ক'ৰবাত লুকাই আছে। মাথোন আকাশৰ ফালে চাই থকা অপলক খোলা দুটা চকু অৰুণাভৰ দুচকুৰ কোনোবা কোমল ঠাইত চিৰদিনৰ বাবে অংকিত হৈ বৈ গৈছে।

অনুৰাধাই দেওবাৰে ঠিক আঠবজাত আহিবলৈ কৈছিল, কিন্তু অৰুণাভ যেতিয়া ৰেলৱে ক্ৰছিঙৰ অৰ্ধসমাপ্ত আৰ. ছি. ছি. বিল্ডিঙৰ সন্মুখত গাড়ীৰ পৰা নামিল, ঘড়িত তেতিয়া নবাজি দহমিনিট। অসমত থকাৰ পৰাই দেওবাৰে আঠ বাজি যোৱাৰ পাছতহে উঠো-নুঠোকৈ টোপনিৰ পৰা উঠাটো অৰুণাভৰ অভ্যাসত পৰিণত হৈছে। আজিও তাৰ ব্যতিক্ৰম নহ'ল।

অসমৰ তেল-কোম্পানিৰ অফিছ ৰাতিপুৱা সাতবজাৰ পৰা আৰম্ভ হয়; ছয় বজাতেই টোপনিৰ পৰা উঠিব লাগে। সেয়েহে দেওবাৰৰ ৰাতিপুৱাৰ এই টোপনি সপ্তাহটোৰ শেষলৈ আগ্ৰহেৰে অপেক্ষা কৰি থকা এক এৰাব নোৱৰা লাক্‌জাৰি। চোপ্ৰা চাহাবে কৈছিল— বৃটিছবোৰ অতি বুদ্ধিমান আছিল। ৰাতিপুৱা মানুহৰ মগজু সজীৱ হৈ থাকে। সেই শক্তি যাতে অকল অফিছৰ কামতে ব্যৱহৃত হয়, তাৰবাবেই তেওঁলোকে ৰাতিপুৱা সোনকালে অফিছ আৰম্ভ কৰিছিল। আগতেতো অফিছ আৰম্ভ হৈছিল ৰাতিপুৱা ছয় বজাত।

অৰুণাভৰ লগত একেলগে চাকৰিত জইন কৰা দীপংকৰ নামৰ গুৱাহাটীৰ ল'ৰা এজনেতো এই এটা মাত্ৰ কাৰণতে চাকৰিৰ পৰা ৰিজাইন দি দিলে:— সকলো কাম কৰিব পাৰোঁ দোস্ত, কিন্তু ৰাতিপুৱা ছয় বজাত উঠি জীৱনভৰ এইদৰে অফিছলৈ যোৱাটো মোৰ দ্বাৰা নহব। ঠাণ্ডাৰ দিনততো ৰাতিয়েই নুপুৱায়। অফিছলৈ যাবৰ সময়ত সদায় ৰাতিপুৱা নিজকে ক'ৰবাত চুৰ কৰি পলাই অহা চোৰ যেন লাগে।

বন্ধ দুৱাৰত অৰুণাভে টক-টক কৰিলে। বাহিৰত সেই একেই আধা-ডজন অযত্নপালিত ফুলৰ টাব। কেতিয়াবাৰে পৰা যাবলৈ সাজু হৈ থকা অনুৰাধাই হয়তো দুৱাৰ খুলিয়েই পাংচুৱেলিটি আৰু সময়ৰ মূল্যৰ বিষয়ে এটা সুদীৰ্ঘ লেকচাৰ শুনাই দিব।

আকৌ টক-টক কৰিলে অৰুণাভে। বন্ধ দুৱাৰৰ সিফালৰ পৰা ছেণ্ডেলৰ দ্ৰুত ধ্বনি কাষ চাপি আহিছে।

তিতা চুলিত গোলাপী ৰঙৰ টাৱেল মেৰিয়াই অনুৰাধাই নিজে দুৱাৰ খুলি দিলে। শাৰীৰ পাতলিত ঢাক খোৱা ভৰিত ৰবৰৰ শ্লিপাৰ।

ইমান সোনকালে আহিছা? মই এই গা ধুলোহে। ৰে'ডিয়েই হোৱা নাই।

তুমিতো ঠিক আঠ বজাত আহি-বলৈ কৈছিলা?

কলেজত দেখোন তুমি একদম পাংচুৱেল নাছিলা। এতিয়া যে এনেকৈ ঘড়িৰ কাটাৰ নিচিনাকৈ চলা কেনেকৈ জানিম? আগৰ হিচাপত তুমি অন্ততঃ দুঘণ্টামান পলমকৈ আহিবা বুলি ভাবিছিলো।

গা ধোৱাৰ পাছত সকলো নাৰীৰ শৰীৰৰ পৰা কিজানি কোমল পবিত্ৰতাৰ গোন্ধ ভাঁহি আহে। সদ্য-স্নাতা অনুৰাধাৰ কাণৰ লতিত মুকুতাৰ দৰে এটোপাল পানী এই পৰোঁ-পৰোঁ হৈ কঁপি আছে। টাৱেলেৰে তিতা চুলি মোহাৰি অনুৰাধাই কলে, —তুমি এক মিনিট বহা। মই এতিয়াই আহিছো। মা, অ' মা—

কি হ'ল।

ভিতৰৰ পৰাই প্ৰথম দিনা শুনা অনুৰাধাৰ মাকৰ কণ্ঠস্বৰ ভাঁহি আহিল। অনুৰাধাই কলে—

মই এতিয়াই ৰে'ডি হৈছোঁ। চাহ খাবা নহয়?

এই মাত্ৰ ব্ৰেকফাষ্ট কৰি আহিছোঁ।

আকৌ এবাৰ কৰা। মোৰ মেক-আপ কৰোঁতেই এঘণ্টা লাগিব।

ওঁঠত ঢৌ খেলা হাঁহিৰে অনুৰাধা ভিতৰলৈ সোমাই গ'ল।

আচাৰৰ সৈতে লুচি-ভাজি আৰু চাহ খোৱাৰ সময়ত অনুৰাধাৰ মাকে কামাখ্যা মন্দিৰৰ কথা সুধিলে। —কামাখ্যা দেৱীৰ মন্দিৰ দৰ্শন কৰাৰ বৰ ইচ্ছা আছিল এবাৰ। সৰুৰে পৰা শুনি আহিছো দেৱীৰ মাহাত্ম্যৰ কথা।

বলক মোৰ সৈতে এবাৰ। অসম-খন চাই আহিব পাৰিব।

ওলাম বুলিলেই এই বয়সত আৰু ওলাব পাৰোনে? ইচ্ছাতো মানুহৰ মনত থাকেই।

অনুৰাধাৰ মাকৰ মুখলৈ চাই অৰুণাভে ভাবিলে— বংগ দেশৰ পৰা বোন কাহানিবাই আহি উৰিষ্যাত থিতাপি লোৱা বৃদ্ধা বিধৱা এজনীয়েও অন্ততঃ অসমৰ কামাখ্যাৰ কথা জানে। মনৰ ভিতৰত পুহি ৰাখে কামাখ্যা দৰ্শনৰ অপূৰ্ণ বাসনা।

মাকেই আকৌ কলে—

ভুবনেশ্বৰ মন্দিৰৰ চহৰ। এসময়ত ইয়াত সাতহাজাৰ মন্দিৰ আছিল। এতিয়াও প্ৰায় পাঁচশ আছে।

আপুনিও ওলাওক মাহীদেউ। একে লগে ভুবনেশ্বৰ চোৱা হব।

মইনো আৰু কি চাম! যোৱা ডেৰকুৰি বছৰে ভুবনেশ্বৰকে চাই আছোঁ। আজি তোমালোকেই চোৱাছোন।

'মেক-আপ' কৰোঁতে অনুৰাধাৰ এঘণ্টা নালাগিল। মাত্ৰ কুৰি মিনিটৰ পাছতে ডাঠ খয়েৰী ৰঙৰ শাৰীৰ আঁচলৰ

OKDISCD

দুয়োখন হাতেৰে মেলি ধৰি অনুৰাধা ভিতৰৰ পৰা ওলাই আহিল।

দেখিছা, কি সাংঘাতিক সাজি-কাচি ওলাইছো। সেই একেই কৌতুকেৰে ভৰা প্ৰসাধনবিহীন মুখ। স্নানে মুখত লাৱন্য সানে! এতিয়াও পানীত কিঞ্চিৎ তিতি থকা ডুডাল বাদামী চুলিৰ বেণী কান্ধৰ ওপৰেৰে বৈ গৈ পিঠিত পৰিছে। অৰুণাভৰ চকুত চকু থৈ অনুৰাধাই সুধিলে,— শাৰীখন কেনেকুৱা লাগিছে? উৰিষ্যাৰ চম্বল পুৰী শাৰী। অসমলৈ যাবৰ সময়ত তোমাৰ কোনোবা আছে যদি লৈ যাব পাৰিবা। মোক টকা দিবা। মই ছিলেক্ট কৰি দিম এমপ'ৰিয়ামৰপৰা। উৰিষ্যাত আৰু এবিধ ধুনীয়া ডিজাইনৰ শাৰী আছে। কট্‌কী শাৰী বুলি কব লাগিব?

মই শাৰী পিন্ধো নেকি?

তোমালৈ কিনিবলৈ কোনে কৈছে? অসমলৈ লৈ যাবা। কাৰোবাক প্ৰেজেণ্ট দিবা।

কাক দিম?

উঃ ৰাম! ঠিক আছে দিবলৈ কোনো নাই যদি মোকেই দিবা। হব? এতিয়া সোনকালে বলা। ভুবনেশ্বৰত চাবলগীয়া অকল মন্দিৰেই আছে, আৰু মন্দিৰলৈ যাবলৈ হ'লে ৰাতিপুৱাই যাব লাগে। ডুবাৰ ব্ৰেকফাষ্ট কৰি মন্দিৰলৈ ওলাইছা, পোনে পোনে নৰকলৈ যাবা। গা ধুইছা নে নাই?

সময়েই নহল।

হৈছে। তুমি নৰকতো ঠাই নাপাবা। ড্ৰাইভাৰ নীলকণ্ঠয়ো আজি ৰাতিপুৱাই গা ধুই আহিছে। এতিয়াও তিতি থকা চুটি-চুটি চুলি মূৰত লিপিট খাই আছে। নীলকণ্ঠই চুলি বেক-ব্ৰাছ কৰে, মূৰৰ সোঁমাজতে দীঘলকৈ সেওঁতা ফালে।

ক'লৈ যাম ছাৰ?

নীলকণ্ঠই সুধিলে। অৰুণাভে কিবা এটা কোৱাৰ আগতে অনুৰাধাই ক'লে আজিৰ দিনটো ভুবনেশ্বৰ ঘূৰিম। প্ৰথমতে লিংগৰাজ মন্দিৰ।

ৰেলৰে ক্ৰছিং পাৰ হৈ অলপ দূৰ যোৱাৰ পাছতে গাড়ীয়ে সোঁফাললৈ গতি সলালে। অনুৰাধাৰ বাদামী চুলিৰ বেণীয়ে বতাহত উৰি আহি অৰুণাভৰ শৰীৰ প্ৰায় স্পৰ্শ কৰিছে। নাৰীৰ চুলিত শৰীৰৰ গোন্ধ মিহলি হৈ থাকে। গাড়ীৰ গ্লাছখন ওপৰলৈ উঠাই উঠাই অনুৰাধাই কলে, —তোমাক এটা কথা কবলৈয়ে পাহৰিছোঁ। সিদিনা কোনাৰ্কলৈ গৈ থকাৰ সময়ত আমি তোমালোকৰ হেলিকপ্টাৰখন দেখিছিলো। হিংসা লাগি গৈছিল। ইমান চালো তোমাক দেখাই নাপালো।

তলৰপৰা তেনেকে দেখা পায় নেকি?

তুমি যে কৈছিলা, সাগৰৰ তলৰ পৰা তেল উলিয়াবা; এতিয়া দেখোন হেলিকপ্টাৰেৰে আকাশতহে উৰিবলৈ আৰম্ভ কৰিছা। আকাশত তেল থাকে নেকি?

মন্ত্ৰীবিলাকে যে পৃথিৱীত হোৱা বানপানী চাবলৈ আকাশলৈ উৰি যায়, তেনেকুৱা। ডাঙৰ মানুহৰ কথাই বেলেগ।

বুকুৰ ওপৰত পৰি থকা বেণী পিঠিৰ ফালে দলিয়াই দি অনুৰাধাই অৰুণাভৰ চকুলৈ চাই হাঁহিলে।

অৰুণাভে আগতে এইটো বাটেদি অহা নাই। হয়তো তুলনামূলকভাৱে এই অঞ্চলটো পুৰণি, বাওঁফালে যোৱা ৰাস্তা এটাৰ কাষতে পুৰণি ছিনেমা হল এটা, ছিনেমাহলৰ গাত নৃত্যৰতা নাৰীৰ মূৰ্তি খোদাই কৰা আছে। অৰুণাভে সুধিলে, তোমাৰ শাস্ত্ৰীয় নাচৰ কি হ'ল?

এতিয়া ওড়িচি নাচত লাগিছোঁ। চাবা, উৰিষ্যাৰ ওড়িচি নাচ এদিন ভাৰতৰ সৰ্বশ্ৰেষ্ঠ নাচ হ'ব।

কেলুচৰণ মহাপাত্ৰৰ নাম শুনিছা?

কোন কেলুচৰণ?

তোমাকনো নাচৰ কথা কৈ কি হ'ব? এদিন তোমাক ৰবীন্দ্ৰ মণ্ডপত প্ৰগ্ৰেম দেখুৱাবলৈ লৈ যাম। ওলাবা।

তুমি নাচিবা নেকি?

গ'লে দেখিবা নহয়। এশ টকা টিকেট। এডভান্স লাগিব। বাহিৰত প'ষ্টাৰ দেখিবা,—

আজিৰ মুখ্য শিল্পী শ্ৰীমতী অনুৰাধা সাহা।

সোঁফালে ওচৰতে ৰেলৰ লাইন আছে, ছন্দময় ধ্বনিৰে ৰেলগাড়ী এখন পাৰ হৈ গ'ল। সন্মুখত পুলিছ পইণ্ট এটা। এজন সঁচা সঁচি গাইডৰ নিচিনাকৈ অনুৰাধাই কৈ গ'ল,— ভুবনেশ্বৰক ছিটি অব টেম্‌পলছ বুলি কয়।

মন্দিৰৰ চহৰ। য'তেই বেছি মন্দিৰ থাকে, তাতেই মানুহবোৰ সাংঘাতিক ভয়াতুৰ হয়। সেয়েহে অইন চহৰৰ দৰে ভুবনেশ্বৰত বৰ বেছি মাৰপিট নহয়। ···এই চহৰৰ পৰিকল্পনা কৰিছিল এজন ইউৰোপীয় তৰুণ আৰ্কিটেক্টে। ···ভাৰতত সকলো ভাল বস্তু বাহিৰৰ মানুহে আহি কৰিবলগীয়া হয়। তোমালোকৰ কথাই চোৱা, হেলিকপ্টাৰ, ৰিগ নে কি— সকলো বাহিৰৰপৰা আনিবলৈ লৈছা। নামতহে সকলো বিৰাট-বিৰাট মাতিব নোৱৰা ইঞ্জিনিয়াৰ। ঠিক কৈছোঁ নে নাই?

তুমি আজিলৈকে বৈঠিক কোৱা মই শুনাই নাই।

১৯৪৭ চনত, যেতিয়া ভাৰত স্বাধীন হ'ল, প্ৰথমতে সিদ্ধান্ত লোৱা হ'ল কটক উৰিষ্যাৰ ৰাজধানী হ'ব। কটক উৰিষ্যাৰ পুৰণি চহৰ। ঠেক, সৰু সৰু গলি, ভাঙি যে নতুনকৈ বনাব তাৰো কোনো উপায় নাই। তেতিয়াই ঠিক কৰা হ'ল ভুবনেশ্বৰৰ ওচৰত নতুনকৈ উৰিষ্যাৰ ৰাজধানী পতা হ'ব।

এইখিনি ঠাই অৰুণাভৰ চিনাকি লাগিছে। বাওঁফালে সেয়া ফায়াৰ-ব্ৰিগেডৰ অফিছ, সোঁফালে ৰাজমহল চ'কলৈ যোৱা সৰু দলংখন, তলেৰে ৰেলৰ লাইন পাৰ হৈ গৈছে, ৰাস্তাৰ কাষত আকাশচুম্বী অট্টালিকাৰ দৰে থিয় হৈ আছে হোটেল কোনাৰ্ক।

থাৰ্ড ফ্ল'ৰৰ ৩০৬ নম্বৰ কোঠাত হয়তো মেহৰা চাহাবে এতিয়া সন্মুখত বিয়েৰৰ গ্লাছ লৈ বহি আছে। এনেকুৱা নিঃসংগ মানুহবোৰে ছুটিৰ দিনত যেতিয়া কাম-বন নাথাকে, তেতিয়া কোঠাৰ ভিতৰতে অকলশৰে বহি-বহি বা কি ভাবি থাকে! নিঃসংগতাৰ পৰা পলাই যাবলৈও মানুহক নিজস্ব ক্ৰিয়া এটা লাগে।

মেহৰা চাহাবে কালি অফিছত কৈছিল— অৰুণাভ, দুদিনমানৰ বাবে পাৰাদ্বীপলৈ যাবলৈ সাজু হৈ থাকিবা। নীৰেন দত্তই অকলে চম্ভালিব নোৱাৰিব। ছাপ্লাই জাহাজ দুখন দুই এদিনতে প্যাৰাদ্বীপ পাবহি। বস্তু-বাহানি নমাই যিমান সোনকালে পৰা যায় আন্দামানলৈ পঠিয়াই দিব লাগিব। পেলিকান ৰিগ আন্দামানৰপৰা টানি আনিবৰ বাবে তাত যি কৰিবলগীয়া হয়, সেয়া ডেনিছ ছিলভিয়াই কৰিব। তাৰ পাছতে, ৰিগ আহি পোৱাৰ লগে লগে আৰম্ভ হ'ব সমুদ্ৰগৰ্ভৰ ৰহস্যৰ বিৰুদ্ধে আমাৰ প্ৰকৃত অভিযান। সেই দিনটোলৈ মই উৎকণ্ঠাৰে বাট চাই আছো।

উৎকণ্ঠাৰে অৰুণাভেও বাট চাই আছে সেই দিনটোলৈ। মাজ সমুদ্ৰৰ মাজত, বিদেশী নাগৰিকৰ লগত একেলগে এদিন সুবিশাল জাহাজত ওপঙি অসমৰ কোন অচিনাকি ঠাইৰ অৰুণাভে এদিন সমুদ্ৰৰ বুকুত তেলৰ সন্ধান চলাব, সেই কথা অৰুণাভে ভবা নাছিল কেতিয়াও। ৰায়হান ছাৰৰ সেই কথাষাৰ— অৰুণাভ, নিষ্ঠা, ঐকান্তিকতা আৰু সাহসে তোমালোকক বহুত দূৰলৈ লৈ যাব —বুকুৰ গভীৰত এতিয়াও প্ৰায়ে ৰিণি ৰিণি বাজে।

অসমৰ গভীৰ অৰণ্যৰ মাজত, এদিন হাতীৰ খোজৰ পম খেদি খেদি কোন সুদূৰৰপৰা অহা বিদেশী চাহাবে পনীয়া সোণ আৱিষ্কাৰ কৰিছিল! অৰুণাভতো আহিছে সেই ওচৰৰ অসমৰ পৰা। এতিয়া আৰু তেল সন্ধানৰ বাবে হাতীৰ খোজৰ পম খেদি-খেদি, কাইটৰ আঁচোৰ খাই গভীৰ জংঘলত দিশহাৰা হৈ ঘূৰি ফুৰিব নালাগে। বিজ্ঞানে আনি দিছে বিভিন্ন সঁজুলি। কিন্তু কোনো আৱিষ্কাৰেইতো বিজ্ঞানে নকৰে, পৃথিৱীৰ প্ৰতিটো আৱিষ্কাৰৰ পিছতেই লুকাই আছে মানুহৰ চিৰন্তন কৌতুহল, অধ্যৱসায় আৰু সাধনা।

ব্যস্ত মেইন ৰোড এৰি এটা সৰু গলিৰ মাজেৰে গাড়ীয়ে গতি কৰিলে। ওচৰৰ ছিনেমা হ'ল এটাত দেওবাৰৰ মৰ্নিং শ্ব' চলিছে। বাহিৰত ইংৰাজী ছিনেমাৰ উত্তেজক প্'ষ্টাৰ, কলেজীয়া ডেকা-গাভৰুৰ ভয়ংকৰ ভীৰ। ওচৰতে কৰবাৰ মন্দিৰৰ পৰা ঘণ্টা-ধ্বনি ভাঁহি আহিছে।

অনুৰাধাই ক'লে, —মেইন ৰোড যে, কটক-পুৰী ৰোড,— পোনে পোনে গ'লে পুৰী পোৱা যায়। এদিন ওলাবা। পুৰীৰ সমুদ্ৰত সাঁতুৰিবলৈ বৰ মজা। বহুত দূৰলৈ সাঁতুৰি গ'লেও সাগৰৰ ঢৌৱে আনি পাৰত তুলি থৈ যায়। ···ছিনেমা হলৰ সন্মুখত আমাৰ ডেকা-গাভৰুৱে কেনেকৈ ভাৰতৰ ঐতিহ্য ৰক্ষা কৰে দেখিছা। চাই বৰ মজা লাগে।

ছিনেমা হল অতিক্ৰম কৰাৰ পাছতে, দূৰৈৰপৰাই অৰুণাভে দেখা প্ৰাচীন কাৰুকাৰ্য-শোভিত মন্দিৰৰ গৰ্বিত চূড়াই চহৰৰ ঘৰ-দুৱাৰৰ ওপৰেদি ভুমুকি মাৰিছে।

নীলকণ্ঠই গাড়ী ৰখালে।

বেনাৰছৰ বিশ্বনাথ মন্দিৰৰ দৰে ইয়াতো পাণ্ডাৰ সমাবেশ। সন্মুখত পুজাৰ বাবে বিভিন্ন সামগ্ৰীৰ বিপনি, শাৰী শাৰী মনিহাৰী দোকান।

মন্দিৰৰ দেৱতাৰ প্ৰতি অৰুণাভৰ কোনো আকৰ্ষণ নাই। তুমি ভগবানক খুব বিশ্বাস কৰা নেকি? অৰুণাভে এনেয়ে সুধিলে।

স্থিৰ দৃষ্টিৰে এক পলকৰ বাবে অৰুণাভৰ চকুলৈ চাই অনুৰাধাই কলে, —উৰিষ্যাৰ মন্দিৰত মানুহেতো দেৱতা চাবলৈ নাহে, চাবলৈ আহে শিলৰ ওপৰত মানুহে সৃষ্টি কৰা অপৰূপ শিল্পকীৰ্তি।

চৌদিশ পকী দেৱালেৰে পৰিবেষ্টিত মন্দিৰ প্ৰাংগণত প্ৰৱেশ কৰি অৰুণাভ অভিভূত হৈ গ'ল। মন্দিৰ যে ইমান বিশাল হব পাৰে, কল্পনাই কৰিব নোৱাৰি। মূল মন্দিৰৰ চাৰিওফালে অসংখ্য সৰু সৰু মন্দিৰেৰে প্ৰাংগন ভৰ্তি হৈ আছে।

ওপৰলৈ অৰুণাভে মূৰ তুলি চালে। ভাব হ'ল যেন মন্দিৰৰ চূড়াত থকা কলচীৰ ওপৰত স্থাপিত ত্ৰিশূল এডালে আকাশ স্পৰ্শ কৰিছে। কিয় জানো মুহূৰ্তৰ বাবে অৰুণাভৰ অনুভৱ হ'ল— মন্দিৰত দেৱতা নাথাকিব পাৰে, কিন্তু পবিত্ৰতা থাকে।

ফিৰফিৰিয়া বতাহত অনুৰাধাৰ শাৰীয়ে ঢৌ খেলি আছে। আকাশলৈ মুখ কৰি থকা অৰুণাভৰ দৃষ্টি অনুসৰণ কৰি অনুৰাধাই ক'লে,— লিংগৰাজ মন্দিৰ আটাইতকৈ ওখ মন্দিৰ। কুতুব মিনাৰতকৈও ওখ।

উচ্চতা কিমান?

১৬৫ ফুট।

ধুনীয়া। কিমান যুগৰ পাছতো কিমান মজবুত হৈ আছে।

থাকিবই। আগৰ দিনত তোমালোকৰ দৰে ইঞ্জিনিয়াৰ নাছিলতো। তোমালোকেতো দলং এখন বনালেই দুমাহতে ধুপকৈ ভাগি থাকে। নিজৰ ঘৰটোৰ বাহিৰে আজিৰ ইঞ্জিনিয়াৰে আৰু একো বনাবই নাজানে। অনুৰাধাই ক'লে।

অৰুণাভে হাঁহি হাঁহি সুধিলে, —মন্দিৰটো কিমান পুৰণি?

অষ্টম শতাব্দীৰ শেষৰ ফালে, যযাতি যেতিয়া ৰজা আছিল, তেতিয়া এই লিংগৰাজ মন্দিৰ প্ৰতিষ্ঠা কৰা হৈছিল।

বাঃ তোমাক দেখিলেতো এইবোৰ কথা জনা যেন নালাগে?

অনুৰাধাৰ মুখৰ ফালে এক মুহূৰ্তৰ বাবে কৌতুহলী দৃষ্টি নিক্ষেপ কৰি অৰুণাভে ক'লে।

উৰিষ্যাৰ ছোৱালী, উৰিষ্যাৰ কথা নাজানিম নেকি?

কেইটামান মুহূৰ্তৰ বাবে ৰ'দ পৰি পাতল ৰঙচুৱা হৈ পৰা অনুৰাধাৰ

OKDISCD

মুখলৈ অৰুণাভে স্থিৰভাৱে চাই ৰ'ল। অনুৰাধাৰ ছুচকুত সদায় হৃদয়ৰ গভীৰৰ পৰা বিচ্ছুৰিত নিষ্কলুষতাৰ জ্যোতি মিহলি হৈ থাকে। তাইৰ দিঙিত মিহি ৰূপৰ চেইন এডাল জিলিকি আছে।

অৰুণাভে ভাবিলে ঃ দেশ-বিভাজনৰ সময়ত পুব বংগৰপৰা আহি ভাৰত-বৰ্ষত থিতাপি লোৱা এটা পৰিয়ালৰ ছোৱালী অনুৰাধা ভাষাৰ ফালৰপৰা এজনী বাঙালী ছোৱালী; সেই জনী ছোৱালীয়ে কিমান আন্তৰিকতাৰে উৰিষ্যাৰ কথা মুখলৈ আনিব পাৰে, অনুভৱ কৰিব পাৰে উৰিষ্যাৰ মঠ-মন্দিৰ, প্ৰকৃতি, বতাহৰ লগত মিহলি হৈ থকা সংস্কৃতি আৰু ঐতিহ্যৰ লগত নিজৰ হৃদয়ৰ বান্ধোন!

বতাহত উৰি থকা শাৰীৰ আঁচল ককালত খুচি লৈ অনুৰাধাই ক'লে— ভুবনেশ্বৰৰ গল্প শুনিবা? আগতে ইয়াৰ নাম আছিল একাম্ৰকানন। এদিন, শিৱই পাৰ্বতীক ক'লে— আজি কালি আৰু কাশীত থাকি ভাল নালাগে, কাশীতকৈ একাম্ৰকাননেই বেছি মনোৰম। পাৰ্বতীয়ে তেতিয়া-লৈকে একাম্ৰকানন দেখায়েই নাছিল। মনে মনে একাম্ৰকানন চাই আহিবলৈ পাৰ্বতীৰ বৰ মন গ'ল। আগতে দেৱ-দেৱীবিলাকৰ বিৰাট মজা আছিল, মন গ'লেই ভেশছন কৰি, হেলিকপ্টাৰ নোহোৱাকৈয়ে য'লৈ-তলৈ গুচি যাব পাৰে!

লিহিৰি আঙুলিৰে বেণী এডালৰ লগত খেলি-খেলি অনুৰাধাই অৰুণাভৰ মুখলৈ চালে।

তুমিও সেইবোৰ বিশ্বাস কৰা নেকি!— অৰুণাভে সুধিলে।

বিশ্বাস নকৰিলেও ভাবি বৰ মজা লাগে। আগতে শুনা, পাছত তৰ্ক কৰিবা। পাৰ্বতীয়ে এদিন গোপিনীৰ ৰূপ লৈ একাম্ৰকানন পালেহি। ইয়াত তেতিয়া ছুজন দৈত্যই বসবাস কৰিছিল। দৈত্যবোৰতো সাংঘাটিক ধুৰন্ধৰ! ছোৱালী দেখিলেই পগলা। তোমাৰ দৰে নহয়।

মুহূৰ্তৰ বাবে অনুৰাধাই মুৰ ঘূৰাই অৰুণাভৰ মুখলৈ চালে। ৰ'দ পৰা পাতল ওঁঠত কৌতুক মিহলি হৈ আছে।

অনুৰাধাই কৈ গ'ল— ছুয়োজন দৈত্যই আহি পাৰ্বতীক বিয়াৰ প্ৰস্তাৱ দিলে। পাৰ্বতীৰ অলপমান ধেমালি কৰিবৰ মন গ'ল। আজি-কালিৰ ছোৱালীবোৰে যেনেকৈ ক'ৰে। তেওঁ হাঁহি-হাঁহি ক'লে, ঠিক আছে তোমা-লোকে প্ৰথমতে মোক কান্ধত তুলি লোৱাচোন। দৈত্য ছুজনে ভাবিলে সেয়ানো কি ডাঙৰ কথা। আনন্দত ছুজাপ মাৰি সিহঁতে পাৰ্বতীক কান্ধত তুলি ললে। কিছু সময়ৰ পাছত ছুই দৈত্যৰ অৱস্থা নাই। পাৰ্বতীৰ ভৰত একেবাৰে চেপেটা।

পাৰ্বতীৰ আকৃতি কেনেকুৱা আছিল হে'? ছুজন দৈত্যয়ো দাঙিব নোৱাৰে!

দেৱ-দেৱীয়ে ইচ্ছা কৰিলে নিজৰ ওজন বঢ়াই দিব পাৰে। ডিষ্টাৰ্ব কৰি নাথাকিবা। শুনা। এটা সময়ত পাৰ্বতীৰ বৰ পিয়াহ লাগিল। ওচৰত পুখুৰী এটাও নাই। তৎক্ষণাৎ শিৱ আহি হাজিৰ। টেলিপেথিৰ জোৰত তেওঁ পাৰ্বতীৰ তৃষ্ণাৰ কথা গম পাই গ'ল। পৃথিৱীৰ সকলো নদ-নদী, সৰোবৰকে শিৱই অনুৰোধ কৰিলে— এক এক বিন্দু পানী দিয়া। মুহূৰ্ততে সৃষ্টি হ'ল এক বিশাল সৰোবৰৰ। সেই সৰোবৰ এতিয়াও আছে। নাম বিন্দু সৰোবৰ। বিশ্বাস হোৱা নাই? ইয়াৰ পৰা অলপ আঁতৰত, তোমাক দেখুৱাই দিম। আৰু কোৱা, কিবা জানিবৰ মন আছে?

সোঁফালৰ বেণীডাল বুকুৰ ওপৰত পেলাই অনুৰাধাই সুধিলে। অৰুণাভৰ হাঁহি উঠি গ'ল।

বহুত জ্ঞান দিলা। আজিলৈ হ'ব। বুঢ়ী হ'লে নাতি-পুতিক সাধু শুনাব পাৰিবা। নহ'লে মন্দিৰৰ বাহিৰত গাইড হৈ চিঞৰি থাকা, বহুত পইচা পাবা। ছোৱালী গাইড চবেই পছন্দ কৰিব। খালী বেচি বক্‌বক্ কৰি থাকিলে মানুহ পাছলৈ পলাই যাব পাৰে।

মোৰতো সেয়া প্ৰফেছনেই। টুৰিজমত কাম কৰোঁ। তুমি কি ভাবিছা? অনুৰাধা সাহা এতিয়া সেই কলেজৰ ছোৱালী নহয়। দস্তুৰ-মত দায়িত্বসম্পনা চৰকাৰী চাকৰিয়াল।

অনুৰাধাই কথা ক'লে ওঁঠৰ ওপৰেৰে এটা হাঁহিৰ তৰংগ পাৰ হৈ যায়। এনে হাঁহি অৰুণাভৰ ভাল লাগে। অৰুণাভে হাঁহি হাঁহি ক'লে,— আজিহে গম পালো আজিকালি উৰিষ্যাত কিয় ইমান টুৰিষ্টৰ ভীৰ।

তুমি ধেমালি কৰিছা। ছিৰিয়াছলি কৈছোঁ, উৰিষ্যাত চাব লগা ঠাই বহুত আছে। কিন্তু থাকিলেই নহয়, সেই-খিনি সজাই পৰাই, সুন্দৰভাৱে মানুহৰ আগত দাঙি ধৰিব লাগিব। তোমাৰ বিজ্ঞানে নিশ্চয়কৈ দেশৰ উন্নতি সাধন কৰিব, কিন্তু দেশ এখনৰ পৰিচয় দিবলৈ সংস্কৃতি আৰু ঐতিহ্যৰ প্ৰয়োজন। টকা এসোপা থাকিলেই মানুহ এজন সন্মানীয় নহয়, তাৰ বাবে এটা কালচাৰৰ প্ৰয়োজন। দেশ এখনৰ ক্ষেত্ৰতো একে কথাই প্ৰযোজ্য।

ছুপৰৰ ৰ'দত উজলি উঠা অনু-ৰাধাৰ বহল ছুটা চকুলৈ চাই অৰু-ণাভে এজনী নতুন অনুৰাধা আৱিষ্কাৰ কৰিলে। কোনোদিনে কেতিয়াও ছিৰিয়াছলি কথা নোকোৱা এই ছট-ফটীয়া, ক্ষীণাংগী ছোৱালীজনীৰ মনৰ গভীৰত অইন এজনী নতুন ছোৱালীৰ আৱিষ্কাৰে অৰুণাভক মুহূৰ্তৰ বাবে, মধুৰভাৱে আশ্চৰ্যান্বিত কৰিলে।

ইতিমধ্যে মন্দিৰ-প্ৰাংগন ভৰি পৰিছে টুৰিষ্ট বাছ আৰু টেক্সিৰে অহা বিভিন্ন দৰ্শন প্ৰাৰ্থীৰে। কোনো-বাই মন্দিৰৰ ভিতৰত দেৱতা বিচাৰি গৈছে আৰু কোনোবাই বা দিনৰ পোহৰত চিকমিকাই থকা মন্দিৰৰ মসৃণ গাত খোদিত অপৰূপ সৌন্দৰ্যৰে ভৰপূৰ পাষাণ মূৰ্তি নিৰীক্ষণ কৰিছে।

অৰুণাভে নাজানে, সঁচাকৈ ভিতৰত দেৱতা আছে নে নাই, কিন্তু ছুপৰৰ ৰ'দৰ উদ্ভাসিত হৈ উঠা পাষাণী সুঠাম তনুৰ সুস্মিত লাৱণ্যৰ জোৱাৰে অৰুণাভক অভিভূত কৰি তুলিলে।

বেছিভাগেই নাৰীৰ মূৰ্তি, প্ৰায় বিবসনা, শৰীৰৰ প্ৰতিটো অংগ নিখুঁত হাতেৰে খোদিত যৌৱন-সৌন্দৰ্যৰ অনন্ত সম্ভাৰ। সেই লাৱণ্যময়ী নাৰীৰ কমনীয় মুখত ফুটি উঠা যৌৱনশ্ৰীয়ে যুগে-যুগে যেন পাষাণীৰ ৰূপত বহন কৰি আহিছে প্ৰেম-পিপাসী মানুহৰ চিৰন্তন আকাংক্ষা!

মন্দিৰৰ পিছফালে খোদিত বিভিন্ন ভংগীমাৰ অপ্সৰাৰ মূৰ্তিৰ সন্মুখত অৰুণাভ-অনুৰাধা থিয় হৈ ৰ'ল নিঃশব্দে। মন্দিৰৰ ভিতৰৰপৰা বাৰে-বাৰে ভাঁহি আহিছে পবিত্ৰ ঘণ্টাৰ ধ্বনি। অনুৰাধাৰ পাতল বাদামী চুলি বতাহত কঁপিছে. বতাহত উৰি অহা শাৰীৰ আঁচলে হঠাতে একোবাৰ অৰুণাভক স্পৰ্শ কৰিছে।

গছৰ ডালত ধৰি প্ৰিয়জনৰ কাৰণে আকুল আগ্ৰহেৰে অপেক্ষাৰতা অপ্সৰাৰ মূৰ্তিৰ এটাৰ সন্মুখত অৰুণাভ ৰ'ল। মূৰ্তিৰ সমগ্ৰ শৰীৰত নিখুঁত যৌৱনশ্ৰী, খোলা চুলি পৰি আছে অনাবৃত কান্ধত; স্ফুৰিত ওঁঠত যেন নিঃশব্দ আহ্বান। স্বচ্ছ উত্তৰীয়ৰ আৱৰণ ভেদি উদ্ভাসিত হৈ উঠিছে সেই দেৱ-লোকৰ নাৰীৰ পীনোন্নত বক্ষ।

অনুৰাধাৰ মুখলৈ নোচোৱাকৈয়ে অৰুণাভে ক'লে— তোমাৰ দৰে লাগিছে!

চকু ঘূৰাই অৰুণাভে দেখিলে— মুহূৰ্তৰ বাবে অনুৰাধাৰ কাণৰ লতি ৰক্তাভ হৈ গৈছে। চকু ঘোপা কৰি অনুৰাধাই ক'লে,— অসভ্য ক'ৰবাৰ!

অনুৰাধা পীনোন্নতা নহয়। কোনো কোনো নাৰীৰ বুকুত ঔদ্ধত্য থাকে আৰু কোনো কোনোৰ নম্ৰতা। বতাহত কঁপি থকা শাৰীৰ আচলে অংগত যেতিয়া তৰংগ তোলে, তাৰ-পৰাই অৰুণাভে অনুমান কৰিব পাৰে —অনুৰাধাৰ বুকুত নম্ৰতা আছে।

সেই নম্ৰতা অৰুণাভৰ ভাল লাগে।

লাৱণ্যময়ী সেই মূৰ্তিৰ ওচৰৰপৰা আঁতৰি আহিবৰ সময়তে অৰুণাভৰ চকুত পৰিল মন্দিৰৰ চৌদিশ আবৰি থকা পকী দেৱাল-সংলগ্ন শিলৰ খট-খটিয়েদি কান্ধত বাইন'কুলাৰ আৰু হাতত কেমেৰা লৈ ধীৰে ধীৰে মঞ্চ এখনৰ ওপৰলৈ উঠি আহিছে এজন দীৰ্ঘকায় বিদেশী তৰুণ। তেওঁৰ চুটি-চুটি সোণালী চুলি ছুপৰৰ ৰ'দত চিকমিকাই আছে। দূৰৈৰ পৰাই অৰু-ণাভে চিনি পালে— সেয়া ডেনিছ ছিলভিয়া! কিন্তু দেৱালৰ বাহিৰ মঞ্চত কিয়? ভিতৰলৈওতো আহিব পাৰে? সঁচাকে পাৰেনে?

(আগলৈ)

---

৫০ পৃষ্ঠাৰ পিছৰ পৰা

"অসভ্য!"

কি? মোৰ দেহৰ ডেকা তেজ খুব খৰকৈ চলাচল কৰিবলৈ ধৰিলে। ফুটপাথৰ ওপৰতে তাইক ছুচাট লগাই দিবৰ মন গ'ল। সতী ওলাইছে!

হঠাৎ মই ছিগাৰেট এটাৰ বৰ প্ৰয়োজন অনুভৱ কৰিলো। মই পাহৰি গ'লো—মই যে কোনো দিন ছিগাৰেট নাখাওঁ। ফিল্টাৰ থকা ছিগাৰেট এটা জ্বলাই ল'লো। আৰু অলপ সময় ঘূৰিলো। তাৰ পাছত— নাই, আৰু ক'ত ঘূৰিম? ঘৰলৈকে যোৱা যাওক। "ঐ ৰিক্সা ব'ল। —চুৱৰৰ বাচ্ছা, নাযাৱ? নাক গুড়ি কৰি দিম।" মই জানো— সি নোযোৱাকৈ থাকিব নোৱাৰে।

"ঐ— ৰাখ। কি? নহ'ব? এটকা লব যদি ল, নহলে যা।"

তালৈ ভ্ৰূক্ষেপ নকৰি মই পদুলিৰে সোমাই গলো। মোৰ মুখত এটা হিন্দী গান। মোৰ চিঞৰি-চিঞৰি গান গাবলৈ মন গ'ল। উৱা— ইমান সোনকালে নকলো শুলেইনে?

"নীলি, ঐ নীলি! —মৰিলি নেকি? ছুৱাৰ খোল।"

নাই, কাৰো সাৰি শব্দ নাই। "ছালা" বুলি ছুৱাৰত এটা গোৰ সোধাই দিলো। ভিতৰৰ পৰা দেউতাই খুব জোৰেৰে চিঞৰি উঠিল— "মইনা"।

ময়ো চিঞৰি দিলো, —"ছুৱাৰ খোলা।"

দেউতাই ছুৱাৰ খুলি দিলে। মোক দেখি দেউতাই ভূত দেখাৰ দৰে চমকি উঠিল। মই দেউতাক কাটি কৰি থৈ ভিতৰত সোমাব খোজাৰ লগে লগে দেউতাই "কলৈ যাব?" বুলি চিঞৰি উঠিল। মই দেউতাৰ ৰঙা চকুলৈ চালো। লগে লগে দেউতাই "কুকুৰ এতিয়াই বাহিৰ হ" বুলি দেহৰ সমস্ত শক্তিৰে এটা কাণতলীয়া চৰ সোধাই দিলে। তাৰ পাছত একে আজোৰে মোৰ আধুনিক কবচটোত খামোচ মাৰি ধৰি এটা প্ৰচণ্ড আজোৰ মাৰিলে। চেৰেককৈ চোলাটো ফাটি গ'ল। মই কৰ্ফাল খাই পৰিব খুজিছিলো। কোনোমতে নপৰাকৈ থাকি ভেবা লাগি চাই ৰলো। দেউতাই খঙতে ফোপাইছে।

লাহে লাহে মই পুনৰ 'মইনা'লৈ ৰূপান্তৰিত হলো। মোৰ চিঞৰি-চিঞৰি কান্দিবৰ মন গ'ল। মই কোনোমতে দেউতাক কলো, —"দেউতা, সকলোৰে দেউতাকবোৰ যদি আপোনাৰ নিচিনা…"

কান্দোনে মোৰ মুখৰ শব্দ খাই পেলালে।

---

## সম্পাদকৰ কোঠালিত

বন্ধু ঃ ভাৰত মহাসাগৰক শান্তিৰ অঞ্চল কৰি ৰাখিব লাগে বুলি ভাৰত চৰকাৰে মাজে-মাজে বিবৃতি বক্তৃতা আদি কিয় দি থাকে জানা? পুব, পশ্চিম, উত্তৰ, দক্ষিণ যি কোনো ফালে,— মাটিৰ ওপৰত থকা যি কোনো দেশৰ লগত এই দেশখনৰ শান্তিৰ চিন নাই। নিজৰ দেশৰ মাটিতো নাই। ভাৰত নামটো লগ লাগি থকা, অথচ মানুহ নথকা বস্তু হ'ল ভাৰত মহাসাগৰ। গতিকে তাতে শান্তি হ'ব লাগে বুলি মাজে-মাজে কৈ থাকিব লাগে।






OKDISCD

# ৰাষ্ট্ৰীয় চলচিত্ৰ বঁটা, ১৯৮৭

১৯৮৭ চনৰ ৰাষ্ট্ৰীয় চলচিত্ৰ পুৰস্কাৰসমূহৰ কথা যোৱা ১মে' তাৰিখে ঘোষণা কৰা হৈছে। শ্ৰেষ্ঠ চলচিত্ৰ হিচাপে স্বৰ্ণকমল বঁটা লাভ কৰিছে "তবৰনা কাথে" নামৰ কানাড়া ভাষাৰ চলচিত্ৰখনে। চলচিত্ৰখনৰ পৰিচালক হ'ল গিৰীশ কাছৰাৱলী। উল্লেখযোগ্য যে এইজন পৰিচালকৰ প্ৰথম পূৰ্ণ দৈৰ্ঘ্য চলচিত্ৰ "ঘটশ্ৰাদ্ধ"ই ১৯৭৭ চনত স্বৰ্ণকমল বঁটা লাভ কৰিছিল। কাছৰাৱলীয়ে শিক্ষা লৈছিল ফাৰ্মাছিষ্ট হ'বলৈ; কিন্তু পাছত সেই বৃত্তিলৈ নগৈ তেওঁ নিজকে চলচিত্ৰৰ লগত জড়িত কৰে। 1972 চনত তেওঁ ফিল্ম এণ্ড টিভি ইনষ্টিটিউটত যোগদান কৰে। ১৯৭৫ চনত তেওঁ নিৰ্মাণ কৰা "অৰশেষ" নামৰ তথ্যচিত্ৰই তেওঁলৈ প্ৰথম ৰাষ্ট্ৰীয় সন্মান আনে। বি. ভি. কাৰান্থৰ যশস্বী চলচিত্ৰ "চোমানা দুদি"ৰ তেওঁ সহকাৰী পৰিচালক আছিল। কাছৰাৱলীয়ে সঘনে পূৰ্ণ দৈৰ্ঘ্য চলচিত্ৰ নিৰ্মাণ নকৰাৰ প্ৰধান কাৰণ হ'ল আৰ্থিক অসুবিধা।



তবৰানা কাথে'ৰ এটা দৃশ্যত চাৰু হাছান

মালয়ালম চলচিত্ৰ "অৰিদাথ"ৰ পৰিচালক জি. অৰবিন্দনে শ্ৰেষ্ঠ পৰিচালকৰ সন্মান পাইছে। এওঁৰ চলচিত্ৰ "চিদাম্বৰমে" যোৱা বছৰ স্বৰ্ণকমল বঁটা লাভ কৰিছিল। শ্ৰেষ্ঠ অভিনেতাৰ পুৰস্কাৰ পাইছে "তবৰনা কাথে"ৰ অভিনেতা চাৰু হাছানে। মালয়ালম চলচিত্ৰ "নখক্ষথাংগাল"ৰ অভিনেত্ৰী মনীষাই শ্ৰেষ্ঠ অভিনেত্ৰীৰ পুৰস্কাৰ পাইছে। "মাধৱাচাৰ্য" নামৰ কানাড়া চলচিত্ৰখনে দুটা বঁটা লাভ কৰিছে; —পি. কৃষ্ণমূৰ্তিয়ে লাভ কৰিছে শ্ৰেষ্ঠ কলা-নিৰ্দেশকৰ বঁটা, আৰু এম. বালমুৰুলী কৃষ্ণই পাইছে— শ্ৰেষ্ঠ সংগীত পৰিচালকৰ বঁটা। শ্ৰেষ্ঠ গায়কৰ বঁটা লাভ কৰিছে হেমন্ত মুখাৰ্জীয়ে (চলচিত্ৰ: লালন ফকীৰ, বাংলা) আৰু শ্ৰেষ্ঠ গায়িকাৰ বঁটা লাভ কৰিছে মালয়ালম গায়িকা চিত্ৰাই (চলচিত্ৰ: নখক্ষথাংগাল)। পৰিচালকৰ প্ৰথম ছবি শিতানত শ্ৰেষ্ঠত্বৰ বঁটা পাইছে সুধীৰ মিশ্ৰই (চলচিত্ৰ: য়ে রহ মঞ্জিল তো নহী)। ৰাষ্ট্ৰীয় সংহতি সম্পৰ্কীয় শ্ৰেষ্ঠ চলচিত্ৰৰ বাবে ৰখা নাৰ্গিছ দত্ত বঁটা এইবাৰ কাকো দিয়া নহ'ল।

এইবাৰৰ ফলাফললৈ লক্ষ্য কৰিলে দেখা যায়,— দক্ষিণ ভাৰতৰ চলচিত্ৰৰ শক্তি যোৱা কেইবছৰমান ধৰি যিহাৰত বাঢ়িছে, সেই হাৰ অব্যাহত আছে। বুদ্ধদেব দাসগুপ্তই শ্ৰেষ্ঠ চিত্ৰনাট্যৰ বঁটা পাইছে, "ৰবীন্দ্ৰ ও চলচিত্ৰ" নামৰ কিতাপৰ বাবে অৰুণ কুমাৰ ৰয়ে শ্ৰেষ্ঠ চলচিত্ৰ গ্ৰন্থৰ বঁটা পাইছে, আৰু চিদানন্দ দাসগুপ্তই পাইছে শ্ৰেষ্ঠ চলচিত্ৰ-সাংবাদিকৰ বঁটা। গতিকে অলপ পাতল সুৰত কব পাৰি,— কাগজে-কলমে বাংলা চলচিত্ৰ জগতৰ কাম ঠিকেই আছে, কিন্তু হাতে-কামে আগবাঢ়িছে কানাড়া আৰু মালয়ালম চলচিত্ৰ। ৰাষ্ট্ৰীয় চলচিত্ৰ বিত্ত আৰু উন্নয়ন নিগমৰ দ্বাৰা প্ৰযোজিত, আৰু কেতন মেহতাৰ দ্বাৰা পৰিচালিত "মিৰ্চ মছালা"ই শ্ৰেষ্ঠ হিন্দী চলচিত্ৰৰ সন্মান লাভ কৰিছে। এই ছবিত অভিনয় কৰা সুৰেশ অবেৰয়ে শ্ৰেষ্ঠ সহ অভিনেতাৰ সন্মান লাভ কৰিছে আৰু ছবিখনৰ সম্পাদক সঞ্জীৱ শ্বাহে শ্ৰেষ্ঠ সম্পাদকৰ পুৰস্কাৰো লাভ কৰিছে। শ্ৰেষ্ঠ সহ অভিনেত্ৰীৰ বঁটা লাভ কৰিছে ওড়িয়া ছবি "ভাঙা চিলট"ৰ অভিনেত্ৰী মঞ্জুলা কুৰানাৰে।





গিৰিশ কাছৰাৱলী



জি. অৰবিন্দন

বিশেষভাৱে উল্লেখযোগ্য,—তথ্যচিত্ৰৰ ভাগত চন্দ্ৰ নাৰায়ণ বৰুৱাই নিৰ্মাণ কৰা তথ্যচিত্ৰখনে বঁটা লাভ কৰিছে। "নন-ফিচাৰ ফিল্ম" ভাগত শ্ৰেষ্ঠ ছবিৰ বঁটা লাভ কৰিছে গৌতম ঘোষৰ "দি লেণ্ড অৰ ছেণ্ড ডিউন" নামৰ ছবিখনে।

## সংক্ষেপে "তবৰনা কাথে"ৰ কাহিনীটো

তবৰ স্বাধীনোত্তৰ কালৰ এখন সৰু চহৰৰ পৌৰসভাৰ চতুৰ্থ শ্ৰেণীৰ কৰ্মী। ব্ৰিটিছৰ দিন কিন্তু তেওঁৰ বেছি আদৰৰ আছিল। এতিয়াও সেয়ে তবৰে সেই সময়ৰ গুণকে গাই থাকে।

বৰ্তমানৰ ব্যৱস্থাই তবৰক যথেষ্ট বিপাঙত পেলায়। কেৱল তবৰেই নহয়, কাৰ্যালয়ৰ উচ্চ বিষয়াজনো স্বাধীনোত্তৰ কালৰ আমোলাতান্ত্ৰিক ব্যৱস্থাটোৰ বন্দী হৈ পৰে।

এই ব্যৱস্থাৰ বিৰুদ্ধে যুঁজ দি তবৰ হায়ৰাণ হয়। ইফালে পত্নী অপ্পিৰ ডায়েবেটিছ হোৱাত তবৰে পেন্সনৰ ধন বিচাৰি হাবাথুৰি খায়। তেওঁক প্ৰকৃততে চৰকাৰী চাকৰিয়াল বুলি আৰু পেনছন পোৱাৰ যোগ্য বুলি প্ৰমাণ কৰোঁতেই বহু সময় পাৰ হৈ যায়। ইফালে চিকিৎসাৰ অভাৱত অপ্পিৰ মৃত্যু ঘটে। স্বাধীনোত্তৰ কালৰ ব্যৱস্থাৰ দোমোজাত তবৰ বিবুদ্ধি হৈ বৈ যায়।

"তবৰনা কাথে" চলচিত্ৰৰ মূল কাহিনী পূৰ্ণ চন্দ্ৰ তেজস্বীৰ। মূল কাহিনীত তবৰৰ কোনো ল'ৰা-সুৰি নাছিল। পৰিচালক গিৰিশ কাছৰাৱলীয়ে চিত্ৰনাট্যত তবৰৰ এটা তোলনীয়া ল'ৰাৰ অৱতাৰণা কৰি স্বাধীনতাৰ আগৰ আৰু পাছৰ সময় দুটাৰ জেনেৰেশ্যনৰ ব্যৱধান ৰক্ষা কৰিছে।

## বান

এইবাৰ ৰাষ্ট্ৰীয় চলচিত্ৰ বঁটাৰ তালিকাত অসমীয়া ভাষাৰ ৰজত কমল পোৱা চলচিত্ৰখন হ'ল চাৰু কমল হাজৰিকাৰ "বান"।

ঠিকাদাৰ জগত বৰুৱাৰ বিল পাছ হোৱাত সমস্যা হ'ল: কোনোবাই নিশাৰ আন্ধাৰত তেওঁ নিৰ্মাণ কৰা মথাউৰিটো ভাঙি পেলালে। ডেকা ইঞ্জিনিয়াৰ শ্ৰীডেকাই সাহসেৰে এবাতি দুৰ্বৃত্তক ধৰিলে। স্বাধীন নামৰ দুৰ্বৃত্তই এই সুযোগতে ফ্লেশ্বেকত নিজৰ কাহিনীটো কলে।

বান চাৰু কমল হাজৰিকাৰ দ্বিতীয়খন পূৰ্ণ দৈৰ্ঘ্যৰ ছবি। প্ৰথমখন ছবি "আলোকৰ আহ্বান"ৰ বাবেও তেওঁ ৰজত কমল পাইছিল (১৯৮৩ চনত)। এইখন চলচিত্ৰক পুৰস্কাৰৰ মন্তব্য পত্ৰত বিচাৰকসকলে "a realistic presentation of the theme of rural co-operatives in the handloom industry of Assam" বুলি উল্লেখ কৰিছিল।



চাৰু কমল হাজৰিকা

স্বাধীন (ৰবীন নেওগ) এইবাৰৰ ছবিখনত চাৰু কমল হাজৰিকাৰ midnight child। এজন স্বাধীনতা যুঁজাৰুৰ পুত্ৰ স্বাধীনৰ জন্ম ১৯৪৭ চনৰ ১৫ আগষ্টত। এলানি ফ্লেশ্বেকত স্বাধীনৰ ন্যায়পৰায়ণতা আৰু দেশপ্ৰেমৰ শিক্ষা লাভ আৰু দুৰ্নীতিৰ বিৰুদ্ধে কৰা সংগ্ৰামেই "বান"। চলচিত্ৰৰ পটভূমি মাজুলীৰ এখন বানবিধ্বস্ত অচিন মিছিং গাঁও।

"বান" বৰ্তমানৰ গণতান্ত্ৰিক প্ৰক্ৰিয়াটোৰ চালচলনৰ সমালোচনা। কাহিনী, চিত্ৰনাট্যও হাজৰিকাৰ নিজৰ।

ড'-ৰে-মি ফিল্মছে (যোৰহাট) ভাৰতীয় ফিল্মছ ডিভিজনৰ বাবে নিৰ্মাণ কৰা যদিও 'বান'ৰ সংলাপ আৰু action একাধিক ক্ষেত্ৰত যথেষ্ট চোকা হৈ আছে।

দহ বছৰমান আগেয়ে "দি বাড়িয়াজ" নামৰ এখন এঘাৰ মিনিটৰ তথ্যচিত্ৰ নিৰ্মাণ কৰিয়েই চাৰু কমল হাজৰিকাই প্ৰশংসা অৰ্জন কৰিছে। "দি বাড়িয়াজ" অসমৰ এটা সাপ ধৰা ক্ষুদ্ৰ জনগোষ্ঠীৰ দৈনন্দিন জীৱন-কাহিনী আছিল। তাছখণ্ডত এখন আন্তঃৰাষ্ট্ৰীয় চলচিত্ৰ সমাৰোহত এইখন তথ্যচিত্ৰই প্ৰশংসা লাভ কৰে। টেলিভিশ্যনত "দি বাড়িয়াজ" বিজ্ঞান আৰু ইউ. জি. ছি. অনুষ্ঠানৰ বাহিৰে আন সময়তো মাজে-মাজে দেখুউৱা হয়।

ভাৰতীয় চলচিত্ৰত নতুন জোৱাৰ অনা চিত্ৰ নিৰ্মাতাসকলৰ তালিকাত সমালোচকসকলে চাৰু কমল হাজৰিকাকো অন্তৰ্ভুক্ত কৰিছে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ছবিঅ'লজিৰ এম. এ. চাৰু কমল হাজৰিকা ফিল্মছ ডিভিজনৰ পেনেলত স্থান পোৱা একমাত্ৰ অসমীয়া চিত্ৰ নিৰ্মাতা।

"বান" ছবিঘৰত মুক্তি পোৱা নাই। গুৱাহাটী আৰু কমলাবাৰীত (মাজুলী) একোটা ঘৰুৱা প্ৰদৰ্শনত কেইজনমান লোকৰহে এই চলচিত্ৰ চোৱাৰ সৌভাগ্য হৈছে। এই ছবিৰ ব্যৱসায়িক মুক্তিৰ বাবে যো-জা চলি আছে আৰু চেপ্টেম্বৰত ছবিখনে মুক্তি পাব বুলি আশা কৰা হৈছে।

সমুদ্ৰ গুপ্ত কাশ্যপ

এইবাৰৰ সন্তোষ ট্ৰফি ঃ

# ভাৰতীয় ফুটবলৰ হতাশজনক অৱস্থা



কলিকাতাত অনুষ্ঠিত সন্তোষ ট্ৰফি ফুটবল প্ৰতিযোগিতাৰ ফাইনেলত পশ্চিম বংগ দলে ৰেলৱেক ২-০ গ'লত পৰাজিত কৰি চেম্পিয়ন হয়। এইবাৰকে লৈ বংগই ৩২ বাৰ ফাইনেল খেলি ২২ বাৰ ৰাষ্ট্ৰীয় চেম্পিয়নৰ সন্মান লাভ কৰিলে। ৰেলৱেই এইবাৰকে লৈ ৮ বাৰ ফাইনেল খেলিলে। এওঁলোক শেষবাৰ চেম্পিয়ন হৈছিল ১৯৬৬ চনত। অতি নিম্নমানৰ ফাইনেলখনত তৰুণ খেলুৱৈৰে গঠিত ৰেলৱে দলৰ বিৰুদ্ধে তথাকথিত 'তাৰকা'-সমৃদ্ধ প· বংগ দলে যি হতাশজনক ফুটবল খেলিলে তাৰপৰা ভাৰতীয় ফুটবলৰ দীনতা আৰু হতাশজনক ছবি অধিক স্পষ্ট হৈ উঠিছে। যোৱা দুবছৰৰ চেম্পিয়ন পাঞ্জাব দলে কোৱাৰ্টাৰ ফাইনেলৰ লিগ মেচৰ এখন খেলতো জয়লাভ কৰিব নোৱাৰিলে। সমানেই হতাশ কৰিছে পূৰ্বৰ চেম্পিয়ন গোৱা দলে। এইবাৰ বিহাৰ দলে ছেমিফাইনেলত প্ৰৱেশ কৰিছিল— ৩২ বছৰ পাছত।

প্ৰাথমিক ৰাউণ্ডত অসম, ছাৰ্ভিছেছ, মিজোৰাম, নগালেণ্ড আৰু হিমাচল প্ৰদেশ একে গ্ৰুপত আছিল। ছাৰ্ভিছেছ আৰু অসমৰ পইণ্ট সমান হোৱাত ছাৰ্ভিছেছৰ গ'লৰ গড় ভাল হোৱাত সেই দলে কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰে। অসমৰ বাবুল ফুকনক 'স্পটাৰ' এজনিয়ে নিৰ্বাচিত কৰিছে,— আৰু অভিহিত কৰিছে অন্যতম সম্ভাৱনাপূৰ্ণ খেলুৱৈ হিচাপে। নগালেণ্ডৰ আকুমক সম্ভাৱনাময় খেলুৱৈ হিচাপে বিবেচনা কৰা হৈছে; কিন্তু কথা হ'ল— যিজন খেলুৱৈয়ে আজিৰপৰা ছবছৰ আগতে ভাৰতৰ জাৰ্চি পিন্ধিছিল অথচ পৰৱৰ্তী '৮২ আৰু '৮৬ৰ এছিয়াডত উপেক্ষিত হৈছিল, সেইজন খেলুৱৈক এতিয়া সম্ভাৱনাময় খেলুৱৈ বুলি বিবেচনা কৰাটো কিমান দূৰ যুক্তি সংগত?

এইবাৰৰ প্ৰতিযোগিতাত একমাত্ৰ ছাৰ্ভিছেছ আৰু নগালেণ্ডৰ খেলখনৰ বাহিৰে (নগালেণ্ডে জয়লাভ কৰিছিল) আন কোনো এখন খেলেই দৰ্শকক তৃপ্তি দিব পৰা নাছিল। খেলুৱৈসকলৰ "বেছিক স্কিলৰ" অভাৱ বাৰুকৈয়ে চকুত পৰিছিল। ভুল পাছ, শ্যুটিঙৰ দুৰ্বলতা, গতিৰ অভাৱ আৰু পাৰস্পৰিক বল আদান-প্ৰদান কৰি খেলাত বিফলতা আদিয়ে দৰ্শকক হতাশ কৰিছে। মুঠতে ৰাষ্ট্ৰীয় ফুটবল প্ৰতিযোগিতাত খেলুৱৈসকলৰ অৱস্থা অতি দুখ লগা; খেলৰ মান অতি নিম্ন। ৰাজ্য সন্থাসমূহে লগতে ভাৰতীয় ফুটবল ফেডাৰেশ্যনে নতুনকৈ চিন্তা-ভাৱনা নকৰিলে পূৰ্বৰ এছিয়ান চেম্পিয়ন ভাৰতৰ ভৱিষ্যতে নেপাল নাইবা বাংলাদেশৰ দৰে ফুটবলত দুৰ্বল দেশৰ বিৰুদ্ধেও জয়লাভ কৰাটো সম্ভৱপৰ নহ'ব।

### মেছকট "বাবু"

কলিকাতাত অনুষ্ঠিত হবলগীয়া দক্ষিণ এছীয় ফেডাৰেশ্যন (ছাফ) গেমছৰ "মেছকট" হ'ব "বাবু"। নৰেশ্বৰ মাহলৈকে কলিকাতাৰ সকলোতে দেখা যাব এই 'বাবু'ক। মেছকট "বাবু" হ'ল সুন্দৰবনৰ বিখ্যাত ৰয়েল বেংগল টাইগাৰ। এই বাঘক আদ্দিৰ পাঞ্জাবী আৰু কোঁচ দিয়া চুৰিয়া পিন্ধাই পুৰণি কলিকাতাৰ অভিজাত "বাবু মশাই" হিচাপে সজোৱা হৈছে। এই মেছকটটো নিৰ্বাচিত কৰিছে 'ছাফ' গেমছৰ সংগঠক কমিটিয়ে। কলিকাতা আৰু ইয়াৰ আশেপাশে সকলো ঠাইতে 'বাবুক' জনপ্ৰিয় কৰাৰ পৰিকল্পনাও কৰা হৈছে।




### বিশ্বকাপ (ৰিলায়েন্‌ছ) ক্ৰিকেটৰ বিধি-বিধান

অহা বিশ্বকাপ ক্ৰিকেটত কম সংখ্যক অ'ভাৰ বল কৰাৰ কাৰণে ফিলডিং কৰা দলে যেনেকৈ জৰিমনা ভৰিব লাগিব, তেনেকৈ সময় নষ্ট কৰাৰ কাৰণে বেটিং কৰা দলেও জৰিমনা ভৰিব লাগিব। যদি দেখা যায় যে বেটিং কৰা দলে ইচ্ছাকৃতভাৱে সময় নষ্ট কৰিছে (যাৰ ফলত ফিল্ডিং কৰা দলে পঞ্চাছ অ'ভাৰ বল কৰিব নোৱাৰিলে), তেনেহলে ফিল্ডিং কৰা দলক যি হাৰত জৰিমনা কৰা হ'ব, বেটিং কৰা দলকো সেই হাৰতে জৰিমনা কৰা হ'ব। প্ৰাথমিক মেচসমূহত জৰিমনাৰ হাৰ এনেকুৱা ঃ নিৰ্দিষ্ট পঞ্চাছ অ'ভাৰৰ এক অ'ভাৰ কম হ'লে প্ৰায় ২১,০০০ টকা জৰিমনা, একৰ পৰা বেছি অ'ভাৰ কম হলে প্ৰতি অ'ভাৰত অতিৰিক্ত জৰিমনা প্ৰায় ২৯,০০০ টকা। ছেমি ফাইনেলত জৰিমনাৰ হাৰ আৰু বেছি। এক অ'ভাৰ কম বল কৰিলে জৰিমনা ভৰিব লাগিব প্ৰায় ৪২,০০০ টকা। ইয়াৰ পাছৰ প্ৰতি অ'ভাৰত ৫৯,০০০ টকা। ফাইনেলত এক অ'ভাৰ কম বল কৰিলে জৰিমনা ভৰিব লাগিব প্ৰায় ১,১৮,০০০ টকা; দুই অ'ভাৰ কম বল কৰিলে ১,৭৬,৪০০ টকা।

বিভিন্ন দলে পুৰস্কাৰৰ বাবদ যি টকা পাব, তাৰ পৰা এই জৰিমনাৰ টকা বাদ দিয়া হ'ব। যদি দেখা যায় যে মুঠ জৰিমনাৰ টকা পুৰস্কাৰৰ টকাতকৈ বেছি, তেনেহ'লে গেৰাণ্টিৰ বাবদ পাবলগীয়া টকাৰ পৰা জৰিমনাৰ টকা কাটি ৰখা হ'ব।

কোনো এখন খেলত যদি 'টাই' হয়, তেনেহলে যিটো দলে কম সংখ্যক উইকেট হেৰুৱাইছে, সেই দলে জয়লাভ কৰিব। দুয়োটা দলেই অল আউট হৈ গ'লে, যাৰ ৰান কৰাৰ হাৰ বেছি, সেই দল বিজয়ী হ'ব। যদি ইমানতো জয়ী নিৰ্ধাৰণ কৰিব নোৱৰা অৱস্থা হয়, তেতিয়া হ'লে ৪০ অ'ভাৰত যাৰ ৰান বেছি হৈছিল সেই দলকে জয়ী ঘোষণা কৰা হ'ব। যদি ৪০ অ'ভাৰৰ ৰানৰ সংখ্যাও সমান সমান থাকে, তেনেহলে ৩০ অ'ভাৰৰ ৰান সংখ্যা বিচাৰ কৰা হ'ব। তেতিয়াও যদি মীমাংসা নহয়, তেনেহলে ১৫ অ'ভাৰৰ ৰানৰ হিচাপত বিচাৰ কৰা হ'ব। কোনো মেচ অসমাপ্ত থাকিলে দ্ৰুত গতিত ৰান কৰা দলটোৱে জয়লাভ কৰিব। তেনে ক্ষেত্ৰত পিছত বেটিং কৰা দলটোৱে অতি কমেও ২৫ অভাৰ বেট কৰিব লাগিব। নহলে খেলখন পৰিত্যক্ত হ'ব।

প্ৰতিটো দলে প্ৰতিখন খেলত জয়লাভৰ বাবে ৪ পইণ্ট আৰু 'টাই' বা মীমাংসা নোহোৱাৰ বাবে ২ পইণ্ট পাব। একোটা গ্ৰুপৰ পৰা কোন দল নক আউট পৰ্যায়লৈ যাব, সেইটো নিধাৰণৰ সময়ত যদি দেখা যায় যে দুটা দলৰ পইণ্ট সমান হৈছে, তেনেহলে যিটো দল অধিক মেচত জয়ী হৈছে সেইটো দল ছেমি ফাইনেললৈ যাব। দুয়োটা দলেই সমান সংখ্যক মেচত জয়ী হলে যাৰ ৰানৰ হাৰ তুলনামূলকভাৱে ভাল, সেইটো দল ছেমি ফাইনেললৈ যাব।

ছেমি ফাইনেলৰ খেলখন যদি 'টাই' হয়, নাইবা খেলখনৰ মীমাংসা নহয়, তেনেহলে যিটো দল গ্ৰুপত এক নম্বৰ হৈ ছেমি ফাইনেললৈ উঠিছে, সেইটো দলে ফাইনেল খেলিব। ফাইনেল শেষ হোৱাৰ কাৰণে তিনিটা দিন নিৰ্দিষ্ট কৰা আছে। যদি এই তিনি দিনতো খেলৰ মীমাংসা নহয়, বা খেলখন 'টাই' হয়, তেনেহলে যিটো দলৰ ৰানৰ গড় ফাইনেললৈকে তুলনামূলকভাৱে ভাল, সেই দলকে চেম্পিয়ন বুলি ঘোষণা কৰা হ'ব।

### ৮৭ হাজাৰ টকা জৰিমনা কৰিব

প্ৰি-অলিম্পিকৰ পুব-এছীয় গ্ৰুপৰ পৰা শেষ মুহূৰ্তত নাম প্ৰত্যাহাৰ কৰা বাবে ভাৰতে ১০ হাজাৰ ছুইছ ফ্ৰাঁ, অৰ্থাৎ প্ৰায় ৮৭ হাজাৰ টকা জৰিমনা দিব লাগিব। এছিয়ান ফুটবল কনফেডাৰেশ্যনৰ সচিব পিটাৰ ভেলাপ্পনে জনাইছে যে সম্প্ৰতি জুৰিখত অনুষ্ঠিত ফিফাৰ সভাত এই জৰিমনা ধাৰ্য কৰা হৈছে। —পুলক লাহিড়ী

৪ৰ্থ মুদ্ৰণ
হীৰেন ভট্টাচাৰ্যৰ নিৰ্বাচিত কবিতা
সুগন্ধি পখিলা
মূল্য ঃ২৫ টাকা
পৰিবেশক প্ৰকাশশিখা
পানবজাৰ, গুৱাহাটী-১

১০ পৃষ্ঠাৰ পিছৰ পৰা

ৰাজীব গান্ধীয়ে শ্ৰীলংকা আৰু তামিলনাডুৰ তামিলসকলৰ মাজৰে মধ্যমপন্থীসকলক প্ৰতিনিধিত্ব কৰা তামিল ইউনাইটেড লিবাৰেশ্যন ফ্ৰণ্টক (TULF) কাৰ্যক্ষম কৰি তোলা উচিত। মোৰ সৈতে হোৱা সাক্ষাৎকাৰত টি· ইউ· এল· এফৰ নেতা অমৃথলিংগমক শ্ৰীলংকাৰ পুবৰ তামিল সংখ্যাগৰিষ্ঠ অঞ্চলসমূহৰ সৈতে উত্তৰৰ জাফনাক সংলগ্ন কৰাৰ ভিত্তিত যে এটা সমাধান পাব পাৰি সেই বিষয়ে নিশ্চিত যেনেই দেখা গ'ল। শ্ৰীলংকা চৰকাৰেও এই বিষয়ত কিছু বেহাই আগবঢ়াইছে। এই সম্পৰ্কত এটা আপোচ সূত্ৰ উদ্ভাৱনৰ বিষয়টো দুয়োপক্ষৰ সাধ্যৰ অতীত হোৱা অনুচিত।

বোধকৰোঁ ৰাজীৱ গান্ধীয়ে এই ক্ষেত্ৰত আগভাগ লোৱা উচিত আৰু শ্ৰীলংকালৈ গৈ এটা শান্তিপূৰ্ণ সমাধান বিচৰাত সহায় কৰা উচিত। জয়বৰ্ধনেই নতুন দিল্লী ভ্ৰমণ কৰিব পাৰে বুলি কলম্বোৰ পৰা বাতৰি পোৱা গৈছে। তেওঁ আগতেও এবাৰ আহিছিল। কিন্তু ৰাজীৱ গান্ধীৰ শ্ৰীলংকা ভ্ৰমণে যিমান প্ৰভাৱ পেলালেহেঁতেন জয়বৰ্ধনেৰ দিল্লী ভ্ৰমণে সিমান প্ৰভাৱ নেপেলাব পাৰে। (ৰাজীৱ গান্ধীৰ ভ্ৰমণৰ ফলত) শ্ৰীলংকাৰ সমগ্ৰ পৰিৱেশটোৱেই সলনি হৈ যাব। ভাৰতে যে জাতিগত সমস্যাটোৰ সমাধানৰ বাবে যিমানদূৰ সম্ভৱ কৰিব খোজে, সিংহলীসকল আৰু বিশ্বৰ বাবে এইটোৱেই তাৰ এটা ডাঙৰ প্ৰমাণ হ'লহেঁতেন। এনে এটা শান্তি-মিছিলৰ ফলত সামৰিক সমাধানৰ কথা কৈ থকা কঠোৰ মনোভাবাপন্ন শ্ৰীলংকাৰ লোকসকলে, লগতে তামিল উগ্ৰপন্থীসকলেও, হিংসাত্মক কাৰ্যকলাপবোৰৰ অসাৰতা অনুভৱ কৰিব পাৰে।

# শিক্ষক-সমাজৰ নেতৃত্ব

যি কামত আমাক নিয়োগ কৰা হৈছে, সেই কাম সুচাৰুৰূপে, দক্ষতাৰে কৰিবলৈ, দেশখনৰ মানুহৰ সামগ্ৰিক আৰ্থিক অৱস্থাৰ লগত সংগতি থকা ধৰণৰ সা-সুবিধা আমি পাবই লাগিব আৰু যি পাইছোঁ, তাক আমি সকলোৱে যথেষ্ট বুলি নাভাবোঁ; আৰু এইখিনিয়েই যথেষ্ট বুলি কোনোবাই যদি ভাবেও, কাইলৈ তেওঁলোকৰ কাৰণেও সেইখিনি যথেষ্ট নোহোৱা হৈ পৰে। আৰু, যথেষ্ট হ'লেও, আৰু বেছি সা-সুবিধা আজি কিমানক নালাগে? গতিকে, চাকৰিত নিযুক্ত থকা লোকৰ সংগঠনসমূহে যুক্তিযুক্ত বা অযুক্তিকৰ,— বিভিন্ন কাৰণত অধিক সা-সুবিধাৰ কাৰণে অনুৰোধ-দাবী কৰা প্ৰক্ৰিয়াটো চলিয়েই থাকে। আৰু অবিৰতভাৱে চলি থাকে কাৰণেই চাকৰি নকৰা এভাগ মানুহৰ দুটা চিন্তা হয়; নিযুক্তসকলেহে সদায় দাবী কৰি থাকিব লাগে, নিয়োগকৰ্তাসকলে নিজৰ ফালৰপৰাই অবিৰত ভাৱে অৱস্থাবোৰ পৰীক্ষা কৰি, যথোপযুক্ত সময়ত যথোচিত নিৰিখত সা-সুবিধা বঢ়াই থকাৰ ব্যৱস্থাটো নিৰ্ভৰযোগ্য আৰু গ্ৰহণযোগ্য কৰি নোতোলে কিয়? কিয় সংগঠনবোৰক "কেৱল সা-সুবিধা বঢ়োৱাৰ কাৰণে আন্দোলন কৰি থকা"ৰ অপবাদৰ মাজলৈ ঠেলি থকা হয়? দ্বিতীয় চিন্তাটো হ'ল, —এই সংগঠনসমূহে যিবোৰ প্ৰস্তাৱ বা দাবী গ্ৰহণ কৰে, তাৰ ভিতৰত সদস্যসকলৰ কৰ্তব্যৰ প্ৰতি নিষ্ঠা, নিয়মানুবৰ্তিতা, সততা, জনসেৱা আদি সম্পৰ্কীয় প্ৰস্তাৱ থাকেনে? "আমাৰ সংগঠনৰ প্ৰতিজন সদস্যই সময়মতে কৰ্মস্থলীত উপস্থিত হৈ, গভীৰ নিষ্ঠা আৰু সততাৰে নিজৰ কৰ্তব্য সমাপন কৰিব; নিৰ্ধাৰিত সময়ৰ আগেয়ে কৰ্মস্থলী ত্যাগ নকৰিব; আৰু কৰ্তব্যৰ কালত মুখামুখি হোৱা জনসাধাৰণৰ লগত সহায়-সহানুভূতি-সৌহাৰ্দ্যৰ সম্পৰ্ক ৰক্ষা কৰিব।" —দৰমহাৰ নিৰিখ, মৰগীয়া বানচ, ঘৰ ভাৰা, চিকিৎসা-বানচ, ভ্ৰমণ বানচ আদিৰ প্ৰস্তাৱৰ লগতে এনেকুৱা এটা প্ৰস্তাৱো লোৱা হয়নে?

এক কথাত এইবোৰ অতি-আদৰ্শবাদী, utopian (সকলো ফালৰ পৰা নিখুঁত, পূৰ্ণতাপ্ৰাপ্ত ৰাষ্ট্ৰস্থাপনৰ স্বপ্নপূৰ্ণ, কাল্পনিক আৰু অসম্ভৱ) চিন্তা বুলি উৰাই দিব পাৰি। কিন্তু উৰাই নিদিলে কি হয়? একো লাভ নহয়নে?

এই প্ৰশ্নটো শিক্ষা-দীক্ষা, বৃত্তি আদিৰ ফালৰ পৰা সমাজত বিশিষ্ট স্থান অধিকাৰ কৰি থকা শিক্ষকসকলৰ সংগঠনসমূহেই প্ৰথমে বিচাৰ কৰি চাব পাৰে, আৰু বিচাৰৰ ফলাফলৰ ওপৰত ভেটি কৰি অন্যান্য সংগঠনসমূহক বাট দেখুৱাব পাৰে। এই প্ৰসংগটো মনলৈ অহাৰ এটা কাৰণ আছে। যোৱা এপ্ৰিল মাহত নাৰায়ণপুৰত অনুষ্ঠিত অসম কলেজ শিক্ষক সংস্থাৰ বছৰেকীয়া অধিৱেশনৰ বাতৰি এখন কাকতত পঢ়িলোঁ। অধিৱেশনত গ্ৰহণ কৰা প্ৰস্তাৱসমূহৰ পাৰম্পৰিক গুৰুত্বৰ কাৰণেই হওক বা বাতৰি পৰিৱেশন কৰাৰ ধৰণটোক আজিকালি এক ধৰণৰ বতাহে কোবাই থকাৰ কাৰণেই হওক,— বাতৰিটোৰ শিৰোনামাটো হ'ল— শিক্ষক সংস্থাটোৱে সৰ্বভাৰতীয় সংস্থাই দিয়া ধৰ্মঘটৰ আহ্বান সমৰ্থন কৰিছে। শিৰোনামাটো দেখিয়েই হ'ল নহয় অধিৱেশনখন সম্পৰ্কে আপোনাৰ এটা ধাৰণা! ৯৬ শাৰীৰ বাতৰিটোৰ ৫১ শাৰীত চাকৰিৰ সা-সুবিধা, নিৰাপত্তা আদিৰ কথা আছে, ৩৮ শাৰীত স্নিনিবৰ্তীয় ডিগ্ৰিৰ পাঠ্যক্ৰম, পাঠ্যপুথি, কৰ্মমুখী শিক্ষা, পৰীক্ষা-ঘৰত পৰীক্ষাৰ্থীয়ে নকল কৰা, পৰীক্ষা-ঘৰৰ তত্ত্বাৱধায়কক মাৰ-ধৰ কৰা, ৰাজ্যৰ উদ্যোগসমূহত কৰ্মসংস্থান পাব পৰাকৈ থলুৱা যুৱক-যুৱতীক প্ৰশিক্ষণ দিবলৈ প্ৰতিষ্ঠান স্থাপন কৰা আদিৰ কথা আছে, আৰু এইবোৰ বিষয়ত বিহিত ব্যৱস্থা লবলৈ সংশ্লিষ্ট কৰ্তৃপক্ষসমূহৰ ওচৰত দাবী উত্থাপন কৰা হৈছে। ঠিকেই আছে। আজিৰ অসমৰ শিক্ষাজগতৰ কঠিন সমস্যাসমূহ আৰু শিক্ষকসকলৰ নিজৰ সা-সুবিধা,— এই সকলোৰে প্ৰতি সংস্থাটো সজাগ। কিন্তু বাতৰিটোৰ শিৰোনামা— "পাঠ্যক্ৰম আৰু পাঠ্যপুথিৰ সমস্যা সমাধান কৰিবলৈ শিক্ষক সংস্থা বদ্ধপৰিকৰ" —এনে ধৰণৰ হ'ব নোৱাৰিলেহেঁতেন নে? হোৱাহেঁতেন পাঠকাৰ্টো কিমান গুৰুত্বপূৰ্ণ হ'লহেঁতেন।

"শৈক্ষিক পৰিৱেশ সৃষ্টি কৰা" —এই বহুকথিত কামটো কোনে কৰে? কিহে কৰে? আমাৰ বোধেৰে এই সৰু-সৰু কথা বোৰেও কৰে।

চৰকাৰে ধনৰ যোগান ধৰিব পাৰিলে শিক্ষকৰ সা-সুবিধা বাঢ়িব; কিন্তু শিক্ষকে নিজে নকৰিলে বা নিজে সহায় নকৰিলে কোনখন চৰকাৰ, কোনখন বিশ্ববিদ্যালয়, কোনখন বৰ্ডৰ সাধ্য আছে পাঠ্যক্ৰম-পাঠ্যপুথিৰ খেলিমেলি দূৰ কৰাৰ,—পৰীক্ষাঘৰত নকল বন্ধ কৰাৰ,—প্ৰাইভেট টিউশান সম্পৰ্কে এটা ব্যৱস্থা কৰাৰ,— সময়-সূচীমতে শ্ৰেণীত পঢ়া-শুনা কৰোৱাৰ?

আজি আমাৰ শিক্ষাৰ ক্ষেত্ৰত দেখা দিয়া সমস্যাবোৰৰ কথা জানিবলৈ স্কুলৰ ছাত্ৰ-ছাত্ৰীয়ে লিখা চিঠি একোখনেই যথেষ্ট। সেই চিঠিৰ কথাবোৰ বহুত ডাঙৰ বক্তৃতাতকৈও মৰ্মস্পৰ্শী। সমস্যাবোৰৰ কাৰণো যথেষ্ট পৰিমাণে ব্যাখ্যা কৰা হৈছে। কিন্তু সেইবোৰৰ সমাধান কৰে কোনে? এইখিনি কথাকে ভাবি আমি শ্ৰদ্ধাৰে সৈতে স্কুল, কলেজ, বিশ্ববিদ্যালয়, সকলো পৰ্যায়ৰে শিক্ষকসকলৰ মুখলৈ চাইছোঁ। তেখেতসকলে একো-একোটা সমস্যাৰ বিষয়ে নিজৰ ভিতৰতে আলোচনা কৰি উপায় উলিয়াব পাৰে, আৰু সেই উপায় মানি চলিব পাৰে। "ক্লাছবোৰ ঠিকমতে নহয় কিয়?" —এই বিষয়টো আলোচনা কৰিবলৈওতো এখন অধিৱেশন অনুষ্ঠিত হ'ব পাৰে! এইটোতো এটা ডাঙৰ সমস্যা! পাঠ্যপুথি নাই যেতিয়া ক্লাছবোৰ ঠিকমতে হোৱাটোতো আৰু বেছি প্ৰয়োজনীয় কথা!

কোনোবাই আদৰ্শনীয় নেতৃত্ব দিলেই ৰাজ্যখনৰ বহু সংগঠন-সংস্থাই কাম আৰু দাবীৰ ক্ষেত্ৰত নতুন চিন্তা কৰিবলৈ লব। সেই নেতৃত্ব শিক্ষকসকলৰপৰা বিচৰাটো যুক্তিযুক্ত।

এই বিষয়ে আমি আৰু কিছু কথা আলোচনা কৰিম বুলি আশা কৰিছোঁ।

১১।৫।৮৭

[signature]



